# ৰংদৈৰ মনৰ ৰং



ষড়ানন দেউৰী

অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান
সঞ্চালকালয়, জৱাহৰনগৰ, গুৱাহাটী-২২

***RONGDOIR MONOR RONG*** **:** A Social Novel based on Deori Socio-Cultural milieu written by *SARANAN DEORI* and published by Assam Institute of Research for Tribals and Scheduled Castes (AIRT & SC.), Jawahar Nagar, Guwahati-781022.

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | অসম জন-জাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান সঞ্চালকালয়, জৱাহৰনগৰ, গুৱাহাটী - ৭৮১০২২ |
| © | ঃ | লেখক |
| প্ৰথম প্ৰকাশ | ঃ | জুন, ২০০৪ |
| বেটুপাতৰ পৰিকল্পনা | ঃ | লেখক |
| বেটুপাতৰ অলঙ্কৰণ | ঃ | শ্ৰীৰবীন্দ্ৰ দেউৰী (তুলেন) |
| মূল্য | ঃ | ৩৫.০০ টকা |
| ছপাওঁতা | ঃ | অসমী প্ৰিন্টাৰ্ছ<br>জি, এম, চি, মাৰ্কেট<br>চানমাৰি, গুৱাহাটী-৩ |


# অৰ্পণ



মোৰ সৃষ্টিশীল সাহিত্যকৰ্মাদিত
সততে উৎসাহ উদ্দীপনা যোগাই থকা
পৰম পূজনীয় 'চিগিৰা' (শহুৰ দেউতা)
শ্ৰীযুত লোহিত চন্দ্ৰ দেউৰী
আৰু
'চিগিৰাচি' (শাহুআই)
শ্ৰীযুতা অমিয়া দেউৰীৰ
নামত এই ক্ষুদ্ৰ গ্ৰন্থখনি
অৰ্পণ কৰিলো।

ষড়ানন দেউৰী

# প্ৰস্তাৱনা

চুকাফাৰ অসম আগমনৰ পূৰ্ব্বে চুটিয়া, দেউৰী আদি জাতিয়ে অসমৰ উত্তৰ-পূৰ্ব্বাঞ্চলত সু-খ্যাতিৰে বসবাস কৰিছিল। ভাষা, ধৰ্ম, সংস্কৃতিত তেওঁলোক উন্নত আছিল। তথাপি তেওঁলোকৰ সুকীয়া ইতিহাস লিপিবদ্ধ নোহোৱাটো আচৰিত কথা। আহোম বুৰঞ্জীত অ'ত ত'ত আৰু কেইজনমান বৃটিছ লিখকৰ ৰচনাত কিছু কথা পোৱা যায়। অসম বুৰঞ্জীত চুটিয়া আৰু দেউৰী সম্পৰ্কে লিখা কথা এক পক্ষীয় হোৱা বাবে তেওঁলোকৰ প্ৰকৃত ছবি প্ৰতিফলন নহ'ল। বৃটিছসকলেও যথা দৃষ্টং তথা লিখিতং উপায় ল'ব লগা হ'ল। সেয়ে আজি তেওঁলোকৰ বিষয়ে লিখিবলৈ হ'লে হাতত থকা সামান্য সমল, অনুমান, ঐতিহ্য আৰু আন কেতবোৰ প্ৰমানৰ ভিত্তিত লিখিব লগা হয়। উপলব্ধ সমলৰ গইনাত আজিকালি দুই এজনে দুখনমান গ্ৰন্থ প্ৰণয়ন কৰিছে। ইতিহাস লিপিবদ্ধ নোহোৱাৰ কাৰণো কোনেও বিশ্লেষণ কৰা নাই। চুকাফাই অসম আগমনৰ লগে লগে দেওধাই পণ্ডিতক বুৰঞ্জী লিখাৰ আদেশ দিছিল। চুটিয়া ৰজাই এই কাম নকৰাত কেইটামান সু-সভ্য জাতিৰ বিষয়ে জনাৰ ঔৎসুক্য চিৰদিনলৈ থাকিল।

এই শতিকাৰ চল্লিশৰ দশকৰ পৰা দেউৰীৰ ভালেমান শিক্ষিত লোক ওলাইছে। এইসকলেও তেওঁলোকৰ উপৰিপুৰুষৰ পৰা শুনা, অধ্যয়ন কৰি পোৱা আৰু নিজে উপলব্ধি কৰা কথাৰে প্ৰামান্য গ্ৰন্থ লিখাৰ আগ্ৰহ দেখুৱা নাই। সুখৰ কথা যে, শেহতীয়ভাৱে লক্ষীমপুৰ জিলাৰ নাৰায়নপুৰ অঞ্চলৰ কেইজমান শিক্ষিত ডেকাই দেউৰী আৰু অসমীয়া ভাষাত নিজ সম্প্ৰদায়ৰ কথাৰে কেইখনমান কিতাপ লিখিছে। তেওঁলোকৰ ভিতৰত কিনাপথাৰ দেউৰী গাৱঁৰ শ্ৰীমান ষড়ানন দেউৰীও এজন। শ্ৰীমান ষড়াননে 'মুদুমা' (সুগন্ধি) নামৰ এখন দোভাষী (দেউৰী-অসমীয়া) কবিতা পুথি লিখি সাহিত্য সেৱাৰ কাম আৰম্ভ কৰিছে। দুই এটা গল্প, প্ৰবন্ধ লিখিও আত্মপ্ৰকাশৰ সুবিধা পাইছে। সাহিত্য চৰ্চাত তেওঁৰ অনুৰাগ দেখি আনন্দ পাইছো।

এইবাৰ তেওঁ 'ৰংদৈৰ মনৰ ৰং' নামৰ এখন উপন্যাস লিখি প্ৰকাশৰ ব্যৱস্থা কৰিছে। উপন্যাসখনৰ কিয়দাংশ পঢ়িলো আৰু বাকী অংশৰ বিষয় বস্তুৰ অৱগত

হ'লো। চাৰিটা অধ্যায়ৰ এই উপন্যাসত দেউৰী সমাজ ব্যৱস্থা আৰু কৃষ্টি-সংস্কৃতিৰ নিখুঁট ছবি আঁকিবলৈ চেষ্টা কৰিছে। এই কামত লিখক সফল হৈছে বুলি বিশ্বাস।

উপন্যাসখনৰ বিষয়বস্তু প্ৰকাশৰ বাবে চিঁবা আতিগু (নতুন গাওঁ) নামৰ দেউৰী (দিবঙীয়া) গাওঁ এখনক পটভূমি হিচাবে লোৱা হৈছে। উপন্যাসখনৰ নায়িকা ৰংদৈ। তাইৰ ককায়েক বিন্দেশ্বৰ, সখীয়েক জোনাকী, পিতৃ-মাতৃ ক্ৰমে ৰূপচিং বৰদেউৰী আৰু জিমেশ্বৰী বৰদেউৰীয়নী আদি পাৰ্শ্ব চৰিত্ৰ। আৰম্ভণিৰে পৰা অন্তলৈ বিভিন্ন অধ্যায়ত বিহু, সকাম, শ্ৰাদ্ধ, বিবাহ পদ্ধতি, পূজা-পাতল, সামাজিক ৰীতি-নীতি, প্ৰাচীন প্ৰথা, বিশ্বাস-অন্ধবিশ্বাস, দেওধনী, দেওঘৰৰ অনুষ্ঠান লগতে বৰপূজাৰী বা বৰদেউৰীৰ পৰা শুনা দুই এটা মন্ত্ৰ সন্নিবেশ কৰিছে। উপন্যাসৰ সকলো লক্ষণ ইয়াত বিৰাজমান। ৰংদৈ আৰু জোনাকী প্ৰাণসখী, উষা-চিত্ৰলেখাৰ দৰে। জোনাকী আৰু বিন্দেশ্বৰৰ প্ৰনয় আৰু মিলনে দেউৰীৰ বিবাহ পদ্ধতিৰ আভাস দিয়ে। বিন্দেশ্বৰে ৰংদৈ, জোনাকীক সমাজ-সংস্কাৰৰ কামত সহায় কৰি মন আৰু ভাবৰ বিনিময় কৰাৰ সুবিধা পালে আৰু ৰংদৈয়ে সখীৰ প্ৰতি, সমাজৰ প্ৰতি কৰা ত্যাগত সেই সুখ লাভ কৰিলে। ৰংদৈয়ে দেউৰী সমাজৰ সাতামপুৰুষীয়া ৰীতি-নীতি, কু-সংস্কাৰ আঁতৰাই যুগৰ লগত খাপ খোৱাকৈ এখন নতুন সমাজ ৰচনাৰ বাবে জীৱন উৎসৰ্গা কৰিলে। পুৰণি প্ৰীতি আমাৰ জাতীয় চৰিত্ৰ। নতুন ৰীতি-নীতি, ধ্যান-ধাৰণা গ্ৰহণ কৰাটো পাপ বুলি ভাবে। পৰিবৰ্তনৰ লগত খোজ মিলাই যাব নোৱাৰাটো জাতিৰ দুৰ্বলতা। এনে সমাজ চিৰদিনেই পাচ পৰি থাকে। আমি স্থিতিশীলতাক পচন্দ কৰোনে গতিশীলতাক? এই প্ৰশ্নৰ ব্যাখ্যা ৰংদৈয়ে দিছে।

কলেজীয়া শিক্ষা পোৱা ৰংদৈ, জোনাকী, বিন্দেশ্বৰে সময়ৰ লগত খোজ মিলাই যাব খোজে। কিন্তু ৰক্ষনশীল পুৰণি চামে ইয়াক সমালোচনা কৰি বাধা দিব খোজে। ৰংদৈয়ে বাহিৰৰ আৰু নিজৰ সমাজখনক তুলনা কৰিছে। সেয়ে তাই বিশ্ব সংস্কৃতিৰ ফালে গতি কৰিবলৈ কয়। সিহঁতৰ মতে সাম্প্ৰদায়িক বৈশিষ্ট্য অক্ষুণ্ণ ৰাখিও বিশ্বৰ ঘাই সুঁতিত মিলিব পাৰি। ন-পুৰণিৰ মানসিক সংঘাট সৃষ্টি কৰি নতুনৰ প্ৰতি আদৰ জন্মোৱাই উপন্যাসৰ লক্ষ্য। নতুন ধ্যান-ধাৰনাৰে উদ্বুদ্ধ কৰি সিহঁতে মহিলা সংগঠন, যুৱ-সংগঠন, শিপিনী সংঘ, বিদ্যালয় আদি খুলিলে। গাৱঁৰ উঠি অহা শিশুসকলৰ স্বাস্থ্য, শিক্ষাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিলে। সিহঁতৰ আবেদন অনেকে শুনিলে কোনোৱে প্ৰত্যাখ্যান কৰিলে। শেষত ৰংদৈৰ দৰ্শনকে শুদ্ধ বুলি উঠি অহা চামে গ্ৰহন কৰিবলৈ বাধ্য হ'ল। ৰংদৈয় জীৱনত পোৱা ঘাত-প্ৰতিঘাটৰ মাজেদি দেখা পালে ন-প্ৰভাতৰ ৰেঙনি। তাই চাকৰি আৰু সাংসাৰিক জীৱনৰ মমতা এৰি পিতৃৰ পুৰণি ঘৰৰ ভেটিটোতে এখন বিদ্যালয় খুলি শিক্ষা প্ৰদান কৰিলে। নিষ্ঠা আৰু সততাৰ বাবে তাই ৰাষ্ট্ৰীয় পুৰস্কাৰো পালে। দেউৰী সমাজৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে আজি অনেক ৰংদৈৰ প্ৰয়োজন হৈছে। সমাজৰ কামত সহায় কৰা আৰু দুস্কৃতিক নাশিবলৈ গৈ আত্মত্যাগ কৰা বিন্দেশ্বৰৰ দৰে অনেক যুৱকৰ প্ৰয়োজন আছে।

উপন্যাসখনৰ আন এক আকৰ্ষণ হ'ল, ইয়াত প্ৰায় দুকুৰিতকৈ অধিক দেউৰী শব্দ ব্যৱহাৰ কৰিছে আৰু ইবোৰৰ অসমীয়া অৰ্থও দিছে। ইমানখিনি দেউৰী শব্দ শিকাৰ সুবিধা দিয়াত লিখক শলাগৰ পাত্ৰ। আমি যদি প্ৰকৃততে সমন্বয়, সম্প্ৰীতি বিচাৰো তেন্তে আমাৰ লিখক সকলে অসমৰ সকলো সম্প্ৰদায়ৰ ভাষাৰ কিছু শব্দ ব্যৱহাৰ কৰি বিভিন্ন জাতিৰ ভাষাৰ সোৱাদ লোৱাৰ সুবিধা দিব লাগে।

পৰিশেষত শ্ৰীমান ষড়ানন দেউৰীক এই সজ-কামৰ বাবে প্ৰশংসা কৰিছো। তেওঁৰ যত্ন সফল হৈছে নিঃসন্দেহে। পাঠকে উপন্যাসখন আদৰ কৰিব বুলি মই আশা কৰি শ্ৰীমানৰ কাপৰ পৰা আৰু সাহিত্য সৃষ্টি কামনা কৰিছো। ৰংদৈৰ মনৰ ৰঙৰ ছপা কপি এটা অতি সোনকালে পোৱাৰ অপেক্ষাৰে——

বিশ্ব বৰুৱা
প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি
অসম সাহিত্য সভা

নাৰায়নপুৰ
৩০-৫-১৯৯৯

# একাষাৰ

'ৰংদৈৰ মনৰ ৰং' উপন্যাসখন মোৰ প্ৰথম উপন্যাস। দেউৰী সমাজৰ পটভূমিত দেউৰী সমাজ-সাংস্কৃতিক দিশৰ প্ৰতিফলন ঘটাই এখন সামাজিক উপন্যাস লেখাৰ মানসিক তাড়না বিশ্ববিদ্যালয়ত পঢ়ি থকা দিনৰে পৰা গা কৰি উঠিছিল। বিশ্ববিদ্যালয়ৰ শিক্ষা সাং কৰি বিভিন্ন চৰকাৰী চাকৰিৰ তাগিদাত বিভিন্ন ঠাইত কাৰ্যনিৰ্বাহ কৰিবলগীয়া হোৱাত উপন্যাসখনৰ কলেৱৰ শামুকীয়া গতিৰেহে আগবঢ়াব পৰা গ'ল। কৰ্মব্যস্ততাৰ মাজতে শেহতীয়াকৈ হ'লেও উপন্যাস খন লেখি শেষ কৰিব পাৰি মনটো ফৰকাল লাগিল। তাৰপিছত আহিল প্ৰকাশৰ বিষয়লৈ মনটো আকৌ গধুৰ হোৱাৰ পাল। মাজতে মোৰ কবিতা পুথি 'মুদুমা' (দোভাষী) কেইকপিমান 'অসম জনজাতি ও অনুসূচিত জাতি গৱেষনা প্ৰতিষ্ঠান সঞ্চালকালয়ৰ পুথিভঁড়ালৰ বাবে জমা দিবলৈ যাওঁতে প্ৰতিষ্ঠানটোৰ তেতিয়াৰ সঞ্চালক শ্ৰীযুত জামান দেৱে,জনজাতি বিষয়ক পুথি প্ৰকাশৰ অনুপ্ৰেৰণা দি অনুদানৰ কথা প্ৰকাশ্যে উনুকিয়াইছিল। সেই কিঞ্চিত অনুপ্ৰেৰণাৰ ফলশ্ৰুতিতেই হয়তো এই উপন্যাসখনিৰ বাস্তৱিক ৰূপ।

উপন্যাসখনিৰ পূৰ্ণতা আনি দিয়া ক্ষেত্ৰত লেখক হিচাপে সৰ্বশ্ৰী শশীধৰ দেউৰী, কিৰন, অৱন, ধী[illegible]মাৰ আৰু সঞ্জীৱৰ নাম লোৱাটো সমীচীন। তেওঁলোকৰ 'ৰংদৈ[illegible] চাবলৈ হেঁপাহ জাগৃত হোৱা অনুভূতিয়ে মোক খৰধৰকৈ উপন্যাস [illegible]বলৈ যথেষ্ট প্ৰেৰণা যোগাইছিল। লগতে মোৰ সহধৰ্মিণী শ্ৰীমতী [illegible]ৰূপ) আৰু পত্নী-ভগ্নী শ্ৰীমতী অনুপমা দেউৰীৰ নাম উল্লেখ নকৰি [illegible] দুয়োৰে কোমল আঙুলীৰ পৰশ নোপোৱা হ'লে ৰংদৈৰ মনত ৰং বিৰিঙি উঠা সম্ভৱ নহ'লহেঁতেন।

অসম জনজাতি ও অনুসূচিত জাতি গৱেষনা প্ৰতিষ্ঠান সঞ্চালকালয়ে পলমকৈ হ'লেও পুথিখনি ছপা কৰি উলিয়াবলৈ আৰ্থিক সাহাৰ্য দান কৰাত উক্ত প্ৰতিষ্ঠানৰ বৰ্তমানৰ সঞ্চালিকা বাইদেউ প্ৰমুখ্যে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী লৈ ধন্যবাদ জনালোঁ।

উপন্যাসখনৰ ঘটনাৰ ধাৰাবাহিকতা বজাই ৰাখিবলৈ গৈ শব্দ ও ৰাক্য উপস্থাপনত ৰজিতা নোখোৱাটো সমুলি নুই কৰিব নোৱাৰি। সুহৃদ পাঠকে সেইবোৰ মৰমৰ চকুৰে চাই মাৰ্জনা কৰে যেন।

শেষত শ্ৰীযুত বিশ্ব বৰুৱা ছাৰৰ 'প্ৰস্তাৱনা' আৰু মৰমৰ ভাগিন শ্ৰীমান্ ৰবীন্দ্ৰ (তুলেন)ৰ বেটুপাতৰ অলংকৰণৰ বাবে শলাগ নিবেদিছো।

ষড়ানন দেউৰী

## (১)

ফাগুনৰ এটি ফৰকাল আমেজপূৰ্ণ পুৱা। ৰাতিৰ এন্ধাৰবোৰ তেতিয়া দূৰৈৰ পাহাৰৰ গুহাবোৰলৈ গুচি গৈছে। পুৱাৰ মলয়াজাকে কঢ়িয়াই আনিছে নাতিদূৰৰ বননিৰ কিছুমান নাম নজনা ফুলৰ গোন্ধ। জাক জাক চৰাই উৰি গ'ল— দূৰ প্ৰান্তলৈ। সূৰুযৰ জিল্‌মিলীয়া সোণালী কিৰণত প্ৰকৃতি যেন আকৌ প্ৰাণ-চঞ্চল হৈ উঠিল। বিৰিখৰ ডালে ডালে চৰাই-চিৰিকতিৰ বিচিত্ৰ মাতেৰে প্ৰকৃতি জগত মুখৰিত হ'ল।

ধানৰ নৰাৰে পৰিপূৰ্ণ বিস্তীৰ্ণ পথাৰ। আহুখেতিৰ বতৰ। নৰা ভাঙি আহু ধানৰ সোণগুটি সিঁচিবৰ বাবে গাঁৱৰ ৰাইজ ব্যস্ত হৈ পৰিছে। মুখত হাঁহি আৰু হাতে হাতে দা-কোৰ লৈ প্ৰকৃতিৰ স'তে যুঁজিবৰ বাবে সকলোৱে উঠি পৰি লাগিছে।

টং টং পুখুৰীৰ পাৰত থকা পাতিদৈ জোপাৰ পৰা প্ৰায় দহ নলমান বহলকৈ চকুৰে মনিব পৰালৈকে দূৰৈত থকা ঔটেঙা কেইজোপালৈকে যিমান মাটি আছে সেই সকলোবোৰ ৰূপচিং বৰদেউৰীৰ। মাটিখিনি বেচ স[illegible] পুৱাতে আহি বিন্দেশ্বৰে হালখন জুটি সমাৰ বাবলৈ আৰম্ভ ক[illegible] নিজেই খেতিত নামিছে। তাতে দেউতাকৰ বয়সো হৈ আহিছে [illegible]লৈ বাট চোৱা মানেই বহাগ বিচু[1] খাবলৈ নোপোৱা। বিচুৰ কথা [illegible] লগেই আনন্দত তাৰ শক্তি দুগুনে বাঢ়িল। ৰাতি বিচু মৰাৰ [illegible]পালেহি! সি যেন খেতিৰ কাম আজিয়েই শেষ কৰিব তেনে উৎসাহেৰে কামত লাগি গ'ল।

ঃ হেই যা । — মনৰ আনন্দতে সি এনেয়ে কজলাটোৰ নেজডাল পকাই দিলে। কজলাও গৰাকীৰ ধমকীত দুগুণ বেগেৰে যাবলৈ ধৰিলে।

বিন্দেশ্বৰহঁতৰ নিচিনা বয়সৰ 'মিৰা-মিৰাচি'[2] বিলাকৰ বাবে এই ফাগুন যেন এটি মাহেই নহয়। ইয়াতেই লুকাই আছে প্ৰেম, যৌৱন আৰু আনন্দৰ ৰং। ৰিব্‌ ৰিব্‌কৈ বলি থকা পচোৱা বতাহ যেন মিৰা-মিৰাচিৰ উতলা যৌৱনৰ সুখ-দুখৰ বাহন স্বৰূপ। হঠাতে সি যেন কোনোবা চিনাকি মিৰাচিৰ গোন্ধেই পালে তেনে ভঙ্গিমাৰে মিচিকিয়া-হাঁহি এটি মাৰিলে। তাৰ মনটো বিগত বছৰৰ ফাগুন-চ'তৰ ৰাতি বিচু মৰা

---

১. বিচু — বিহু
২. মিৰা-মিৰাচি — ডেকা-গাভৰু

এটি দিনলৈ উৰা মাৰিলে। চাজেবা কুলাত[৩] সি বৰ আগ্ৰহেৰে এচুকত থিয় দি লহৰিয়া[৪] নৃত্য চাই থাকোতেই হঠাতে তাক কোনোবাই বাওঁ হাতত ধৰি নৃত্য কৰিবলৈ আমন্ত্ৰণ কৰিছিল। পিছতহে সি ধৰিব পাৰিছিল সেইজনী সিহঁতৰ গাঁৱৰে মিৰাচি। সেইদিনাহে সি গম পাইছিল গাভৰু হাতৰ পৰশ! মনৰ ৰিম্‌ঝিম্ ৰিম্‌ঝিম্ পুলকত সি জোৰেৰে বাওঁহাতৰ মুঠিটো টানমাৰি ধৰিলে। 'থা.......চ্'। থতমত্ খাই সি বৈ দিলে। কিহৰ শব্দ বুলি আগলৈ চাই দেখে যে গৰুহাল শুদা যুৱলিৰে আগবাঢ়ি গৈ আছে। 'আনিম আনিম' বুলি বাটি থোৱা আউতজৰী ডাল আনিবলৈ আজিও পাহৰি অহাৰ বাবে সি নিজৰ ওপৰতে টিকচি উঠি 'হ হ' বুলি গৰুহালৰ আগ পালেগৈ। অলপ বৈ ইফালে সিফালে চাই সি হালখনকে খুলি দি সিটো ডবাত থৈ দিয়া জবকাটোৰ ওচৰলৈ আগবাঢ়ি গ'ল। ফৰফৰীয়া মাটি আৰু দুই এটা চপৰাৰ লগত মিহলি হৈ থকা ধানৰ নৰা আৰু বনবোৰ জবকাৰে টানি টানি দ'ম কৰিবলৈ ধৰিলে।

ঃ কি অ' বিন্দে? হাল মেলিলি যে ! চুপাৰ অহাই নাইচোন। দুই ওঁঠৰ মাজত বৰছেদাৰে পকোৱা চুৰট এডাল সুমুৱাই লৈ তিতেচিঙে তাৰ ফালে আগবাঢ়ি আহি সুধিলে।

ঃ নহয় অ' মমাই।[৫] মেলিবলৈতো সময়ে হোৱা নাছিল। আউতজৰী ডাল চিঙিল। সেয়ে বনকে দমাইছো। ডাঙৰ চপৰা এটা জবকাৰ চুক এটাৰে ভাঙি বিন্দেশ্বৰে-ক'লে।

তিতেচিঙে বিশেষ ভঙ্গিমাৰে ওচৰতে থকা এটা হাঁফলুত থিয় কৰাই থৈ দিয়া মৈখনত তাৰ মুখৰ চুৰটডাল নুমুৱাই অৱশিষ্ট ডোখৰ বাওঁ কাণৰ ফাকটোত সুমুৱাই সুধিলে—

ঃ মৈখন তোৰ আজৰি হৈ আছে নহয় ম'[৬]?

ঃ অঁ। নিয়ক। – বিন্দেশ্বৰে ভালেই পালে। মৈ কি আনকি সি নিজেও গৈ তিতেচিঙক সহায় কৰি আহিবলৈ অন্তৰত তাৰ ৰাজী আছে। কিয় জানো তাৰ যোৱা বছৰৰ পৰাই সিহঁতৰ ঘৰৰ সকলোলৈকে মায়া উপজিছে। সি নিজেও নেজানে।

মিঠা মিঠা লগা ৰ'দজাক তেতিয়া পূৰঠ হ'ল। টং টং পথাৰৰ কৰ্মব্যস্ত খেতিয়কসকল ভাগৰি পৰিল। বিন্দেশ্বৰৰ গাল মুখ সূৰ্যৰ ৰঙা ৰশ্মিত ৰঙা হৈ জিলিকি

৩. চাজেবা কুলা – বিহুমৰা ঠাই বা তলী
৪. লহৰিয়া – হাতে হাতে ধৰা-ধৰি কৰি বৃত্তকাৰত নচা নৃত্য
৫. মমাই – মোমাইদেউ
৬. ম – ভাগিন



উঠিল। ওলাই অহা ঘামখিনি ককাঁলত মেৰিয়াই থোৱা গামোচাখনেৰে মচি ল'লে। পশ্চিম মুখি এছাটি শীতল মলয়াই তাৰ গাল-মুখত শীতল পৰশ বুলাই থৈ গ'ল। ক্ষন্তেক পিছতে ক'ৰবাৰ পৰা উৰি অহা চুজেঁ[৭]ৰ গোন্ধ আহি তাৰ নাকত লাগিলহি। বোধহয় সেয়া মমাই তিতেচিংহঁতৰ পথাৰৰ পৰাই আহিছে!

ঃ মকজি[৮] আনোতেও ইমান দেৰি কৰেনে? — সি গাঁৱৰ ফালে চকুফুৰাই মুখৰ ভিতৰতে ভোৰ্ ভোৰাই পুখুৰীটোৰ ফালে আগবাঢ়ি গ'ল।

পুখুৰীটো বেছ ডাঙৰ আৰু দ। প্ৰায় এপুৰামান মাটি আগুৰি আছে। নাম-টং টং। এই পুখুৰীটোৰ নামেৰেই পথাৰখনৰ নাম — টং টং পথাৰ। পুখুৰীটোৰ একেবাৰে সোঁ-মাজত থকা পিতনি খিনিলৈ চাই সি মনত পেলালে তাৰ দিং[৯] মেজেঙালৈ। সেয়া বিগত প্ৰায় এশ কি ডেৰশ বছৰৰ আগৰ কথা। শদিয়াৰ বিস্তীৰ্ণ পাহাৰৰ জঙঘলেৰে ভৰা অঞ্চলৰ পৰা মেজেঙাহঁতৰ আজুককাহঁত ইয়ালৈ গুচি আহিছিল। লুইতু[১০] নদীৰে সিহঁত ভটিয়াই আহি ভৈয়ামৰ নদী কাষৰীয়া সাৰুৱা হাবি-জঙ্ঘলেৰে আবৰা মাটিবিলাক খেতিৰ উপযোগী কৰি গাওঁ পাতি নিগাজিকৈ থাকিবলৈ ল'লেহি। সি সেইবোৰ কথা সৰুতে তাৰ দিঙৰ মুখৰ পৰাই শুনিছিল। তেতিয়া হেনো এই পুখুৰীটো বৰ দ আছিল। দুটা—তিনিটা হাতী জোৰা দিলেও ঢুকিকে নেপাইছিল। ইয়াৰ চাৰিওফালে এতিয়া গজি থকা সৰু সৰু পাতিদৈ কেইজোপাৰ সলনি ডাঙৰ ডাঙৰ গছ-ল[illegible]। দিনতে আন্ধাৰ হৈ থাকে। তেতিয়াৰ দিনত গাঁৱৰ ৰাইজে দেও [illegible] ভুলতো ইয়াৰ ওচৰলৈ নগৈছিল। কেতিয়াবা কেতিয়াবা ৰাতি ঘ[illegible]লে সি তাৰ বাঙ[১১]ৰ মুখৰ পৰাও শুনিছিল। সেয়ে পুখুৰীটোৰ না[illegible] এতিয়া দেও-ভূতেও তিষ্ঠিব নোৱাৰি পাহাৰলৈ গুচি গ'ল। কি[illegible] যোৱাৰ বাবে নামটো জনশ্ৰুতি হৈ গাঁৱৰ ৰাইজৰ মাজত বৈ গ'ল।

লাহে লাহে পথাৰৰ ব্যস্ততাপূৰ্ণ কোলাহল ম্লান হৈ আহিল। সি এখোজ দুখোজ কৰি পুখুৰীটোৰ পাৰৰ পৰা ঘূৰি আহি এটা ওখ ঢিপৰ ওপৰত থকা বাচিং[১২]টোলৈ উঠি গ'ল। বিস্তীৰ্ণ পথাৰৰ মাজে মাজে থকা পুখুৰীৰ পাৰে পাৰে জাকৰুৱা ম'হৰ টিলিঙাৰ শব্দবোৰ ভাহি আহিল। বোকাত লেটি লোৱা ম'হৰ অকতা-অকত

৭. চুজেঁ – ঘৰুৱা মদ বিশেষ
৮. মকজি – জলপান
৯. দিং – ককাদেউতা
১০. লুইতু – ব্ৰহ্মপুত্ৰ
১১. বাঙ – দেউতা
১২. বাচিং – টঙী

গোন্ধই তাৰ নাকত ছাটি ধৰিলেহি। দূৰৈত কোনোবা গুৱালে গোৱা প্ৰনয়গীত এফাঁকি সি শুনিলে—

অ......... হ........... ঐ
হালা উগায়ঁ চচিহ......... অঁ
মুকু চাঁদু নিজিয়াঁচ্চা........ আয়ে
চচাৰে দুম-হ ননামাই হুৰঁৰি কুৰৰিদেই
মইনাচি পুনচেইবা......... আ
অ....... ই........... ঐ।

গীত ফাঁকি শুনি বিন্দেশ্বৰৰ গা-মন ক্ষন্তেকৰ বাবে আনন্দৰে ভৰি পৰিল। এৰাটো, গুৱালজনে ঠিকেই গাইছে। এক অপ্ৰত্যাশিত আমেজত তাৰ মুখত হাঁহি বিৰিঙি উঠিল। গীত শুনি তাৰো এফাঁকি গাবলৈ মন গ'ল। কিন্তু ওচৰতে যে মমাই তিতেচিং আছে। সেইবাবে সি আৰু গাব ইচ্ছা নকৰিলে। সি মনতে ভাৱিলে যে – সঁচাই ৰিঙা ৰিঙা লগা এনে উদং পথাৰত অকলশৰীয়াকৈ থাকিলে প্ৰেয়সীৰ কথা মনত পৰাটো স্বাভাৱিক। এনেধৰণৰ কথাবোৰ ভাবি থাকোতেই সি বহি থকা বাচিঙৰ ওচৰতে হঠাৎ ৰংদৈৰ মাত শুনিলে।

ঃ ঐ কাই[১৩]। কি হ'ল? আজি দেখোন বৰ সোনকালে গৰুহাল ঘৰলৈ এৰি দিলি? হাতত অনা মকজিৰ টোপোলাটো বাচিঙৰ চাঙত উঠাই দি ৰংদৈয়ে ক'লে।

ঃ গৰুহাল ঘৰ পালেগৈয়ে নেকি? কি যে গৰু! লোকৰ গৰুৱে ইয়াতে ঘাঁহ বিচাৰি পায়; কণা গৰুহালে ইয়াত একো নেদেখে অ'। আউতজৰী ডাল চিঙিল আকৌ। — সি ভনীজনীৰ মুখলৈ নোচোৱাকৈয়ে অনৰ্গল কৈ গ'ল।

ঃ মকজি খাই ল'। মই খৰিকেইডালমান বান্ধি লওঁ। এইবুলি ৰংদৈয়ে বাচিঙৰ চাঙৰ তলত দ'মাই থোৱা শুকান গছৰ ডাল কেইটামান বনৰীয়া লতাৰে বান্ধিবলৈ ধৰিলে।

মকজিৰ টোপোলাটো বিন্দেশ্বৰে খুলি ল'লে। লাই শাকৰ দালজুবুৰা[১৪] আৰু চ্চুচ্চাঁ[১৫] মকজিৰ এচুকত দেখি তাৰ জিভাৰ পানী ওলাল। সি ততাতয়াকৈ ভাত কেইটামান মুখলৈ দলিয়ালে আৰু মুখখন ওপৰলৈ আঁ........ কৰি মেলি দালজুবুৰা চোবাবলৈ ধৰিলে।

---

১৩. কাই – ককাইদেউ
১৪. দালজুবুৰা – ডালশাক
১৫. চ্চুচ্চাঁ – শুকতি, মাছৰ গুড়ি



ঃ বাঙে কি কৰিছে? সি জলকীয়াৰে চ্চুচ্চাঁত সানি সানি ৰংদৈক সুধিলে।

ঃ অ' মই পাহৰিছোৱেই। তোক বাঙে সোনকালে মাতি পঠিয়াইছে। বাং কিলৌ বুঢ়াহঁতৰ ঘৰত আজি দেওধাই। মই আহোতে গা ধুবলৈ ধৰিছেই।

ঃ কি সকাম পাতিছে সিহঁতৰ? এই দেউৰী সমাজৰ যে ইমান সকাম-নিকাম! মই অন্য সমাজত হ'লে দেখা নাই। হেৰ' তেত্ৰিছ কৌটি দেৱতাকনো পুজিব পায়নে? দেউতাহঁতৰ এই পুৰণিকলীয়া ৰীতি-নীতি অলপ বদলাবৰ দিন আহিল। এতিয়া আৰু কলহে কলহে মদ ঢালি ভগবানক পুজিবৰ দিন নাই। — সি যেন দেউতাকৰ আগতহে কথাবিলাক ক'লে তেনে ভঙ্গিমাত তাক দেখা পোৱা গ'ল।

ঃ ঐ কাই। য়ঙে[১৬] তোক এনে অমঙ্গলীয়া কথাবোৰ কবলৈ মানা কৰা নাছিল জানো? মোৰে শপত তই দেউতাৰ আগত এইবোৰ কথা নকবি।— কান্দোনমুৱাকৈ ককায়েকৰ মুখলৈ চাই ৰংদৈয়ে ক'লে।

বিন্দেশ্বৰে ক্ষন্তেক মনে মনে থাকিল। কিন্তু সি মনতে ভাৱিলে যে এবাৰ বিচুৰ বাবে বহিব লগা ৰাইজৰ মিটিঙতে মৰং ঘৰত সি কথাটো উত্থাপন কৰিব। কাৰণ সি জানে যে বিচুৰ লগত যেনেকৈ দেউৰীসমাজৰ চুঁজেৰ ওতঃপ্ৰোত সম্বন্ধ ঠিক তেনেকৈয়ে বিভিন্ন সকাম-নিকামতো সেই একেই চুঁজেৰ সম্বন্ধ। সেয়েহে প্ৰথমে বিচুক অলপ সংস্কাৰ কৰি নললে সকাম-নিকামত হাত দিলে চাৰিদেউৰী জিকাৰ খাই উঠিব। এই বিষয়ে নতুন ডেকাচা[illegible] যদি [illegible] [illegible]ৰটি বহি থাকে তেন্তে দেউৰীসমাজৰ উন্নতি কোনো যুগে নহ'ব [illegible] সি 'জিমচাঁয়া দাগাৰেয়া চ্চেংচ্চা'[১৭]ৰ মিটিঙত এনেই বলকিলে; [illegible]খোন। অৱশ্যে সিহঁতৰ লগৰ মিৰা-মিৰাচি কেইজনমানে 'হয়, হ[illegible]। কিন্তু পাতিগা, লেমটা বতেৰাহঁতৰ পাৰ্টিটোৱে হাঁহি খিকিন্দালি [illegible] কুন্দিমামা[১৮] ওলাইছেহি! এতিয়াহে জিমচাঁয়াই পোহৰ দেখিব' বুলি চিঞৰা তাৰ মনত আছে। গতিকে প্ৰথমতে ডেকা-চামক হাতলৈ আনি একতা হোৱাটোহে উচিত হ'ব বুলি সি মনতে ভাৱিলে।

ঃ কি ভাৱিছ, ঐ কাই? হাত ধুই ল। — ৰংদৈৰ মাতত সি থতমত্ খালে। দিনক দিনে বয়স হোৱাৰ লগে লগে বিন্দেশ্বৰৰ গাৱঁৰ চিন্তা, সমাজৰ চিন্তাই জুমুৰি দি ধৰিছেহি।

ঃ আহচোন খৰিৰ বোজাটো মূৰত উঠাইদেহি। — ৰংদৈয়ে মকজি অনা বাচনৰ টোপোলাটো খৰিবোজাৰ মাজতে সুমুৱাই লৈ ককায়েকক মাতিলে।

---

১৬. য়ং – মা
১৭. জিমচাঁয়া দাগাৰেয়া চ্চেংচ্চা – দেউৰী উন্নতিকামী সংগঠন
১৮. কুন্দিমামা – দেউৰীসকলৰ আৰাধ্য দেৱ-দেৱী

গোন্ধই তাৰ নাকত ছাটি ধৰিলেহি। দূৰৈত কোনোবা গুৱালে গোৱা প্ৰনয়গীত এফাঁকি সি শুনিলে—

অ......... হ........... ঐ
হালা উগায়ঁ চচিহ........ অঁ
মুকু চাঁদু নিজিয়াঁচ্চা....... আয়ৈ
চচাৰে দুম-হ ননামাই হুৱঁৰি কুৰৰিদেই
মইনাচি পুনচেইবা........ আ
অ....... ই.......... ঐ।

গীত ফাঁকি শুনি বিন্দেশ্বৰৰ গা-মন ক্ষন্তেকৰ বাবে আনন্দৰে ভৰি পৰিল। এৰাটো, গুৱালজনে ঠিকেই গাইছে। এক অপ্ৰত্যাশিত আমেজত তাৰ মুখত হাঁহি বিৰিঙি উঠিল। গীত শুনি তাৰো এফাঁকি গাবলৈ মন গ'ল। কিন্তু ওচৰতে যে মমাই তিতেচিং আছে। সেইবাবে সি আৰু গাব ইচ্ছা নকৰিলে। সি মনতে ভাবিলে যে — সঁচাই ৰিঙা ৰিঙা লগা এনে উদং পথাৰত অকলশৰীয়াকৈ থাকিলে প্ৰেয়সীৰ কথা মনত পৰাটো স্বাভাৱিক। এনেধৰণৰ কথাবোৰ ভাবি থাকোতেই সি বহি থকা বাচিঙৰ ওচৰতে হঠাৎ ৰংদৈৰ মাত শুনিলে।

ঃ ঐ কাই[১৩]। কি হ'ল? আজি দেখোন বৰ সোনকালে গৰুহাল ঘৰলৈ এৰি দিলি? হাতত অনা মকজিৰ টোপোলাটো বাচিঙৰ চাঙত উঠাই দি ৰংদৈয়ে ক'লে।

ঃ গৰুহাল ঘৰ পালেগৈয়ে নেকি? কি যে গৰু! লোকৰ গৰুৰে ইয়াতে ঘাঁহ বিচাৰি পায়; কণা গৰুহালে ইয়াত একো নেদেখে অ'। আউতজৰী ডাল চিঙিল আকৌ। — সি ভনীজনীৰ মুখলৈ নোচোৱাকৈয়ে অনৰ্গল কৈ গ'ল।

ঃ মকজি খাই ল'। মই খৰিকেইডালমান বান্ধি লওঁ। এইবুলি ৰংদৈয়ে বাচিঙৰ চাঙৰ তলত দ'মাই থোৱা শুকান গছৰ ডাল কেইটামান বনৰীয়া লতাৰে বান্ধিবলৈ ধৰিলে।

মকজিৰ টোপোলাটো বিন্দেশ্বৰে খুলি ল'লে। লাই শাকৰ দালজুবুৰা[১৪] আৰু চ্চুৰ্চ্চাঁ[১৫] মকজিৰ এচুকত দেখি তাৰ জিভাৰ পানী ওলাল। সি ততাতয়াকৈ ভাত কেইটামান মুখলৈ দলিয়ালে আৰু মুখখন ওপৰলৈ আঁ........ কৰি মেলি দালজুবুৰা চোবাবলৈ ধৰিলে।

---

১৩. কাই — ককাইদেউ
১৪. দালজুবুৰা — ডালশাক
১৫. চ্চুৰ্চ্চাঁ — শুকতি, মাছৰ গুড়ি



ঃ বাঙে কি কৰিছে? সি জলকীয়াৰে চ্চুচ্চাঁত সানি সানি ৰংদৈক সুধিলে।

ঃ অ' মই পাহৰিছোৱেই। তোক বাঙে সোনকালে মাতি পঠিয়াইছে। বাং কিলৌ বুঢ়াহঁতৰ ঘৰত আজি দেওধাই। মই আহোতে গা ধুবলৈ ধৰিছেই।

ঃ কি সকাম পাতিছে সিহঁতৰ? এই দেউৰী সমাজৰ যে ইমান সকাম-নিকাম! মই অন্য সমাজত হ'লে দেখা নাই। হেৰ' তেত্ৰিছ কৌটি দেৱতাকনো পুজিব পায়নে? দেউতাহঁতৰ এই পুৰণিকলীয়া ৰীতি-নীতি অলপ বদলাবৰ দিন আহিল। এতিয়া আৰু কলহে কলহে মদ ঢালি ভগবানক পুজিবৰ দিন নাই। — সি যেন দেউতাকৰ আগতহে কথাবিলাক ক'লে তেনে ভঙ্গিমাত তাক দেখা পোৱা গ'ল।

ঃ ঐ কাই। য়ঙে[১৬] তোক এনে অমঙ্গলীয়া কথাবোৰ কবলৈ মানা কৰা নাছিল জানো? মোৰে শপত তই দেউতাৰ আগত এইবোৰ কথা নকবি।— কান্দোনমুৱাকৈ ককায়েকৰ মুখলৈ চাই ৰংদৈয়ে ক'লে।

বিন্দেশ্বৰে ক্ষন্তেক মনে মনে থাকিল। কিন্তু সি মনতে ভাবিলে যে এবাৰ বিচুৰ বাবে বহিব লগা ৰাইজৰ মিটিঙতে মৰং ঘৰত সি কথাটো উত্থাপন কৰিব। কাৰণ সি জানে যে বিচুৰ লগত যেনেকৈ দেউৰীসমাজৰ চুঁজেৰ ওতঃপ্ৰোত সম্বন্ধ ঠিক তেনেকৈয়ে বিভিন্ন সকাম-নিকামতো সেই একেই চুঁজেৰ সম্বন্ধ। সেয়েহে প্ৰথমে বিচুক অলপ সংস্কাৰ কৰি নললে সকাম-নিকামত হাত দিলে চাৰিদেউৰী জিকাৰ খাই উঠিব। এই বিষয়ে নতুন ডেকাচামে যদি হাত সাৰটি বহি থাকে তেন্তে দেউৰীসমাজৰ উন্নতি কোনো যুগে নহ'ব। কিন্তু কোনো [illegible] সি 'জিমচাঁয়া দাগাৰেয়া চ্চেংচ্চা'[১৭]ৰ মিটিঙত এনেই বলকিলে; [illegible] দেখোন। অৱশ্যে সিহঁতৰ লগৰ মিৰা-মিৰাচি কেইজনমানে 'হয়, হ[illegible]। কিন্তু পাতিগা, লেমটা বতেৰাহঁতৰ পাৰ্টিটোৱে হাঁহি খিকিন্দালি [illegible] কুন্দিমামা[১৮] ওলাইছেহি! এতিয়াহে জিমচাঁয়াই পোহৰ দেখিব' বুলি চিঞৰা তাৰ মনত আছে। গতিকে প্ৰথমতে ডেকা-চামক হাতলৈ আনি একতা হোৱাটোহে উচিত হ'ব বুলি সি মনতে ভাবিলে।

ঃ কি ভাবিছ, ঐ কাই? হাত ধুই ল। — ৰংদৈৰ মাতত সি থতমত খালে। দিনক দিনে বয়স হোৱাৰ লগে লগে বিন্দেশ্বৰৰ গাৱঁৰ চিন্তা, সমাজৰ চিন্তাই জুমুৰি দি ধৰিছেহি।

ঃ আহচোন খৰিৰ বোজাটো মূৰত উঠাইদেহি। — ৰংদৈয়ে মকজি অনা বাচনৰ টোপোলাটো খৰিবোজাৰ মাজতে সুমুৱাই লৈ ককায়েকক মাতিলে।

---

১৬. য়ং — মা
১৭. জিমচাঁয়া দাগাৰেয়া চ্চেংচ্চা — দেউৰী উন্নতিকামী সংগঠন
১৮. কুন্দিমামা — দেউৰীসকলৰ আৰাধ্য দেৱ-দেৱী

বিন্দেশ্বৰে বাচিঙৰ জখলাইদি নানামি চাঙৰ পৰা মাটিলৈ 'ধাপুচ্' কৰি জপিয়াই নামি ৰংদৈৰ খৰি বোজাটো দুই হাতেৰে দাঙি তাইৰ মূৰত লাহেকৈ উঠাই দি ক'লে--

ঃ ইমান সোপানো লব লাগেনে ? কমকৈ নিলেইচোন হয়। নিব পাৰিবি জানো?

ঃ পাৰিম। তই দেৰি নকৰিবি আকৌ।

তাই ভাঙি থোৱা মাটি কেইডৰাৰ চপৰাবোৰ দেখি সিটো ডৰাৰ নৰাৰ ওপৰেদি 'চাৰাক্ চাৰাক্' কৰি খোজ দি গুচি গ'ল। খোজৰ চেৱে চেৱে তাইৰ ইগুঁ [১১] আৰু নৰাৰ শব্দৰ অপূৰ্ব্ব মিলনত এক নতুন শব্দৰ সৃষ্টি হ'ল। য'ত বিন্দেশ্বৰে বিচাৰি পালে সঙ্গীত আৰু নৃত্যৰ সমাহাৰ। অপলক নেত্ৰেৰে সি কিছুসময় সেই দৃশ্য উপভোগ কৰি ৰ'ল। হঠাৎ তাৰ তন্ময় ভাগিল। ঘূৰি চাই দেখে— ভোঁ ভোঁৱাই চুপাৰ এক্সপ্ৰেছ গাড়ীখন দূৰৈৰ একা-বেকা পকী ৰাস্তাইদি গুচি গৈছে।

● ● ●

---

১১. ইগুঁ — মেখেলা



## (২)

গাওঁখনৰ নাম — চ্চিবাঁ[১] আতিগু[২] অৰ্থাৎ নতুন গাওঁ। গাওঁখন নতুন হ'লেও ইয়াৰ গছ-লতা, চৰাই-চিৰিকতি, শিল-বালি, মাটি-পানী, বতাহ এই সকলোবোৰ পুৰণি। নতুন মাথোন এইবোৰৰ লগত মানুহৰ থিতাপি লোৱা সম্বন্ধটো। নিজৰ সুবিধাৰ বাবে অসাৰুৱা, অনুপযোগী, অসমান মাটিক খেতিৰ উপযোগী কৰি বসতি কৰা এই চাম জনগোষ্ঠীও পুৰণি। গাঁওখনৰ বুকুৰেদি একাঁ-বেঁকাকৈ বৈ যোৱা জীয়া ডিক্ৰুঙৰ এটি মৰা সুঁতি— মৰি ডিক্ৰুং। নৈখনৰ দুয়োপাৰে পূবা-পশ্চিমাকৈ সজোৱা চাংঘৰবোৰ গাওঁখনৰ পৰিচয় দিবলৈ সাক্ষী হিচাবে সিঁচৰিত হৈ আছে। নৈখন গাওঁখনৰ মাজেৰে বৈ যোৱাৰ বাবে গাওঁখন দুখন যেন লাগে। সেয়ে হ'লেও গাৱঁৰ কুন্দিমামা কঁ[৩] এখনেই। দুয়োপাৰৰ পূজাৰীবৃন্দও সেইবাবে একে। বিভিন্ন আপদ-বিপদৰ সময়তো দুয়োপাৰৰ গঞা ৰাইজ এক গোট হৈ থিয় দিয়ে। খৰালি দিনত মৰি ডিক্ৰুঙৰ পানী দ দ জেগাৰ[৪] বাহিৰে শুকাই কামিহাড় ওলাই পৰে। বাৰিষা ফেনে-ফুটুকা[illegible]ঙৰ ৰূপ লয়। অৱশ্যে নদীখনৰ আগৰ সেই উত্তাল ভাৱ নাই। বছ[illegible] লগে লগে যেন সেই বাউলী নদীখনো শান্ত হৈ পৰিছে। নদী[illegible]নৰ নিবিড় সম্বন্ধ। নদী এখন নহ'লে গাওঁখন গাওঁযেনেই ন[illegible]দি মানুহৰ দেহাটো বুলি ধৰি লোৱা যায়; তেন্তে নদীখন তাৰ [illegible] নদীখন যদি আয়ুস বুলি গণ্য কৰা যায়; তেন্তে গাওঁখন ইয়াৰ স্মৃতিৰ বাকৰি। এইখন নদীয়ে যুগ যুগ ধৰি এজাক মানুহৰ সুখ-দুখ, আশা-আকাঙ্খা সকলো বহন কৰি আহিছে। কেতিয়াবা আকৌ দুখো নিদিয়া নহয়। হ'লেও দূৰৈৰ পাহাৰৰ পৰা নামি আহি নদীখনে নিজৰ সন্তানৰ দৰে এই গাৱঁৰ লোকক লালন-পালন কৰি আহিছে। এই নদীৰ পাৰতেই কিমান মিৰা-মিৰাচিৰ মন দিয়া-নিয়া হৈছে। হয়তো এইখন নদীৰো মনত নাই।

---

১. চ্চিবাঁ — নতুন
২. আতিগু — গাওঁ
৩. কঁ — দেওশাল
৪. জেগা — ঠাই

গাওঁখনৰ একেবাৰে সোঁ-মাজত কুন্দিমামা কঁ। তেওঁলোকৰ মতে এইখনেই দেউৰী সমাজৰ মেৰুদণ্ড স্বৰূপ। ভগৱান, ত্ৰাণকৰ্ত্তা, বায়ু, অগ্নি, পানী, ক্ষুধা সকলো।

বেলি তেতিয়া লহিয়াইছে। বাটৰ ধূলিবোৰ উৰি গোটেই পৃথিৱী ধুলিময় হৈছে। এখোজ-দুখোজ কৰি নদীৰ পাৰে পাৰে ৰূপচিং বৰদেউৰী আহি আছে। গাওঁখনৰ বৰদেউৰী বা দেউৰিগিৰা[৫]। বয়স অনুমানিক তিনিকুৰিৰ বেচি হ'লেও কম নহয়। মূৰত ফুলাম গামোচাৰে পাগুৰি মৰা আৰু হাতত এডাল লাখুটি। দেখাত মানুহজন বেচ গাঠলু আৰু ৰঙা-বগা। বানপানীয়ে মাৰি যোৱাৰ পিছত অ'ত ত'ত ওলোৱা ধানৰ পুলিৰ নিচিনা সেৰেঙা দাড়ি আৰু গোফ। সেইবোৰতো যেন কোনোবাই চুনহে সানিলে। গাত ঘৰতে বৈ লোৱা চুৰিয়াৰ সৈতে নিজে সি লোৱা এটা বিশেষ ধৰণৰ বৰ-কাপোৰৰ চোলা। দেখিলেই অনুমান হয় গাৱঁৰ এজন দেউৰী মূৰব্বী। বৰদেউৰীৰ লাখুটিৰ 'খট্ খট্' শব্দত নদীৰ পাৰত মেটেকাৰ আলু খুচৰি খুচৰি চৰি থকা গাৱঁৰ নোদোকা গাহৰি কেইটা নোক্ নোকাই উঠিল। গাহৰিৰ নোক্ নোকনিত অলপ আঁতৰৰ পানীৰ ডোঙাৰ মাজত জোপ লৈ থকা কণামুচৰি চৰাই দুটাই গোপনে ঢাকি ৰখা বগা ধক্ধকীয়া পাখিবোৰ দেখুৱাই আঁতৰলৈ উৰি গ'ল। গাহৰিৰ অযথা আতঙ্কত বৰদেউৰী যেন সচকিত হ'ল। মুখেৰে 'দু....ৰ' বুলি কৈ কোবা-কোবিকৈ থিয় গৰালৈ উঠি যাবলৈ ধৰিলে। গাটো অলপ ভাগৰুৱা যেন অনুভৱ কৰাৰ পাছতহে বৰদেউৰীয়ে গম পালে যে এই ৰাস্তাইদি তেওঁ বহুতদিন অহা নাই।

ঃ কোন অ' সেয়া? বৰদেউৰী গিৰা নহয় জানো? ৰমতি বুঢ়ীয়ে আদুগঁ[৬]ৰ পৰাই মাত লগালে।

ঃ অঁ, মযেই। লাখুটিৰে বিশেষ ভঙ্গীমাৰে ঠিয় হৈ বৰদেউৰীয়ে ক'লে।

ঃ বহুত দিনৰ মূৰত এইফালে অহা দেখিলো। ক'ৰ পৰানো আহিলে? আহক আকৌ ইয়ালৈকে, অলপ চুজেঁকে খাই যাওঁক।

ঃ নালাগে, হ'ব। সিপাৰৰ পৰা অলপ আহিলো। আমাৰ কন্দৰায়হঁতৰ লগত পাতিব লগা দহা পৰহিলৈ পৰিছে নহয়। তাতে অলপ দিহা-পৰামৰ্শ দি আহিলো। আহোঁতে ভাবিলো নদীৰ পাৰে পাৰেই যাওঁ। পিছে গধূলিও হৈ আহিছে। গৈ থাকো আৰু!

বৰদেউৰী লাহে লাহে আগবাঢ়িল। এই দুদিন মানৰ পৰা অৱশ্যে গাৱঁৰ দহা-

৫. গিৰা — বুঢ়া
৬. আদুগঁ' — পদূলি



বিয়াৰ প্ৰকোপৰ বাবে চাৰিদেউৰী[৭] নেলাগে গাৱঁৰ ৰাইজৰ যেন উজানহে উঠিছে। কাৰো সময় নাই। আজৰি নাই। আজি বিয়া, কালিলৈ দহা ইত্যাদি, ইত্যাদি। তাৰ মাজত সকাম-নিকামৰ কথাটো বাদেই দিয়ক। অৱশ্যে গাঁৱৰ বুঢ়া-মেঠাবোৰে চাৰিদেউৰীৰ লগত গোট খাই গাৱঁৰ চাৰিওফালে গৈ সকলোৰে খা-খবৰ, বাঁ-বাতৰি লৈ ফুৰাটো এৰি দিয়া নাই যদিও আগৰ নিচিনাকৈ সঘনাই নাযায়। দিনকাল সলনি হোৱাৰ লগে লগে মানুহৰ সামাজিক আচৰণৰো পৰিবৰ্ত্তন দেখা গৈছে। সুখ-দুখৰ খবৰ লওঁতা লোকৰো মন যেন এতিয়া সলনি হৈছে।

চাওঁতে চাওঁতে বৰদেউৰীয়ে নিজৰ ঘৰৰ ওচৰলৈ আহি কেতিয়া পালেহি গমকে নেপালে। তেতিয়া প্ৰায় সাঁজ লাগিবৰ হৈছে। অভ্যাস বশতঃ বৰদেউৰীয়ে এটা গল খেকাৰি মাৰি আগমনৰ বতৰা ঘৰৰ গৃহিনীক জনালে। গৃহিনীও গিৰিহঁতৰ মাত ধৰিব পাৰি ঘৰৰ ভিতৰৰ পৰাই মাত লগালে —

ঃ মিচ্চঙতে পানী চৰিয়াত দি থোৱা আছে। ইমান দেৰিনো কৰিব লাগেনে? অলপ দিনে-পোহৰে আহিলেনো কি হয়?

ঃ আহিম বুলিয়েই আহিব নোৱাৰি নহয়। তাতে গাৱঁৰ মাজেদি নাহিলো কাৰণেহে সোনকালে পালোহি। নহ'লে আৰু দেৰি হ'লহেঁতেন। নদীৰ পাৰেদি পোনাই আহিলো। পিছে গৰুকেইটা আহিলনে? বাবু নাই নেকি? — লাখুটিডাল এচ্ছুগুৰ[৮]ত 'টেক্ টেক্' কৰি দু[illegible] আৰু মুখেৰে 'থু-থু......' বুলি থুৱাই লাহে লাহে বৰদেউৰীয়ে চাঙ[illegible] ধৰিলে।

ঃ বাবুক লগ পোৱা নাই[illegible]কী আগবঢ়াই আনিবলৈ দেখোন পঠিয়াইছিলো। তাৰ বোলে চ্চি[illegible] আছে। বাহিৰে বাহিৰে তালৈ গ'ল চাগে। বৰদেউৰীয়নীয়ে ঘৰৰ [illegible][১০]লৈ ওলাই আহি মাত দিলেহি।

বিন্দেশ্বৰক মাক-বাপেকে মৰমতে 'বাবু' বুলি মাতে। বুঢ়া-বুঢ়ীৰ একমাত্ৰ ল'ৰাক 'বাবু' বোলা নামটোত হাজাৰ বুজাব নোৱাৰা মৰম ও আবুৰ সুমাই আছে- - সেইয়া 'বাবু' বুলি স্বীকৃতি পোৱা জনহে বুজিব পাৰিব। কিন্তু 'বাবু' এতিয়া মইনা হৈ থকা নাই। সি এতিয়া কলেজৰ ছাত্ৰ। সি ঘৰৰ তথা সমাজৰ দোষৰ কথা আঙুলিয়াব পৰা হ'ল। পিছে তাৰ সপোনবোৰ জানো কেতিয়াবা বাস্তৱত ৰূপায়িত হ'ব? কাৰণ সমাজ হ'ল ব্যক্তিৰ সমষ্টি। কোনোবা এজন ব্যক্তিগত মানুহৰ আচাৰ-

৭. চাৰিদেউৰী — চাৰিপূজাৰী
৮. এচ্ছুগুৰ — জখলা
৯. চ্চিমাতাঁই — ডেকাসকলৰ শোৱা ঠাঁই
১০. মিচ্চঁ— চাংঘৰৰ মুকলি কোঠা

ব্যৱহাৰ, চিন্তা-ভাৱনা, বুদ্ধি-বিচাৰতকৈ সামূহিক ধ্যান-ধাৰণা বহুত উচ্চত। তথাপি বিন্দেশ্বৰ দৃঢ় প্ৰতিজ্ঞ। সি যুঁজি যাব— তাৰ মৃত্যুৰ শেষ মূহূৰ্ত্তলৈকে। সেয়ে সি নিজৰ অধ্যয়নৰ লগতে ঘৰৰ কাম আৰু সমাজৰ কামতো সমানেই ব্ৰতী।

ঃ ঐ য়ং[11]। কি কৰিছ? গাহৰিজনী বিচাৰি নেপালো। ক'তা, হাঁহ-কুকুৰাৰ গঁৰালটোও বন্ধ কৰা নাই দেখোন! ৰংদৈয়ে কথাবিলাক একপ্ৰকাৰ আৱেগিকভাৱে কৈ হাঁহ-কুকুৰা গঁৰালটোৰ ফালে আগবাঢ়ি গ'ল।

আজি দুদিনমান হ'ল। ৰংদৈৰ আদৰৰ গাহৰিজনী গঁৰাল ভাঙি যোৱাৰ পৰা আৰু ঘূৰি অহা নাই। তাই 'না কামঁও, না কামঁও' বুলি কিমান চিঞৰিলে তাৰ হিচাপ নাই। মনৰ সন্তাপত তাই বহু ঠাইতো বিচাৰিলে। কিন্তু তাৰ কোনো উমঘাম নেপাই মনতে তাই বেচি দুখ পাইছে। এৰা, তাই কিমান আদৰেৰে কিমান মৰমেৰে খুৱাই-বোৱাই ডাঙৰ কৰিছিল গাহৰিজনীক — সেইবিলাক মনত পৰিলে সঁচাই দুখ লাগিবৰে কথা।

এটা সময়ত বুঢ়া-বুঢ়ী দুয়ো কোঁঠালীত চুজেঁ খাবলৈ বহিল। ৰংদৈয়ে টেকেলি এটাৰে বানবাটি আৰু লাই-লফা শাকৰ দালজুবুৰা আৰু শুকান মাছ দুদেপাতি[12]ত থলেহি। দুয়োজনে বাটিত চুঁজে ঢালি মৰক মৰককৈ শুকান মাছ চোবাবলৈ ধৰিলে। ইফালে ৰান্ধনিশালত ৰংদৈয়ে ভাতৰ বাবে দিহা লগাই থাকিল। তেতিয়া তাইৰ মন ৰান্ধনিশালৰ চৰিবেৰত নাছিল— আছিল তাইৰ নিৰুদ্দেশ হোৱা নোদোকা গাহৰিজনীৰ চেনেহৰ বাকৰিত।

লাহে লাহে নিশা গভীৰ হৈ আহিল। চ্চিবাঁ গাৱঁৰ কোলাহল ক্ৰমে কমি আহিল। সকলো নিদ্ৰা দেৱীৰ কোলাত শুই পৰিছে। মাথো সাৰে আছে ডেকা চাঙৰ বিন্দেশ্বৰহঁত আৰু কিলৌ বুঢ়াৰ কাঠনিৰ সেই দুষ্ট শিয়ালকেইটা। হয়তো শিয়ালকেইটাই গাঁৱৰ কোনোবা ঘৰৰ নোদোকা গাহৰিৰ মঙহৰ তৃপ্তিত বিজয় উল্লাসেৰে জয়ধ্বনি দিছে— 'হোৱা.......হোৱা......হোৱা'।

● ● ●

১১. য়ং — মা

১২. দুদেপাতি — জুইশাল



## (৩)

গাৱঁত দহা-বিয়া হ'লে গাওঁখনৰ সকলোৰে গাত তত নোহোৱা হয়। আচলতে, কন্দৰায় বৰদেউৰীৰে নিজৰ ভতিজা। মাউৰা কন্দৰায়ৰ মাক-বাপেকৰ দহা। নবৌয়েক আৰু ককায়েকৰ দহাত বৰদেউৰীয়ে কন্দৰায়ৰ লগত মিলি-জুলি নিজৰ দেউতাকৰ দহাকো আয়োজন কৰিছে। এবছৰৰ অগা-পিছাকৈ কন্দৰায়ৰ মাক-দেউতাকে স্বৰ্গলৈ আলুবাৰী পাতিবলৈ যোৱা আজি সাত বছৰত ভৰি দিছেহি। সি তেতিয়া হাইস্কুলতে আছিল। সি সেই বছৰেই মেট্ৰিক পৰীক্ষা দিব লাগিছিল। কিন্তু তাৰ আৰু পৰীক্ষা দিয়া নহ'ল। সি স্কুল এৰি বিয়াত সোমাবলৈ পৰিস্থিতিয়ে তাক বাধ্য কৰিছিল। কাৰণ, মানুহ পৰিস্থিতিৰ দাস। অন্যহাতেদি মানুহৰ ভাগ্যৰ গতি কোনে নিৰ্ণয় কৰিব পাৰে? ই কুন্দিমামাৰে চালনা মাথোন বুলি সিহঁতে বিশ্বাস কৰে।

প্ৰথম কুকুৰাৰ ডাক দিয়াৰ লগে-লগেই ৰংদৈয়ে উঠি গা-পা ধুই দহাৰ বাবে প্ৰয়োজনীয় বস্তু-বাহানিবোৰ থান্-থিত লগাই সখীয়েক জোনাকীহঁতৰ ঘৰলৈ খোজ দিলে। কাৰণ, ৰাতিপুৱাতে মদৰ কলহখিনি দি থৈ নাহিলে পিছলৈ কামৰ ভিৰ পৰিব। তেতিয়া শাক-পা[illegible] বস্তাবোৰ গৰুগাড়ীতো ককায়েক বিন্দেশ্বৰহঁতে নিব পাৰিব। ৰংদৈ[illegible]ৰত থকা তামোলবাৰীৰ মাজেদি যোৱা অকোৱা-পকোৱা ৰাস্তাইদি [illegible] যোৱাৰ পিছতেই নদীৰ পাৰৰ ৰাস্তাটো পাইহি আৰু সেই ৰাস্তা[illegible]কীহঁতৰ ঘৰৰ পদূলি চুই যোৱা ৰাস্তা। যাওঁতে বাটতে পাই যো[illegible]দিচিহঁতকো মাতি থৈ যাবলৈ তাই নাপাহৰিলে। দহাৰ আগদিনাখন গাঁৱৰ সকলো ঘৰৰ মিৰা-মিৰাচিক পাচনি হিচাপে দহা ঘৰত সহায় কৰিবলৈ তামোল এখনেৰে নিমন্ত্ৰণ কৰাটো এটা নিয়ম। তথাপি পিছদিনা পুৱাতে এবাৰ গৈ পুনৰ মাতি আহিব লাগে। ডেকা পাচনিখিনিৰ কথা ৰংদৈয়ে ভাবিব নেলাগে। তাইৰ দায়িত্ব মাথোন জীয়াৰী পাচনিসকলক সোনকালে মাতি নিয়া। অৱশ্যে উলুৱনী চুবা আৰু দক্ষিণ চুবাৰ পাচনিবিলাকক পিছদিনা পুনৰ মাতিবলৈ আহিব নোৱাৰিব বুলি ৰংদৈয়ে আগদিনাখনেই কৈ আহিছে। গতিকে চিন্তা নাই। বাকীবিলাক কামৰ বাবে মানুহ ভাগে ভাগে আছেই।

ঃ অ' হই [1]। কি কৰিছ? সোনকালে ওলোৱা শুই উঠাই নাই নেকি? -- ৰংদৈয়ে পদূলিমুখৰ পৰাই সখীয়েক জোনাকীক চিঞৰি মাতিলে।

১. হই — সখী

ঃ কোন? ৰংদৈ নেকি? নুমলি কেতিয়াবাই উঠিলে। তাই জিকাতু[২] লৈ গৈছে। ৰমতি বুঢ়ীয়ে মৰমতে তাইৰ জীয়েকক 'নুমলি' বুলি মাতে। ৰমতি বুঢ়ীয়ে খৰাহি এটাত অলপ খুদ্-চাউল লৈ পোহনীয়া হাঁহ-কুকুৰা কেইজনীক ছটিয়াই দিবৰ বাবে ভিতৰৰ পৰা ওলাই আহিল। হাঁহ-কুকুৰা কেইজনীয়ে গৃহস্থনীৰ আগমনৰ বাতৰি পাই চোতালৰ এটা নিৰ্দিষ্ট ঠাইত গোট খাই চিঞ্ঞৰ-বাখৰ কৰিবলৈ আৰম্ভ কৰি দিলে। বুঢ়ীয়ে চাঙৰ পৰা নামি খুদ ছটিয়াই দিয়া মাত্ৰকেই হাঁহ-কুকুৰাজাকৰ খোঁটা-খোঁটি, খেদা-খেদি আৰম্ভ হ'ল। অত্যাচাৰত উপায় নেপাই পোৱালী কুকুৰা দুটামানে বুঢ়ীৰ আশ্ৰয় বিচাৰি ভৰিতে খোঁটিয়াবলৈ ধৰিলেহি। তাকে দেখি ৰংদৈৰ আবুৰ নিগৰিত হ'ল। মৰম কৰিবৰ হেঁপাহেৰে তাই পোৱালী দুটাৰ ওচৰলৈ যাবলৈ ধৰোতেই 'চিহুঁ চিহুঁ' কৰি ৰমতি বুঢ়ীৰ ভৰি দুখনৰ মাজেদি পোৱালী দুটা সৰকি আঁতৰি পলাল।

ঃ পেই, তইয়ো সোনাকালে কৰিবি আকৌ। চাকনি সোনকালে কৰাহে আচল কথা। তই চিধা-চিধিকৈ দহা ৰভালৈকে যাব লাগিব। —ৰংদৈয়ে কথাখিনি কৈ নৈৰ ঘাটৰ ফালে আগবাঢ়ি গ'ল।

ৰাতিপুৱাৰ কোমল এজাক চেচা বতাহে ৰংদৈৰ কোমল দেহৰ গাল দুখন চেলেকি গ'ল। মূৰত গাতিগি[৩] থকাৰ বাবে দুষ্ট বতাহজাকে ৰংদৈৰ চুলিখিনি বুলাই যাবলৈ ব্যৰ্থ হ'ল। নৈৰঘাটৰ লগতে জোনাকীহঁতৰ কুঁৰাটো। ৰংদৈয়ে নৈখনলৈ চাই পঠিয়ালে। দুয়োপাৰে বিস্তীৰ্ণ বালি। মাজে মাজে সৰু এটা সুঁতি। মাজে মাজে এডোখৰ পানীৰ ডোঙা। দুটামান মাছৰুকা চৰায়ে পানীৰ ওপৰত নাচি বাগি নিজৰ প্ৰতিবিম্ব চাই থকা যেন আছে! জোনাকীয়ে কলহ দুটাত পানী ভৰাই কাপোৰ-কানি সলাই লৈ বাল্টিটোৰে সুৰ-মুৰাই গাত পানী ঢালিছেহে মাথোন তেনেতে ৰংদৈয়ে গৈ পালেহি।

ঃ আজি ভালকৈ ধুই ল দেই হই। দেৰি নকৰিবি, সোনকালে কৰ। মই তোক লৈ যাবলৈকে আহিলো।

ৰংদৈৰ মাত শুনি জোনাকী ঘূৰি চালে। মিচিকিয়া হাঁহিৰে তাই ক'লে—

ঃ একেবাৰে যাব লাগিব নেকি? নাযাওঁ যা!

ঃ চুপতি মাৰি নাথাক। বুজি[৪] হবলৈ তোৰ ইমান মন আছে নেকি? ৰংদৈয়ে জোনাকীৰ গালত আঙুলিৰে লাহেকৈ চেপা এটা মাৰি কাণৰ ওচৰত কিবা-কিবি ক'লে আৰু খিল-খিলাই হাঁহি ওচৰতে পানীৰে উপচি থকা কলহ এটা কঁকালত উঠাই লৈ যাবলৈ ধৰিলে।

ঃ ঐ কি কৰ? মোলৈ ইমান দৰদ দেখুৱাব নেলাগে। ময়ে নিব পাৰিম দে। মই

২. জিকাতু — ঘাট
৩. গাতিগি — মহিলাৰ মূৰত লোৱা কাপোৰ
৪. বুজি — নবৌ



ইগুঁ[৫]খন থুকুচি লওঁ। গা ধুই হলত জোনাকীয়ে মেখেলাখন সলাই লৈ ৰংদৈক উদ্দেশি ক'লে।

ঃ হ'ব হ'ব। কেইদিনমানৰ পিছত আকৌ তইহে নিজে সহায় বিচাৰিবি আমাৰ পৰা।

কথাৰ মহলা মাৰি মাৰি সিহঁত কেতিয়া আহি নঙলামুখ পালেহি গমেই নাপালে। যি কি নহওঁক সিহঁতে ইজনীয়ে সিজনীক কৰা চুপতিৰ অন্ত সিমানতে সামৰিলে। এনেকুৱা ধৰণৰ কথাৰ কটা-কটি মুহূৰ্ত সিহঁত দুজনীৰ মাজত এক নিত্য-নৈমিত্তিক ঘটনা। কেতিয়াবা কেতিয়াবা এনেকুৱা একোটা একোটা মুহূৰ্ত চৰম পৰ্যায়তো উপনীত নোহোৱা নহয়। তথাপি সিহঁতৰ মাজত থকা প্ৰগাঢ় আন্তৰিকতাক এনেকুৱা ধৰণৰ দুই এটা মুহূৰ্ত্তই ভিন্ন কৰাটো ব্যৰ্থ প্ৰচেষ্টাহে মাথোন। অৱশ্যে জোনাকীও সময়ৰ লগে লগে বহুখিনি সলনি হৈছে। কাৰণ সকলো সময়তে চুপতি যে ৰংদৈয়ে ভাল নেপায় তাক তাই ভালদৰেই জানে। লগতে আজিকালি জোনাকীৰ অন্তৰত এটা সহানুভূতিৰ সত্বাই গা কৰি উঠিছে। এই সত্বাত যে জোনাকীৰ স্বাৰ্থ নিহিত হৈ আছে তাক ৰংদৈয়ে উপলব্ধি নকৰা নহয়। কৰে।

ৰংদৈয়ে জোনাকীহঁতৰ চোতালখন পাৰ হৈ কঁকালত লৈ অহা পানীৰে ভৰ্ত্তি কলহটো ঘৰৰ চাঙৰ ওপৰত তুলি থলে। তাই কিছুসময় ৰৈ জোনাকীলৈ বাট চালে। ইফালে জোনাকীয়েও কোবা-কোবিকৈ আহি ঘৰৰ দক্ষিণফালে থকা কঠাল জোপাৰ পৰা দেচিগাৰি[৬] লৈ [illegible] ালত তাইৰ থুকুচি অনা মেখেলা আৰু বাইগা[৭]খন মেলি দিলে।

ঃ তই সো[illegible]। মই আকৌ সোনকালে ঘৰত দেখা দিবহি লাগিব। নহ'লে বা[illegible] জোনাকীক কথাখিনি কৈ ৰংদৈয়ে ৰাস্তাইদি নগৈ শাক-পাচলিৰ বাৰী[illegible]। যাওঁতে আলুবাৰীত আধা ওলাই থকা আলু এটা হাতেৰে বুটলি লৈ লিৰিকি বিদাৰি যাব ধৰিলে। গৈ থাকোতে তাইৰ মনত কিছুমান অবাঞ্চিত ভাৱনাই আগুৰি ধৰিলে। হাতত থকা আলুটোলৈ চাই তাই ভাবিব ধৰিলে তাইৰ অস্তিত্ব, তাইৰ প্ৰয়োজনীয়তা আলুৰ দৰেই নহয়নে বাৰু? সঁচাই তৰকাৰীৰ ভিতৰত আলুৰ প্ৰয়োজনীয়তাক যিদৰে কোনেও নেওচিব নোৱাৰে, ঠিক সেইদৰে তাইৰ অবিহনে ঘৰখন যেন প্ৰাণবিহীন শৰীৰহে। চাবলৈ গ'লে আজিৰ পৰ্ব্বটোতে। দহা আচলতে সিহঁতৰ নিজৰ ঘৰত নহয়। দেউতাকৰ কথামতে যেনিবা ককাদেউতাকৰ শ্ৰাদ্ধটোও ককায়েক কন্দৰায়হঁতৰ লগতে সৰকাব বিচাৰিছে। ভাবিবলৈ গ'লে কামবোৰ তেনেই সহজ। কামবোৰ কৰিবলৈকো সিমান টান নহয়। কিন্তু ৰংদৈৰ বাবে দায়িত্ব

৫. ইগুঁ — মেখেলা
৬. দেচিগাৰি — গোহালি
৭. বাইগা — গাভৰুৱে বুকুত বন্ধা কাপোৰ

গধুৰ। তাই সকলোতে চকু দিব লাগে। আজিৰ দিনটোতে ৰংদৈৰ বাবে কিমান যে কাম হাতত পৰি আছে। দোকমোকালিতে উঠি পাচনি [8] খিনি ঘৰে ঘৰে গৈ মাতি আনি গোটোৱা, চাকনিক [9] মতা, দেউতাকৰ যতন লোৱা, দহাৰ বাবে নিত্য প্ৰয়োজনীয় বস্তুবোৰ যোগাৰ দিয়া ইত্যাদি মুঠৰ ওপৰত এশ এবুৰি কাম। ইমানবোৰ কামৰ মাজতো ৰংদৈয়ে ভাৱে মানুহৰ জীৱনত আটাইতকৈ ডাঙৰ সম্পদটো হৈছে, নিজৰ কামেৰে অন্তৰৰ পৰিতৃপ্তি লাভ কৰাটো। হ'লেও কেতিয়াবা কেতিয়াবা ৰংদৈৰ কব নোৱাৰাকৈ খং উঠে। এই মূহূৰ্ততো খঙতে তাই হাতৰ আলুগুটিটো দূৰলৈ দলিয়াই দিবলৈ ধৰিও তাই দলিয়াই দিব নোৱাৰি মৰমতে দুয়োখন হাতেৰে আলফুলকৈ মোহাৰিলে। তাই উপলব্ধি কৰিলে, মানৱ কৰ্মৰ পাৰিবাৰিক দায়িত্ব; যিয়ে সকলো মানুহৰ বাবে কঢ়িয়াই আনে এক অবুজ মানসিক প্ৰসন্নতা।

ঃ ৰং পেই [10], তোক দিঙে [11] বিচাৰিছে। ছয় সাত বছৰীয়া ভাগিন মইনাই দৌৰি আহি ক'লে।

ঃ হব হব। তইনো কাৰ লগত আহিলি? য়ং-বাং অহা নাই নেকি? নে সকামৰ বাবে ঘৰতে লাগি আছে। ৰংদৈয়ে মৰমতে হাতত থকা আলুগুটিটোকে 'হু ল, পুৰি খাবি' বুলি মইনাক দিলে আৰু মৰমতে তাৰ চুলিখিনি হাত বুলাই দিলে। চাওঁতে চাওঁতে তাইৰ ককায়েক কন্দৰায়ৰ ল'ৰাও ককাকক মানুহ বিচাৰি মাতি দিব পৰা হ'ল।

ৰংদৈয়ে পোনচাটেই পদূলিত ভৰি দি দেউতাকৰ ওচৰ পালেগৈ। দেউতাকক কি কি লাগে আৰু তাইক কিয় বিচাৰিছে অৱশ্যে তাই জানেই। দহাৰ দিনা বা সকামৰ দিনা নিজৰ বা অন্য কাৰোবাৰ হ'লেও পুৱাতে তাই যোগাৰ কৰি দিবলগীয়া বস্তুখিনিকে বিচাৰিব কিজানি। তথাপি 'কিয় বিচাৰিছে' বুলি মুখ মেলিবলৈ ধৰোতেই দেউতাকে ক'লে–

ঃ পিচাচি [12] ক'ত গৈছিলি আকৌ? পাচনি আৰু চাকনিক মাতিলিগৈ নেকি? অৱশ্যে চাকনি বুঢ়ীক তাঁলৈকে যাবলৈ কব লাগিছিল। পাচনিখিনিকহে ইয়ালৈ মাতিব লাগে। সকলোৱে লাগি-ভাগি বস্তুবোৰ দহাৰ ৰভাতলীলৈ নিব লাগিব। আৰু শুন, বাবুক মই তাঁলৈকে পঠিয়ালো। তাত ককায়েকৰ লগত ৰভাৰ কাম-কাজবোৰ সুকলমে আগবঢ়াবলৈ কৈ পঠিয়াইছো। সি বা আকৌ তাত গৈ কামবোৰ চাই দিব পাৰিছে নে নাই? তই এতিয়া মোৰ বাবে ইকুঁ [13] এখন উলিয়াই দে। মই যাওঁতেই বাৰু সৰু

৮. পাচনি — উৎসৱ-পাৰ্বণত সহায়কাৰী ডেকা-গাভৰু
৯. চাকনি — উৎসৱ-পাৰ্বণত মদ চাকোঁতা
১০. পেই — পেহীদেউ
১১. দিং — ককাদেউতা
১২. পিচাচি — জী
১৩. ইকুঁ — চুবিয়া



দেউৰী, বৰ ভঁড়ালী, সৰু ভঁড়ালী আৰু তোৰ দিং কিলৌ বুঢ়াহঁতক লৈ যাম। বাকী বস্তুবোৰ হিচাপ কৰি সযতনে লৈ আহিবি। তোৰ মাক আশা কৰি লাভ নাই। লগতে.........।

ঃ হব, হব। তই সোনকালে গাটো তিয়াই ল। পিছে, চুঁজে দহ কলহ নিলে নহব জানো? অ' তোৰ বাবে নতুন ইকুঁ আৰু বৰ্চেঁ [14] এখন ৰাতিপুৱাতে পেৰাৰ পৰা উলিয়াই থৈ গৈছিলো নহয়। সেইয়া দেখোন তোৰ বাকচৰ ওপৰতে আছে।

ঃ অঁ চুঁজে দহ কলহ নিলেই হ'ব। দৰকাৰ হ'লে আকৌ লবলৈ পঠিয়াব লাগিব আৰু। মই এতিয়া গাটো তিয়াই লওঁ।

চাওঁতে চাওঁতে বেলি এনলমান উঠি আহি ঘৰৰ পদূলিত থকা কৃষ্ণ চুড়া জোপাৰ পাতৰ মাজত লুকা-ভাকু খেলিবলৈ আৰম্ভ কৰিলেহি। জোনাকীৰ লগতে পাচনিখিনিও এজনী দুজনীকৈ আহি গোট খালেহি। ৰংদৈয়ে সিহঁতৰ লগত চুঁজেৰ কলহখিনি প্ৰথমতে ৰভা স্থলীলৈ বুলি লৈ গ'ল। বাকী শাক-পাচলি, চাউল আদিৰ বস্তাবোৰ ককায়েক বিন্দেশ্বৰহঁতৰ হতুৱাই গৰুগাড়ীত লৈ যাবলৈ ব্যৱস্থা কৰিব বুলি ৰংদৈয়ে ভাৱিছিল। কিন্তু পিছমূহূৰ্ত্তত সিহঁতেই নিজে পুনৰ আহি ৰভাস্থলীলৈ বাকী বস্তুবোৰ লৈ যোৱা কথা ভাবি পিচত বস্তুবোৰ লৈ গ'লহি।

বৰদেউৰীহঁতৰ বাবে দহা এটা বৰ ডাঙৰ সকাম। এই পাৰ্বণ ঘৰৰ বহল চোতাল বা ঘৰৰ সমীপতে থকা বাৰী বা পথাৰত আয়োজন কৰা দস্তুৰ। মৃতকৰ বাবে আয়োজন কৰা এই পাৰ্বণ মৃত্যুৰ নিৰ্দ্দিষ্ট কেইদিনৰ ভিতৰত সমাপন কৰাৰ কোনো বাধ্য বাধকতা ৰীতি নাই। গৃহস্থৰ সুবিধা অনুসৰি বহুদিন বা বছৰৰ পিছতো এই পাৰ্বণ আয়োজন কৰিব পাৰে। লগতে, এই পাৰ্বণ স্ব-গোত্ৰৰ মৃতকৰ বাবে সামূহিকভাৱেও আয়োজন কৰিব পাৰে। এই সকামৰ বাবে ৰভা ঘৰ আগদিনাই সমান আৰু চাফ-চিকোণ কৰি বাঁহৰ খুঁটা পুতি দিয়া হয়। প্ৰায় এবিঘামান ঠাই আগুৰি পুতা খুঁটাত পথালিকৈ পুনৰ বাঁহকেইডালমান পাৰি দিয়া হয় আৰু তাৰ ওপৰত কলপাত সেৰেঙা সেৰেঙাকৈ জাপি দিয়া হ'লত সেয়া হৈ পৰিল সকাম তলী। তলত খেৰ বা নৰাৰ মুঠি কানে কানে পাৰি দিয়াত সি হৈ পৰিল ভকতৰ বাবে পিৰা। একেবাৰে পূব দিশৰ ঠাইখিনি বৰকাপোৰেৰে আঁৰ কৰি বান্ধি দিয়া হয়। কাৰণ, সেইখিনি পূজাৰীচামৰ বাবে বিশেষভাৱে সংৰক্ষিত আসন।

ৰংদৈহঁত চাউল আৰু শাক-পাচলিখিনি লৈ গৈ পুনৰবাৰ ৰভাতলী গৈ পালত ইতিমধ্যে নি থোৱা চুঁজেৰ কলহখিনি চাকনিক চমজাই দিলে আৰু লগত নিয়া চাউল আৰু মাটিমাহখিনি ভাগে ভাগে ডাঙৰ পাচি দুটাত ঢালি ৰভাতলীৰ দক্ষিণফালৰ চুকত কলপাতেৰে ঢাকি থ'লে। তাৰ পিচত শাক-পাচলিখিনি কাটিবলৈ পাচনিখিনিৰ লগত ৰংদৈয়ো নিজে লাগি গ'ল। ●

১৪. বৰ্চেঁ — গামোচা

## (৪)

বিন্দেশ্বৰৰ সৈতে চাৰিজন পাহুৱাল ডেকাই দহাৰ বাবে আনি থোৱা গাহৰিটো গঁৱালৰ পৰা ধৰি আনি ৰভাতলীৰ উত্তৰে থকা মুকলি ঠাইত ৰাখি গা ধুৱাবলৈ লাগি গৈছে। গাহৰিটোৰ গগন ফলা ‘কু......ৱেঁ........ক, কু........ৱেঁ........ক’ চিঞৰত গাৱঁৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰ কিবা সকামৰ আগজাননী পাই ৰভাতলীলৈ জাকে জাকে দৌৰি আহিল। ডেকাহঁতে গাহৰিটো কলপাতৰ ওপৰত বগৰাই বিশেষ ভঙ্গীমাৰে ওভোতাই ধৰিলে। তেনে এক আচহুৱা পৰিস্থিতিৰ সন্মুখীন হৈ গাহৰিটোৱে দুগুণ বিকট্ চিঞৰেৰে আকাশ-পাতাল কঁপাই তুলিলে। ভৰি আচাৰি গাৰ শক্তি প্ৰয়োগ কৰি গাহৰিটোৱে বন্ধনৰ পৰা মুক্তি পাবলৈ অযথা আপ্ৰাণ চেষ্টা চলালে। ক্ষন্তেক পিছতে ৰূপচিং বৰদেউৰীয়ে দহা আয়োজনকাৰীৰ গৃহস্থ হৈ এডাল জোঙা বাঁহৰ খৰিকাৰে গাহৰিটোৰ বুকুত খোঁচ্ মাৰি সুমুৱাই দিলে। খোঁচত গাহৰিটোৱে চট্‌ফটাই চট্‌ফটাই এক অদ্ভুত চিঞৰেৰে গেঙেৰিবলৈ আৰম্ভ কৰিলে আৰু শেষত অচেতন হৈ মৃতকৰ সঙ্গী হ'লগৈ। গাহৰিটো ঠেৰেঙা লগাত মস্ত মিতৃদা এখনেৰে পেটটো ফালি চিকা[1]টো উলিয়াই বুঢ়া চামে পূজাৰী বৃন্দৰ লগত পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আৰম্ভ কৰিলে। চিকাটোক কলপাতত আলফুলে ৰাখি লৈ গৃহস্থৰ ভৱিষ্যত আৰু অতীতৰ ঘটনাৰাজীৰ বৰ্ণনা খোদিত কৰি ৰখা চিহ্নৰ বাবে সকলোৱে গভীৰভাৱে পৰ্যবেক্ষণ কৰাত লাগি গ'ল। বৰদেউৰীহঁতৰ বাবে এনে পৰীক্ষা এই সকামৰ এক বিশেষ উল্লেখযোগ্য তাৎপৰ্য আছে।

ঃ মৃতকৰ আত্মাবোৰ স্বৰ্গলৈ যাব পৰা নাছিল। এইয়া এই বগা বগা চিনে আত্মাৰ বিচৰণৰ বাৰ্তা-বহন কৰিছে। যকৃৎটো বাওঁহাতৰ তৰ্জনী আঙুলিৰে লিৰিকি-বিদাৰি বৰভঁড়ালীয়ে ক'লে।

কিলৌ বুঢ়াই ৰগৰ কৰি ক'লে— হ'ব হ'বহে বৰভঁড়ালী। আজিহে তেতিয়াহলে মৃতকসকলে স্বৰ্গলৈ উৰা মাৰিব! অ' তাৰমানে সিহঁতে উৰামটৰত আজিহে টিকট পালে। সকলোৱে গিৰ্জনি মাৰি এখন্তেক হাঁহিলে।

ঃ এইযে ক'লা দাগটো! ক্ৰমান্বয়ে ই সৰু হৈ আহিছে। এটা সময়ত ই ডাঙৰ আছিল। তাৰমানে গিৰিহঁতৰ পৰিয়ালৰ বিপদ-আপদ ক্ৰমে টুটি আহিছে। সৰুদেউৰীয়ে একপ্ৰকাৰ বহি থকাৰ পৰা টিকাটো এচলীয়া কৰি যকৃৎটোৰ এটা অংশলৈ দৃষ্টি ৰাখি মন্তব্য কৰিলে।

১. চিকা — যকৃৎ



ঃ ক'লা দাগটো ক্ৰমান্বয়ে সৰু হৈ আহিছে নে ক্ৰমে ডাঙৰ হৈ গৈছে সৰুদেউৰীয়েনো ক'ত চিনটো পালে? মোৰ বোধেৰে ই এটা বেমাৰ। তাৰমানে গিৰিহঁতৰ ঘৰত বেমাৰ আজাৰৰ আৱিৰ্ভাৱ হ'ব পাৰে। কিলৌ বুঢ়াই এইবাৰ গহীন হৈ ক'লে আৰু কাষতে বহি থকা বৰদেউৰীৰ মুখলৈ চাই মাত মাতিলে ‘বৰদেউৰীয়ে যে আজি মাত মতা নাই?’

অৱশ্যে বৰদেউৰীয়ে আজি বাকী পূজাৰী বৃন্দও বুঢ়া মেঠাকে বক্তব্য দিবলৈ সুযোগ দি আছে। কাৰণ নিজৰ ঘৰুৱা সকাম নিকামত যে ব্যক্তিগত দায়িত্ব অৰ্থহীন তাক বৰদেউৰীয়ে ভালদৰেই উপলব্ধি কৰে।

পূজাৰীসকলৰ চিকা চোৱা পৰ্বৰ মাজতে কন্দৰায়ে আহি মলা-ধপাত, কাটাছেদো, পান-তামোল আদি বটাৰে সৈতে দি গ'লহি। কথাৰ মহলাৰ লগে লগে সকলোৱে নিজৰ নিজৰ ৰুচি অনুযায়ী হাত আগবঢ়ালে। কিলৌ বুঢ়াই ‘গুঁই কেজা’[2] মুখত ভৰাই মৰক্ মৰক্কৈ চোবাই লাখুটিডাললৈ উঠি ৰভাতলীৰ চাৰিওফালে পৰ্যবেক্ষকৰ দৃষ্টিৰে এবাৰ চকু ফুৰালে। সকলোবোৰ কাম গতানুগতিকতাৰে আগবাঢ়ি আছে। ডেকা-গাভৰুৰ পাচনিজাকে ডাঙৰ ডলা এখনৰ চাৰিওফালে বৃত্তাকাৰে বহি পাচলি কুটিব লাগিছে। ৰংদৈ, জোনাকী, পিৰিলি, মনদৈ, জিলি, বদিচি, বিন্দেশ্বৰ, মোহন, ৰজনচিং, পাতিগাহঁতক কিলৌবুঢ়াই চিনি পালে। বাকী দুজনমান ডেকা পাচনি আৰু দুজনীমান গাভৰু পাচনিক চিনি নেপালে। চিনি নেপাবৰে কথা। ডেকা-গাভৰুৰ দেহৰ গঠন দিনে দিনে সলনি হৈ থাকে। লগতে পচলা বঢ়াদি বাঢ়নটো আছেই।

পাচনিজাকে কামৰ মাজতে গিৰ্জনি মাৰি মাৰি হাঁহি আছে। সিহঁতজাকৰ কথা-বতৰা, হাঁহি-তামাছা, দৃষ্টিৰ বিনিময় আদিৰ অৰ্থ কিলৌ বুঢ়াই মনৰ ভিতৰতে হিচাপ কৰি উলিয়াই মনে মনে হাঁহিলে। সিটো চুকত চাকনি বুঢ়ী ৰমতিয়ে বৰদেউৰীয়নী আৰু দুজনীমান বুঢ়ীৰ সৈতে কথা পাতি পাতি চুঁজে চাকিঁ থকা দেখা পালে। ৰান্ধনিশালত ডাঙৰ ডাঙৰ কেৰাহিত ভাত ৰান্ধি আছে ৰান্ধনিদ্বয় মতিলাল আৰু ৰমাচিঙে।

ৰভাতলীৰ দক্ষিণফালে অলপ মুকলি ঠাই। সৰু সৰু ল'ৰাজাকে গাহৰিটোৰ পেটৰ ভিতৰৰ ‘তেতৌ’ (মূত্ৰাশয়)ৰে তৈয়াৰ কৰা বলটো খেলি চিঞৰ বাখৰ কৰি আছে। জাকৰ ভিতৰত কিলৌ বুঢ়াই বৰদেউৰীৰ নাতিয়েক মইনাক চিনি পালে। ল'ৰাজাকৰ সীমাহীন আনন্দৰ মূলতেযে সকামত মাংস খাবলৈ পোৱাৰ আশা মিহলি হৈ আছে তাক কিলৌবুঢ়াই ভালদৰে জানে। কাৰণ বুঢ়াও এনেকুৱা এটা স্তৰ সময়ৰ চাকৈনয়াত পাৰ কৰি আহিছে। শৈশৱৰ এই আনন্দ বনৰীয়া পক্ষীৰ দৰেই যে উন্মুক্ত। জীৱন অপৰাহ্নৰ এই সন্ধিক্ষণতো বুঢ়াই কণ কণ ল'ৰাজাকৰ আনন্দত এক ভাবিব

২. গুঁই কেজা — তামোল এখন

নোৱাৰা পুলক অনুভৱ কৰিলে। এই আনন্দৰ মাজতে বুঢ়াই অতীতৰ সেই ল'ৰালি দিনৰ কথা ৰোমন্থন কৰিলে। সঁচাই সেই শৈশৱদিন কিমান যে সোণালী আৰু মধুৰ আছিল। মানুহে এনেই নকয় 'যোৱা দিন ভাল; অহা দিন কাল।' শৈশৱৰ সেই সময়বোৰৰ কথা বুঢ়াৰ মানস পটত ৰিণিকি ৰিণিকি ভাহিবলৈ ধৰিলে। তেতিয়া বুঢ়া মইনাহঁতৰ চামৰ দৰেই উতনুৱা। বাস্তৱৰ এনে কণ্টকময় জীৱনৰ স্তৰৰ প্ৰাগমুহূৰ্ত্তৰ সেই হাঁহি ধেমালি আৰু ৰং-ৰহস্যৰে ভৰা স্তৰৰ দিন এটা................

ঃ আ................ঔ.................ইয়াত নহয়। সৌ নদীৰ পাৰত খেলিবগৈ নোৱাৰ নেকি তহঁতি। নহ'লে আমি এতিয়া তহঁতৰ বলটো ফুটাই দিম। হঠাৎ জোনাকীৰ চিঞৰ কিলৌবুঢ়াৰ কাণত পৰিলহি। এই ল'ৰা-ছোৱালী জাকৰ পৰা আৰু উপায় নাই! অলপ শান্তিৰে অতীত ৰোমন্থন কৰিবলৈকো আজৰি নিদিয়ে ইহঁতজাকে। ভোৰভোৰাই কিলৌবুঢ়াই 'কিনো হ'ল' বুলি পাচনিজাকলৈ চকু ফুৰাই দেখে যে মইনাহঁতে খেলি থকা বলটো জোনাকীৰ বাওঁহাতত আৰু তাইৰ সোঁহাতত এখন চুৰি কটাৰী। দেখি বুজিবলৈ বাকী নেথাকিল যে— বলটো উফৰি পাচনিহঁতৰ শাক-পাচলিৰ ডলাখনতে পৰিলগৈ। কথা বিষম দেখি দুষ্ট ল'ৰা দুজনমানে পলাই-পত্ৰং দিলে। মইনায়ে দুজনমান ল'ৰাৰ লগত সেমেনা-সেমেনি কৰি এখোজ দুখোজকৈ আগবাঢ়ি আহি বলটো উদ্ধাৰৰ বাবে দদায়েক বিন্দেশ্বৰক কান্দুনমুৱাকৈ আবেদন জনালেহি।

ঃ দি দে ঐ পিচুচি [৩] জোনাকী। বলটো ফুটাই পেলাব নেলাগে। ঐ মইনা, তহঁতি যা গৈ যা। সৌ নদীৰ পাৰত খেলগৈ। পেহীহঁতক কাম কৰি থাকোতে আমনি কৰিব নেপায় নহয়। যা বলটো লৈ যা। —কিলৌ বুঢ়াই এইবুলি মৰমৰ সুৰেৰে কোৱাৰ বাবে মইনাহঁতে অলপ সাহস পালে আৰু বলটো পোৱাৰ আশাত সকলোৰে আগবাঢ়ি আহিল।

ঃ ইহঁতৰ লগত চুপতি কৰি থাকিবলৈ আমাৰ সময় নাই। দি দে ঐ হই [৪]। ৰংদৈয়ে এটা ডাঙৰ লাউ দুফাল কৰি জোনাকীক উদ্দেশ্যি ক'লে।

ঃ দিং [৫] কিলৌও যে! সৰু ল'ৰাজাকৰ ফলিয়াহে চিধাচিধিকৈ। মনদৈয়ে আলু এটা বাকলি গুচাই গুচাই মনতে ভোৰভোৰালে।

ঃ এ হ'ব দে। 'বুঢ়া হ'লে ল'ৰা' বুলি তহঁতি নাজান নেকি অ'। বিন্দেশ্বৰে জোনাকীৰ হাতৰ পৰা বলটো একপ্ৰকাৰ কাঢ়ি অনাৰ দৰে আনি মইনাৰ হাতত নিদি দূৰলৈ দলিয়াই দি সভাত সভাপতিৰ মন্তব্য দিয়া দৰে কৈ অযথা তৰ্কাতৰ্কিৰ সামৰণি মাৰিলে।

৩. পিচুচি — নাতিনী
৪. হই -- বান্ধৱী
৫ দিং — ককাদেউতা



সৰু ল'ৰাজাকে কেঁচুৱাই কান্দি কান্দি মাকৰ গাখীৰ খাবলৈ পোৱাৰ আনন্দৰ দৰে ৰঙতে কিৰিলি পাৰি বলটো লৈ নদীৰ পাৰৰ ফালে দৌৰি পলাল। কিলৌ বুঢ়াই অৱশ্যে নাতি-নাতিনীহঁতৰ লগত নিজেই চুপতি মাৰি খুউব ভাল পায়। গতিকে কিবা কথাত কোনোবাই ওপৰঞ্চি মাত মাতিলেও সহ্য কৰিব পাৰে। এনে বয়সতনো নাতি-নাতিনীহঁতৰ লগত ৰং তামাছা নকৰিলেনো কাৰ লগত কৰিব? তথাপিও বুঢ়াই লাখুটিডাল টোঁৱাই 'মোক জোকাই নলবিহঁত, কথা বেয়া হ'ব, বুলি কৈ বুঢ়াচামৰ ফালে পুনৰ ঘূৰি আহিল।

ঃ ঐ পাচনিহঁত, তহঁতি চুপতি কৰি আছনে পাচলি কুটি আছহঁত? সৌ বস্তাবোৰ দেখিছ নে নাই? সেই সকলোবোৰ পাচলি লাগিব। মাজতে দুজনীমানে দুই কেৰাহিমানৰ পাচলি ধুই আনি দে। মিকাচ্চিৰ শাক আৰু ভাত ৰন্ধা শেষ হ'লেই। — মতিলালে ৰান্ধনিশালৰ পৰা হাতত তাঁদু [৬]টো লৈ চকুত লগা ধোৱাঁবোৰ মোহাৰি মোহাৰি আহি পাচনিহঁতক দিহা দি গ'ল।

ৰভাতলীলৈ ৰাইজৰ সোঁত লাহে লাহে বৈ আহিব ধৰিলে। গাৱঁৰ ৰাইজৰ প্ৰত্যেক ঘৰতে আগতীয়াকৈ নিমন্ত্ৰণ জনোৱাৰ উপৰিও সকামৰ দিনা প্ৰতি ঘৰতে পুনৰবাৰ নিমন্ত্ৰণ জনোৱাটো এটা নিয়ম। নিয়মমতেই কাম। দূৰণিৰ গাঁৱৰ মিতিৰ কুটুমক বিশ/ত্ৰিশ দিন মানৰ আগতে নিমন্ত্ৰণী পত্ৰ পঠোৱা হৈছেই। আচল নিয়মমতে প্ৰতি ঘৰলৈ তামোল পানেৰে নিমন্ত্ৰণী শৰাই আগবঢ়াব লাগে। বৰ্তমান নিয়মবোৰ সলনি হোৱাৰ পথত। পত্ৰ প্ৰেৰণৰ সুবিধা অনুযায়ী আজিকালি বেছিভাগেই নিমন্ত্ৰণী পত্ৰহে প্ৰেৰণ কৰা দেখা যায়। দূৰৈৰ কিম্বা গাঁৱৰে হওঁক দহাত সকামলৈ আহোতে বোৱাৰী বা বুঢ়ীচামে লগত তামোল-পাণ, চাউল, চুঁজে [৭] আদি আনি দিয়াটো এটা দস্তুৰ। লগতে প্ৰতিঘৰেই ইচ্ছানুসৰি অৰিহণা আগবঢ়ায়। এই অৰিহণা হৈছে টকা-পইছা। যি যিমান পাৰে সকলোৰে সকামৰ দিনা আহি গিৰিহঁতক জমা দিয়ে।

আজি বিন্দেশ্বৰৰ সম্বন্ধৰ দদায়েক সৎচিং অৰিহণাৰ তালিকা বনোৱা আৰু সংগ্ৰহৰ দায়িত্বত আছে। সৎচিঙে সকাম তলীৰ একেবাৰে মুখতে টেবুল চকী এযোৰ লৈ কাগজ আৰু পেঞ্চিল এডালেৰে কিবা-কিবি লিখাত ব্যস্ত। কাপোৰৰ মোনা এটা তাৰ কান্ধত ওলোমাই থোৱা আছে। লগতে কন্দৰায়ে দদায়েকক সহায় কৰি দিছে। ৰাইজৰ হেঁটা ওপৰা লাগিছে। অৰিহণা জমা দিবলৈ। এই অৰিহণাৰ সংগ্ৰহৰ মূল্যৰে গাহৰি আদি কিনি আনি ৰাইজকে সেই একেদিনাই ভোগ কৰিবলৈ দিয়া হয়। হিচাপ নিকাচ কৰি মাজতে কেইজনমান ডেকা ল'ৰাক গাহৰি আনিবলৈ ইতিমধ্যে দায়িত্ব

৬. তাঁদু — বাহঁৰে তৈয়াৰী হেঁতা
৭. চুঁজে — এবিধ ঘৰুৱা মদ

দিয়া হৈছেই। তেনেকৈ কিমান গাহৰি অনা হয় সেইয়া ৰাইজৰ অৰিহণাৰ ওপৰতেই নিৰ্ভৰ কৰে। এতিয়ালৈকে চাগে তেনেকৈ আনিবলৈ দিয়া গাহৰিৰ সংখ্যা তিনিমান হ'লগৈ। সকলোবোৰ ৰান্ধি বাঢ়ি হলত নিয়াৰিকৈ বহাতো এটা নিয়মানুবৰ্ত্তিতা আছে। চাৰিদেউবী ও পূজাৰীবৃন্দই একেবাৰে পূবত পশ্চিমমুৱাকৈ, তাৰ দক্ষিণ বা উত্তৰমুৱাকৈ বয়োজ্যেষ্ঠ ৰাইজসকল, তাৰপিচত ডেকাবৃন্দ। মহিলাসকলে দক্ষিণত পৃথককৈ বহা নিয়মেৰে বহিল আৰু তাৰ লগতে সৰু ল'ৰা-ছোৱালীবোৰ। ৰান্ধনি আৰু জ্যেষ্ঠ পাচনিজাকে যথাবিহিত ৰীতিৰে পূজাৰীবৃন্দৰ শাৰীত চচাগিৰিচ্চা [৮] পাৰি দিলে। লগতে একোটাকৈ জিবি [৯] চুঁজে দিবলৈ ভগাই দিয়া হ'ল। আদহীয়া ৰাইজ আৰু আলহীহঁতকো যিমানলৈ জিবি জোৰে ভগাই দি গ'ল। বাকী বৈ যোৱা ৰাইজ আৰু সৰু ল'ৰা-ছোৱালীজাকক বাঁহৰ চুঙা কাটি এডোখৰকৈ চুঁজে খাবলৈ ভগাই দিয়া হ'ল। চলতে ৰূপচিং বৰদেউবীয়ে আত্মীয় সকলো মিতিৰ কুটুম আৰু ৰাইজ শাৰীত বহিছে নে নাই বুলি তদাৰক কৰিবলৈ আসনৰ পৰা 'ৰ'চোন দেই হাঁলৈ গিৰাচ্চিগা' বুলি কৈ উঠি গৈ ৰভাতলীৰ একাষত জুম বান্ধি থকা পাচনিজাকৰ ওচৰ চাপি গ'ল। তাতে বৈ থকা ৰংদৈ আৰু জোনাকীহঁতক বুঢ়ীচামৰ শাৰীফালে চকু দিবলৈ আওৰাই গ'ল। বিন্দেশ্বৰ আৰু কন্দৰায়কো কোনে ক'ত আছে সকলো ৰাইজকে শাৰীত বহুৱাবলৈ আকৌ এবাৰ উনুকিয়াই থৈ যাবলৈ বৰদেউৰীয়ে নেপাহৰিলে। লগতে অজাতীয় ৰাইজৰ বাবে ৰভাতলীৰ বাহিৰত ব্যৱস্থা কৰা শাৰীতো মন দিবলৈ কৈ গ'ল। ঘৰৰ মূৰব্বী হিচাবে এই সকলোবোৰ তদাৰকি বা তেনে সৌজন্যতাকন ৰক্ষা নকৰিলে সমাজৰ নিয়মত ব্যাঘাত জন্মিব পাৰে। আকৌ নিয়মত ব্যাঘাত জন্মোৱা মানেই ৰাইজৰ অসন্তুষ্টি আৰু ৰাইজৰ অসন্তুষ্টি মানেই এই বিৰাট দহাপাৰ্বণৰ মহত্বত আঘাত কৰা। কাজেই মৃতকৰ আত্মাৰ হকে উচৰ্গা কৰা এই আয়োজন পানীত পৰা যেন হৈ পৰিব বুলি বৰদেউৰীহঁতে জানে।

অৱশেষত ৰাইজৰ সহযোগত এই বিৰাট পাৰ্বণটো আটোম-টোকাৰিকৈ দায়িত্ব সহকাৰে পাৰ কৰি দিয়াত গৃহস্থ সফল হ'ল। কন্দৰায় আৰু বৰদেউৰীৰ মূৰৰ পৰা যেন একো একোটাকৈ প্ৰকাণ্ড বোজাহে মাটিত সৰি পৰিল– তেনেকুৱা ভাৱ অনুভৱ কৰিলে দুয়োঘৰে। দুয়োঘৰে যেন এক নতুন মুক্তি লাভ কৰিলে। সঁচাই, এনে কাজৰ দ্বাৰাই সামাজিক দায়িত্বৰ পৰা মুক্তি লাভ কৰাৰ উপৰিও এক অপৰিসীম মানসিক স্বস্তি পোৱা যে যায় তাক ৰূপচিং বৰদেউৰীয়ে গভীৰভাৱে উপলব্ধি কৰিলে।

● ● ●

৮. চ্চাগিৰিচ্চা – এবিধ বনৰীয়া পাত
৯. জিবি – বাটি



## (৫)

দহাৰ পিছদিনা অৰ্থাৎ পিছ দহা। পুৱা বেলাতে বিন্দেশ্বৰে ককায়েক কন্দৰায়ৰ লগত দহাৰ বাবে গাঁৱৰ ৰাইজৰ পৰা গোটাই অনা কেৰাহি, বাটি, পাচি, কটাৰী ইত্যাদিৰ তালিকাখন চাই চাই বস্তুবোৰ থান-ঠিত্ লগাইছে। কিলৌ বুঢ়াৰ এটা ডাঙৰ কেৰাহি, কাইঁৰ বাটি ৪টা; তিতেচিংহঁতৰ বাটি ২টা, পাচি এটা। তাৰোপৰি ৰাইজৰ মৰং ঘৰৰ পৰা অনা ১৪টা বাটি, ৪টা ডাঙৰ কেৰাহি।

ঃ কাঁহৰ বাটি দুটা ওলোৱা নাই। তালিকাত থকা মতে মুঠ ২২টা। কিন্তু হিচাবত ওলাইছে ২০টাহে। দুটা বাটি গাইফ্। কন্দৰায়ে ভায়েক বিন্দেশ্বৰক উদ্দেশ্য কৰি ক'লে।

ঃ আমাৰ নিজৰ ১৮টা পিছে ধৰিছনে নাই? আৰু বাকী বস্তুবোৰ বা মিলে কি নিমিলে! বিন্দেশ্বৰে বাটিখিনি নিজৰ হাতলৈ আনি পুনৰ গণিবলৈ লাগি গ'ল। কিন্তু হিচাপ কৰি সিও ২০টাহে পালে।

ঃ আমাৰ খিনি আছে। বাকী বস্তুবোৰৰ ভিতৰত সকলো ঠিক্‌ঠাক্‌কৈ আছে। কেৱল ৰাইজৰ মৰংঘৰৰ পৰা অনা এটা কেৰাহিৰ ঠাৰি এটা এৰাইছে। ইয়াতে এৰ খালে নে আগৰেই আছিল সেইটোহে ধৰিব নোৱাৰিলো। বিন্দেশ্বৰৰ মুখলৈ চাই কন্দৰায়ে ক'লে।

ঃ হ'ব আৰু। সেইবোৰ বাদ দে। মুঠৰ ওপৰত কেৰাহি নেভাঙিলেই হ'ল। পিছে বস্তুবোৰ এই পুৱাবেলাতেই বিলাই আহিব পাৰিলে ভাল আছিল। এই ৰংদৈহঁতনো কি কৰি আছে? বিন্দেশ্বৰে কথাখিনি কৈ উঠি যাবলৈ ধৰিছিলহে মাথোন সেই মূহুৰ্ত্ততে পিছফালৰ পৰা জোনাকী, পিৰিলিহঁতে দৌৰি আহি বিন্দেশ্বৰৰ পিঠিত উপৰ্যুপৰি লাউৰ ডিঙিৰ টুকুৰাটোত "৪২০" বুলি আঁকি লোৱা ষ্টাম্পটোত কেৰাহিৰ তপিনাৰ ক'লা ছাই লগাই কেইবাটাও ছাপ্ বহুৱাই দি ঢেক্‌ঢেকাই হাঁহি দৌৰি পিয়াপি দি পলাল। দুজনীমানে ৰভাতলীৰ ফালে পলালে। জোনাকীয়ে পলাই যাওঁতে ওচৰতে দমাই থোৱা জাবৰ-জোথৰৰ দ'মত উজুটি খালেগৈ। তাকে দেখি কন্দৰায়ে 'অঁ এতিয়া মজা পালি, কেনে মজা' বুলি কাষলতিৰে হাত বজাবলৈ ধৰিলে। ৰভাতলীৰ পিছফালে উচ্ছিষ্টৰ বাবে চিঞৰ-বাখৰ কৰি থকা কুকুৰ-কাউৰীজাকে যেন এক বেসুৰীয়া সঙ্গীত গাবলৈহে উৎসাহ পালে। বিন্দেশ্বৰে 'কি কৰো কি নকৰো' বুলি তধা লাগি চাই ৰ'ল।

দায়িত্বৰ মাজতে এনে ক্ষন্তেকীয়া আমোদ-প্ৰমোদ এই গাঁৱৰ সমাজৰ প্ৰতি খোজতে, প্ৰতি স্তৰতে দেখিবলৈ পোৱা যায়। এনে ক্ষণিক আমোদৰ মাজতেই যে অবিস্মৰণীয় আবুৰ নিহিত হৈ থাকে সেইবোৰ কোনে উপলব্ধি কৰিব পাৰিব? হয়তো বিন্দেশ্বৰেও উপলব্ধি কৰিব নোৱাৰিলে। সেয়েহে সি ওচৰতে হাঁহি ৰৈ থকা ৰংদৈৰ গাতে তাৰ পিঠিৰ ৰংবোৰ ঘঁহি দিলে। ৰংদৈয়ে ককায়েকৰ এনে কাৰ্য দেখি 'হে.........হে...........কি.........কৰিছ........... মই জোনাকী নহওঁ' বুলি কৈ দৌৰি চাঙৰ ওপৰলৈ উঠি গ'ল।

ঃ ঐ ৰংদৈ, ক'ত চাঙলৈ উঠি গৈছ। তহঁতি ধেমালি কৰিয়ে থাকিবি নে? সকলোকে মাত আৰু সোনকালে এই লিষ্টমতে বস্তুবোৰ ঘৰে ঘৰে বিলাই আহগৈ। — আদেশৰ সুৰত কন্দৰায়ে একপ্ৰকাৰ চিঞৰিলে।

আদেশ্ পাই ৰংদৈয়ে সকলো গাভৰু পাচনিক গোটাই লৈ বস্তুবোৰ বিন্দেশ্বৰৰ পৰা চমজি ল'বলৈ ওচৰ চাপি আহিল। শেষত সকলো পাচনি মিলি বস্তুবোৰ হাতে হাতে ধৰাধৰি কৰি বিলাবলৈ বুলি লৈ গ'লগৈ। বিন্দেশ্বৰেও আৰু ৰৈ নাথাকিল, সিওঁ ছোৱালী জাকৰ পিছে পিছে আগবাঢ়িল।

সাধাৰণতে পিছ দহা দিনাখন মূল দহা কাজৰ দিনা কষ্ট কৰি দিয়া মূল ব্যক্তি বিশেষক পুনৰ মাতি আনি অনুষ্ঠপীয়াকৈ এটা লঘু ভোজৰ আয়োজন কৰি দায়-দোষ মৰিষণ কল্লে গৃহস্থই আঁঠু লয়। লগতে মৃতকৰ আত্মাৰ বাবে ৰাইজে আগবঢ়োৱা কাপোৰ-কানি, বাচন-বৰ্তন আদি বস্তুবোৰ ৰাজহুৱাকৈ নিলাম কৰা হয়। এই কাৰ্যত সৰ্বসাধাৰণতে গাঁৱৰ চাৰিদেউৰীৰ লগতে পূজাৰীবৃন্দৰ বিষয়ববীয়াই পৰিচালনা তথা হিচাপ-নিকাচৰ দায়িত্ব গ্ৰহণ কৰা দেখা যায়। নিলামৰ পৰা উপাৰ্জিত মুঠ মূল্য ৰাইজৰ অৰিহণাৰ পুঁজিলৈ যায়।

বেলি হৈ অহাৰ লগে লগে আজিও যথাবিহিত কাৰ্য প্ৰণালীৰে পিছ দহাৰ ৰভাতলী উদুলি-মুদুলি। গাঁৱৰ বাৰিক ৰাজাবৰৰ চিঞৰ পূজাৰীবৃন্দৰ নিৰ্দ্দেশত— 'চৰকাৰী ডাক..........বিশ্ টকা। ............টিলৌৰ ডাক.............পঁচিশ্ টকা, পঁচিশ্ টকা, পঁচিশ্ টকা। ................সৰু দেউৰীৰ ডাক ............আঠাইশ্ টকা, আঠাইশ্ টকা............। মতিলালৰ ডাক.............ত্ৰিশ টকা, ............ত্ৰিশ টকা..............। .............এক.........দুই........তিনি। ...................'

ৰভাতলীৰ নিলাম কাৰ্যৰ সমান্তৰালকৈ কন্দৰায়হঁতৰ ঘৰৰ ভিতৰত ৰমতিহঁতৰ বয়সৰ বয়সীয়া বুঢ়ীখিনিৰ সতে বোৱাৰীচামেও দহাপাৰ্বণৰ শেষৰ কামখিনি সমাপন কৰাৰ লগতে আমোদ প্ৰমোদো কৰিছে। মুঠৰ ওপৰত বয়স আৰু লিঙ্গ ভেদে পিছ দহাৰ কৰ্ম সমাপন কৰাত যেন প্ৰতিযোগিতাহে পাতিছে। অৱশেষত ৰূপচিং বৰদেউৰীৰ



তত্বাৱধানত অনুষ্ঠিত কৰা দহা-পাৰ্বণৰ অন্ত পৰিল। হাতে পাছে সামৰি বিন্দেশ্বৰহঁতেও ককায়েক কন্দৰায়ৰ ঘৰৰ পৰা নিজৰ ঘৰৰ বস্তুবোৰ বাছি বাছি হাতে হাতে লৈ আহিল। ৰংদৈ, জোনাকীহঁতেও বিন্দেশ্বৰক পাৰ্যমানে সহায় কৰিলে। সকামৰ অৱশিষ্ট যেনে— চ্চাগিৰি চ্চা, চুঁজে, মিৰু,[1] জুবুৰা[2] আদিক আধা আধা কৰি ভগাই লৈ জিমেশ্বৰী বৰদেউৰীয়নীও নিজৰ ঘৰলৈ খোজ ল'লে। বুঢ়া চামৰ লগত ৰূপচিং বৰদেউৰীয়ে কথা-বতৰা পাতি গাঁৱৰ দেওশালৰ সন্মুখেদি থকা ৰাস্তাইদি বাট ল'লে। দেওশালৰ সন্মুখত পাওঁতে সকলোৱে এখন্তেক ৰৈ সেৱা কৰি আহিবলৈ নেপাহৰিলে।

নদীৰ পাৰত ঠিয় হৈ থকা এই দেওশালখন হ'ল দুয়োখন পাৰৰ মাজৰ সমন্বয়ৰ সেতু। গিৰা-গিৰাচিক উপাসনা কৰা এই পৱিত্ৰ শাল হ'ল শাক্ত-শক্তি পূজাৰ স্থল। য'ত ছাগলী, পাৰ, কুকুৰা আৰু ৰূপৰ ফুল আদি ভক্তসকলে উচৰ্গা কৰি বিভিন্ন অপায় অমঙ্গলৰ পৰা হাত সাৰে বুলি জনবিশ্বাস। তাহানি শদিয়াৰ বুঢ়া-বুঢ়ী থানৰ নিয়মাৱলীৰ জৰিয়তেই বৰ্তমান বিভিন্ন দিবঙ্গীয়া গাঁৱত গা কৰি উঠা এনেধৰণৰ দেওশালবোৰ হ'ল গিৰা-গিৰাচিশালৰ নিদৰ্শন মাথোন বুলি ঠাৱৰ কৰিব পাৰি। সৃষ্টিৰ মূল হিচাপে 'কুন্দিমামা'ক পৰম পুৰুষ আৰু পৰম প্ৰকৃতি বুলি উপাসনা কৰে। এওঁলোকেই হিন্দুসকলৰ হয়তো হৰ-গৌৰী বা শিৱ-পাৰ্বতী বুলিও কিছুলোকে কব খোজে।

ৰূপচিং বৰদেউৰীৰ আজি দুটামান কথা সঘনাই মনত পৰিছে। প্ৰথমটো কথা হ'ল— বৰ্তমান যুগত ডেকাচাম ধৰ্মৰ প্ৰতি উদাসীন কিয়? নিজৰ সমাজৰ ধৰ্মই যে সমাজখনক জীৱন্ত কৰি ৰাখে আৰু অন্যায়-অত্যাচাৰৰ পৰা মুক্ত কৰি ৰাখে, তেনেবোৰ উপকাৰৰ কথা বাৰু সিহঁতৰ মনত উদ্ৰেক নহয়নে? দ্বিতীয়তে, পৰিবৰ্তিত আদব-কায়দাই বাৰু কিমান দিন ধৰ্মক সমাজত টিকি থাকিবলৈ সুবিধা দিব? অদূৰ ভৱিষ্যতে কালৰ সোঁতত সামাজিক ৰীতি-নীতি বিলীন হৈ যাব নেকি? নাই, নাই এনেবোৰ অমঙ্গলীয়া ভাৱনাক প্ৰশ্ৰয় দিয়াতো উচিত হোৱা নাই। ই কেতিয়াও হ'ব নোৱাৰে। কিন্তু এইবিলাক পৰিস্থিতিৰ সমিধান পাবলৈ হ'লে জানো বুঢ়াচামেই তৎপৰ হ'ব নেলাগিব? সমাজৰ কট্‌কটীয়া বান্ধোনবোৰ টিলাই দিয়াৰ বাবেই গাঁৱৰ উঠি অহা চামে চল পোৱাটো সঁচা। সেয়েহে, বৰদেউৰীয়ে নিজকে অধিক ৰক্ষণশীল মানসিকতাৰে সজাই ল'বলৈ পুনৰবাৰ প্ৰস্তুত হ'ল। কাৰণ, সামাজিক বান্ধোনৰ অবিহনে সমাজ এখন টিকি থাকিব কেতিয়াও নোৱাৰে।

---

১. মিৰু — চাউল
২. জুবুৰা — শাক

ঃ বৰদেউৰী এৰিলো আৰু। লগত অহা মনিচিং বুঢ়াই নিজৰ পদূলি মুখ পাই ৰূপচিং বৰদেউৰীক মাত দি হাত দুখন একেলগে কৰি নমস্কাৰেৰে বিদায় সম্ভাষণ জনালে।

ঃ দে হ'ব হ'ব। মই এইফালেদি পোনাই দিওঁ। বৰদেউৰীয়ে দলঙেদি যাবলৈ বাদ দি শুকান বালিয়েদি খোজ পেলালে। তেতিয়া সন্ধিয়া লাগিলেই বুলিব পাৰি। পূব্ব আকাশত তেতিয়া জোনবাইয়ে মিচিকিয়াই সম্ভাষণ জনাই বৰদেউৰীক নিবলৈহে যেন আগবাঢ়ি আহিছে।

ৰূপচিং বৰদেউৰী আহি ইটো পাৰত উঠিছেহে তেনেতে ‘মাৰাক্ মাৰাক্’ কৈ কিবা শব্দ এটা শুনিবলৈ পালে। শব্দটো সিমান আঁতৰৰ পৰা যে অহা নাই সেইটো ধৰিব পাৰিছে যদিও বৰদেউৰীয়ে কিন্তু কিহৰ শব্দ সেইটোহে ঠাৱৰ কৰিব পৰা নাই। সাঁজ লগা সময় হোৱা বাবে চকুৰেও সিমান ধৰিব পৰা নাই। মন ডাঠ কৰি শব্দৰ অনুসন্ধানত অলপ আগবাঢ়ি গৈ দেখিলে— সেইয়া মষ্ট মষ্ট দুটা হাতী। নদীৰ পাৰত থকা ঔ টেঙাজোপাৰ ওচৰতে হাতী দুটা বান্ধি থোৱা আছে। প্ৰথমতে বৰদেউৰীৰ মনত শঙ্কাই ঘেৰি ধৰিছিল যদিও হাতী দুটা দেখাৰ লগে লগে মনটো শাঁত পৰি গ'ল। হাজাৰ হ'লেও এইয়া যে লক্ষ্মীৰ চিহ্ন। গাৱঁৰ ভিতৰত পাইহে বৰদেউৰীয়ে গম পালে যে বলি বুঢ়াহঁতৰ হাতী দুটা পাহাৰৰ পৰা আনিলে। গাঁৱতে বোলে কুন্দা কেইটামান টনাৰ কাম ওলাইছে। কাঠৰ কুন্দাৰ কথা শুনাৰ লগে লগে বৰদেউৰীয়ে ককাদেউতাকহঁতৰ দিনত হোৱা সিহঁতৰ দঁতাল হাতীটোৰ দুৰ্ঘটনাৰ কথা চিৰিংকৈ মনত পৰিল। অজানিতে বৰদেউৰীৰ দুচকু সেমেকি উঠিল। কান্ধত লৈ যোৱা গামোচা খনেৰে দুচকু মোহাৰি এক দীৰ্ঘ নিশ্বাস এৰিলে। কিবা এক চিন্তি বৰদেউৰীয়ে মনৰ উদাসীনতা দূৰ কৰিবলৈ স্মৃতিক পাহৰণিৰ সোঁতত এৰি দিয়াটোকে উচিত বুলি ভাবিলে। কিয় জানো বৰদেউৰীয়ে আজি কেৱল শাৰীৰিক ভাৱেই নহয় মানসিকভাৱেও নিজকে ক্লান্ত যেন অনুভৱ কৰিছে। অৱশ্যে এই দুদিনৰ লৰা-ঢপৰাৰ আঘাত সময়ে আঁচোৰি যোৱা তেওঁৰ শৰীৰটোৱে কিমান টানিব? বৰদেউৰীৰ ক্লান্ত অৱসাদপূৰ্ণ দুনয়ণৰ দৃষ্টি উৰ্ম্মিমালাৰ লগত লুকা-ভাকু খেলি থকা জোনবাইটোৰ ওপৰত পৰিল। জোনবাইৰ শীতল আৰু স্নিগ্ধ পোহৰে তেওঁৰ চিন্তাক্লিষ্ট মনটোত থুপ খাই থকা বিষাদৰ ডাৱৰবোৰ যেন আঁতৰাই নিছে।



## (৬)

চ'তৰ ফৰকাল এটি পুৱা। ৰূপচিং বৰদেউৰীৰ ঘৰৰ আগ-চোতালত দুয়োপাৰৰ বুঢ়া-ডেকা সকলোৱে গোট খাইছেহি। চাংঘৰৰ মিচ্চঙ[১]ত অলপ আগতে আহি বহি থকা পূজাৰীবৃন্দক দেখি সকলোৱে চাঙলৈকে উঠি গ'ল।

পূজা-পাৰ্বণ, বিহু-উৎসৱ, দণ্ড-জৰিমনা, মামলা-মোকৰ্দমা ইত্যাদিৰ বাবে আলোচনা নাইবা গোট খাবলগীয়া হ'লে ৰাইজে সচৰাচৰতে বৰদেউৰীৰ ঘৰ বা ৰাইজৰ মৰং[২] ঘৰতেই মিলিত হয়হি।

ঃ কিলৌ বুঢ়া অহা নাই নেকি? চাঙলৈ উঠি অহাসকলৰ মাজত কিলৌ বুঢ়াক নেদেখি বৰদেউৰীয়ে প্ৰশ্ন কৰিলে।

ঃ তই যোৱাকালি ৰাতি নিচিঞৰিলি হবলা। — বাৰিক[৩] ৰাজাবৰৰ পিনে পেন্দোৱাকৈ চাই সৰুভঁড়ালীয়ে মাত লগালে।

ঃ চিঞৰিছিলে। যোৱাকালি ৰাতি আমি চুঁজে[৪] খাই উঠি ভাত খাবলৈ ধৰোতেই শুনিছো। কিলৌ বুঢ়াই নুশুনিলে চাগে। — বাৰিক ৰাজাবৰৰ হৈ ৰজকেই ওকালতি কৰিলে।

ঃ তই একা? সিপাৰৰ বাবে পৃথককৈ নিয়োগ কৰা বাৰিক টপাইচিঙলৈ চাই সৰুদেউৰীয়ে সুধিলে।

ঃ মই তিনিবাৰকৈ চাৰি জেগাত চিঞৰিছো। ৰাইজে নিশ্চয় শুনিছে। টপাইচিঙে পোনপটীয়াকৈ উত্তৰ দিলে।

ঃ দে গিৰাচ্চিগা[৫]। এনেকৈ বহি থাকিলে বিচু[৬] পতা হ'ব জানো? বেলি আহি দুপৰ হ'ব এতিয়া। কন্দৰায়ৰ কথা কেইষাৰ লাগনি খৰিৰ দৰে কাম কৰিলে। তাৰ মাততহে যেন বুঢ়াকেইজনে টোপনিৰ পৰা সাৰ পাই উঠিল। সকলোৱে এইবেলি বিহুত হুচৰি গাব নে নেগায়, বিহু কোন দিনৰ পৰা পৰিছে, কল কেতিয়া পোতা হব,

---

১. মিচ্চঁ — চাংঘৰৰ মুকলি কোঠা
২. মৰং — দেওশালৰ সংলগ্ন এটা পৃথক ঘৰ
৩. বাৰিক — পূজাৰী পৰিষদৰ এজন বিষয়া
৪. চুঁজে — ঘৰুৱা মদ
৫. গিৰাচ্চিগা — জ্যেষ্ঠবৃন্দ
৬. বিচু — বিহু

মেতুৰা[৭] কিমান মান হ'ব ইত্যাদি হিচাপ কৰিবলৈ লাগি গ'ল।

তেতিয়া বেলি আহি চোতালৰ একেবাৰে পূৱত থকা লঠঙা কৃষ্ণচূড়াজোপাৰ মাজত লুকা-ভাকু খেলি আছিল।

বৰদেউৰীয়নী অৰ্থাৎ দেউৰী গিৰাচি জিমেশ্বৰীয়ে কামৰ মাজতে ৰাইজক তামোল-ছালিৰ বটাটো আগবঢ়াই দি গ'লহি। বিন্দেশ্বৰেও ৰাইজৰ বাবে এচিলিম মলাধঁপাতৰে সৈতে মস্ত পিতলৰ গুড়-গুড়িটো বৰদেউৰীৰ হাতত তুলি দিলেহি। বুঢ়াচামে মলাধঁপাত আৰু আদহীয়া আৰু ডেকাচামে তামোল-ছালি খালে। আলোচনাৰ মূৰত হুছৰি লোৱাৰ সিদ্ধান্ত হ'ল। যোৱা তিনিবছৰৰ পিছত এইবছৰ হুছৰি লোৱাৰ সিদ্ধান্ত হোৱাত ডেকা চামৰ লগতে বুঢ়াচামেও খুউব ৰং পালে। গাঁৱৰ আৰ্থিক অৱস্থা একেৰাহে তিনিবছৰ ধৰি জুৰুলা বুলিয়েই জানো সমাজৰ প্ৰচলিত ৰীতি এটা এৰি পেলাব? সেইটো নিশ্চয় ৰাইজে প্ৰশ্ৰয় নিদিয়ে। কাৰণ, কৃষ্টি-সংস্কৃতিৰ সৈতে অভাৱ অনাটনে কোনো দিনাই ফেৰ মাৰিব নোৱাৰে। এটা জাতিৰ কৃষ্টি সংস্কৃতি চহকী হ'লে বোলে সেই জাতি অমৰ হয়। জিপাল সংস্কৃতিৰ বিশাল পথাৰত অভাৱ অনাটনৰ শিপাই গা কৰি উঠাটো সিমান সহজ সাধ্য নিশ্চয় নহয়।

ঃ তেতিয়াহ'লে হুছৰি গোৱাটো খাটাং নে ৰাইজ? বৰদেউৰীয়ে চূড়ান্ত অনুমোদনৰ বাবে ৰাইজক পুনৰ বাৰ প্ৰশ্ন তুলিলে।

ঃ আমাৰ ফালৰ পৰা খাটাং গাব লাগে বুলি সমৰ্থন জনাইছো। সিটো গুচ্চা[৮]ৰ বয়োজ্যেষ্ঠ মনিচিঙে থিয় হৈ মন্তব্য ৰাখিলে।

ঃ হয়। গাব লাগে, গাব লাগে। মোহন, ৰজনচিঙৰ দৰে ডেকাচামেও শলাগিলে। শেষত সকলোৱে উক্ত সিদ্ধান্তত হয়ভৰ দিলে।

ঃ হুছৰি গোৱাটো তেন্তে খাটাং যেতিয়া বিহু মুঠ পোন্ধৰ দিন পাতিব লাগিব। নহ'লেচোন হুছৰি গাই গোটেই গাঁওখনৰ ঘৰ সামৰি ল'বলৈকে টান হ'ব। সৰু দেউৰীয়ে ক'লে।

ঃ দৰকাৰ হ'লে হুছৰি পাৰ্টি দুভাগ হ'ব লাগিব। আৰু বেচি দীঘলীয়া কৰিলেও আকৌ বাৰিষাই পাবচোন। খেতিবাতিৰ বাবে আকৌ ৰাইজ সাজু হবৰে সময় আহি পাব। বৰভঁড়ালীয়ে মন্তব্য আগবঢ়ালে।

ঃ পিছে বিহু কোন দিনাৰ পৰা পেলাইছে? দিন বাৰ কেনে? মাজতে মনবৰে সুধিলে।

---

৭. মেতুৰা — পূজালৈ উচৰ্গিত নৈবদ্য বিশেষ

৮. গুচ্চা -- চুবুৰি



গাৱঁৰ আদহীয়া অৰ্দ্ধশিক্ষিত লীলাধৰে পঞ্জিকাৰ পাত লুটিয়াই পূজাৰীবৃন্দক জনালে যে অহা ব'হাগ মাহৰ তিনি তাৰিখে বুধবাৰ পৰিছে। উক্তদিনা অমাৱস্যা বা একাদশী বা তেনে কোনো বিসঙ্গতিপূৰ্ণ দিন পৰা নাই। গতিকে সেই বুধবাৰে দেওশালত পূজা পাতি বিচু নমাব পৰা যায়। তেতিয়া পিছদিনা বৃহস্পতিবাৰে অৰ্থাৎ ব'হাগৰ চাৰি তাৰিখৰ পৰা বিচুৰ লগতে হুছৰি আৰম্ভ কৰিব পৰা যায় আৰু অহা সোতৰ বহাগ বুধবাৰে বিচু উৰুৱাব পৰা যাব। সকলোৱে তেনেকৈয়ে হ'ব বুলি সমৰ্থন জনাই বিহুৰ দিনবাৰ চোৱা পৰ্ব সামৰণি মাৰিলে।

তাৰপিছত সচৰাচৰ কামৰ দায়িত্বৰে মেতুৱাৰ হিচাপ আৰু কলপোতাৰ সন্দৰ্ভত আলোচনা অৰন্ত হ'ল। বেলি হৈ অহাৰ বাবে সেইবোৰত ৰাইজ লাগি নেথাকিল।

ঃ তেতিয়াহ'লে বুঢ়াচামে পূজাৰীবৃন্দৰ লগত আজিয়েই তিৰি[৯] কাটিবলৈ ওলাব লাগে। তেতিয়াহে অহাকালিলৈ কল পুতিব পৰা যাব। টপাইচিং আৰু ৰজক দুয়োজনকে ৰাইজৰ চাৰিশালি[১০] মেতুৱাৰ বাবে মেদুৰু[১১] আনিবলৈ দায়িত্ব দিলো। আৰু বাকী মেতুৱাৰ বিষয়ে সবিশেষ উৰুকা দিনাই আলেখ-লেখ্ ল'ব পাৰিম। গতিকে আজিলৈ ৰাইজ মুগনা[১২] সামৰিলো। ৰূপচিং বৰদেউৰীয়ে সৰুদেউৰীৰ হাতৰ পৰা গুড়গুড়িটো লৈ বিশেষ ভঙ্গিমাৰে মলা-ধঁপাতৰ ধোঁৱা নাকে মুখে উলিয়াই আদেশ আৰু সিদ্ধান্তমূলক দৃষ্টিভঙ্গীৰে কথাখিনি লাহে লাহে ক'লে।

দেউৰী সমাজৰ বিহু ধৰ্মৰ সতে ওতঃপ্ৰোত সম্বন্ধ। বিহুৰ দিনবাৰ চোৱা-চিতাৰ ক্ষেত্ৰত আকৌ বাৰ আৰু জোনৰ হিচাপ অপৰিহাৰ্য। বাৰৰ ভিতৰত বুধ আৰু ৰবিবাৰ হ'ল তেওঁলোকৰ পবিত্ৰবাৰ। অন্যহাতে অমাবস্যা বা একাদশী ইত্যাদি দিনবোৰত পৰিলে পৃথিবী চুৱা বুলি পৰিগণিত কৰি উক্ত আসোঁৱাহসমূহ এৰাই চলিবলৈ পাৰ্যমানে বিহুকে পিচুৱাবলৈ বাধ্য হয়। দেওশালত আৰম্ভ আৰু দেওশালতে শেষ কৰিবলগীয়া এই কাৰ্যক সম্পূৰ্ণ মাঙ্গলিক পাৰ্বণ আখ্যা দি দেওঘৰৰ দুৱাৰ খোলাকে আদি কৰি বিহুৰ পৰ্ব সম্পূৰ্ণৰূপে স্থগিত ৰখাটো এই সমাজৰ নিয়ম। তেওঁলোকৰ পূজাৰ বিধান মূলগত সাত্বিক, ৰাজসিক আৰু তামসিক এই তিনিটা ক্ৰমত পতা হয়। সেইবাবে দেউৰী ধৰ্মক হিন্দুধৰ্মৰ সমাহাৰ বুলিহে আখ্যা দিব পাৰি। কিন্তু হিন্দুধৰ্ম বুলি সতকাই কব নোৱাৰি। বলি বিধানেৰে নানা উপাস্য দেৱতাৰ উপাসনা প্ৰধান দেউৰী ধৰ্মটো

---

৯. তিৰি — কল

১০. চাৰিশালি — তিনিটা ছাগলিৰে আগবঢ়োৱা পূজা

১১. মেদুৰু — বলিৰ বাবে আগ কৰা ছাগলী

১২. মুগনা — মেল, সভা

হিন্দুসকলৰ তান্ত্ৰিক ধৰ্মৰ লগতহে কিছু মিল থকা যেন লাগিলেও ধৰ্ম-তাত্বিক আৰু আদৰ্শগত দিশত মূল তান্ত্ৰিকৰ লগত কিঞ্চিতো মিল দেখা নাযায়। আৱহমান কালৰ পৰা চলি অহা এই ধৰ্ম সাম্প্ৰতিক কালত সংঘাতৰ মাজত বৰ্তি থকাৰেই কাৰণ বা ক'ত? সেইবোৰ পূজাৰীবৃন্দৰ আলোক-পাতত নপৰে। পৰে মাথোন বৰ্তমান ডেকা-গাভৰুৰ পৰিবৰ্তন। যিটো নেকি বুঢ়াচামে চকু পাৰি সহ্য কৰিব নোৱাৰে।

ঃ বাং [13] ঐ, তহঁতৰ আলোচনা শেষ হ'ল নে নাই। য়ঙে [14] চুঁজে খাবলৈ ভিতৰলৈ মাতিছে আলোচনা শেষ হ'ল যদি। ৰংদৈয়ে দেউতাকৰ মুখলৈ চাই দুৱাৰ মুখৰ পৰাই মাত লগালে।

ঃ হ'ল। আমাক সকলোকে মাতিছ নেকি দউ[15]? বাৰিক টপাইচিঙে ৰংদৈৰফালে চাই তপৰাই মাত দিলে।

ঃ অঁ সকলোকে মাতিছো। সকলোকে নেমাতিলে বেয়া পাব বুলি ভাৱি কথাখিনি কৈ হাঁহি মাৰি ৰংদৈয়ে ভিতৰলৈ সোমাই গ'ল।

ৰূপচিং বৰদেউৰীয়ে সৌজন্যতা সুলভ ভঙ্গিৰে সকলোকে আমন্ত্ৰণ জনাই নিজেও ঘৰৰ ভিতৰলৈ সোমাই গ'ল। বৰদেউৰীৰ ঘৰত সঘনাই গোট খোৱা ৰাইজৰ বাবে বৰদেউৰীয়নী প্ৰায়েই সাজু হৈ থাকে। এনেবোৰ আকস্মিক তথা সচৰাচৰ অতিথি আপ্যায়ণৰ বাবে বৰদেউৰীয়নীৰ লগতে বৰদেউৰীয়েও নিজকে ধন্য বুলি ভাৱে। কিন্তু ৰংদৈয়ে সেইবোৰ পেটে পেটে বেয়া পায়। পালেও তাইৰ উপায় নাই। বৰদেউৰীৰ ঘৰ হ'ল বুলিয়েই সঘনাই এনেধৰণৰ ওপৰুৱা হেঁচা কেনেকৈনো সহ্য কৰে?

অৱশ্যে ৰাইজৰ মাজৰ সকলো মানুহৰ বুজা শক্তি নথকা নহয়। দুই এজনেহে বুজিও নুবুজাৰ ভাও ধৰে। তথাপিও সেইবোৰ সমাজত বেছি দিন টিকিব নোৱাৰে। সৰ্বসাধাৰণ ৰাইজে এনেবোৰ আলোচনাত ভাগ লয় যদিও সকলোৱে এঘৰৰ ওপৰত সামগ্ৰিকভাবে হেঁচা নিদিয়ে। তেওঁলোকে সামাজিক মান মৰ্যদাৰ বাবেহে তেনেবোৰ আচৰণ সাব্যস্ত কৰে বুলি বৰদেউৰীৰ ধাৰণা।

বৰদেউৰীৰ আমন্ত্ৰণত সকলো ৰাইজে সহযোগ নকৰিলে। কাৰণ, সমাজৰো এটা সন্মান আছে। সেয়েহে আজিও ঘৰৰ ভিতৰলৈ সকলো নগ'ল। পূজাৰীবৃন্দৰ লগত বয়োজ্যেষ্ঠ দুই চাৰিজনমানহে চুঁজে খাবলৈ ভিতৰলৈ সোমাল। জিমেশ্বৰী

১৩. বাং — দেউতা
১৪. য়ং — মা
১৫. দউ -- আইদেউ



বৰদেউৰীয়নীয়ে চুঁজে আৰু দালজুবুৰা [16] সকলোকে যাছিলে। সকলোৱে তৃপ্তিৰে চুঁজে খালে।

ঃ ঐ দউচি [17]। তোৰ পাঁয়ু [18] চিনাধৰক চুঁজে ঢালি দেহি। দেউৰী গিৰাচিয়ে লাজতে তেওঁক দি নগ'ল। ৰসিকতাৰে চিনাধৰক চিঁয়াঁৰ [19] লগতে জোৰা লগাই জোকাই ৰংদৈক মাতিলে বৰভঁড়ালীয়ে।

ঃ হয় নেকি? নে বাটিটো ফুটা? বাটিত চুঁজে নায়েইচোন! বয়োজ্যেষ্ঠ ৰজকেও যোগ দিলে।

ঃ মই আজিকালি চুঁজে খাবলৈ কমাই দিছোঁহে। মোক নেলাগে। চিনাধৰে লাজমান পেলাই মাত দিলে।

ঃ এ খা খা। লাজ কৰিব নেলাগে। ইহঁতেও কম নহয়! খোৱাৰ সময়তো শান্তিৰে খাব নিদিয়ে। বৰদেউৰীয়ে একে বংশৰ ককায়েক চিনাধৰক উদ্দেশ্য কৰি ক'লে।

ৰংদৈয়ে মাজতে চোঁত্কৈ আহি দুদেপাতিৰ [20] ওপৰত থোৱা চুঁজে টেকেলিটো দুয়োখন হাতেৰে উঠাই বাওঁহাতৰ কিলাকুটিটোৰে ইগুঁ [21] খন দুই কৰঙনৰ ভিতৰত কোঁচ মাৰি লাহে লাহে সকলোকে চুঁজে ঢালি দিলে। তাইৰ বুকুত বাইগা[22] আৰু মূৰত গাতিগি[23] নথকাৰ বাবে বুঢ়াচামে গালি আৰম্ভ কৰি দিলে।

ঃ দেখিছনে আজিৰ শিক্ষিত গাভৰু ছোৱালীবোৰৰ ভেম্। বুকুৰ বাইগা খনতো এৰিলি এৰিলিয়েই মূৰৰ গাতিগি খনো ডিঙিলৈকে নমালি। মুঠৰ ওপৰত ইহঁতে কৃষ্টি সংস্কৃতিক ভৰিৰে মোহাৰিহে তৎ পাব। ৰংদৈক উদ্দেশ্য কৰি বৰভঁড়ালীয়ে গালি পাৰিলে।

ঃ তহঁতি বাহিৰত নাঙঠ হৈ ঘূৰ, লংপেন্ট পিন্ধি ঘূৰ মোৰ কবলগীয়া একো নাই। কিন্তু অন্ততঃ ঘৰত থাকোতে সাজ-পোছাকৰ লগতে ব্যৱহাৰ পাতিত সংযত হৈ থাকিব লাগে বুলি তহঁতক কিমান বলকিম হে। অঁ, বুঢ়া হলো বুলি তঁহতি মোক

১৬. দালজুবুৰা — ডালশাক
১৭. দউচি — আইদেউ
১৮. পাঁয়ু — বৰদেউতা
১৯. চিঁয়াঁ — ভাই বোৱাৰী
২০. দুদেপাতি — জুইশাল
২১. ইগুঁ — মেখেলা
২২. বাইগা — গাভৰুৰ বুকুৰ গামোচা
২৩. গাতিগি — মহিলাৰ মূৰৰ গামোচা

..ঠিয়াই দিব বিচাৰিছ নেকি? মান সন্মানৰটো এটা কথা আছে। চুলি উলিয়াই থাকিলে কি হয় নেজান নেকি? গাতিগি আৰু বাইগা লবলৈ তহঁতৰ কাপোৰ নাইকীয়া হৈছে নেকি? মুঠৰ ওপৰত এই চামৰ পৰা এই জাতিৰ উন্নতি কেতিয়াও নহয়। জহন্নামে যাবলৈ আৰু কেত'পৰ!

..পেকৰ বলকনি আৰম্ভ হোৱা শুনি ৰংদৈৰ বৰভঁড়ালী বুঢ়াৰ ওপৰত খুউব খং উঠিল। তেওঁ পেঘেনিয়াই কথাটো নুলিওৱা হ'লেতো ৰংদৈ সাৰি যাব পাৰিলেহেঁতেন। প্ৰতিবাদৰ দাবানল তাইৰ অন্তৰত উমি উমি জ্বলি উঠিল। তাইৰ চিঞৰি চিঞৰি কবৰ মন গৈছিল– 'অঁ অঁ, আমি সেই পুৰণি যুগৰ মানুহ হৈ থকা নাই। আমি বৰ্তমান যুগৰ গাভৰু। শৰীৰত সেই সোপা আৱৰ্জনাবোৰ মেৰিয়াই থাকিবলৈ আমি কিবা কটোৱাল নেকি? নিজৰ ৰুচি বোলা বস্তু এটাটো আছে। নাৰীৰ স্বাধীনতা বুলিওটো পৰিবৰ্তনৰ ৰূপ এটা দেখুৱাব পাৰো। আকৌ মান সন্মানৰ কথা কয়! সৃষ্টি ধৰ্মী নাৰী সত্বাৰ বিবেক বিবেচনাৰ মান-মৰ্যাদাৰ স্বীকৃতি নাই নেকি? নে সেইবোৰ উত্তৰ পুৰুষৰ ভৰিৰ মলি?' কিন্তু ৰংদৈয়ে অন্য দিনাৰ দৰে আজিও দেউতাকৰ সন্মুখত একো কবলৈ মুখ মেলিব নোৱাৰিলে। তাই কেৱল ৰান্ধনিশালত সোমাই মাকৰ আগত ভোৰ ভোৰায়েই ক্ষান্ত থাকিব লগা হ'ল। মাকেও এনে সময়ত কাৰো ফলীয়া নহৈ কেৱল নীৰৱে থাকিল আৰু বুঢ়াচামৰ চিঞৰত খোঁটালীলৈ যাবলৈ সাজু হৈ থাকিল। কাৰণ, ইতিমধ্যে ৰংদৈৰ বুঢ়াচামৰ সন্মুখলৈ যোৱাৰ বাটটো কাঁইটীয়া হৈ উঠিছে। হাজাৰ হওঁক মাকৰ বাবে ৰংদৈ নিজৰ পেটৰ একেজনী ছোৱালী। তাতে আকৌ নাৰীৰ মন। 'নাৰীয়েহে নাৰীৰ মন বুজে' বুলি কথা এষাৰ আছে। সেয়েহে এনেধৰণৰ পৰিস্থিতিৰ সন্মুখীন হবৰ বাবে আগলৈ সদায় প্ৰস্তুত হৈ থাকিবলৈ মাকে ৰংদৈক সতৰ্ক কৰি দিলে। 'অৱস্থা চাই ব্যৱস্থা' কৰিবলৈকো মনে মনে মাকে ৰংদৈক উপদেশ দিলে।

দিনৰ ভাগত পাৰ হৈ যোৱা বিষয়টোৱে ৰংদৈক গভীৰভাৱে অন্তৰত আঘাত দিলে। তাইৰ কোমল অন্তৰখনত অপৈনত নাৰী চেতনাৰ ভাৱ খেলিমেলিকৈ হ'লেও জাগৃত হ'বলৈ ধৰিলে। গধুলি ঘৰুৱা কাম-বন আজৰাই বিছনাত পৰাৰ পৰাই তাইৰ মনটো কৃষ্টি, সংস্কৃতি, নাৰীমুক্তি আদি নানাধৰণৰ প্ৰশ্নই জুমুৰি দি ধৰিলে। তাই বহু চেষ্টা কৰিলে টোপনি আনিবলৈ। কিন্তু তাই শুব নোৱাৰিলে.................

..............বিছনাত চট্‌ফটাই থাকি অৱশেষত ৰংদৈ বিছনাৰ পৰা উঠি গৈ ককায়েকৰ বোৰ্ডিঙৰ পৰা খোঁচৰি খোঁচৰি কিবা এখন আলোচনী বিচাৰি আনিলে। বিন্দেশ্বৰো বোৰ্ডিঙত নাই। ... চাগে বিচু-কুলাং[২৪]লৈ গৈছে। ৰংদৈয়ে ইচ্ছা কৰিয়েই





আজি বিচুকুলালৈ নগ'ল। বিচু কুলালৈ যোৱাটো তেনেকৈ বাধ্যতামূলক নহয় তাইৰ বাবে। অৱশ্যে জোনাকীয়ে তাইৰ বিচাৰ লব পাৰে। বচ্ সিমানেই। বিচু মৰাৰ গুপ্ গুপ্ শব্দ চেংচেঙ[২৫]ৰ সুৰৰ লগত মাজে সময়ে আহি ৰংদৈহঁতৰ ঘৰৰ চালে বেৰে কোবাইছেহি। কিন্তু তাইৰ সেইবোৰলৈ কিঞ্চিতো ভ্ৰূক্ষেপ আজি নাই। তাই দেউৰী মহিলা সমিতি (জিমচাঁয়া মিচিগু চেংচা)ৰ মুখপত্ৰ "বাদচি" নামৰ নাৰীসম্পৰ্কীয় সেই বিশেষ আলোচনীখন পঢ়াতহে ব্যস্ত হ'ল।

........ সংগ্ৰামী পৰম্পৰাৰ ঐতিহ্য ৰক্ষা কৰি গঢ় লোৱা এক স্বাধীন সংগঠনহে নাৰীৰ নিজা সমস্যাসমূহৰ সমাধান তথা ৰাইজৰ গণতান্ত্ৰিক সংগ্ৰামসমূহ বিকশাই তোলাৰ ক্ষেত্ৰত নাৰীক আগবঢ়াই লৈ যাব পাৰে। কেৱল বোৱা-কটা ৰান্ধনিশালৰ মাজতে নাৰীৰ চিন্তা-চৰ্চা, কৰ্মস্থলী সীমাবদ্ধ কৰি ৰাখিলে গণতান্ত্ৰিক চিন্তা চেতনাই বিকাশ লাভ কৰিব নোৱাৰিব। ফলত নাৰীৰ মুক্তি কামনাই বাস্তৱ ৰূপ ল'ব নোৱাৰিব। কাজেই সমাজত বাধাৰ সৃষ্টি হ'ব। কাৰণ, নাৰী-পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টা আৰু শক্তিৰ মাজেদিহে সামাজিক বিকাশ সম্ভৱ। ........ অন্য এঠাইত লেখিছে——

....... নাৰী মাত্ৰ ভোগ্য পন্য সৰ্বস্ব প্ৰাণী নহয়। নাৰীও সমাজৰ ব্যক্তি আৰু ব্যক্তি হিচাবে সাংস্কৃতিক পৰিবেশত বাচি থাকি জীৱন জগতৰ বিকাশমূলক কামত আত্মনিয়োগ কৰাৰ সুযোগ পোৱাৰ অধিকাৰ আছে। .......

..........যিমানদিন নাৰী সামাজিক উৎপাদনমুখী শ্ৰমৰ পৰা বিছিন্ন হৈ ঘৰুৱা শ্ৰমত আৱদ্ধ থাকিব সিমান দিন নাৰীৰ মুক্তি আৰু পুৰুষৰ সতে সম অধিকাৰ অৰ্জন একেবাৰেই অসম্ভৱ।............

সিপিঠিত লেখিছে—

........এটা জাতিৰ জাতীয় সংস্কৃতি অধ্যয়নৰ বাবে সেই জাতিৰ নাৰীসমাজক অধ্যয়ন কৰিলেই যথেষ্ট। কাৰণ নাৰীসমাজ সংৰক্ষণশীল ম...ভাৱেৰে অবিকৃত ৰূপত ৰাখিব বিচাৰে। ..............

অন্য এঠাইত——

...........যুৱতীসকলে তেওঁলোকৰ প্ৰয়োজনীয় প্ৰায় সকলো হাতৰ কাম যেনে তেনে কৰিবলৈ শিকে। কিছুমানে বৰ ভালকৈ শিকে। আৰু তেওঁলোকে শিকে বাবেই আমাৰ ভালেমান যুৱকে বঢ়িয়াকৈ খাই পিন্ধি মইমতালি কৰি ফুৰিব পাৰিছে।......

এটা তত্বগধুৰ প্ৰৱন্ধত——

.........যিখিনি সাংস্কৃতিক বস্তুক আমি নতুন দিনৰ জীৱন্ত আহিলা স্বৰূপে

২৫. চেংচেং — তাল

নাপাওঁ, সি যিমানেই আমাৰ মৰমৰ নহওঁক লাগে তাক এৰিব লাগিব। আমাৰ অতি মৰমৰ মানুহৰ জীৱ নাইকীয়া হ'লে দেহটোৰ মায়া ত্যাগ কৰি যেনেকৈ সেই শটো পুৰি পেলাও বা পুতি থওঁ, সেইদৰে পুৰণি সংস্কৃতিৰ প্ৰাণ নথকা বস্তুখিনিকো আমি তাৰ মায়া এৰি যাদুঘৰতে থব লাগিব। ...............

'কাউচি কলিয়া পাখি সমনীয়া
কাউচি কলিয়া পাখি............।'

ৰাতি বিচু তলীৰ সামৰণী যোজনা ফাঁকিৰ ৰিণি ৰিণি সুৰ ৰংদৈৰ কাণত পৰিলহি। চাগে বিচু মৰা সামৰণী পৰিছে।

আৰু এক পৃষ্ঠাত—

..............নাৰী মুক্তি হ'ব লাগে সঁচা, কিন্তু কি কি কাৰণত নাৰী আজি আমাৰ দেশত লাঞ্চিতা, শোষিতা, ধৰ্ষিতা হৈ আছে, তাক বিচাৰি উলিয়াব নোৱাৰিলে নাৰীমুক্তি স্বপ্নহৈয়ে ৰ'ব। ............

হঠাতে তাইক নাম কাঢ়ি মতা যেন শুনিলে ৰংদৈয়ে। তাই থত্‌মত্ খাই সাৰ পাই উঠিল। সেয়া সম্ভৱ বিন্দেশ্বৰ! বিচুকুলাৰ পৰা আহি পাইছে। ভাত খাবলৈ তাৰ তৎপৰতা। তাই বিচনাৰ পৰা উঠি দুচকু মোহাৰিলে। চকুকেইটাত কিবা পোৰা পোৰা ভাব এটা লাগিল। কাষত মেল খাই থকা আলোচনীখন দেখি তাইৰ বুজিবলৈ বাকী নেথাকিল যে তাই নিদ্ৰাদেৱীৰ কোলাত অজানিতে শুই পৰিছিল। তাই মনতে ভাবিবলৈ ধৰিলে সেই চিল্‌মিলীয়া টোপনিত দেখা ভঙ্গখূৰ স্বপ্নৰ স্তৱকবোৰ স্বপ্ন হৈয়ে থাকিব নে?

ঃ ইমান ৰাতি কৰনে? তোৰ ভাত খোঁটালীতে ঢাকি থোৱা আছে আৰু দুদেপাতিত থকা গাঁৰ [২৫]ৰ পৰা পানী লৈ লবি। ৰংদৈয়ে পেটে পেটে খং কৰি বিন্দেশ্বৰক কথাখিনি ক'লে। আৰু তাই অসংলগ্ন সপোনৰ স্তৱকবোৰৰ পিছৰ স্তৱকবোৰৰ আশাত আকৌ টোপনিত লালকাল দিলে। কিন্তু ৰংদৈয়ে সেই হেৰাই যোৱা স্বপ্নৰ সংলগ্ন বিচাৰি পাব জানো?

● ● ●

২৫. গাঁৰ – লোটা

# দ্বিতীয় অধ্যায়

## (১)

তেতিয়া নদীৰ পাৰত বতাহ বলিছে। বতাহে যেন তাইক উৰুৱাই নিব। বনৰীয়া ফুলৰ গোন্ধ, চৰাই-চিৰিকতিৰ অমিয়া মাতে প্ৰকৃতিৰ নতুন ৰূপৰ পৰিচয় দিছে। শিমলু তুলাবোৰে মলয়া বতাহৰ লগত যেন প্ৰতিযোগিতাহে পাতিছে।

বুকুৰ বাইগা [১] খন সোলোকাই ইগুঁ [২] খনক বুকুৰ ওপৰত গাঁতি মাৰি জোনাকী নদীৰ পাৰতে থকা কুঁৱাটোৰ ওচৰত কিছুসময় ৰ'ল। পুৱাৰ নীৰৱতাই তাইক যেন আকুল কৰি তুলিলে। ওচৰতে নদীৰ পাৰত পৰি থকা কপৌজোৰালৈ তাইৰ দৃষ্টি পৰিল। অজানিতে জোনাকীৰ মুখত হাঁহি বিৰিঙি উঠিল আৰু কুঁৱাৰ ওচৰত থকা সৰু শিলগুটি এটা বুটলি সিহঁতহালৰ গালৈ এনেয়ে মাৰি পঠিয়ালে। কপৌচৰাই দুটা অজান আশংকাত ডেউকা কোবাই ক'ৰবালৈ উৰি গুচি গ'ল।

তাই লাহেকৈ বাল্টিটো লৈ মিচিকিয়া হাঁহিৰে কুঁৱাৰ পৰা পানী তুলিবলৈ ধৰিলে। পানী তোলা হ'লত ডাঙৰ বাল্টিটো সোঁহাতেৰে ধৰি বাওঁহাতৰ ইগুঁখন কোঁচাই বিশেষ ভঙ্গিমাৰে ঘাটৰ এচুকত পাৰি থোৱা বহল শিল চটাৰ ওচৰত থলেহি। লাহেকৈ শিলচটাত বহি লৈ তাই দুইহাতে পানী একাজলী লৈ গাল-মুখ ধুই ল'লে আৰু দীঘল চুলি কোছা পিঠিলৈ খুলি দি কিছুসময় বহি থাকিল। তাই সৰু প্লাষ্টিকৰ বাতিটোৰে লাহেকৈ বুকুত পানী ঢালি দিলে। এহাতেৰে বুকুত গাঁতি মৰা ইগুঁখনৰ অলপ ফাঁক উলিয়াই আকৌ পানী ঢালিলে। তাইৰ যৌৱনৰ উন্মুক্ত হিয়াখন কিছুসময়ৰ বাবে চেঁচা পৰিল। পানীয়ে তাইৰ উঠন বুকু আৰু অন্যান্য কোমল অংশবোৰত চুম্বন বোলাই গ'ল। যেন তাইৰ নগ্নদেহত মৰ্‌মৰ্‌কৈ বৰষুণ পৰিব ধৰিছে, একাবেকা পাহাৰীয়া জুৰিৰ দৰে তাইৰ সোণালী স্তনৰ ওপৰেদি, দুয়োটা স্তনৰ মাজৰ সঙ্কীৰ্ণ গিৰিবৰ্ত্মৰ ওপৰেদি, তলপেটৰ সমভূমিৰ ওপৰেদি, সোণালী জঙঘনৰ ওপৰেদি, নিতম্বৰ ওপৰেদি অবিৰাম গতিৰে বৈ যাব ধৰিছে কোমল, মধুৰ আৰু অনিৰ্ব্বচনীয় বৃষ্টিধাৰা। তাই পানী ঢালিবলৈ এৰি দি দুই হাতৰ আঙুলিখিনিৰে লাহে লাহে উঠন বুকুখনি মুহাৰিলে। অজানিতে এটা উষ্ণ নিশ্বাস জোনাকীৰ মুখেৰে বাহিৰলৈ ওলাই আহিল। তাই কেঁচা

---

১. বাইগা — গাভৰুৱে বুকুত মৰা কাপোৰ

২. ইগুঁ — মেখেলা

যৌৱনৰ মাদকতা অনুভৱ কৰিলে। হাত দুখনেৰে তাই বুকুৰ পৰা ওলাই আহিব বিচৰা অদম্য হেঁপাহ খিনি হেঁচা মাৰি ধৰি ৰাখিব বিচাৰিলে। জোৰেৰে। আৰু জোৰেৰে। শেষত তাই বাল্টিটোৰ গোটেই পানীখিনি মূৰত ঢালিবলৈ ধৰিলে। তাই পিঠিত থকা চুলিখিনি ওভোটাই আনি হাতত ল'লে আৰু অলপ পিটিকি চাই আকৌ পিঠিলৈ মাৰি পঠিয়াই বহাৰ পৰা ঠিয় হ'ল। বুকুত চোলা নথকাৰ বাবে ক'লা ৰঙৰ ইগুঁখনে উঠন বুকুৰ ওপৰ অংশখিনিক আৰু বেছি বগাকৈ দেখাত সহায় কৰিলে। হাতীশুঁৰৰ দৰে কৰঙন দুটাত তাইৰ ইগুঁখন লিপিট খাই লাগি ধৰিলে। কৰঙন দুটাৰ সংযোগ স্থল আৰু তলপেটৰ তলৰ অংশ খিনিত এটা জ্যামিতিৰ চিহ্ন পৰিলক্ষিত হ'ল।

জোনাকীহঁতৰ বয়সৰ ছোৱালীবোৰৰ মন এতিয়া কমোৰা তুলাৰ দৰে। অলপীয়া বতাহতে উৰি গুচি যাব বিচাৰে। তাতে আকৌ বিহুৰ বতৰ। আজি কিছুদিনৰ পৰা তাইৰ মনে বিন্দেশ্বৰৰ মনৰ পথাৰখন চহ কৰিব বিচাৰি আছে। অৱশ্যে বিন্দেশ্বৰেও কথাটো গম নোপোৱা নহয়। ভনীয়েক ৰংদৈৰ জৰিয়তে জোকাই মেলি সিও নিজৰ মনৰ কথা ব্যক্ত কৰিব বিচাৰে। যোৱা মাহত হৈ যোৱা দহাত বিন্দেশ্বৰৰ সতে চুপতি মৰা আৰু কামৰ ভিৰৰ মাজত দুয়ো-দুয়োকে লুকাই চুৰকৈ চোৱা কাৰ্যবোৰ চোন তাৰেই সাক্ষী। কেৱল যেনিবা কথাবোৰ পোণপটীয়াকৈ কোৱাকুই হোৱা নাই। সখীয়কে ৰংদৈয়ে কেইদিনমানৰ আগতে ৰাতি বিহুমৰা কুলা[৩]ত কিবা জৰুৰী গোপন কথা আছে বুলি ইঙ্গিত দিছিল। তাৰ পাছত চোন সেইবোৰ কথা পাতিবলৈকে আহৰি পোৱা নাই। আহৰি নাপাবৰে কথা। ৰংদৈকো লগ নোপোৱা নহয়। প্ৰায়েই পায়। কিন্তু বিহুৰ বাবে কাপোৰ বোৱা, ধান-চাউল যোগাৰ কৰা, চুজেঁ বনোৱা, খৰি অনা, তাৰ মাজতে পঢ়া-শুনা কৰা ইত্যাদি মুঠৰ ওপৰত এশ এবুৰি কামৰ তদাৰকত ব্যস্ত হৈ থকাৰ বাবে মুকলি মুৰীয়াকৈ তেনে কথা পাতিবলৈকে সঁচা অৰ্থত সময় পোৱা নাই। আৰু ৰংদৈৰো সময় বা আছে ক'ত? তায়ো সেই সমাৰ্থক কামৰেই কাৰ্যসূচী সমাপন কৰাত ব্যস্ত। সেইবিলাকৰ মাজতে আকৌ কলেজলৈ যাবলৈতো আছেই। ঘৰুৱা কাম বন কৰি ঘৰতে থাকি কলেজ পঢ়া ছোৱালী অৱশ্যে এই গাঁৱৰ ৰংদৈ আৰু জোনাকীহে। পঢ়ি শুনি ডাঙৰ মানুহ হোৱাৰ আশাত সিহঁতে পঢ়া নাই। গ'ল বছৰ মেট্ৰিক পাছ কৰিলে আৰু কলেজত ভৰ্ত্তি হ'ব লাগে কাৰণে হৈছে। বছ্ সিমানেই। অৱশ্যে পঢ়া-শুনা ছোৱালী হোৱাৰ বাবে গাৱঁৰ জীয়াৰী-বোৱাৰীসকলে দুইজনীকে 'বোৱা-কটা সমবায় সমিতি'কৈ আদি কৰি মহিলা সমিতি আদিৰলেখীয়া অনুষ্ঠানসমূহৰ গুৰু দায়িত্ব ন্যস্ত নকৰা নহয়। বয়সত অন্যচাম মহিলাৰ তুলনাত সৰু হ'লেও পঢ়া-শুনা কৰা

৩. কুলা – ঠাই



ছোৱালী বুলি দুয়োজনীৰে সামাজিক কামত যথেষ্ট গুৰুত্ব আছে। সেইবিলাকৰ মাজতে ব্যক্তিগত প্ৰতিষ্ঠাৰ বাবে দুয়োজনীয়ে যৎ-পৰোনাস্তি চেষ্টা নকৰাও নহয়। সঁচাই ৰংদৈ যেন জোনাকীৰ ছাঁৰ দৰে। কিয় জানো এইকেইদিন ৰংদৈজনীক বেছিকৈ চেনেহ কৰিবলৈচোন তাইৰ মন যায়। বিন্দেশ্বৰৰ ভনীয়েক বুলিয়েই নেকি জোনাকীয়ে আজিকালি হই[৪] মাতিবলৈকো ইতস্ততাবোধ কৰে। এই সময়ত তাই ৰংদৈক লগ পাবৰ নিমিত্তে খুউব উৎসুক হৈ উঠিল। তাই মনটো বান্ধি ৰাখিব খুজি চকু দুটা ক্ষন্তেক সময়ৰ বাবে জপাই অলপ পিছতে পুনৰ মেলি দূৰৰ পথাৰৰ পিনে অলসভাৱে এৰি দিলে। গা-পা ধুই লোৱাৰ বাবে তাইৰ মন আৰু শৰীৰ ফৰকাল ফৰকাল লাগিল। চকু দুটা মুকলি পথাৰ পাই কিল-বিলাই ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে। কিন্তু সেইয়া আকৌ কোন? নদীৰ গৰাৰ দাঁতিয়ে দাঁতিয়ে আহি থকা সেইজনী ৰংদৈ নহয় জানো? ইগুঁখন একপ্ৰকাৰ আঁঠুলৈকে দাঙি লৈ তাইৰ ফালেই আহি আছে চোন! গোটেইজনী ঘামি-জামি গাল-মুখ পকা আপেলটোৰ দৰে হৈ পৰিছে চাগে! হাতত এডাল এছাৰি। ৰংদৈক দেখি জোনাকীৰ মন আনন্দত উদ্বাউল হৈ পৰিল। আচলতে ক'বলৈ গ'লে ৰংদৈক দেখি নহয়; ৰংদৈৰ মুখৰ পৰা মনৰ আপোনজনৰ কথা শুনিবলৈ পাব বুলিহে। কিন্তু আচৰিত! তাইচোন এইফালেদি নাহি জোনাকীক নেদেখাৰ ভাও জুৰি নৰ্দমাইদিহে পোনাই দিলে। সঁচাই ৰংদৈয়ে তাইক দেখা নাই নেকি বাৰু? নে অভিমান! কিজানি তাই কামত ব্যস্ত......ইত্যাদি ইত্যাদি বহুবোৰ প্ৰশ্নই জোনাকীৰ মনত জুমুৰি দি ধৰিলে। অকস্মাতে জোনাকীৰ মন সেমেকি গ'ল। নিজৰ স্বাৰ্থপূৰণৰ বাবে নিজেই চেষ্টা কৰিব লাগিব বুলি মনটো ডাঠ কৰি জোনাকীয়ে ৰংদৈক ৰগৰ কৰি চিঞৰি মাতিলে—

ঃ ঐ মৰতিজনী, হ'ব হ'ব দে। বৰটো হৈ দেখুৱাব নেলাগে। আহ চাহিচোন। তোৰ বাবে মই ডাঙৰ বস্তু এটা আনি থৈছো। এইফালে............ এইফালে।

ৰংদৈয়ে আচলতে লহপহকৈ বাঢ়ি অহা ধাননি পথাৰখনক তদাৰক কৰিবলৈহে আহিছিল। কিন্তু তাই আহি দেখে পথাৰৰ আহু আৰু বাও ধান গৰুৱে খাই তহিলং কৰিলে। খঙৰ ভমকত তাই হাতত থকা এছাৰি ডালেৰে গৰু খেদিবলৈ লৰি গ'ল। কিন্তু উদণ্ডীয়া গৰুজাকেও কম নহয়। সিঁহতৰ মানত যেন ছোৱালীবোৰ মানুহেই নহয়। আঁতৰি যাবই নিবিছাৰে। শেষত যেনিবা পথাৰৰ কাষতে কাম কৰি থকা বঙালী বুদুৱাৰ পুতেক কালুৱে গৰু খেদাত অলপ সহায় কৰি দিলে। তেতিয়াহে তাইৰ গাত তত্ আহিল।

৪. হই – সখীয়েক

গৰুৱে ছেদেলি-ভেদেলি কৰা পথাৰখনৰ অংশবিশেষখিনিৰ অৱস্থা দেখি ৰংদৈৰ মনতো ছেদেলি-ভেদেলি লাগিল। লগতে তাই শংকাবোধো কৰিলে। কিয়নো আজি পুৱাতে বাপেকে ৰংদৈক কাণ চোৱাইছিল যে বিন্দেশ্বৰ আজি পথাৰলৈ যাব নোৱাৰে। গতিকে ৰংদৈয়েই কামৰ ছেগ চাই পথাৰলৈ এপাক মাৰি উদঙীয়া গৰুজাক চাই আহিবগৈ লাগে। কাৰণ বাও আৰু আহু ধানৰ পুলি লহ্‌পহ্‌কৈ গজালি মেলি আহিবলৈ ধৰিছে। ৰংদৈয়ে মনতে ভোৰভোৰালে— 'এনেসময়ত গৰুৱে খাই মহতিয়ালে ধান আৰু ধান হৈ থাকিব নে? ইফালে দুদিনমানৰ পিছতে বিহুটো। একপ্ৰকাৰ বিহুৱে আনন্দৰ বতৰা আনে যদিও কামৰ বাবে সঁচাই ই পৰিপন্থী। মতলীয়া হৈ বিহু কৰিলেও কামৰ যতি পৰে ইফালে। মুঠৰ ওপৰত উপায় নাই! গৰুৱে ধান খোৱাৰ বতৰা বাঙক⁵ দিয়া মানে জ্বলা জুইত ঘিউ ঢালি খং টিঙিৰি তুলা কৰি তোলা। অন্যহাতেদি জুইক জানো কাপোৰেৰে ঢাকি ৰাখিব পাৰি? ধান খোৱা বতৰাটো বাঙে গম পাবই দেৰিকৈ হ'লেও।' কামৰ সময়ত হ'লে মানুহৰ মূৰৰ হিচাব। সেয়েহে মৈমন চিঙিয়া এজনকে যোৱাবাৰ পথাৰত বহুৱাই ৰাখিবলৈ দেউতাকক ৰংদৈয়ে নোকোৱাকৈ থকা নাছিল। কৈছিল। কিন্তু দেউতাকে 'তহঁতি কাম চম্ভালিব নোৱাৰিলে মই নিজেই পথাৰতেই ঘৰ বনাই থাকিমগৈ' বুলি তাইৰ ওপৰতহে গিজ্‌গিজাই উঠিছিল........... ইত্যাদি, ইত্যাদি এশ এবুৰি চিন্তাত নিমগ্ন হৈ ৰংদৈয়ে পথাৰৰ পৰা পোনে পোনে গাৱঁৰ মাজলৈ আহি আছিল। কাৰণ, তাই পথাৰলৈ আহোতে মাকে কিলৌ বুঢ়াৰ ঘৰত 'য়ই মিদি'⁶ আগ কৰিবৰ বাবে অহা তাই গম পাই আহিছিল। গতিকে তাই মাকক যিকোনো প্ৰকাৰে পথাৰলৈ এপাক মাৰিবলৈ কৈ যাব।

জোনাকীৰ চিঞৰত ৰংদৈ থমকি ৰ'ল আৰু হাতত থকা এছাৰিডাল ওচৰতে চৰি থকা ছাগলীটোলৈ দলি মাৰি 'কি হ'ল ৰছকীজনী ঐ! কিনো মোলৈ আনি থৈছ চাওঁ' বুলি শিলদ'ল ভাঙি জোনাকীৰ ওচৰলৈ দৌৰি আহিল। ৰংদৈৰ নোদোকা নিপোটল গাৰ অংশবোৰত নিমিষতে যেন ভূমিকম্পহে আহিল।

জোনাকীয়ে সখীয়েকক দৌৰি অহা দেখি কি বস্তু তাইক দেখুৱাব একো উৱাদিহ নেপাই ঘাটৰ শিলচটাৰ ওচৰতে মূৰ ধূই পেলাই থোৱা চ্চপা গুম⁷টোকে দুইহাতেৰে গাৰ পিছপিনে লুকুৱাবলৈ চেষ্টা কৰিলে। 'চাওঁ চাওঁ — কিনো বস্তু লুকুৱাইছ' বুলি একপ্ৰকাৰ জোৰেৰে ৰংদৈয়ে জোনাকীক আগপিনৰ পৰা সাৱটি পিছফালে ৰখা দুয়োখন হাতত থকা বস্তুটো কাঢ়ি ল'বলৈ আপ্ৰান চেষ্টা চলাই জোঁটা-পোটা লাগিল।

---

৫. বাং — দেউতা
৬. য়ই মিদি — আই সকাম
৭. চ্চপা গুম — ঔটেঙাৰ জঁটা



ঃ দিম নহয়। দেখুৱাম বুলিছো— দেখুৱাম। মোক এৰি দে। আঁ — আঁ— চাওঁ এৰি দে। এইবুলি জোনাকীয়ে পিছুহুঁহকি গৈ ওচৰতে থৈ দিয়া বাল্টিটোত খুন্দা খালেগৈ। লগতে ৰংদৈৰ ঘামি-জামি অহা গাৰ সংস্পৰ্শ জোনাকীৰ গাৰ সৈতে একাকাৰ হ'ল। তথাপি তাই এৰি নিদিয়ে। এটা সময়ত ৰংদৈয়ে জোনাকীয়ে লুকুৱাই থোৱা বস্তুটো স্পৰ্শ কৰি— 'এইডাল কি পিছল বস্তু ঐ' বুলি উচ্‌প খাই জোনাকীক এৰি দিলে। জোনাকীয়ে হাঁহি হাঁহি 'হুঁ ল তোৰ আদৰৰ বস্তু' বুলি ঔটেঙাৰ জঁটাটো উলিয়াই দিয়াত ৰংদৈয়ে খং, অভিমান আৰু লাজতে তুলতুলীয়া হৈ পৰিল।

ঃ দুষ্ট ক'ৰবাৰ! তই কেতিয়াৰ পৰা ইমান দুষ্ট হলি মৰতিজনী? তোক মই আজিৰ পৰা বুজি⁸ বুলিহে মাতিম আৰু দেই! — নবৌ বুলি জোকাই ৰং চাবলৈ ৰংদৈয়ে লাগি গ'ল।

জোনাকীও বৰ বিশেষ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি নেদেখুৱালে। অভ্যাসবশতঃ 'তোক মই বেয়া পাইছো', 'আজিৰ পৰা নেমাতো তোক' ইত্যাদি অভিমান সুলভ অভিব্যক্তিৰে কেৱল ৰংদৈলৈ চাই উত্তৰ দিলে। এইয়া জোনাকীৰ চলনাহে। যি নাৰীৰ চলনা দেৱতায়ো নেজানে, তেনে ক্ষেত্ৰত ৰংদৈ কোন? প্ৰকৃততে কবলৈ গ'লে জোনাকী এতিয়া সম্পূৰ্ণ বিন্দেশ্বৰৰ প্ৰেমলিপ্সাত বলিয়া। তাৰেই অপেক্ষাত জোনাকীৰ মন আহত। অন্যা হাতেদি ৰংদৈও জোনাকীৰ দৰে এনে সৰলচিতীয়া সখীয়েকক নিজৰ নবৌয়েক হিচাবে পাবলৈ যথেষ্ট ব্যাকুল। নবৌয়েক হিচাবে পালে একপ্ৰকাৰ ৰংদৈয়ে নিজৰ ঘৰতে পাব একেসময়তে তাইৰ নবৌ আৰু সখীয়েক।

ব্যক্তি বিশেষৰ এনে আন্তঃ মনোভাৱাপন্ন চেতনাবোধে বেছি সময় গা কৰি অসংলগ্ন হৈ থাকিব নোৱাৰে। সাধাৰণতে ছোৱালীবোৰে তেওঁলোকৰ মনৰ কথা কবলৈ সুবিধা পালেই বানপানীৰ ঢল নমাদি সুৰ-মুৰাই এৰি দিবলৈ খুউব আমোদ পায়। আজি দুয়োজনী বান্ধৱীয়ে হয়তো তাৰেই সাক্ষী হিচাপে আখৰা কৰাত ব্যস্ত। এটা সময়ত দুয়োজনীয়ে ধেমালি কৰা বাদ দি অন্তৰৰ নিভৃতম কোঠাত প্ৰৱেশ কৰিলে। য'ত অন্যলোকৰ আগমন বা নিগমনৰ প্ৰশ্ন নাই। আছে মাথোন দুটি গাভৰুৰ হিয়াৰ ভাষা। য'ত তৃতীয় প্ৰাণীৰ স্থিতি নাই। আছে মাথোন তৃতীয় ব্যক্তি বিশেষৰ বিষয়বস্তু। সেই তৃতীয়জন ব্যক্তি যে বিন্দেশ্বৰ সেইটো নিঃসন্দেহে ঠাৱৰ কৰিব পৰা যায়। ৰংদৈয়ে কথা দিলে যে ককায়েক বিন্দেশ্বৰক খবৰটো জনাব। পৰহিলৈ হ'ব লগা বহাগ বিচু— চাজেবা কুলা (বিহু মৰা থলী)ত দুয়োকে কথা হ'বলৈ সুযোগ ৰংদৈয়ে নিজে উলিয়াই দিয়াৰ দায়িত্ব ল'লে।

---

৮. বুজি — নবৌ

তাৰপিচৰ খিনিৰ দায়িত্ব কিন্তু সখী জোনাকী আৰু ককায়েক বিন্দেশ্বৰৰ ওপৰত থাকিব বুলি ৰংদৈয়ে জোনাকীক স্পষ্ট কৰি দিলে।

ৰংদৈয়ে আৰু বেছি সময় জোনাকীৰ লগত কথা পাতিবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। ৰংদৈয়ে যাবলৈ উচ্‌পিচখন লগোৱা দেখি জোনাকীয়ে জোৰকৈ লগত বহুৱাই নানা ধৰণৰ কথাৰ বকলা মেলিলে। বেলি তেতিয়া মূৰৰ ওপৰৰ পৰা চোঁচৰি গৈ জোনাকীহঁতৰ ঘৰৰ পিছফালে থকা বাঁহ কেইজোপাৰ আগ চুইছেগৈ। ইফালে ঘৰত মেলি থৈ অহা তাঁত শালে চাগে ৰংদৈ লৈ বৈ বৈ আমনি পাইছে। বিহু আৰম্ভ হোৱাৰ আগতেই বৈ শেষ কৰিব বুলি লগাই থোৱা গামোচা কুতিচ্চা[৯]ৰ এখন বাকী আছেই। অৱশ্যে সেইখনত চপা ইবাঁ[১০] বাচিব লগা হোৱা বাবেই এই দশা। তথাপি এতিয়া গৈ চুব পাৰিলে অহাকালিলৈ মানে তাঁত শাল আজৰাব পৰা যাব। ইফালে কলেজখনো বিহুৰ দিনাই খুলিব বুলি শুনিছে। তাইৰ কলেজৰ কথা মনত পৰাৰ লগে লগে নাক কোঁচ্‌খাই আহিল। সৰু সৰু জনগোষ্ঠীৰ এই সমাজবোৰৰ কৃষ্টি সংস্কৃতিক তুচ্ছ জ্ঞান কৰি ভুল ধাৰনাৰে এই শিক্ষা প্ৰতিষ্ঠানবোৰ পৰিচালিত হৈছে। যাৰ বাবে এই জনগোষ্ঠীৰ বিহু আৰম্ভ হোৱা দিনাখনৰে পৰাই স্কুল-কলেজ খোলা দিয়াৰ দস্তুৰ। হ'লেও ৰংদৈহঁতৰ দৰে বহু ছাত্ৰ-ছাত্ৰীয়ে বিহুকেইদিন প্ৰায়েই অনুপস্থিত থাকিবলগীয়া হয়। জনগোষ্ঠীয়ে এই কৃষ্টি-সংস্কৃতিক সন্মান জনাই লগতে আৱহমান কালৰে পৰা প্ৰচলিত এনে সাংস্কৃতিক পৰম্পৰাক স্বাধীনতা দিলেনো কাৰ কি লোকচান হয় ৰংদৈহঁতে নুবুজে। বিভিন্ন মৃত ব্যক্তিবিশেষৰ নামত সতকাই স্কুল-কলেজ বন্ধ ৰখাতকৈ এনে জীয়া জনগোষ্ঠীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতি সন্মান জনাই স্কুল-কলেজ আদিত বিহু বন্ধ ঘোষনা কৰি বছৰেকীয়া আনন্দৰ ভাগ ল'বলৈ সুযোগ দিয়াটো নিশ্চয়কৈ বহুগুণে যুক্তিপূৰ্ণ বুলি ৰংদৈয়ে ভাৱে।

জোনাকীহঁতে বহি থকা ঘাটটোৰ বিপৰীতফালৰ নদী কাষৰীয়া ৰাস্তাইদি বতেৰা, লেম্‌টা আৰু অনিলে কান্ধত বনৰীয়া পাত মেৰিয়াই অনা মুঠাৰ লগতে দুদুঁ[১১] কাটি অনা ভাৰেৰে হাঁহি-খিকিন্দালি কৰি আহি থকা ৰংদৈহঁতে দেখা পালে। ঘাটত ৰংদৈ আৰু জোনাকীক ফুচ্‌ফুচীয়া কথা পাতি থকা দেখি বতেৰায়ে গল খেঁকাৰী এটা মাৰি সিহঁত দুয়োজনীয়ে শুনাকৈ চিঞৰিলে—

৯. কুতিচ্চা — এক শাল, এক জুটি

১০. চপা ইবাঁ — কাপোৰত বচা বিশেষ ফুল

১১. দুদুঁ — তৰা গাজ



কিন্‌কিনীয়া বৰষুণে বাট বেয়া কৰে,<br>ফুচ্‌ফুচীয়া কথাবোৰে গাওঁ বেয়া কৰে।

ৰংদৈ আৰু জোনাকীয়েও মুখ টিপি থকা বিধৰ ছোৱালী নহয়। তৎমূহুৰ্ততে ৰংদৈয়ে চিঞৰিলে—

গাত নাই ছাল বাকলি,<br>মদখাই তিন টেকেলি।

অনিলহঁতেও ওভোটাই ওচৰ চাপি চাপি আহি আকৌ চিঞৰিলে— 'লাউ যিমানেই ডাঙৰ হওঁক পাতৰ তল'। এইবাৰ ৰংদৈ আৰু জোনাকীৰ আত্মসন্মানত লাগিল। জোনাকীয়ে ক'লে— 'বুঢ়াৰ কথা নুশুন ডেকা; খালত পৰি কিয় কেকা?' প্ৰত্যুত্তৰ দিব নোৱাৰি বতেৰাহঁতে একপ্ৰকাৰ চোঁচা মাৰি ৰংদৈ আৰু জোনাকীৰ ওচৰ পালেগৈ। যুক্তি তৰ্কত হাৰিলে দৈহিক শক্তি প্ৰয়োগ কৰি জিকিবলৈ চেষ্টা কৰা পুৰুষৰ এটা অন্ধ স্বভাৱ। 'হাৰিলি, হাৰিলি' বুলি ৰংদৈ আৰু জোনাকীয়ে ৰগৰ কৰি খিলখিলাই হাঁহিলে। বতেৰাহঁতৰ খং উঠা দেখি ৰংদৈ আৰু জোনাকীয়ে হাঁহি বন্ধ কৰিলে। পৰিস্থিতি শান্ত কৰিবলৈ ৰংদৈয়ে বতেৰাহঁতে লগত লৈ অনা তৰাগাজ খিনিলৈ উদ্দেশ্য কৰি নম্ৰভাৱে ক'লে 'বিহুৰ বাবে তৰাগাজ আনিছ নেকি? আমাকো দুডালমান দি যা আকৌ।' বতেৰাহঁতেও নিজৰ ভুল বুজিলে আৰু ৰংদৈৰ কথামতে কেইডালমান তৰাগাজ মুঠাৰ পৰা উলিয়াই দুয়োজনীলৈ বুলি দলি মাৰি দি গ'ল। 'পিছে বিচু কুলালৈ সোনকালে আহিবিহঁত। তহঁতক বিচুগীতত জুলুকি জুলুকিকৈ আমি পানী খুৱাম নহয়'— বুলি কৈ সিহঁত আঁতৰি গ'লগৈ। ৰংদৈও বেছি দেৰি নকৰি জোনাকীক ঘৰত এৰি থৈ কোবা কোবিকৈ কিলৌ বুঢ়াৰ ঘৰৰফালে আগবাঢ়িল। যাওঁতে লগত ডেকাহঁতে দি থৈ যোৱা তৰাগাছ দুডালমান লৈ যাবলৈ তাই নেপাহৰিলে।

● ● ●

## (২)

ব'হাগৰ প্ৰথম বুধবাৰ। অৰ্থাৎ বৰদেউৰীহঁতৰ বাবে পবিত্ৰ বাৰ। দেওশালৰ দুৱাৰ খুলি বৰদেউৰীহঁতে বিহু নমাই আনিবৰ বাবে এই বিশেষ দিনটোলৈকে বাট চাই থাকে। ৰাতিপুৱাতে বৰদেউৰীৰ ঘৰৰ চোতালত বিহুক লৈ যাৱতীয় কৰনীয়ৰ আলেখ-লেখ হৈ গৈছে। প্ৰথম দিনৰ পূজা বুলিয়েই এই বছৰতো ছাগলী, কুকুৰা পাৰ আদিৰ সংখ্যা যে কম নহয় সেয়া বৰদেউৰীহঁতে তামোলৰ টোপোলা দেখিয়েই গম পালে। দিনবোৰ আগবঢ়াৰ লগে লগে বেমাৰ-আজাৰ আদিবোৰৰো প্ৰকোপ বাঢ়িছে। ইষ্ট-দেৱতাৰ সন্তুষ্টিৰ হেতু পূজা-পাতলেই যে উপযুক্ত বিধান সেয়া বৰদেউৰীহঁতৰ জনবিশ্বাস। যিহেতু দেৱ-দেৱীবোৰেও পূজা-পাতলতেই সন্তুষ্ট হৈ মানৱ সমাজক অপায়-অমঙ্গলৰ পৰা বিতাৰিত কৰি আহিছে। তাতেনো বৰদেউৰীহঁতে কোনটো সাহেৰে ছাগলী, কুকুৰা বলি পূজা দিবলৈ এৰি দিয়ে? তাৰোপৰি ডাঙৰ বিপদৰ কথাটো আছেই। পুৰণি কালত শদিয়াৰ গোসাঁনী শালত নৰবলি দিয়া প্ৰথাটোনো কোনে নজনাকৈ আছে? আজিকালি অৱশ্যে নৰবলিৰ পৰিবৰ্তে ম'হ নাইবা চাৰিশালি [১] উচৰ্গা কৰাটো বৰদেউৰীহঁতৰ দৰে সকলোৱে মানি লৈছে— যুগৰ পৰিবৰ্তন বুলি। হ'লেও একেবাৰে পূজা-পাতল এৰি দিয়াটো বৰদেউৰীহঁতে কোনোপধ্যেই মানি ল'ব নোৱাৰে। নহ'লেনো ধৰ্ম বুলি কিবা এটা বিধি বিধান থাকিব জানো? তাতে আকৌ বিহু বুলিলে পূজা-পাতলৰ অবিহনে বৰদেউৰীহঁতে দেখোন একো কথাই চিন্তা কৰিববলৈ আহৰি নেপায়।

নিজৰ গাঁৱৰ লোকৰ পূজা উচৰ্গাৰ উপৰিও অন্য গাঁৱৰ লোকৰ গোসাঁনীৰ নামত আগ কৰা পূজাৰ কাম কৰাটো বৰদেউৰীহঁতৰ বাবে এটা নিয়ম হৈ পৰিছে। এইবছৰ বিহুৰ প্ৰথম দিনা দুকুৰিতকৈ বেছি পূজা নিদিয়াটো পূজাৰীবৃন্দই থিৰাং কৰিছে। কিন্তু দূৰণিবতীয়া গাওঁ আৰু অন্য জনগোষ্ঠীৰ পূজা প্ৰথম দিনাই শেষ কৰিববলৈ সিদ্ধান্ত ল'লে। বাকী পূজাবোৰ বিহুৰ মাজৰ দেওবাৰ আৰু বুধবাৰে দিয়াৰ ব্যৱস্থা কৰিলে। নহ'লে পূজাৰ বলি কাটি থাকোতেই ৰাতি হৈ যোৱাৰ উদাহৰণো আছে। মুঠৰ ওপৰত 'ঘৰুৱা পূজা' আৰু ৰাইজৰ মেতুৱা [২]ৰেই বিচু নমাই অনাটোকে

১. চাৰিশালি — তিনিটা ছাগলীৰে কৰা পূজা
২. মেতুৱা — পূজাত উৰ্চগা কৰা নৈবদ্য



আলোচনাত সিদ্ধান্ত কৰিলে। ৰাইজৰ মেতুৱাৰ লগতে বিচু নমাবৰ বাবে গাঁৱৰ প্ৰত্যেক ঘৰৰ একোজনকৈ পুৱাতে দেওঘৰ চফা কৰিববলৈ বুলি গৈছে। যাওঁতে প্ৰত্যেকে লগত কলপাত কেইখিলামানকৈ নিববলৈ পাহৰা নাই। সময় হৈ অহাৰ লগে লগে ঘৰুৱা পূজা দিয়ালোকৰ স'তে ৰাইজ, গঞাৰ প্ৰতিনিধিৰে দেওশালত খদমদম লাগি গৈছে। আলোচনা সামৰি বৰদেউৰীকে আদি কৰি পূজাৰীবৃন্দই দেওশাললৈ যাবলৈ বুলি প্ৰস্তুতি চলালে।

ৰূপচিং বৰদেউৰীয়ে গা-পা তিয়াই দেওশাললৈ ওলাল। পিন্ধনত এখন ৰঙা ৰঙৰ ইকুঁ [৩] আৰু একে ৰঙৰে এখন দীঘল কাপোৰ খালী গাটোত কোণীয়াকৈ কান্ধত লৈ দুই আগ বাওঁ অংশৰ ককাঁলত গাঁতি মাৰি লগতে এটা তামৰ গাঁৰ [৪] আৰু এখন মিট্‌দা কান্ধত ওলোমাই যাবলৈ ওলাল। দেওশালত গৈ অন্যান্য পূজাৰীবৃন্দৰ লগত নিত্য ৰীতি-নীতিৰে পূজাৰ কাম আগবঢ়াবলৈ ধৰিলে। তেতিয়া পুৱা দহমান বাজি গৈছে। বিহু উৎসৱৰ বাবে আগবঢ়োৱা সকলোবিলাক পূজা সময় হোৱাৰ লগে লগে চাৰিসিদ্ধৰ তত্বাৱধানত আগবাঢ়িল। বৰদেউৰীয়ে পূজাৰ বাবে উচৰ্গা কৰা ছাগলী, কুকুৰা, পাৰ ইত্যাদি সকলো পূজা এখন ডাঙৰ বলি কটা দাৰে ক্ৰম অনুসৰি বলি কাটি কুন্দিমামালৈ আগবঢ়াই দি আছে। মুঠৰ ওপৰত পূজাৰীবৃন্দৰ এইসময়ত উশাহ ল'বলৈকে আহৰি নোহোৱাৰ নিছিনা অৱস্থা। জাকে জাকে মানুহবোৰে নিজৰ নিজৰ ছাগলী ৰচিৰে বান্ধি আনি পূজাৰ বাবে আগ কৰিববলৈ হেঁটা-ওপৰা লগাইছে। তাতে আকৌ আজি ৰাইজৰ মেতুৱাও পৰিছে। ঘৰুৱা মেতুৱাৰ শেষত ৰাইজৰ চাৰিশালিৰ পূজা দিয়া হ'ব। গতিকে গাঁৱৰ সকলো ৰাইজক সেৱা ল'বলৈ জনাই দিবলৈ বৰদেউৰীয়ে মাজতে বাৰিকক হুকুম দি গ'ল। হুকুম মতে বাৰিকে দেওশালৰ ভিতৰত থোৱা ডাঙৰ শঙ্খ আৰু মৃদং বাহিৰলৈ উলিয়াই আনি বজাবলৈ আৰম্ভ কৰি দিলে। মাজে মাজে সি 'ৰাইজ ঐ, ৰাইজৰ পূজা দিবৰ হ'ল, সকলোৱে আহিব লাগে'— বুলি তিনিবাৰকৈ চিঞৰি চিঞৰি মাতিলে। বাৰিকৰ মাতত ক্ষন্তেক পিছতে চাৰিওদিশৰ পৰা গাৱঁৰ ৰাইজে বগা কাপোৰৰ সাজ-পাৰ কৰি শুদ্ধ দেহ-মনেৰে দেওশালত সেৱা লববলৈ বুলি জাকে জাকে আহি দেওঘৰত গোট খালেহি। গঞা ৰাইজে ৰাজহুৱা পূজাৰ উপৰিও ব্যক্তিগতভাৱে কুন্দিমামালৈ বুলি তামোল-পান, ৰূপৰ ফুল, অৰিহনা আদি আগবঢ়াই আঁঠু ল'বলৈ ধৰিলে। লগে লগে বৰদেউৰীয়ে 'এ.....হে....ম......হে পৰমেশ্বৰ দেৱতা...........' বুলি মন্ত্ৰপাঠ কৰি বলি

৩. ইঁকু — চুৰিয়া
৪. গাঁৰ — লোটা

কটা কাৰ্য সমাপন কৰিলে। বলি দিয়া কাৰ্য শেষ হোৱাৰ লগে লগে সৰুদেউৰীয়ে তামৰ কলচিৰ পৰা তংলতিৰ আগেৰে ৰাইজক শান্তি জল ছটিয়াই দিলে। ৰাইজে যি যেনেকৈ পালে তেনেকৈয়ে তংলতিৰ পাত লৈ কাণৰ ফাকত সুমুৱাই ল'লে আৰু তামৰ কলচিৰ জল গ্ৰহণ কৰিলে।

পূজাৰ কাম ইতিমধ্যে প্ৰায় শেষ হৈছে যদিও গঁঞা ৰাইজ ঘৰা-ঘৰি যোৱা নাই। কাৰণ, এতিয়াও 'দেওধনি'ৰ নাচ্ আৰম্ভ হোৱা নাই। বেলি আহি মূৰৰ ওপৰত উঠাৰ লগে লগে গৰমে ৰাইজৰ দেহা অতিষ্ঠ কৰি তুলিছে। দুপৰীয়াৰ প্ৰখৰ ৰ'দ নেওচি ৰাইজ তেতিয়াও দেওঘৰৰ বাকৰিত উদুলি-মুদুলি। সকলোৰে একেই বিশ্বাস-– সেই দেওধনি কেৱল মানুহেই নহয়; ই স্বয়ং মিদি-গিৰাচি[৫]। যাৰ লগত দেৱতাই একাকাৰ হৈ অন্তৰাত্মাত স্থিতি লয়। অশূচি বাছে। আনকি কে'বাদিনো অনাহাৰে কটাব পাৰে।

পূজা পাতলি যোৱাৰ উমান পাই ডেকাচামে বিশেষ চেৰত ঢোল-তাল বজাবলৈ আৰম্ভ কৰি দিলে। ঢোলৰ মাত শুনাৰ লগে লগে দেওশালৰ অন্তেষপুৰত সোমাই থকা দেওধনিয়ে হাঁহি হাঁহি আকাশলৈ দৃষ্টি-ৰাখি মূৰৰ পাগুৰিৰ ওপৰত তামৰ কলচিটো লৈ নৃত্য কৰিবলৈ আৰম্ভ কৰি দিলে। ক্ষন্তেকৰ বাবে দেওশালৰ চাৰিওদিশ ৰজন্‌জনাই গ'ল। আকাশ-পাতাল মুখৰিত হৈ পৰিল–- দেওধনিৰ নৃত্যৰ ছন্দত আৰু ঢোল-তালৰ অপূৰ্ব ঝঙ্কাৰত। নাচোনৰ মাজে মাজে দেওধনিয়ে পূজাৰ পৰা নিগৰা কেঁচা তেজ মলাত লৈ আজলিয়ে আজলিয়ে পান কৰিবলৈ ধৰিলে। মাজে মাজে তামৰ কলচিত থোৱা তংলতিৰ পাত চোবাই লৈ খাবলৈ ধৰিলে। নৃত্যৰ মাজতে এবাৰ দেওধনিয়ে কলচিৰ পানী গাত ঢালি লৈ চুলি মেলি অবিৰাম গতিৰে ঘূৰি ঘূৰি নাচিবলৈ আৰম্ভ কৰি দিলে। ইফালে ডেকাচামেও ঢোল-তাল বজাবলৈ পাই মতলীয়া হৈ পৰিল। ক্ৰমান্বয়ে নাচ আৰু ঢোল-তালৰ লহৰ বাঢ়ি যাবলৈ ধৰিলে। বাঢ়ি বাঢ়ি গৈ এটা সময়ত ঢোল-তালৰ শব্দ বতাহৰ লগত মিলি যোৱা যেন অনুভূত হ'ল। দেওধনিৰ মুখাৱয়বত এক অদ্ভুত খং আৰু প্ৰতিশোধৰ প্ৰতিচ্ছবি ফুটি উঠিল। তাকে দেখি বুঢ়া-মেঠা, গাভৰু-বোৱাৰী সকলোৱে আঁঠু লৈ 'হে য়য় কুন্দি..... হে য়য় কুন্দি.........' বুলি আওৰাবলৈ ধৰিলে। সমবেত সকলো লোক ক্ষন্তেকৰ বাবে হ'লেও দেওধনিৰ ছত্ৰছাঁয়াত আৱদ্ধ হ'ল। সকলোৱে একেস্বৰে নৰ-মনিছৰ অজ্ঞতাৰ কথা স্বীকাৰ কৰি অজানিতে দেওঘৰলৈ মূৰ দোঁ খাই পৰিল। প্ৰকৃতিও যেন আদৰ সম্ভাষন জনালে। পূৱ-দিশৰ পৰা বৈ অহা এছাটি মলয়া বতাহে সকলোৰে গা-মন শীতল কৰি থৈ গ'ল। দেওধনি নৃত্য সিমানতে অন্ত পৰিল।

৫. মিদি-গিৰাচি – দেৱী



বৰদেউৰীয়ে এইবাৰ সকলো ৰাইজকে বহিবলৈ আদেশ কৰিলে। সকলো ৰাইজ বহাৰ পিচত 'দেওধনি'ক ৰাইজৰ সুখ-দুখৰ বাতৰি কবলৈ হুকুম কৰিলে। হুকুম মতে দেওধনিয়ে ৰাইজৰ সুখ-দুখৰ বতৰা এক বিশেষ সুৰ লগাই কৈ যাবলৈ ধৰিলে। লগতে ভৱিষ্যত বাণীৰে 'বাইক'[৬] মেলি তাৰ নিৰাময়ৰ বাবে বিধান দিলে। ৰাইজসৱে দেওধনিৰ বাইকবোৰৰ সাৰমৰ্ম উপলব্ধি কৰি 'হয় হয়, আমি নৰমনিছ একো নাজানো' বুলি শলাগি শলাগি কুন্দিমামালৈ বুলি সেয়া আগবঢ়াই থাকিল।

দেওঘৰৰ সেৱা কাৰ্য সমাপন কৰি জিমেশ্বৰী, ৰমতী, ৰমৈদৈ বুঢ়ীকে আদি কৰি ৰংদৈ, জোনাকীহঁতেও দেওশালৰ পৰা ঘূৰি আহিল। ঘূৰি অহা মানে আবেলিয়েই হ'ল। আহোঁতে ৰমতী আৰু ৰমৈদৈ বুঢ়ীৰ কথোপকথনত দেওধনিৰ সেই আচৰুৱা খঙাল নৃত্যৰ বিষয়েই ঠাই পালে।

ঃ ঢোলৰ চেও ডেকাজাকে যেনেকৈ মাৰিছিল দেও খং খাবৰে কথা। ৰমতি বুঢ়ীয়ে তামোল চোবাই চোবাই ক'লে।

ঃ তাৰোপৰি সিপাৰৰ দুজনীমান ন-বোৱাৰীয়ে ৰঙা চোলা পিন্ধি অহা দেখিছিলো। সেইবাবেওতো দেওধনিয়ে খং খাব পাৰে। ৰমৈদৈ বুঢ়ীয়ে বাটৰ কাষৰ নৰ্দমালৈ সুলী মুখেৰে তামোলৰ পিক্ পেলাই কথাখিনি ক'লে।

ঃ মই আকৌ দেওৱে সৌকা লৈ খেদে বুলিহে ভয় কৰিছিলো। সেয়া যে নকৰিলে তাৰ বাবে ৰক্ষা। নহলে যে ক'ত আলাই-আথানী হ'লহেঁতেন। ৰমতী বুঢ়ীয়ে অলপ থিয় দঙা দি ৰৈ কঁকালটো পোনাই কথাখিনি ক'লে।

ঃ কেলেই যোৱা বছৰ দেখা নাছিলি নেকি? চুলি তাৰি মেলি যি খেদা দিছিলে, মনত পৰিলে মোৰ আজিও গা শিয়ঁৰি উঠে। বে-জাতি মানুহ দেখিলেতো কথাই নাই। লগৰীয়া কেইজনীৰ বাবে অলপ সময় ৰৈ সিহঁতৰ ফালে ডিঙিটো ঘূৰাই জিমেশ্বৰী বৰদেউৰীয়নীয়ে কথাখিনি ক'লে।

কথা পাতি আহি বৰদেউৰীয়নীয়ে ঘৰত সোমোৱা মানে বেলি পিছ্‌পিনৰ বাৰীত লুকাবলৈ দুনলমানহে থাকিলগৈ। কামৰ দিনত সময়বোৰ কিবা চুটি যেন লগা হয়। অহাকালিৰ পৰাতো বিহু পকিবই। ডেকা-গাভৰুৰ কথাটো ক'বই নেলাগে। গধূলিলৈ বিচু তলীত বিহু মাৰি মাৰি ৰাতিপুওৱাৰ পাল। বিচু তলী মানে বিহুৰ আগলৈকে বৰদেউৰীৰ চোতালকে সাধাৰণতে বুজায়। কিন্তু এইখন গাঁৱৰ বৰদেউৰীৰ ঘৰ একেবাৰে পূবৰ এচুকত হোৱাৰ বাবে গাঁৱৰ মাজভাগতে অৱস্থিত সৰুদেউৰীৰ ঘৰৰ চোতালতে বিচু মৰা কৰিছে। যাতে সকলোৱে চাৰিওফালৰ পৰা অহা-যোৱাৰ সুবিধা হয়।

৬. বাইক – বাতৰি মেলা

গধূলিৰ বিহুৰ বাবে প্ৰস্তুত হ'বলৈ সাঁজ লগাৰ আগে আগে ৰংদৈহঁতে গাঁৱৰ পাভৰ জাকৰ দৰে বৰা চাউলৰ কৰাই ভাজি ঘৰে ঘৰে ঢেঁকীত খুন্দি আজৰি হ'বলৈ লাগি গ'ল। বাকী চুজেঁ[৭]ৰ বাবে দহ পোন্ধৰ দিনৰ আগৰ পৰাই বনাই বুঢ়া কৰি ৰখাটো ৰংদৈহঁতক নতুনকৈ কব নেলাগে। তথাপিও ৰংদৈয়ে এবাৰ জোনাকীহঁতৰ ঘৰৰ ফালে পাক মাৰি আহিবলৈ মনস্থ কৰিলে। অৱশ্যে কামৰ মাজতে সঘনাই জোনাকীক লগ কৰাটো ৰংদৈৰ বাবে আজিকালি চুঁজেৰ লগত কাজি[৮] খোৱাৰ দৰে হৈ উঠিছে।

সিফালে বিন্দেশ্বৰেও পুৱাতে গৰুকেইটা গা ধুৱাবলৈ আৱশ্যকীয় বস্তুখিনি যতনাই আছে। আৱশ্যকীয় বস্তুবোৰ মানে দীঘলতী, মাখিয়তী, লাউ, হালধি, থেকেৰা, বেঙেনা, আচিৰিং আৰু লগতে গধূলিলৈ গৰু বান্ধিবলৈ তৰাৰ বাকলিৰে মিহলাই বাটা পঘাবোৰ। বহু। তাৰোপৰি যোৱা শুক্ৰবৰীয়া বজাৰৰ পৰা আনি থোৱা কুকুৰা কণীকেইটা ফটাকানিৰে ধানৰ তুঁহগুড়িৰ লগত মিহলাই বান্ধি ধোঁৱা চাঙত ওলোমাই থলেগৈ। কিজানিবা অহাকালিলৈ কণী যুঁজ খেলত সি জিকিব পাৰিবই! তাৰ বিশ্বাস। কাৰণ, সি জানে—বিশ্বাসেই আদি মূল।

চাওঁতে চাওঁতে গধূলিয়েই হ'ল। বিন্দেশ্বৰৰ কাম আৰু এটা আছে। তাৰপিছত সি মুকলিমুৰীয়া হ'ব। তেতিয়াহে সি ৰাতি বিহু মৰাৰ বাবে প্ৰস্তুতি চলাব পাৰিব। কামটো হৈছে— দেওঘৰৰ পৰা দেউতাকক আগবঢ়াই আনিবলৈ যোৱা। তৎমূহূৰ্ত্ততে ৰাতি বিহুমৰা কথাটো মনত পেলাই তাৰ মন চিৰিং কৰি গ'ল। আগবেলা দেওঘৰলৈ যোৱাৰ আগতে ৰংদৈয়ে কৈ যোৱা জোনাকীৰ কথাটো তাৰ বিজুলীৰ দৰে চাঁত্ কৰে মনত পৰিল। এইমূহূৰ্ত্তত বিন্দেশ্বৰৰ সময়বোৰ কিবা নাযায় নুপুৱায় যেন লাগিল।

ঃ ঐ বাবু, তই তোৰ বাঙ[৯]ক আগবঢ়াই আনিবলৈ নেযাৱ নেকি? এন্ধাৰেই হ'লচোন। দেওঘৰৰ ফালৰ পৰা ৰিনিকি ৰিনিকি এটা হুলস্থূলৰ মাত শুনা যেন পাওঁ। ৰাইজে ভোজ-ভাত খাই শেষ কৰি উঠিছে চাগে। জিমেশ্বৰী বুঢ়ীয়ে ৰান্ধনিশালৰ পৰাই পুতেকক দিহা দি ক'লে।

ঃ টৰ্ছলাইট আৰু ছাতিটো দেহি চোন। বতৰো সিমান ভাল নহয় যেন লাগে। আকাশলৈ মূৰ তুলি ইফালে-সিফালে চাই বিন্দেশ্বৰে মাকক ক'লে।

---

৭. চুঁজে — মদ বিশেষ
৮. কাজি — ব্যঞ্জন
৯. বাং — দেউতা



অলপ পাছতে মাকে টৰ্ছলাইটটো ভিতৰৰ পৰা আনি আকাশলৈ চাই ক'লে-— আকাশতচোন তৰা ওলায়েই আছে। ছাতি নিনিলেও হ'ব। পাছ ৰাতিলৈহে অলপ বৰষুণ হ'লে হ'ব পাৰে। গোপ মৰা গৰম এটা উঠাতো উঠিছে।

বিন্দেশ্বৰে যিমান পাৰে সোনকালে একান্ত বাধ্য ছাত্ৰৰ দৰে কামবোৰ কৰিবলৈ থিৰাং কৰিলে। কাৰণ— তাৰ সন্মুখত এটা বেলেগ ধৰণৰ পৰীক্ষা আহি আছে। সি পৰীক্ষাত পাছ কৰিব লাগিব। সেয়া অন্য পৰীক্ষা নহয়— প্ৰেমৰ পৰীক্ষা। য'ত তাৰ জীৱনৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰবাহমান হ'ব বাস্তৱ বিজৰিত মাদকতা। য'ত সি কল্পনাৰ কাৰেং গঢ়ি মতলীয়া হৈ থাকিব পাৰিব। এই মূহূৰ্ত্তত বিন্দেশ্বৰৰ অস্থিৰ মনটোৱে কাৰোবাক লগ পোৱাৰ সানিধ্যই বাৰে বাৰে আনমনা কৰি তুলিবলৈ ধৰিলে। তাৰ মনত মিনিটবোৰ ঘণ্টাৰ দৰে আৰু ঘণ্টাবোৰ দিনৰ দৰে অগাদেৱা কৰিবলৈ আৰম্ভ কৰিলে।

সময় আগবঢ়াৰ লগে লগে বিন্দেশ্বৰে টৰ্ছ লাইটো লৈ গাৱঁৰ ভিতৰলৈ আগবাঢ়ি গ'ল। সি যাওঁতে আকৌ এবাৰ মনতে কথাবোৰ জুকিয়াই চালে। সি বাৰু লাহে লাহে বেয়া ল'ৰা হ'বলৈ আগবাঢ়িছে নেকি? নে সি এজন প্ৰাপ্তবয়স্ক মানুহলৈ গতি কৰিব বিচাৰিছে।

● ● ●

## (৩)

শেষ 'ৰাতি-বিহু'ৰ নিশা। সময় তেতিয়া ৮/৯ মান বাজিছে। ঘৰুৱা কাম-বন শেষ কৰি ভাত-পানী খাই বিন্দেশ্বৰ আৰু ৰংদৈ দুয়ো একেলগে বিচুতলীলৈ বুলি ওলাল। বিচুতলী তেতিয়ালৈ পকা নাছিল। সৰু সৰু ল'ৰা-ছোৱালীজাকে তাল বজাই বজাই দুই এটা বিহুগীত গাই আছে। মাজে মাজে পেঁপা আৰু ঢোলৰ মাত। সিপাৰৰ চুবাটোৰ বিচুতলীৰ পৰাও অনুৰূপ সুৰৰ লহৰ। আজি 'ৰাতি-বিহু' পৰ্বৰ শেষ নিশা হোৱাৰ বাবে একেবাৰে ৰাতিপুৱাতে ডেকা-গাভৰুৱে ঘৰ ওলোৱা এই বিহুৰ নিয়ম। সেয়ে বিন্দেশ্বৰহঁত একেবাৰে গোটেই নিশাটোৰ বাবে ওলাই আহিছে। আজি সিহঁতৰ বাবে স্বাধীনতা অপৰিসীম। ইখন চুবাৰ বিহুৱা পাৰ্টি সিখন চুবালৈ বুলি অহা যোৱা কৰি সকলো বিহুৱা পাটিয়ে ভিন্ন বিহুৰ অভিজ্ঞতাৰে ৰস বিনিময়ৰ সুবিধা গ্ৰহণ কৰাটো এই গাৱঁৰ পৰম্পৰা। বিন্দেশ্বৰে জোনাকীহঁতৰ ঘৰৰ চোতাল পোৱাত ৰংদৈক তাতে এৰি থৈ অকলশৰে বিচুকুলালৈ বুলি পোনালে। যাওঁতে সি ৰংদৈক জোনাকীক লগত লৈ আহিবলৈ বুলি চকুৰে ইঙ্গিত দি গ'ল।

লাহে লাহে বিচুতলী ডেকা-গাভৰুৰে ভৰি আহিল। ওচৰৰ অন্য গাঁৱৰ আলহী মানুহৰো আগমন ঘটিল। প্ৰথমে সচৰাচৰ সুৰত ডেকা-গাভৰুজাকে 'বগিয়া-বগি' গীত গালে। ক্ৰমান্বয়ে নিশা গভীৰ হৈ অহাৰ লগে লগে বিহুতলী পকি আহিল। নাচনীৰ ভৰিৰ দপ-দপনিত মাটি ফাটি যাওঁ ফাটি যাওঁ হ'ল। গীতৰ চেৰে চেৰে বজোৱা তাল, ঢোল আৰু পেঁপাৰ মাতে নিশাৰ পৃথিৱী কঁপাই তুলিলে। ৰজন্ জনাই গ'ল গাঁৱৰ চাৰিওদিশ। এটা সময়ত ডেকা চামে পূৱফালে আৰু গাভৰুজাকে পশ্চিমফালে হৈ তীব্ৰ প্ৰতিযোগিতাৰ গীত গাবলৈ আৰম্ভ কৰি দিলে। বিন্দেশ্বৰেও লগৰ সমনীয়া খিনিৰ লগত যোগ দিলে। ঠিক তেনেকৈ ৰংদৈও জোনাকীহঁতৰ লগত লগ লাগিল। ডেকা চামে গালে—

পাহাৰ' পিচ্ছমাই ইত'বেচুন ইবাঁচি
পাহাৰচ্চেই লিগুৰি জি,
আয়ঁনে চ্চেঁনুমাই ই'তবেচুন ইঁবাচি
চ্চেঁচ্চালে লিগুৰি চ্চি।



(পাহাৰৰ শিখৰলৈ চোৱাচোন মৰমী পাহাৰৰ পৰা পানী বৈছে, মোৰে বুকুলৈ চোৱাচোন মৰমী বুকুৰ পৰা তেজ বৈছে)।

গাভৰুজাকে প্ৰত্যুত্তৰত গালে—

হান্তচি ইচ্চামান কাবাচি ঐ মিৰিকা
দাচ্চানু ঐ কাবাৰে বা,
নিমান্তচি ইচ্চামান আনানুদেই ইগাবা
দাচ্চাচি ঐ ইগাবা আঁ।

(খালেহে বুজিবা তিতাকৈ কেৰেলা, কিমাননো খাবলৈ তিতা; পালেহে বুজিবা মোকে দেই মৰমীয়াল, কিমাননো মই ধুনীয়া)।

ডেকা ল'ৰাজাকে এইবাৰ চিঞৰিলে—

যুৱায় পিচ্চহ কেপেতুলা নাদুবেম
কুনকে ঐ কুয়াকে চাৰম,
মমাইয় পিচাচি নৰিয়াচি কুদুবেম
চ্চিন্কে ঐ চ্চিয়াকে চাৰম।

(বাঁহৰে ওপৰত তুলা ৰ'দালো, পৰো কি নপৰো হ'ল; মোমাইৰে ছোৱালী বেমাৰত পৰিলে, মৰো কি নমৰো হ'ল।)

গাভৰুজাকে উত্তৰ দি গালে—

চেঙেলি চ্চিয়াঁনা দাকিংনুচি নিন ঐ
আচুগুৰ হয়াঁন্ত হঁয়া,
মমাইয় পিচানা দাকিংনুচি বলামান
যাদু-মন্ত্ৰ হয়াঁন্ত হয়াঁ।

(চেঙেলী মাছক কেনেকৈ ধৰি যাম, বালিৰে নহ'লে নহয়; মোমাইৰে ল'ৰাকে কেনেকৈ বলাই-যাম, যাদু-মন্ত্ৰ ন'হলে নহয়)।

বগিয়া-বগি গীতৰ মাজতে অনিলে পেঁপা উলিয়াই বজালে। ঘূৰি ঘূৰি ডেকা-গাভৰুৱে নাচিলে। মাজে মাজে যোজনা, তাৰ পিছত পেঁপাৰ সুৰ। মাটিৰ গিৰিপ্ গাৱাপ্ শব্দই গীত আৰু পেঁপাৰ সুৰকে যেন চেৰ পেলাইছে। সকলোৱে আনন্দত আত্মহাৰা হৈ মতলীয়া হৈ পৰিছে। তাৰ ছেগতে বিন্দেশ্বৰে জোনাকীক চাবলৈ এৰা নাই। অকল বিন্দেশ্বৰেই নহয় আৰু বা ক'ত কিমান ডেকা-ডেকেৰীৰ প্ৰণয় ভাৱ বিনিময় সংগোপনে এই বিহু তলীতে চলি আছে, কোনে কিমান হিচাপ ৰাখে? বিহু

মাৰি কেতিয়ানো দুপৰ নিশা পাৰ হ'ল কোনেও তলকিবই নোৱাৰিলে। বিহু পকি একেবাৰে সৰি পৰো সৰি পৰো যেন হ'ল। গাঁৱৰ আদহীয়াবোৰৰ লগতে বোৱাৰী, বুঢ়ী আদি কৰি ৰাইজ বিছনাত শুই থাকিব নোৱাৰিলে। নিজৰ নিজৰ পুৰণি স্মৃতিৰ কথা ৰোমন্থন কৰি সিহঁতেও বিহুতলীলৈ ঢাপলি মেলি আহিল। শেষ নিশাৰ বাবে সকলোৱে বিহুত যোগ দিলেহি। এতিয়া কেৱল গীত, নাচ আৰু ঢোল-পেঁপাৰ সমাহাৰ। কোনোবাই কাৰোবাৰ হাতত ধৰি নাচিবলৈ লগাই দিছে। কোনোবাই পিচফালৰ পৰা ঠেলা মাৰি নৃত্য-গীতৰ বৃত্তকাৰৰ মাজলৈ পঠিয়াইছে কাৰোবাক। কাৰো আপত্তি বা খং ৰাগ নাই বিহু বুলি। বয়সীয়া বিলাকৰ মাজৰ পৰা কিলৌ বুঢ়াই বেছ জমাইছে। লাখুটি ডাল ভৰ দি টিকা লৰাই লৰাই যি পুৰণি নাচ্ দিলে তাকে দেখি সকলোৱে ক্ষন্তেকৰ বাবে হ'লেও তৱধ মানিলে।

ঃ অকল ভৰি এটা দাঙি শালিকা চৰাইৰ দৰে কিটিক্ কিটিক্ কৰি নাচিলে নচা নহয়— নহয়। গোটেই গাটো লৰাই দুয়োখন ভৰি একেলগে দাঙি ঢপ্ ঢপ্ কৰি নাচিলেহে গা-মন উঠে। বুলি ভূমিকম্প অহাৰ দৰে যি ঢপ্ ঢপাই নাচ দেখুৱালে ই ক্ষন্তেকৰ বাবে হ'লেও বিহুৰ লহৰকে অলপ ওপৰলৈ তুলি দিলে। সঁচাই আগৰ দিনৰ সেই নাচ্ আৰু গীতৰ তুলনা নাই!

এই ছেগতে বিন্দেশ্বৰে ভনীয়েক ৰংদৈক ইঙ্গিত এটা দিলে। ইঙ্গিত মানে সিহঁতৰ আগতীয়া কথামতে জোনাকীৰ লগত সিটো চুবাৰ বিহুতলীলৈ গৈ বিহু চাই অহা যাওঁক। তাৰ পৰা ঘূৰি পাইহি মানে চোন আবৰব [১] আৰু লহৰিয়া [২] জুৰিবলৈ হ'বই। গতিকে বেচি দেৰি কৰি লাভ নাই। অৱশ্যে বিন্দেশ্বৰহঁতেহে যে নিজৰ বিচুকুলাৰ পৰা অন্য বিচুকুলালৈ যাব ধৰিছে তেনে নহয়। চামে চামে প্ৰায়ে দুই চাৰিজনকৈ লগ-লাগি তেনেকৈ অহা যোৱা কৰাটো হয়েই। বিহুৰ উদুলি-মুদুলিতে ছোৱালী দুজনী আৰু ডেকা ল'ৰা এজন নাইকীয়া হ'ল। বতৰো বেছ ফৰকাল দেখা গৈছে যদিও পুৱাবেলালৈ বৰষুণ এজাক হোৱাৰ সম্ভাৱনাই বেচি। কাৰণ, পশ্চিম আকাশত তেতিয়া ডাৱৰ কেইচপৰামানৰ মাজত মাজে মাজে বিজুলী মৰা দেখা পোৱা গৈছে। পূৰ্ণিমাৰ পিচৰ একাদশীও পাৰ হৈ গৈছে। সেয়ে পাছ জোনাকৰ ৰাতি। পূব আকাশত ডাৱৰ তেনেকৈ নাই কাৰণে জোনবাইয়ে লগৰ তৰাবোৰৰ সৈতে এই পিছ ৰাতি হ'লেও ৰাতি বিহু মৰা চাবলৈ কিজানি ওলাই আহিছে। অৱশ্যে পুৱা বেলালৈ বৰষুণ এজাক হ'লে বিহুৱা ডেকা-গাভৰুৰ বাবে সুবিধাহে। বোকাত লেটি-পেটি হৈ বিহুত মতলীয়া হ'বলৈ এই বয়সত কাৰনো মন নেযায় বাৰু?

১. আবৰব' — বৃত্তকাৰে কৰা নৃত্য
২. লহৰিয়া — বৃত্তকাৰে কৰা নৃত্য



তেনেতে পশ্চিম আকাশত দূৰৈত এটা মৃদু বতৰৰ গাজনি শুনি বিন্দেশ্বৰৰ দেউতাকৰ মুখৰ পৰা সঘনাই শুনি থকা ফকৰা-যোজনাটোলৈ মনত পৰিল— 'উত্তৰে গাজিলে থাকিবা শুই; দক্ষিণে গাজিলে নুমাবা জুই। পূবে গাজিলে জানিবা খৰ ; পশ্চিমে গাজিলে মাৰিবা লৰ।'

আচলতে বিন্দেশ্বৰহঁতৰ বিচুকুলাৰ পৰা সিটো চুবাৰ বিচুকুলালৈ বৰ বেচি এটা দূৰ নহয়। মুঠৰ ওপৰত পোন্ধৰ মিনিটমানৰ ৰাস্তা। ৰংদৈয়ে ককায়েক আৰু জোনাকীক কথা হ'বলৈ সুবিধা দি নাতিদূৰত্বৰ ব্যৱধানত আগবাঢ়ি থাকিল। কি কথা পাতিছে শুনিবলৈ ইচ্ছা কৰিলে তাই শুনিবকে পৰা দূৰত্ব। কিন্তু তাই কথাবোৰ পিছত জোনাকীৰ মুখৰ পৰাই উলিয়াই ল'ব পাৰিব বুলি ভাৱিয়েই কথাবোৰত মনোযোগ নিদিলে। তাতে আকৌ ককায়েক বিন্দেশ্বৰে আপচোচ কৰিব পাৰে বুলি। হলেও দুদিনমানতে দুয়ো ককায়েক-ভনীৰ মাজৰ আপচোচ ভাৱ আগতকৈ বহু পৰিমাণে কমিল। খুউব লাহে লাহে যোৱাৰ বাবে সিহঁতৰ সিটো চুবা পোৱাগৈ মানে আধা ঘণ্টামানে লগা যেন ৰংদৈৰ অনুমান হ'ল। বাটত কেইবা যোৰা ডেকা-গাভৰুৰ জাক লগ পাই গৈছে যদিও কোনেও কালৈ চাবলৈ সময় নাই। সকলোৱে নিজক নিজক লৈ ব্যস্ত। ওপৰে ওপৰে বিচু চাই সোনকালে ঘূৰিবলৈ ঠিৰাং কৰিলে সিহঁতে। দক্ষিণ গঞা চুকৰ ডেকা পাৰ্টিটোৱে জমাই মেলি আছে। টানুৱা, বিচম্বৰ, সোমেশ্বৰ, পিতচিংহঁতৰ যি গীত আৰু নাচ দেখিলেই হজম নোহোৱা যেন অৱস্থা। কিবা বেসুৰা আৰু অতিৰঞ্জিত যেন ৰংদৈৰ লাগিল। বহুত মিল থাকিলেও যেন কিবা-কিবিত মিল নাই। তেনেভাৱ হ'ল ৰংদৈৰ। এনেকৈয়ে যে এটা সংস্কৃতি বিজতৰীয়া হৈ ক্ৰমান্বয়ে লুপ্ত হৈ যায় — নিজস্বতা হেৰুৱাই পেলায়........... ৰংদৈৰ কোমল মনৰ বাগিছাত কথাটো দোলনি দি গ'ল।

ৰংদৈহঁত ঘূৰি আহি অলপ দূৰ পাওঁতেই বিচুকুলাত লহৰিয়া গীত জুৰিলেই। তাৰমানে ৰাতিপুৱাবলৈ আৰু বেচি পৰ নাই। কোবা কোবিকৈ সিহঁতে কিলৌবুঢ়াহঁতৰ ঘৰৰ পাছফালে থকা বাঁহনি ডৰায়েদি পোনাই দিলে। বাঁহনি ডৰাৰ তলত কিবা 'মেৰেক-মাৰাক' শব্দ সিহঁতে শুনিবলৈ পালে। ৰংদৈহঁতে গম নেপালেও বিন্দেশ্বৰে গম পালে যে সেইয়া বতেৰাহঁতৰ বাহিৰে কোনো হ'ব নোৱাৰে এইবাৰ শব্দটো অলপ ডাঙৰকৈ শুনা পাই 'কিনো ঐ এইডাল' বুলি জোনাকীয়ে চিঞৰ এটা মাৰি ৰংদৈ বুলি বিন্দেশ্বৰকে ভয়ত সাৱট মাৰি ধৰিলে। বিন্দেশ্বৰে ভালেই পালে গাভৰুৰ উমৰ পৰশ পাই। তাতে আকৌ সেইজনী গাভৰু এই মূহূৰ্ত্তৰ পৰা তাৰ নিজৰ আপোন প্ৰেয়সী। সৰু সৰু মাতেৰে বিন্দেশ্বৰে ফোঁপাই-জোপাই ক'লে-'একো নহয়; ভয় নেখাবি। সেয়া মেকুৰী বা শিয়াল চাগে।' প্ৰকৃতিস্থ হৈ জোনাকীয়ে অজান

আশঙ্কাত এইবাৰ বিন্দেশ্বৰৰ বুকুৰ মাজৰ পৰা উফৰি গৈ ৰংদৈক সাৰটি ধৰিলেহি। ৰংদৈয়ে লক্ষ্য কৰিলে ধূসৰ শেতাঁ জোনাকৰ পোহৰত জোনাকীৰ জোনাকেৰে ভৰা আপ্লুত দেহ-মন। ক্ষন্তেকৰ বাবে ৰংদৈৰ মন ৰঙেৰে ভৰি পৰিল।

ৰংদৈহঁত বিচুকুলা পোৱাহি মানে লহৰিয়া গীত চলিয়েই আছে। হাতত ধৰা ধৰি কৰি বৃত্তাকাৰে ঘড়ীৰ কাটাৰ বিপৰীতে বেছ ফুৰ্ত্তি কৰি সকলোৱে ঘূৰি ঘূৰি গীত-নৃত্যত মছগুল হৈ আছে। ঘাই এজনে প্ৰথমতে গীতৰ কলিটো গাইছে আৰু তাৰ পাছতেই বাকী জাকে সেই একেটোকে আওৱাই গৈছে। সুৰৰ চেৱে চেৱে ভৰিৰ চালনা এনেভাৱে মিলাই গৈছে যেন এজাক মিলিটাৰীহে পেৰেড্ কৰি আছে। কাৰো আখজা আখজা ভাৱ দেখা পোৱা নাই। অৱশ্যে অভ্যাস নেথাকিলে ঘপহকৈ পদচালন কৰি নৃত্যত একাকাৰ হোৱাটো সমস্যা। বিন্দেশ্বৰহঁতৰ বাবে এইবোৰ এতিয়া ভাতৰ লগত পানী খোৱাৰ নিচিনা। ৰংদৈ আৰু জোনাকীয়ে আহিয়েই জাকৰ মাজৰ দুজনী ছোৱালীৰ হাত দুখন এৰুৱাই লৈ মাজতে সোমাই নৃত্য-গীতত একাকাৰ হৈ পৰিল। বিন্দেশ্বৰে কাৰ ওচৰত সোমাব বুলি ৰৈ থাকোতেই লহৰিয়া পাৰ্টি দুপাক ঘূৰিল। এতিয়াৰ পৰা সি অলপ চাই-চিতি চলিব লাগিব বুলি তাৰ মনে ক'লে। জোনাকীৰ লগতো মানুহৰ আগত মুকলি-মুৰীয়াকৈ বিহু কৰিবলৈ তাৰ লাজ লাজ লগা হ'ল। অন্যহাতেদি যাৰে তাৰে লগত নাচিলেও জোনাকীয়ে বেয়া পাব যেন তাৰ ভাৱ হ'ল। মুঠৰ ওপৰত লেঠাই লেঠা। অৱশ্যে আজিৰ দিনটোত বিশেষকৈ এনে ভাৱনা অনাটো ভুল। হলেওচোন তাৰ মন দূৰু দূৰু কঁপিছে। ইফালে গীত তীব্ৰভাৱে চলি থাকিল। ঘাইটোৱে গালে——

লহৰিয়া বাই জহৰিয়া
দমাই লহৰিয়া.............

বাকীলোকে আওৱালে———

লহৰিয়া বাই জহৰিয়া
দমাই লহৰিয়া.............

এইবাৰ ঘাইটোৱে আকৌ গালে———

শদিয়াহ দুনুমদে দেউৰী মচিয়া
দমাই লহৰিয়া..................

বাকীলোকে চিঞৰিলে———

য়ে............হেই
লহৰিয়া বাই জহৰিয়া
দমাই লহৰিয়া..................।



গীত আৰু নৃত্যত তন্ময় হৈ চাই ৰ'ল বিন্দেশ্বৰ। কি অপৰূপ, কি মহিয়ান এই নৃত্য-গীত। কোনে বাৰু সৰজি গ'ল এই নৃত্য-গীত?

ঃ এই গুমি[৩]। আহ নাচো। বিন্দেশ্বৰক একপ্ৰকাৰ টানি লৈ গ'ল নৃত্যৰত সমদিয়া বিজয়াই মাছৰুকা চৰায়ে মাছ থপিয়াই নিয়া দি। বিন্দেশ্বৰেও একো আপত্তি নকৰি শাৰীত সোমাই নাচিবলৈ যোগ দিলে। বৃত্তাকাৰে নাচি থকা বিচুকুলাত এইবাৰ তাৰ জোনাকীৰ লগতো কোনোবা ডেকা ল'ৰা এটাই শাৰীত সোমাই নচা দেখিবলৈ পালে। ল'ৰাজনক আগতে বিন্দেশ্বৰে কৰবাত দেখা মনত নপৰে। আলহী ল'ৰা যেন বোধ হ'ল বিন্দেশ্বৰৰ। মনটো তাৰ সেমেকিছিল যদিও 'ৰাতি বিহু'ৰ শেষ দিন বুলি সেইবোৰ একো কথাই নহয় বুলি মনটো পাতলাই দিলে।

এইবাৰ ঘাইটোৱে লহৰিয়া নৃত্য এৰি আববৰ' জুৰিলে। এই নৃত্য আৰম্ভ হোৱাৰ লগে লগে সকলোৱে হাতৰ পৰা হাত এৰুৱাই পিছৰ জনে আগৰজনৰ কান্ধত বা কঁকালত ধৰি বাওঁফালৰ পৰা সোঁফালে ঘূৰি নাচিবলৈ আৰম্ভ কৰি দিলে।

বৃত্তাকাৰে নৃত্য আৰম্ভ কৰি ঘাইটোৱে গালে———

আববৰ' নাহাঙা
য়াবৰ বচেৰে হেই..................।

বাকীলোকে একেস্বৰে চিঞৰিলে————

আববৰ' নাহাঙা
য়াবৰ বচেৰে হেই..................।

এইবাৰ ঘাইটোৱে ধৰিলে————

কনু কিৰংনা নাহাঙা
কনু কম................

বাকীলোকে আকৌ গালে———

আববৰ' নাহাঙা
য়াবৰ বচেৰে হেই..............।

তেতিয়া প্ৰথম কুকুৰাৰ ডাক দিয়া কেতিয়াবাই শেষ হৈছে। পুব আকাশৰ জোনবাই আহি মূৰৰ ওপৰত পালেহি। পুবত ৰঙা ৰঙেৰে ফেহুঁজালি ছাটিব ধৰিছে। কুলি-কেতেকীৰ হিয়া-ভগা মাত কমি আহিল। শেষ প্ৰহৰত কিন্‌কিনীয়া বৰষুণ এজাকে প্ৰাণ-চঞ্চল বিহুমতলীয়া ডেকা-গাভৰুৰ মন ধুই নিকা কৰি থৈ গ'ল।

● ● ●

৩. গুমি — ভিনিদেউ

## (৪)

দোকমোকালিতে নিত্যনৈমিত্তিক কামখিনি সমাপন কৰি ৰূপচিং বৰদেউৰীয়ে কাণসমনীয়া তথা বাল্যবন্ধু সৰুদেউৰীৰ ঘৰৰফালে খোজ দিলে। বয়সে তেওঁৰ গালে মুখে আঁচোৰ মাৰিলেও এনে বিহুৰ বতৰত ঘৰত সোমাই থকাটো সঁচাই অসম্ভৱ। বিচুৱে যে কতনা স্মৃতি, ক'ত হাঁহি, আনন্দৰ সঁফুৰা কঢ়িয়াই আনে! পাৰ হৈ যোৱা সময়বোৰ কেৱল ৰোমন্থনৰ দ্বাৰা সজীৱ আৰু নিকা হৈ থাকে। ইয়াৰ অন্যথা স্মৃতিৰ মণিকূটত পাহৰণিৰ ধূলি আৰু মকৰাজালে আবৰি ধৰে। অৱশ্যে একো একোটা স্মৃতি ধূলি-মকৰাজালৰ হাজাৰটা আৱৰণেও ঢাকি ৰাখিব নোৱাৰে। বৰদেউৰীয়েও চাগে আজি তাকেই ভাবিছে। পাৰ হৈ যোৱা তিনিকুৰিটামান বসন্তই তেওঁৰ মন অলস কৰি তুলিব পৰা নাই। অৱশ্যে আগৰ সেই কমোৱা তুলাৰ দৰে উৰাৰ সময়ো যে তেওঁৰ কেতিয়াবাই পাৰ হৈ গ'ল। এতিয়া তেওঁৰ এটাই মাত্ৰ চিন্তা পূৰ্বপুৰুষে গঢ়ি থৈ যোৱা নিজৰ সমাজখন বাহ্যিক অত্যাধুনিক সমাজখনৰ পৰা আঁতৰত ৰাখি পূৰ্বৰ পৰা প্ৰচলিত কৃষ্টি-সংস্কৃতিক সজীৱ কৰি ৰখা। তাৰবাবে বৰদেউৰী হাজাৰ চেষ্টা কৰি হ'লেও ৰক্ষণশীল মনোভাৱ অটুট ৰাখিবলৈ দৃঢ় সংকল্প। প্ৰয়োজন হ'লে কঠোৰ হাতেৰে দমন কৰি হ'লেও নিজৰ কলা-সংস্কৃতি ৰক্ষা কৰিব লাগিব—— সেয়া বৰদেউৰীৰ ধাৰণা।

বৰদেউৰীয়ে সৰুদেউৰীৰ ঘৰ পাই দেখে— অলপ আগতে দি যোৱা বৰষুণৰ পানীৰে লুতুৰি পুতুৰি হৈ ডেকা-গাভৰুজাকে কিবা বোকা খেলহে খেলিছে। বিচুকুলা বোকাত লেটি-পেটি। বৰদেউৰীৰ প্ৰশ্ন জাগিল— এই বোকা সংস্কৃতিটো আকৌ কেতিয়াৰ পৰা আহিল? বোকা খেল বাৰিষাৰ খেতি পথাৰতহে হয়। বিহুত আকৌ এই বোকা খেল কেতিয়াৰ আমদানি? ল'ৰা-ছোৱালী জাকৰ ওপৰত টলকতে বৰদেউৰীৰ খং উঠি গ'ল। নিভাঁজ সংস্কৃতিবোৰ ইহঁতে ভৰিৰে মোহাৰি অপ-সংস্কৃতিবোৰ ঘৰৰ ভিতৰলৈ আদৰি আনিব বিচাৰিছে। আকৌ পৰিবৰ্ত্তন বিচাৰে। পৰিবৰ্তন মানেই সেয়ে পূজাৰীবৃন্দই আজিকালি সংস্কৃতিৰ অপমৃত্যু বুলিহে বুজা হৈছে। অৱশ্যে গীতৰ ক্ষেত্ৰত বৰদেউৰীয়ে বৰ বিশেষ পৰিবৰ্তন দেখা নাপালে। গাঁৱৰে আদবয়সীয়া ৰজকে গীতৰ আঁত ধৰিছে। তাৰদৰে অভিজ্ঞ গীতোৱা দ্বিতীয় এজন গাঁৱত নাই বুলিলেও হয়। পালেওটো নহব। ডেকা-গাভৰুহঁতৰ মনৰ লগতো খাপ খোৱা হ'ব লাগিব। এইক্ষেত্ৰত ৰজক নগদ যোল্লঅনাই সিদ্ধহস্ত। সেয়ে হবলা ডেকা-গাভৰুচামে তাকেই প্ৰতিবছৰে গীতোৱা হিচাপে নিযুক্তি দি আহিছে। গাওঁখনৰ বিচুকুলা দুঠাইত হোৱাৰ বাবে বিহুৱা পাৰ্টিয়ে ৰজকক লৈ টনা-আঁজোৰাৰ দৰে পৰিস্থিতিৰো উদ্ভৱ নোহোৱা নহয়। সেয়েহে আজিকালি ৰংদৈহঁতে বিহুৰ দুদিনমানৰ আগতেই তামোল-পানৰ টোপোলা দি গীতোৱা হিচাপে নিয়োগ কৰি লয়। অন্যহাতেদি সৰু চামৰ দুই এজনেও গীতোৱা হিচাপে চলাই দিব পৰা গুণ অৰ্জন কৰিব পাৰিছেগৈ। নহ'লে পৰম্পৰাগত ভাৱে চলি অহা এই গীতবোৰৰ এদিন উছন নহ'ব জানো?

বৰদেউৰীয়ে আলেঙে আলেঙে বিহু চাই ঘৰলৈ বুলি খোজ ল'লে। ডেকা-গাভৰুহঁতে গোৱা গীতৰ সুৰবোৰ তেওঁৰ কাণত প্ৰতিধ্বনিত হ'ব ধৰিলে। কব নোৱাৰাকৈ এক গৌৰৱবোধৰ ৰেঙনি তেওঁৰ চকুৰে মুখে উদ্ভাসিত হ'ল। তেওঁ আজি সঁচাই নিজে এনেকুৱা এটা উন্নত সংস্কৃতিপূৰ্ণ জাতিত জন্মগ্ৰহণ কৰি গৌৰান্বিত। এটা জাতিৰ মহত্ব যিদৰে কৃষ্টি, সংস্কৃতিত লুকাই থাকে, সেইদৰে নিজৰ জাতিৰ কৃষ্টি-সংস্কৃতিৰ মহত্বক এই গীত আৰু নৃত্যবোৰে যেন আৰু এখোপ আগুৱাই নিয়াত সহায় কৰিছে। এইদৰে অবিৰতভাৱে বিহু কৰি বলিয়া হোৱা এই জাতিৰ মহত্বৰ কথা পুনৰবাৰে তেওঁৰ মনত জাগি উঠিল। কিঞ্চিত দৰ্শনৰ সুবিধা যাৰ ঘটিছে তাৰ ক্ষণিকৰ বাবে হ'লেও মনত সন্তুষ্টিৰ ভাৱ জাগৃত হ'ব— ই নিশ্চয়।

বৰদেউৰীৰ মন যেন আত্ম-সন্তুষ্টিৰ মাজতে কিবা হেৰুওৱাৰ অসন্তুষ্টিৰে মন প্ৰাণ ভাৰাক্ৰান্ত। সঁচা অৰ্থত আজিৰ ডেকা-গাভৰুৰ ওপৰত তেওঁৰ বিশ্বাস হেৰাই যোৱাৰ উপক্ৰম। বিচুকুলাত ডেকা-গাভৰুৱে নিজৰ গাত লেটি লোৱা সেই বোকা পানীবোৰ যেন বৰদেউৰীহঁতৰ হিয়াৰ আমঠু সদৃশ বিহু-সংস্কৃতিতহে সনা হৈছে তেনে এক অজান আশঙ্কাত তেওঁৰ মন চাটি-ফুটি কৰিছিল। বৰদেউৰীৰ ৰক্ষণশীল মানসিকতাৰ দ্বন্দবোধে আকৌ এবাৰ মনৰ মাজত গুজৰি গুমৰি উঠিল।

নিশা শেষ হৈ পুৱাবেলালৈ অগ্ৰসৰ হোৱাৰ লগে লগে গীতৰ ধৰণ অনুযায়ী, ক্ৰম অনুসৰি সুৰ ও নৃত্যৰ পৰিবৰ্তনে বিচুকুলাত ঠাই পালে। ৰজকে বিহুৰ সামৰণি পৰ্বৰ বাবে হাত-চাপৰিৰ গীত লগাই দিলে। হাত-চাপৰি গীতেৰে বিহু কৰি কৰি গীতৰ মাজেৰেই গৃহস্থক শৰাই দিবলৈ ঘাইজনে আহ্বান জনালে। সৰুদেউৰীয়নীয়ে আহ্বানলৈকে বাট চাই থকাৰ দৰে ক্ষন্তেক পিছতেই তামোল-পানৰ বটাৰে শৰাই পাতিলেহি। ঘাইজনে গৃহস্থই কিমান টকা শৰাইত থাপিছে তাকে চাবলৈ বুলি শৰাইৰ ওপৰত ঢাকি থোৱা গামোচাখন দাঙি চাই এটা বেলেগ সুৰৰ গীত আৰম্ভ

কৰি দিলে—

ঘিলাই মাৰিববে লাই হেৰা মৰুৱা
আজিটো এৰনে নাই................।

বাকীসকলে চিঞৰি চিঞৰি হাত চাপৰি বজাই বিশেষ ভঙ্গীমাৰে গা হেলাই হেলাই গালে——

ঘিলাই মাৰিববে লাই হেৰা মৰুৱা
আজিটো এৰনে নাই..................।

ঘাইজনে গালে———

দুকুৰি নহ'লে লাই হেৰা মৰুৱা
আজিটো এৰনে নাই...................।

এইদৰে গীত চলি থাকিল। তাৰমানে বিহুৱা পাৰ্টি গৃহস্থৰ শৰাইৰ মাননিত সন্তুষ্ট হোৱা নাই। সিহঁতৰ ভাব যেন গৃহস্থই দুকুৰি পুৰা কৰি ডেকা-গাভৰুজাকক বিদায় দিয়ে। নহ'লে সিহঁতজাকে আজি বিহু এৰাত নাই। সৰুদেউৰীয়নীয়ে হাতযোৰ কৰি 'হে ডেকা-গাভৰুহঁত আজিলৈ ইমানতে বিহু অন্ত পেলাহঁক' বুলি আঁঠু ল'ব বিচাৰি আছে। কিন্তু ডেকাহঁতে কোনোপধ্যে মান্তি নহয়। শেষত উপায় নেপাই সৰুদেউৰীয়ে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি দুকুৰি টকা পুৰা কৰি শৰাইত থ'লেহি। তেতিয়াহে ঘাইজনৰ গীতৰ যতি পৰিল। নহ'লে এনেধৰণৰ গীত দিন দুপৰলৈও চলি থকা এই গাৱঁত নজিৰ নথকা নহয়। তেনে অভিজ্ঞতা সৰুদেউৰীয়ে আগতে পাই থৈছে। গীতৰ যতি পৰাৰ লগে লগে সৰুদেউৰীয়নীয়ে মূৰৰ ওপৰত গামোচা পেলাই আঁঠু লৈ সেৱা কৰিলে। বিহুৱাদলে গৃহস্থৰ মঙ্গলৰ বাবে আশীৰ্বাদ কৰি শৰাইখন উঠালে।

বিহু ভঙাৰ লগে লগে দুই চাৰিজন ডেকা-গাভৰুৱে গৃহস্থই যাচি দিয়া চুঁজে কলহৰ পৰা ঢালি লৈ খালে আৰু ঘৰাঘৰি যাবলৈ ওলাল। বিন্দেশ্বৰেও বাহিৰে বাহিৰে আহি গোহালিৰ পৰা গৰুকেইটা খুলি ওচৰতে থকা নদীৰ ঘাটলৈ বুলি দীঘলতি আৰু মাখিয়তীৰে কোবাই কোবাই খেদি লৈ গ'ল। লগতে আগদিনাখনেই গোটাই চালনীত কাটি থোৱা লাউ, বেঙেনা, থেকেৰা, হালধি ইত্যাদিৰ টুকুৰাৰে 'লাউ-ক, বেঙেনা-ক, হালধি ক..............' বুলি গৰুকেইটাৰ গালৈ দলিয়াবলৈ ধৰিলে। তাৰ লগে লগে গৰুকেইটাক গা-পা ধুৱাবলৈকো লাগি গ'ল। গৰুকেইটা গা ধুৱাই হোৱাৰ পিচত গোটেইকেইটাকে বিন্দেশ্বৰে নতুন পঘাৰে এৰাল দি আজৰি হৈ নিজেও নদীত গা ধুই ঘৰলৈ ঘূৰি আহিল। আহিয়েই ঘৰত নতুন চুৰিয়া, নতুন চোলা পিন্ধি



মা-দেউতাকক প্ৰণাম জনাই কুকুৰা কণী যুঁজাবলৈ সাজু হ'ল।

ইফালে বৰদেউৰীয়নীয়ে তেতিয়ালৈকে ৰংদৈক নেদেখি 'এইজনী বিচুকুলাৰ পৰা এতিয়ালৈকে আহি পোৱা নাই দেখোন' ..............বুলি ক'বলৈ পাইছিলেহে তেনেতে তাই ৰংদৈৰ মাত যেন শুনি পালে— 'য়ং[১] আমি নদীত গা-পা ধুই আহোগৈ। লগত জোনাকী, মনদৈহঁতো আহিছে। মোৰ গা বোকা মাটিৰে মিলি আছে তেই ইগুঁ[২] আৰু বাকী কাপোৰ কানিখিনি দি যাহি।' ৰংদৈয়ে একে উশাহতে চিঞৰি মাকক কথাখিনি ক'লে। বৰদেউৰীয়নীয়ে শেন পকতীয়াই চোঁ মাৰি আহি কুকুৰা পোৱালি লৈ যোৱাৰ দৰে কাপোৰ কানিখিনি লৈ আনি ঘৰৰ বাহিৰত দি গ'লহি। ৰংদৈৰ বাহিৰে মাকে বাকীকেইজনীক চিনিকে নেপালে। চিনি নেপাবৰে কথা। গোটেই কেইজনী যেনেকৈহে বোকাত লেটি-পেটি হৈ আহিছে যেন টং টং পুখুৰীত বোকাত লেটি লোৱা সেই গোনা ম'হকেইটাহে। ৰংদৈয়ে মাত নিদিয়াহেঁতেন মাকে তাইকো চিনি নাপালে হয়। লগতে কাপোৰ-কানিখিনি উলিয়াই দি থৈ যাওঁতে মাকে ৰংদৈহঁতক সোনকালে ঘাটৰ পৰা আহিবলৈ হুকুম কৰি যাবলৈকো নেপাহৰিলে।

বিন্দেশ্বৰে ধোঁৱা চাঙত ওলোমাই থোৱা তাৰ কুকুৰা কণীখিনিক নমাই আনি পৰীক্ষা কৰাত ব্যস্ত। সি সোঁহাতেৰে কণী এটা মুঠি মাৰি লৈ বাওঁচকুটো মুদি লৈ সোঁ চকুৰ সমান্তৰালত হাতখন দাঙি কণীটো ডাঠ নে পাতল পৰীক্ষা কৰিব ধৰিলে। এইদৰে সি বাকী তিনিটা কণী পৰীক্ষা কৰিলে। মুঠ চাৰিটা কণীৰ ভিতৰৰে সি তাৰে এটা ভনীয়েক ৰংদৈক দিবলৈ পাঙিলে। হাজাৰ হ'লেও তাই তাৰ সুখ-দুখৰ একেজনী ভনীয়েক। তাৰ মাজৰে এটা কণী বাছি লৈ সি তাৰ আগদাঁতত 'টিক্ টিক্' কৈ লাহে লাহে খুন্দিয়াই চালে। পৰীক্ষা কৰি সি কণীকেইটা বেছ ডাঠ যেনেই পালে। কমেও দহটামান জিকিব লাগে যেন বিন্দেশ্বৰৰ মনে ধৰিলে। যোৱা বছৰো সি এক ডৰ্জনমানেই জিকিছিল। পিচত চত্ৰচিঙৰ টিপ চৰাইৰ কণীৰ লগত পৰিহে সি হাৰি থাকিল।

ঃ ঐ বাবু। তই দুজাঁ[৩] যুঁজাবলৈ ওলালিয়েই নেকি? যোৱাৰ আগতে কুকুৰাজনী মাৰি থৈ যা আকৌ। নহ'লে মোৰ কাজি[৪] বনোৱা দেৰিয়েই হ'বচোন। বৰদেউৰীয়নীয়ে পুতেকক চলতে কাম এটা পাচিলে— তেহে তাই নিজে বিহুৰ বাবে গোটাই থোৱা বাৰীৰে ৰঙালাউৰ লগত কাজি বনাব পাৰিব। তাৰ আগতে অৱশ্যে

১. য়ং — মা
২. ইগুঁ — মেখেলা
৩. দুজাঁ — কণী
৪. কাজি — ব্যঞ্জন

মৰা দিবলৈ বেলেগে কুকুৰা মাংসৰে মেৰকু জুবুৰা[5] ৰান্ধিবলৈ আছেই। তাৰোপৰি চুজেঁ[6] চাকিবলৈকো আছে। বস্তু খিনি যতনাই লওতেই চোন সময়বিলাক যায়।

ঃ কোনজনী কুকুৰা মাৰিব লাগে ঐ য়ং? মই বেচি দেৰি কৰিব নোৱাৰো হ'লে! বিন্দেশ্বৰে মাকে শুনি পোৱাকৈ চিঞৰিলে।

ঃ তোৰ দেউতাৰে পুৰা গঁৰালৰ পৰা ধৰি ৰখাটো আকৌ। গঁৰালত নাই নেকি? মাকে ভিতৰৰ ৰান্ধনি-শালৰ পৰাই ক'লে।

ঃ বাং[7] ক'ত আছে ? মূৰ্গীও নাই, দেউতাও নাই। কি হ'ল? ইফালে-সিফালে বিন্দেশ্বৰে চাই বাপেকক দেখা নেপাই পদূলিত থিয় হৈ ঘৰৰ চাঙৰ তলেদি ঘৰৰ পিচফাললৈ চাই পঠিয়ালে। আছে— বাপেকে তাতে কোৰ এখন লৈ মৃতকৰ বাবে মৰা দিবলৈ বুলি ঠাই চিকোণাই আছে। বাপেক দেখাতহে বুঢ়া, কামত কিন্তু পৈনত ডেকা। বিন্দেশ্বৰে ভাৱিলে — তাক কোৱা হ'লে সিয়েই চলতে সময় অকন উলিয়াই ঠাই ডোখৰ চিকোণাই দিব পাৰিলেহেঁতেন। কিন্তু বাপেকৰ লোকৰ কাম একেবাৰেই পছন্দ নহয়। উপযাচি বাপেকে ভাল পাওঁক বুলি সি যিমানে কাম নকৰক গালিহে ওলোটাই খাবলগীয়া হোৱা অভিজ্ঞতা তাৰ হৈছে। কেইদিনমানৰ আগতেই চোন- - সি এদিন দুপৰীয়া তামোল বাৰীলৈ বুলি সোমাই গৈ বিহলঙনীবোৰ এজেগাত গজি থকা দেখি দীঘল দাৰে ছাফা কৰি দিছিলগৈ। ছাফা কৰি তলত পৰি থকা কেইটামান তামোল ঢকুৱাত বুটলি আনি ঘৰৰ চাঙত থৈছিলহি। তেনেতে বাপেকে আহি সুধিলে— 'তামোলখিনিনো ক'ত পালি অ'? বিন্দেশ্বৰে গৰ্বেৰে ক'লে— 'ইমান বিহলঙনী বন গজি এডোখৰ ঠাই গেজেপা কৰি থৈছিল। সেইখিনি কাটি ছাফা কৰোতে পালো। দুই এটা তামোল পোখা মেলিছিলেই।' 'খালি খালি এই ল'ৰাটোৰ পৰা আৰু উপায় নাই। হেৰৌ, কাম কৰিবলৈ মন মেলিছ যদি সুধি লবি। ইচ্ ইচ্ মই সেইখিনি বিহলঙনী তামোল পুলি পচাবলৈ বুলিহে নকটাকৈ ৰাখিছিলো। লগতে কেতিয়াবা বোলে কিবা জৰা-ফুঁকা মন্ত্ৰ কৰিবলৈ বেজক দৰকাৰ হ'ব বুলিহে ৰাখিছিলো। তই গোটেইখন তহিলং কৰি থৈ আহিলি। জ্ঞান বোলা বস্তুটো তহঁতি পুৰি খালি নেকি? দেখা পোৱা নাছিলি নেকি যে সাপে খোঁটিলে, দেও-ভূতে পালে বা কঁকালৰ বিষত বিদেচিং বেজে এই বিহলঙনীৰে জৰা? এইবিলাক কথা ক'লে

৫. মেৰ্কু জুবুৰা — কৰাইৰ আঞ্জা
৬. চুজেঁ — এবিধ ঘৰুৱা মদ
৭. বাং — দেউতা



তহঁতে মোক চুজেঁ খাই বলকিছে বুলি কবি। তহঁতৰ দ্বাৰা উন্নতি নাই! জহন্নামে যাবলৈ আৰু বেচি দিন নাই........'। সেইদিনা বাপেকৰ খঙৰ উমক দেখি বিন্দেশ্বৰে সঁচাকৈয়ে ভয় আৰু অসন্তুষ্টি প্ৰকাশ কৰিছিল। সি মনে মনে শপতো খাইছিল যে সি আৰু কোনোদিন উপযাচি কাম নকৰে বুলি। কাৰণ বাপেকৰ বলকনি আৰম্ভ হ'লে কিমান দেৰিলৈকে থাকে তাৰ ঠিকনা নাই। তেনে অৱস্থাত বিন্দেশ্বৰে বা মাকে মাতিলেতো সেইখন কুৰুক্ষেত্ৰলৈ ৰূপ লোৱা যেন অৱস্থা হ'ব। কিন্তু ৰংদৈয়ে মাত মাতিলেহে বাপেকৰ বলকনি অলপ হ'লেও কম হয়। বাৰ্দ্ধক্যই মানুহৰ মনত চিন্তা-ভাৱনা, হা-হুমুনীয়াহ কঢ়িয়াই অনাটো প্ৰকৃতিৰ চিৰশাশ্বত নিয়ম যদিও সেই প্ৰকৃতিয়েই মানুহৰ নিজৰ আভ্যন্তৰিণ ৰিপুবিলাক দমন কৰিব পৰাকৈ ক্ষমতাও প্ৰদান নকৰা নহয়।

ঃ ঐ বাং, কুকুৰাজনী ক'ত ৰাখিছিলিনো? গঁৰালতো নাই দেখোন? বিন্দেশ্বৰে চিঞৰি বাপেকক সুধিলে।

ঃ সৌ গোহালিত পলটোৰে ঢাকি থোৱা আছে। বৰদেউৰীয়ে ঘৰৰ পিচ পিনৰ পৰাই মাত দিলে।

বিন্দেশ্বৰে গোহালিলৈ চাই দেখে যে পলটো লুটি খাই পৰি আছে আৰু তাত ৰংদৈৰ পোৱালি পোহনীয়া গাহৰিটোৱে কুকুৰাজনীৰ বাবে ছটিয়াই দিয়া ধান-চাউল খিনি শুঙি [illegible] বিন্দেশ্বৰৰ বুজিবলৈ বাকী নেথাকিল। সি ঘৰৰ আউলাত সুমুৱাই [illegible] উলিয়াই লৈ দিলে গাহৰিটোৰ গালৈ দলি মাৰি। 'কেং...... কে[illegible] ঐ..........'। লাঠি গৈ গাহৰিৰ গাত নেলাগি লাগিলগৈ কুকুৰটো[illegible] ৰংদৈৰ ওপৰত অযথা খং উঠিল। সেইজনী ইমান দেৰি কৰেনে [illegible] মান সময় লয়— এই ছোৱালী জাতিটোৱে! আচলতে ৰংদৈৰ ওপৰত তাৰ খং উঠাৰ কাৰণটো হ'ল— যোৱা মাহত ৰংদৈৰ ডাঙৰ গাহৰিটো হেৰুওৱাৰ সন্তাপত পুহিবলৈ বুলি অনা এই দুষ্ট পোৱালি গাহৰিটো ৰংদৈৰ। কুকুৰৰ কেং কেঙনি শুনি বৰদেউৰীয়ে 'কি হ'ল ঐ' বুলি ঘৰৰ পিছফালৰ পৰাই চিঞৰিলে। শেষত বিন্দেশ্বৰে কণী যুঁজাবলৈ অহা ল'ৰাজাকৰ সৈতে খেদি খেদি মুৰ্গীটো মাৰি দি কণী খেলাৰ বাবে ওলাল।

● ● ●

৮. কুৰ্মুৰা — তাঁতশালত ব্যৱহাৰ কৰা লাঠী।

## (৫)

বিন্দেশ্বৰহঁতৰ বাবে কুকুৰা যুঁজ, ম'হ যুঁজ, মানুহ যুঁজ আৰু কুকুৰা কণী যুজোঁৱা পৰ্ববোৰ বিহুৰ অবিচ্ছেদ্য অংশ। বিহু কৰি পোৱা আনন্দৰ লগতে মনৰ ৰং ৰহইচ আৰু বাহুবলৰ প্ৰদৰ্শনে বিন্দেশ্বৰহঁতক এক বুজাব নোৱাৰা মনৰ খোৰাক যোগাই আহিছে। সেইবাবেহে চাগে সেই পুৰণি ৰীতি-নীতিবোৰ আজিকোপতি চলি আছে। অন্যহাতেদি বীৰত্ব প্ৰদৰ্শনৰ খেলবোৰে সিহঁতক সাহসী আৰু পৰিশ্ৰমী হোৱাত অবিহণা যোগাই আহিছে। সেইবিলাকৰ প্ৰভাৱ বিন্দেশ্বৰৰ গাতো নপৰা নহয়। যাৰবাবে সি ক্ষন্তেকৰ বাবে হ'লেও কুকুৰা কণী যুজাঁবলৈ যাবলৈ খদম্দম লগাইছে।

বিন্দেশ্বৰে দুটামান কুকুৰা কণী লৈ গাঁৱৰ মাজলৈ খোজ ল'লে। প্ৰকৃততে ক বলৈ গ'লে— কিলৌ বুঢ়াহঁতৰ ঘৰৰ পদূলিলৈ। সৰুদেউৰীৰ ঘৰৰ পদূলি পাৰ হৈয়েই কিলৌ বুঢ়াহঁতৰ ঘৰৰ পদূলি। সাধাৰণতে এই পদূলি সিটো চুবাৰ পৰা অহা ৰাস্তাটো চুই যোৱা। সেয়ে ই একপ্ৰকাৰ চেণ্টাৰৰ দৰে হৈ পৰিছে। ইয়াতেই গাঁৱৰ ডেকাবিলাকে প্ৰতিবছৰে গোট খাই কণী খেল পাতে। বিন্দেশ্বৰে প্ৰথমতে বয়নাই সম্বন্ধীয় ল'ৰা এজন বিচাৰি চলাথ কৰিলে। কাৰণ— সি জানে এই কণী খেল বোলে প্ৰথমতে এজন বয়নাই সম্পৰ্কীয় লোকৰ লগতহে খেলিব পায়। নহলেনো কি হয় বিন্দেশ্বৰে বহলাই একো নেজানে। জানিবলৈকো নিবিচাৰে।

অৱশেষত প্ৰজাপতিক পাই বিন্দেশ্বৰে কণী খেল আৰম্ভ কৰিবলৈ সন্মত হ'ল। তাকে দেখি সকলোৱে দুয়োজনকে ঘেৰি ধৰিলে। বিন্দেশ্বৰে নিজে কণীটো পাতিবলৈ ল'লে আৰু প্ৰজাপতিয়ে কণীটো লাহেকৈ হাতৰ তলুৱাত ৰখা বিন্দেশ্বৰৰ কণীটোলৈ টোঁৱাই টোকৰ মাৰিলে। প্ৰজাপতিৰ ফলীয়া সকলো লোকে 'তলৰটো গ'ল' আৰু বিন্দেশ্বৰে নিজৰ মুখেৰে 'ওপৰটো' বুলি চিঞৰিলে। খেলত বিন্দেশ্বৰে হাৰিল। বিন্দেশ্বৰে ভঙা কণীটো প্ৰজাপতিৰ হাতত চমজাই দিলে। ক্ষন্তেকৰ বাবে হ'লেও বিন্দেশ্বৰৰ মন সেমেকি উঠিল। লগে লগে তাক অলপ হ'লেও পৰাজয়ৰ গ্লানিয়ে দেহ মন ছাটি ধৰিলে। তথাপিও সি বুকুত সাহস বান্ধি হাতত থকা বাকী কণীকেইটাৰে পূৰ্ণ উদ্যমেৰে কণী খেল খেলিবলৈ উদ্যত হ'ল। এই উদ্যম প্ৰজাপতিৰ দৰে বিজয় উল্লাসৰ পাৰ ভাঙি দিয়াৰ উদ্যম।

বৰদেউৰীৰ মৰা দিয়া ঠাই চিকোণাই হোৱাত ঘৰৰ চাঙৰ মিচ্চঁ [১] ত বহি চ্চাগিবি [২]

১. মিচ্চঁ — চাঙ ঘৰৰ মুকলি কোঠা
২. চ্চাগিবি — এবিধ বনৰীয়া পাত।



পাতেৰে সৰু সৰু খোল বনাবলৈ আৰম্ভ কৰি দিছে। ৰংদৈও সখীয়েক কেইজনীৰ লগত গা ধুই উঠি ঘৰ পালেহি। ঘূৰি যাওঁতে জোনাকীয়ে 'কাৰোবাৰ' মুখখন চাবলৈ খুউব হেঁপাহ কৰিছিল। ইফালে সিফালে মূৰ ঘূৰাই ফেঁচাই চোৱাদি চাই ফুৰোতে মিচ্চঁঙত বহি থকা বৰদেউৰীৰ লগত চকুৱে চকুৱে পৰিল। উপায় নেপাই জোনাকীয়ে 'অ মমাই [৩] আমাৰ ফালেও বিচু খাবলৈ আহিব আকৌ' বুলি তৎক্ষণাত বুদ্ধি উলিয়াই অবাঞ্ছিত আশঙ্কাৰ পৰা হাত সাৰিবলৈ চেষ্টা চলালে। বৰদেউৰীয়ে একো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি 'হব বাৰু, যাম। বিহুত মাতিব নাপায় নহয়' বুলি প্ৰতিশ্ৰুতি দিলে। কথাটো অলপীয়াকৈ ৰংদৈয়ে ধৰিব পাৰিছিল যদিও তায়ো নজনাৰ ভাও জুৰি পদূলি মুখৰ পৰা সখীয়েকহঁতক বিদায় দিলে। ৰংদৈয়ে আহিয়েই মাকৰ সতে পাকঘৰৰ কামত লাগি গ'ল। মাকৰ হাতত অ'তবোৰ কাম পৰি থকা দেখি ৰংদৈৰ মনে সহিব নোৱাৰিলে। অন্যহাতেদি ৰংদৈৰ টোপনিৰ জালত উখহি ৰঙা হৈ পৰা চকুযুৰি দেখি মাকৰো চেনেহ উপজিল। গোটেই ৰাতি বিচুমাৰি বেচেৰিহঁতে টোপনি খতি কৰিছে। অৱশ্যে বিন্দেশ্বৰহঁতৰো। তথাপিচোন কাকো ভাগৰুৱা যেন দেখা পোৱা নাই। এয়া যে ডেকা-গাভৰুৰ মনৰ শক্তি।

বৰদেউৰীয়নীয়ে ইটো সিটো কাম কৰি মৰাৰ বাবে চুজেঁ চাকিলে। ইতিমধ্যে মৰাৰ বাবে কাজি [৪] বনাবলৈ সকলো ঠিক কৰি থৈছেই। কেৱল কুকুৰা মাংস খিনিৰ বাবেহে ৰবলগীয়া হৈছে। তাকে দেখি মাকে পুৰি ছাফা কৰি থোৱা মুৰ্গীটো কাটিবলৈ বুলি ৰংদৈয়ে লাগি [illegible] লত মাকে এইবাৰ আগদিনাখনেই গোটাই থোৱা ডাঙৰ ৰঙা লাউ [illegible] বাবে কাটিবলৈ আৰম্ভ কৰি দিলে। এঘণ্টামানৰ ভিতৰতে মাক-জী [illegible] ৰান্ধনিশালৰ কাম শেষ কৰিলে।

ইতিমধ্যে [illegible] বলৈ গা-পা ধুই ল'লে আৰু মৰাৰ বাবে বিশেষভাৱে ৰন্ধা কাজি ঘৰৰ পি [illegible] গিবি পাতত ভাগে ভাগে চুজেঁৰ লগত আগবঢ়াই সাতপুৰুষক স্মৰণ কৰিলে। বৰদেউৰীয়ে নিজৰ বংশৰ সাতপুৰুষলৈকে মনত থকা মৃতকৰ নাম কাঢ়ি কাঢ়ি মৰাপিণ্ড দিয়া কাৰ্য সিমানতে অন্ত পেলালে।

সেইখিনি সময়তে সৰু সৰু ল'ৰা-ছোৱালীজাকে ৰংদৈহঁতৰ ঘৰলৈ বুলি বিচু খাবলৈ আহিল। বৰদেউৰীয়নীয়ে সকলো ল'ৰা-ছোৱালীকে অলপ সময় ৰবলৈ ক'লে। যিহেতু মৰাপিণ্ড দিয়া পৰ্ব শেষ কৰি গৃহস্থই ঘৰলৈ উঠি অহা নাই। মৰাপিণ্ড দিয়া পৰ্বৰ পিচতহে যে ৰাইজক বিচু খুৱাব পাৰে— সেয়া বৰদেউৰীয়নীহঁতে পৰম্পৰাগত ভাৱে শিকি আহিছে। নহ'লে বোলে মৃতকৰ আত্মাই দায়-দোষ ধৰে আৰু গৃহস্থলৈ অপায় অমঙ্গল মাতি আনে।

৩. মমাই — মোমাইদেউ
৪. কাজি — ব্যঞ্জন

বৰদেউৰীয়ে মৰাপিণ্ড দি ঘৰলৈ উঠি যোৱাৰ লগে লগে ল'ৰা-ছোৱালীজাককো চাওলৈ উঠি যাবলৈ অনুমতি দিয়া হ'ল। ৰান্ধনিশালৰ ভিতৰত ৰংদৈয়ে জাকে জাকে অহা সৰু-সৰু ল'ৰা-ছোৱালীবোৰক কলপাত পাৰি কাজি বিলাই বিচু খোৱা কাৰ্য চলাই গ'ল। আজি ৰংদৈহঁতৰ দৰে গাভৰুহঁতে গৃহস্থৰ দৰে কাম কৰি যোৱাটো স্বাভাৱিক। কাৰণ— আজি বিচুৰ প্ৰথম দিন হিচাপে সৰু সৰু ল'ৰা-ছোৱালীৰহে দিন বুলি ৰংদৈহঁতে জানে।

ৰংদৈয়ে জাকে জাকে অহা ল'ৰা-ছোৱালীৰ আলপৈচান ধৰি ধৰি ভাগৰি যোৱা নাই। তাই জাকে জাকে অহা ল'ৰা-ছোৱালীৰ নতুন নতুন চোলা-পেণ্টৰ কাপোৰ দেখি নিজৰ শৈশৱৰ দিনৰ সেই বিশেষ বিশেষ দিনত পিন্ধিবলৈ পোৱা নতুন কাপোৰৰ গোন্ধেই যেন পালে— তেনে ভাৱ হ'ল ৰংদৈৰ। শৈশৱৰ ৰং-ধেমালি আৰু বৰ্ত্তমানৰ আনন্দৰ মাজত এক বিৰাট প্ৰাৰ্থক্য তাই এই মুহূৰ্ত্তত বাৰুকৈয়ে উপলব্ধি কৰিলে। তথাপি তাই মনৰ ৰং কাহানিও হেৰুৱাই নেপেলাবলৈ কিমান যে মানসিকভাৱে প্ৰস্তুত হ'বলগীয়া হৈছে— সেয়া হয়তো ৰংদৈৰ বাহিৰে দ্বিতীয় এজনে নুবুজিব।

প্ৰতিঘৰৰ লগত সহজে মিলিব নোৱাৰা সেই সৰু ল'ৰা-ছোৱালীজাকৰ বিষয়ে ৰংদৈৰ আজি কেইটামান প্ৰশ্নই মগজুটো তোলপাৰ লগাইছে। ল'ৰা-ছোৱালীজাকক বিচু খুৱাই থকাৰ মাজতে ৰংদৈৰ চিন্তা-ভাৱনাবোৰ বাট বুলিবলৈ ধৰিলে। সেইবোৰ অৱশ্যে বিচুৰ জৰিয়তে ল'ৰা-ছোৱালীৰ সামাজিকৰণৰ প্ৰক্ৰিয়া বুলি তাই মনতে থিৰাং কৰিলে। গতিকে বিচুক এটা উৎসৱ বুলি গণ্য কৰাৰ উপৰিও এটা সামাজিকিকৰণৰ অনুষ্ঠান বুলিওটো আখ্যা দিব পাৰি বুলি ৰংদৈয়ে ভাৱে। হঠাৎ এজাক ছোৱালীৰ মাজত কনমানি ছোৱালী এজনীৰ চকুত ৰংদৈৰ চকু বৈ গ'ল। তাইৰ চকুযুৰি শেতা। পিন্ধনত তেনেই ফটা-ছিটা ফ্ৰক-এটা। মনত চুচুক-চামাক ভাৱ। মলিন মুখ। দেখিয়েই ৰংদৈৰ আবুৰ উপজিল। বিচুৰ কাজি দি উঠি তাই 'এইজনী কাৰ ছোৱালী ঐ' বুলি ছোৱালীজাকক সুধিলে। জাকৰ ভিতৰত ৰছকী জনীয়ে ক'লে যে সেইজনী জিৎচিঙৰ ছোৱালী। জিৎচিং বুলি নাম শুনাৰ লগে লগে ৰংদৈয়ে তাইক বেচি মৰম কৰিবলৈ মন গ'ল। কাৰণ জিৎচিং তাইৰ নিজৰ পেহীয়েকৰ ল'ৰা। বেচেৰা সৰুতে বিয়া পাতি ঘৈণীয়েকক হেৰুৱালে। ছোৱালীজনী থাকি নোযোৱাহেঁতেন সিও দেশান্তৰী হ'লহেঁতেন চাগে। কাৰণ— সি যে চাল ছিগা ভিকহু তাক গাঁৱৰ সকলোৱে জানে। উপায় নেপাই সি এতিয়া বোলে মদৰ বেপাৰ কৰে। জীৱন যুদ্ধত জিৎচিং জিকি জিকি হাৰি থাকিল।

জিৎচিঙৰ নাম শুনাৰ লগে লগে বৰদেউৰীয়নীয়ে খোঁটালীৰ পৰা মদৰ বাটিটো বৰদেউ... ওচৰতে থৈ পাকঘৰলৈ গ'ল। ফটা-ছিটা কাপোৰেৰে মৰম লগা ছোৱালীজনী দেখি বৰদেউৰীয়নীৰো মৰম উপজিল। তাইক কোলাত লৈ বৰদেউৰীয়নীয়ে খোঁটালীলৈ লৈ আহিল আৰু পেৰা খুলি সাঁচি থোৱা ৰংদৈৰ সৰুকালৰ ফ্ৰক চোলাটো উলিয়াই



আথে-বেথে পিন্ধাই দিলে। তাইৰ মুখৰ ৰং ক্ষন্তেকতে জিলিকি উঠিল। হাঁহি হাঁহি তাই লগৰ ছোৱালীকেইজনীৰ লগত বাহিৰলৈ ওলাই চাঙৰ পৰা লাহে লাহে নামি গৈ দৌৰ মাৰিলে। ছোৱালীজনীৰ হাঁহিৰ ৰঙে বৰদেউৰী-বৰদেউৰীয়নীৰ গালে মুখে ছিটিকি পৰাৰ দৰে লাগিল— সেই মুহূৰ্ত্তত। দুয়ো চুঁজেৰ ৰাটি কপাই হাঁহিৰে খোঁটালী কঁপাই তুলিলে।

বিচু খোৱা জাকৰ ভিতৰত ৰংদৈয়ে ল'ৰাজাকক বিচুত চুঁজে বেচিকৈ খোৱা দেখি উপদেশ সুৰত কবলৈকো এৰা নাই। গৃহস্থ হিচাপে বিচু খোৱা পাৰ্টিক চুঁজে দিবলৈ হেলা কৰিব নেলাগে বুলি জানিও তাই ক'লে— তহঁতি চুঁজে নেখাবিহঁক দেই। চুঁজে খালে বেয়া। সৰু ল'ৰা-ছোৱালীয়ে বেচি চুঁজে নেখায় নহয়। কাজিতহে পানীৰ লগত খাব লাগে।' তাৰে দুজনমান ল'ৰাই 'আমি চুঁজে খোৱাই নাই ৰংপেহী। দিছাহে ঘৰে প্ৰতি চুঁজে খায়'— বুলি লগাই দিলে। চিদাই তাৰ কথা লগোৱা দেখি কেৰাহিকৈ ল'ৰা দুজনলৈ চাই পঠিয়ালে। কথা অলপ কাজিয়ালৈকে গ'লহেঁতেন। মাজতে ৰংদৈয়ে হস্তক্ষেপ কৰি ক'লে— 'বিচুত কাজিয়া কৰিব নেপায়। মিলিজুলি বিচু খালেহে বিচু খোৱা যোৱাহঁক দেই'। সকলোৱে এইবাৰ হাঁহি-খিকিন্দালি কৰি দৌৰি চাওৰ পৰা নামি গ'ল। চাঙৰ দুজনমানে জখলাইদি নেনামি চাঙৰ পৰাই জঁপিয়াই জঁপিয়াই নামি দৌৰি দিলে। ৰংদৈয়ে দেৱ-শিশুৰ সেই সৰল অথচ বিচিত্ৰ মনবোৰ দেখি সঁচাই ভৰধ মানিলে।

বেলি হে অহাৰ লাগে লাগে বিচু খোৱা চামৰ জাকো সেৰেঙা হৈ আহিল। তাৰ ... চলতে ৰংদৈয়ে নিজেও ... চুঁজে খাই মাকক ৰান্ধনিশালৰ দায়িত্ব এৰি থৈ অলপ সময় জিৰণি ... ত পৰিলগৈ। বিচনাত পাৰ দিয়াৰ লগে লগে কোন সময়ত চকুৰ পত ... — তাই গমকে নেপালে।

আবেলিৰ আগে ... ঘৰলৈ ঘূৰি আহিল। হাতত চাৰিটামান ভঙা কণী। কণীকেইটা মাকক ... ভোক লাগিছে বুলি আপত্তি দৰ্শালে। বিহুদিনা আগবেলা ভাত ৰন্ধা নিষেধ বুলি সি জানে বাবে আগবেলা ভাত খোৱাৰ কথা সি পাহৰিয়েই আছিল। অৱশ্যে অনিলহঁতৰ তাত এটা ভঙা কণী ভাজি কৰি সি খাই আহিছে।

আবেলি হৈ যোৱাৰ বাবে বৰদেউৰীয়নীয়ে ভাতৰ চৰু জুহালত উঠাই দিলে। তৰকাৰী বেলেগকৈ ৰান্ধিবৰ প্ৰয়োজনবোধ তাই নকৰিলে। কাৰণ— ৰাজহুৱা কাজি খনিৰে চলি যাব। অলপ পিচতে ভাত হ'লত বিন্দেশ্বৰে ৰংদৈক টোপনিৰ পৰা জগাই দি দুয়োজনে ভাত খাবলৈ বহিল। লগতে বিন্দেশ্বৰে জিকি অনা দুটামান কণী ভাজি মাকে দুয়োজনক ভাতৰ লগত খাবলৈ দিলে। ভাত খাই থাকোতেই সিহঁতে বাহিৰত কাৰোবাৰ মাত শুনিলে। সকলোৱে কৌতূহল দৃষ্টিৰে বাট চাই ৰ'ল— আগন্তুকৰ আগমনলৈ। কোনবা আলহী আহিল--- সিহঁতৰ ঘৰলৈ

● ● ●

## (৬)

বিহু আৰম্ভ হোৱা আজি এসপ্তাহ পাৰ হৈ গৈছে। অবিৰতভাৱে হুছৰি মৰা চলি আছে। হাতত থকা এসপ্তাহৰ ভিতৰতে হুছৰি মাৰি শেষ কৰিব লাগে বাবে পূজাৰীবৃন্দই ৰাইজৰ লগত ঢলপুৱাতে ওলাই গৈ সাঁজ লাগিবৰ সময়তহে ঘৰত সোমাব লগীয়াত পৰিছে। সম্পূৰ্ণ তিনি বছৰৰ পিচত গাঁৱত হুছৰি লোৱা বাবে আলহীৰে গাওঁ ভৰি পৰিছে। কাৰোবাৰ বিহু-হুছৰি চোৱা ধান্দা, কাৰোবাৰ গাওঁ চোৱা ধান্দা আৰু কাৰোবাৰ ছোৱালী চোৱা ধান্দা ইত্যাদি, ইত্যাদি।

যোৱা সপ্তাহত এইটো চুবাৰ সত্তৰ ঘৰ মান হুছৰি মাৰি শেষ কৰিব পাৰিছে যদিও সিটো চুবাকে ধৰি আৰু মুঠ ছকুৰি ঘৰমান হুছৰি মাৰিবলৈ বাকী আছেই। তাতে হাতত দিন আছে মাত্ৰ আৰু এসপ্তাহ। অৱশ্যে চাৰিদেউৰীৰ ঘৰত হুছৰি মাৰি ইতিমধ্যে শেষ কৰা হৈছে। গাঁৱৰ মূৰ্ব্বী হিচাপে এইকেইঘৰতে সময় বহুত লাগি যায়। অন্যহাতে অৰিহ্নাও এই কেইঘৰতে বেচি পোৱা যায়। হুছৰি মৰাৰ প্ৰথম দিনাতো বৰদেউৰীৰ ঘৰৰ পৰা আৰম্ভ কৰি সৰুদেউৰীৰ ঘৰ আৰু দুঘৰমানহে সামৰি ল'ব পৰা গ'ল।

বৰদেউৰীহঁতৰ বাবে হুছৰি মৰাৰ গুৰুত্ব নথকা নহয় যদিও তেওঁলোকে প্ৰতিবছৰে হুছৰি লোৱাটো বাধ্যতামূলক কৰি লোৱা নাই। প্ৰাকৃতিক দুৰ্যোগ আদিৰ দৰে আহুকলীয়া পৰিস্থিতিৰ প্ৰতি নজৰ ৰাখি দুই/তিনি বছৰ মানৰ অন্তৰে অন্তৰে তেওঁলোকে হুছৰি লোৱাতো গুৰুত্ব দি আহিছে। সামূহিক কাৰ্য বিশেষকৈ ধৰ্ম্মীয় বা সামাজিক অনুষ্ঠান সমূহৰ উন্নতিকল্পে ব্যৱহৃত কাৰ্যত এনেধৰণে পোৱা ৰাজহুৱা পুঁজিৰ পৰাই খৰছ কৰিব পাৰিব বুলি বৰদেউৰীহঁতে নিয়ম কৰি দিছে।

বিন্দেশ্বৰহঁতৰ পেহীয়েকৰ ল'ৰা এজন যোৰহাটৰ পৰা বিহু চাবলৈ আলহী হিচাপে আহি আছে। বয়সত বিন্দেশ্বৰতকৈ দুবছৰমান ডাঙৰ হ'লেও সৰু নহয়। পেহীয়েকৰ ল'ৰা বাবে ৰংদৈৰ লগতে 'সমদিয়া' [1] হয়। নাম তাৰ মনুজ। সি বোলে ডিব্ৰুগড়ত এম, এ, পঢ়ি আছে। মনুজে ৰংদৈক হাঁহি হাঁহি জোকাই থাকে। অৱশ্যে বিন্দেশ্বৰহঁতৰ ঘৰলৈ সি আগতেও আহিছে। কিন্তু বিহুতহে তেনেকৈ এবাৰো অহা নাই। সেয়ে কম-বেচি পৰিমানে মনুজক গাঁৱৰ মানুহে চিনি পায়। কথাত মনুজ বেছ ফক্‌ফকীয়া। সি অনবৰতে 'হেঁ হেঁ' কৈ হাঁহি মাতি থকা বিধৰ। দেখাতো ল'ৰাজন সিমান বেয়া নহয়।

বিন্দেশ্বৰ, ৰংদৈ আৰু জোনাকীয়ে মনুজক আলহী ফুৰাবলৈ বুলি গাঁৱৰ ভিতৰলৈ লৈ গ'ল। মনুজে বৰকৈ ধৰাৰ বাবে সিহঁতে তাক হুছৰি মৰা দেখুৱাবলৈকো লৈ গ'ল। সি বোলে কোনো কালেই হুছৰি মৰা দেখা নাই।

---

১. সমদিয়া — বিয়া কৰিব পৰা সম্বন্ধ



মনুজে গৈ দেখিলে যে হুছৰি মৰা পদ্ধতি বিহু মৰা পদ্ধতিৰ দৰে নহয়। ইয়াত কেৱল পুৰুষ সকলেহে ভাগ লৈছে। হুছৰি পাৰ্টিটোৱে গৃহস্থৰ ঘৰৰ চোতালত দুয়োকাষে দীঘল দীঘলকৈ গোটা কেঁচা বাঁহ খুঁটাত বান্ধি লৈছে আৰু সকলোৱে হাতে হাতে এডোখৰ বাঁহৰ বা কাঠৰ লাঠী লৈ গীতৰ সুৰে সুৰে গীত গাই গাই বাঁহত কোবাইছে। হুছৰি গোঁৱা পদ্ধতি চাই মনুজে হুছৰি গীত মনদি শুনিলে।

নামতি চিনাধৰে হাতত ছাতি এটা আৰু কান্ধত কাপোৰৰ মোনা এটি আঁৰি লৈ নাচি নাচি গাইছে—

হাতত কাঁড়ে পাই ল হেৰা দদাই
মাৰ-ৰ' বালি চৰাই............

বাকীবোৰে বাঁহত লাঠী কোবাই কোবাই নামতিয়ে গোৱা হুছৰি ফাঁকিকে পুনৰ আওঁৰালে—

হাতত কাঁড়ে.............বালি চৰাই.........

একেটা সুৰতে হুছৰি গীত গাই গাই বহুত দেৰিৰ মূৰকত নামতিয়ে পুনৰ সুৰ সলাই গাবলৈ ধৰিলে—

এলেং চেলেং সৰু সূতাৰ চেলেং
কোনে বৈ দিব পাৰে লৈ আহ.....................

বাকীবোৰে তেনেকৈয়ে আওঁৰাই গালে। নামতিয়ে গুটি পেলাই পেলাই হুছৰি গীত গাব ধৰিলে। বাকীবোৰো নামতিৰ লগে লগে গাই যাবলৈ ধৰিলে।

বিন্দেশ্বৰহঁতে বেচি সময় হুছৰি মৰা নেচালে। সোনকালে ঘৰলৈ ঘূৰি আহিল। আনহাতে বাটত ককায়েক কন্দৰায়হঁতৰ ঘৰত এপাক সোমাই আহিবলৈ নেপাহৰিলে। লগত ৰংদৈ আৰু জোনাকীক যোৱা দেখি ওচৰৰে দিবুৰ ঘৰত বিচু খাই থকা ডেকা ল'ৰা দুজনমানে চুচুক-চামাককৈ কন্দৰায়ৰ ঘৰত উঠিলগৈ। আলহীজনৰ লগত চিনাকি হোৱাৰ চলেৰে সিহঁতে কুকুৰা কণী উলিয়াই ৰংদৈ আৰু জোনাকীৰ লগত যুঁজালে। কোনে জিকিলে বিন্দেশ্বৰে সিমান খিয়াল নকৰিলে। কাৰণ, জোনাকীহঁতৰ লগত ইমান ধেমালি কৰা বিন্দেশ্বৰে সহ্য কৰিব পৰা নাছিল। ৰংদৈহঁতে কন্দৰায়ৰ 'বুজি' [2]ৰ লগত লাগি-ভাগি কণীটো লাউৰ আগ পাতৰ লগত ভাজী কৰি সকলোৱে বহি লৈ চুঁজে-কাজি খাবলৈ ধৰিলে। তেনেতে বাহিৰত কাৰোবাৰ মাত সিহঁতে শুনা পালে।

ঃ ঐ ইয়াত কোন কোন আছে? ওলাই আহ। নহ'লে মই নিজে এতিয়া সোমাই যাম।

বিন্দেশ্বৰহঁতে সেয়া যে তেকেলাৰ [3] মাত তাক ধৰিব পাৰিলে। ভয়মিশ্ৰিত মাতেৰে সি উত্তৰ দিলে—

ঃ আমি আলহী ফুৰাইছো।

ঃ ক'ৰ আলহী? লগতে এজাক ডেকা ল'ৰা আছে বুলি শুনিছো। ওলাই আহ

---

২. বুজি — নবৌ
৩. তেকেলা — ভলন্টিয়াৰ

বুলিছো, ওলাই আহ।— তেকেলাই গুজৰি উঠিল। উপায় নেপাই চুঁজে-কাজি পাততে এৰি বেচেৰা ল'ৰা দুটা পেট-দুৱাৰেদি ওলাই চাঙৰ পৰা জঁপিয়াই হুছৰি মৰা ঘৰলৈ বুলি ভিৰাই লৰ মাৰিলে। পিচে পিচে তেকেলাই এছাৰি লৈ খেদি গ'ল।

মনুজে একপ্ৰকাৰ ভয়-শঙ্কাত পেপুৱা লাগিল। তাকে দেখি ৰংদৈহঁতে আলহীক একো নকৰে বুলি বুজাই দিলে। তাৰোপৰি বিন্দেশ্বৰে তেকেলাৰ নিয়োগ ও তাৰ কৰ্মৰ বিষয়ে বুজাই দি ক'লে যে— প্ৰতি ঘৰৰ পৰা অতি কমেও এজনকৈ হুছৰি গাবলৈ যোৱাটো বাধ্যতামূলক। হুছৰি মাৰিবলৈ বুলি ঘৰৰ পৰা ওলাই আহি ৰাটতে ৰুৱীয়া হৈ ঘৰে ঘৰে বিচু খাই ফুৰা ডেকাজাকক ঘৰচীয়া কৰি হুছৰি মৰা জেগালৈ খেদা মাৰি লৈ যাবলৈ ৰাইজৰ সন্মতি ক্ৰমে পূজাৰীবৃন্দই কেবাজনো 'তেকেলা' নিযুক্তি দিয়ে। সিহঁতে চোলাৰ ওপৰত বুকুত এটা 'বেজ' পৰিধান কৰি লয়। মণ্ডল বিশেষে একোজনকৈ তেনে 'তেকেলা' পিয়াপি দি ঘূৰি ফুৰে। আৰু যাকে য'তে দেখে তাৰ পৰাই এছাৰিৰে পিতি পিতি হুছৰি মৰা ঘৰলৈ যাবলৈ বাধ্য কৰায়। অৱশ্যে আলহীৰ বেলিকা নিৰ্দিষ্ট কেইজনমানক ৰেহাই দিয়াৰ ব্যৱস্থা আছে। কথাবোৰ শুনাৰ পিচতহে মনুজৰ মনৰ পৰা ভয় ভাৱ আঁতৰিল।

ঘূৰি আহোতে বিন্দেশ্বৰে জোনাকীৰ লগত কথা হ'বলৈ মন আছিল যদিও সুবিধা নল'লে। নিজে সুবিধা লোৱা মানে ভনীয়েকক মনুজৰ লগত মুকলিমূৰীয়াকৈ কথা হ'বলৈ এৰি দিয়া হ'ব। অন্যহাতে মনুজৰ স্বভাৱ-চৰিত্ৰৰ ওপৰত পূৰা দখল বিন্দেশ্বৰৰ হোৱা নাই। পিচে ৰংদৈও এলা-পেচা বিধৰ ছোৱালী নহয়। কিছুমান কথাত তাই বৰ একা চেকা স্বভাৱৰ। কিন্তু হাজাৰ হওঁক ছোৱালীৰ মনহে। কথাতে কয়— 'ছোৱালীৰ মন পানীৰ নিচিনা। যি পাত্ৰত থোৱা যায়— সেই পাত্ৰৰ আকাৰ লয়।'

চাওঁতে চাওঁতে আবেলি হৈ আহিল। বিন্দেশ্বৰহঁতে ঘৰলৈ নগৈ পোনচাটেই মৰং ঘৰৰ পিনে পোনাই দিলে। মৰং ঘৰৰ বাকৰিত আবেলিৰ লগে লগে বিচু কৰিবলৈ আৰম্ভ কৰি দিছে। আচলতে 'বিচু চিগা দাগাৰেবা'[৪] দিনাই পূজাৰীৰ চোতালত ৰাতি বিচু মৰা শেষ। তাৰপিচৰ অৰ্থাৎ বিচুৰ দিনৰ পৰা বিচু উৰুৱা দিনালৈকে মৰং ঘৰতে আবেলি হোৱাৰ লগে লগে বিচু কৰা নিয়ম।

এইকেইদিন মৰং ঘৰত বিচু বেচ পকা নাই। কেৱল গাভৰু জাকেহে বিচু কৰি থকা সিহঁতে দেখা পালে। বেছি সংখ্যক ডেকা-চামে হুছৰি পাৰ্টিতে ব্যস্ত হৈ থাকিব লগা হোৱাত সিহঁতে হুছৰি ভঙাৰ পিচতহে সন্ধ্যা হোৱাৰ আগে আগে এঘণ্টামানৰ বাবে মৰং ঘৰত বিচু কৰিবলৈ সুবিধা পাইছে। বিন্দেশ্বৰহঁতে মৰং ঘৰতো বেছি দেৰি নকৰিলে। 'কাউচি কলিয়া'[৫] গীত যোৱাৰ আগতেই সিহঁতে ঘৰলৈ বুলি গুচি আহিল।

আহোতে মনুজে বিচু চাই পোৱা আনন্দৰে ভৰা অভিজ্ঞতা বিন্দেশ্বৰহঁতক শুনালে। তাতোতকৈ ৰং ধেমালি 'বিচু উৰুৱা' দিনাখন যে পোৱা যায় তাকে ৰংদৈ আৰু জোনাকীয়ে

৪. বিচু চিগা দাগাৰেবা — বিহুমাৰি ৰাতিপুওৱা
৫. কাউচি কলিয়া — বিহুৰ শেষত গোৱা গীতৰ কলি



মনুজক জনালে। কথাটো শুনি 'এ হয় নেকি? তেন্তে মই বিচু উৰুৱা দিনালৈকে থাকি যাম' বুলি মনুজে ক'লে। কথাটো শুনি ৰংদৈ আৰু জোনাকীয়ে ভাল পালে নে নেপালে বিন্দেশ্বৰে গম নেপালে। কিন্তু সি হ'লে পেটে পেটে খুউব এটা বেয়া নেপালেও ভালো নেপালে। কাৰণ, মনুজ থকালৈকে জোনাকীৰ লগত কথা পাতিবলৈকো সি সুবিধা নেপাব যে ই খাটাং। তথাপিও বিচুৰ পিচত কলেজলৈ যোৱা সময়তে দীঘলীয়াকৈ কথা পাতিবলৈ এটা সুযোগ ৰংদৈৰ জৰিয়তেই উলিয়াব লাগিব বুলি বিন্দেশ্বৰে এই মূহুৰ্ত্তত ভাবিলে। অৱশ্যে 'বিচু উৰুৱা' দিনাখন এটা সুবিধা উলিয়াব পৰা যায়। কিন্তু তেনে ধান্দাত থাকিলে তাৰ বিচুৰ আনন্দটোচোন সীমিত আৰু ব্যক্তিকেন্দ্ৰীক হৈ পৰিব। এইবিলাক কথা ভাবিয়েই বিচুৰ পিচতেই লগ কৰিবলৈ সি মনস্থ কৰিলে। অন্যহাতেদি অনাবিল আনন্দৰ বিশালতাত নিজকে বিলীন কৰি অলপ হ'লেও নিজস্ব কৰি ল'ব নোৱাৰিলে আত্মোপলব্ধীৰেই বা সাৰ্থকতা ক'ত? এনে অন্তৰ্দ্বন্দ বিন্দেশ্বৰৰ বাবে আজিৰ লগৰী নহয়; ই তাৰ জীৱনত গাৰ ছাঁৰ দৰে। আন্ধাৰতহে মাথো ইয়াৰ স্থিতি দেখা পোৱা নাযায়। কিন্তু পোহৰ অহাৰ লগে লগে ছাঁৰ আবিৰ্ভাৱ হোৱাৰ দৰে বিন্দেশ্বৰৰ জীৱনতো আনন্দ অহাৰ লগে লগে অসুবিধাবোৰৰ স্বতঃস্ফুত আবিৰ্ভাৱ ঘটে।

বিন্দেশ্বৰৰ মনুজৰ ওপৰত আস্থা গাঢ় নোহোৱাৰ অৱস্থা এটা সৃষ্টি হৈছে। তাৰমতে মনুজ নিজে এজন দেউৰী হৈও নিজৰ কৃষ্টি-সংস্কৃতিৰ বিষয়ে নজনাটো বৰ পৰিতাপৰ বিষয়। তাতে সি বোলে সমাজতত্ব বিভাগৰ এম, এ,ৰ ছাত্ৰ। আৰু শুনামতে সি বৰ্তমান ডিব্ৰুগড় চহৰত থাকে যদিও তাৰ আগতেটো গাঁৱতে ডাঙৰ দীঘল হৈছিল। তেতিয়া কি তাৰ বিচু চাবলৈ সৌভাগ্য নঘটিছিল নেকি? নে সিহঁতৰ গাঁৱত বিচু বোলা বস্তুটো নায়েই? নহ'লেনো মনুজে কিয় বিচু চাই আশ্চৰ্য প্ৰকাশ কৰিছে— বিন্দেশ্বৰে নুবুজে।

ৰংদৈৰ মতে কিন্তু কথাটো অলপ সুকীয়া। মনুজ কেনেকুৱা সেইটোলৈ ৰংদৈ নিমাত। তাইৰ মতে কোনোবা এটা বিষয় জনা-নজনাতো ব্যক্তি বিশেষে ভিন্ন হ'ব পাৰে। তাৰোপৰি এজন মানুহৰ বাবে কোনো এটা কথা নজনাতো সিমান লাজৰ কথা নহয়; কিন্তু প্ৰকৃততে নজনা কথাটো জানিবলৈ নিবিচৰাতোহে বেছি লাজৰ কথা।

বিন্দেশ্বৰ আৰু ৰংদৈৰ ভাৱনাৰ দুই মূৰৰ এই ব্যক্তি 'মনুজ' কিন্তু বৰদেউৰী আৰু বৰদেউৰীয়নীৰ অতি প্ৰিয়ভাজন হৈ পৰিল। প্ৰতিটো সময়ত তাৰ খবৰ-বতৰা ৰাখি অলপ বেচি চল দিয়া যেনেই বুলি বিন্দেশ্বৰে ভাৱে। আনকি বৰদেউৰীয়ে নিজৰ ভাগৰ টেকেলিৰ চুঁজেকো মাজে সময়ে যচা হ'ল। মনুজেও এই সুযোগ পুৰাদমে দখলত আনি দুই এসপ্তাহতে ঘৰুৱা পৰিবেশত মিলি পৰিবলৈ চেষ্টা কৰাটো বিন্দেশ্বৰে আলেঙে আলেঙে লক্ষ্য কৰি নথকা নহয়। কিন্তু বিন্দেশ্বৰ নিৰুপায়। এবাৰ মনুজক চিধা-চিধি কৈ দিবলৈ বিন্দেশ্বৰে মনতে পাঙে। পিচমুহূৰ্ত্ততে তাৰ ভাৱ হয়— তাৰ এই বিদ্বেষ ভাৱনাৰ ওপৰত প্ৰতিষ্ঠিত। তাৰোপৰি এই বিদ্বেষৰ লগত বিন্দেশ্বৰৰ পুৰা মাত্ৰাই আত্ম স্বাৰ্থ জড়িত হৈ আছে। হ'লেও বিন্দেশ্বৰ নিজৰ মততে অলৰ-অচৰ হৈ থাকিল।

● ● ●

## (৭)

চাওঁতে চাওঁতে 'বিচু উৰাবা'ৰ দিন আহি পৰিল। পিচদিনাখনৰ এই বিশেষ বিহুৰ বাবে গাঁৱৰ ৰাইজ যথেষ্ট উদ্বাউল হৈ আছিল। গাওঁখনৰ মানুহৰ গাত যেন দেওধনীহে লম্ভিছে— এই কেইদিন। পুৱাৰ পৰা ৰাতিলৈকে কেৱল বিহু, হুচৰি মৰাৰ শব্দ আৰু ঢোল-পেঁপাৰ ৰজন জনাই যোৱা মাত। উদুলি-মুদুলি গাঁৱৰ মানুহৰ পদুলি। উদুলি-মুদুলি তাৰ মাজতে ৰংদৈ জোনাকীহঁত। লগতে বিন্দেশ্বৰ-মনুজহঁতৰো। ৰংদৈহঁতে কামৰ মাজতে সুৰুঙা উলিয়াই গাঁৱৰ সম্বন্ধীয়া বয়োজ্যেষ্ঠ সকললৈ 'চুজেঁ তেকলি' দিয়া নিয়মটো সাৰোগত কৰি সন্মান জনাবলৈও পাহৰা নাই।

বিহুৰ শেষ সপ্তাহ আহি পৰাত বিহুৰ লগত জড়িত কিছুমান আনুষঙ্গিক কাৰ্য-কলাপৰ বাবে গাঁৱৰ ৰাইজে খদমদম লগাইছে। নতুন বোৱাৰী সহ দম্পতিবোৰে যোৰে যোৰে নিজৰ মাক-বাপেক কিম্বা শহুৰ -শাহুৰেকৰ ঘৰলৈ বুলি আহি গাঁৱত ভৰি পৰিছে। সিহঁত জাকৰ উদ্দেশ্য বছেৰেকীয়া বিহুত সেৱা লোৱা ও আশীৰ্বাদ গ্ৰহণ কৰা। বিহুৰ মাজতে আকৌ বৰঙনি তুলি গাৱঁৰ বোৱাৰী, বুঢ়ী, বুঢ়া আদি কৰি চামে চামে ভাগে ভাগে 'খানা' খাবৰ বাবে যো-জা চলাইছে। অৱশ্যে ডেকা-গাভৰুৰ 'খানা' পাৰ্টি 'বিচু উৰাবা'ৰ পিচৰ শুক্ৰবাৰে পাতিবলৈ ৰংদৈহঁতে থিৰাং কৰি থৈছেই।

ৰংদৈৰ মন আজি বৰ ভাল লগা নাই। কাৰণ, ইমান আদৰৰ বিহুটি কালিলৈ গুচি যাবগৈ। তাৰমানে সিহঁতে আৰু এবছৰৰ বাবে বিহুটি সামৰিব লাগিব। যোৱা বছৰত তাই ইমান ফুৰ্ত্তি কৰিছিল যদিও 'বিচু উৰাবা' দিনাখন আৰু তাৰ পিচদিনা খনযে কিমান উকুঙা উকুঙা লাগিছিল— তাইৰ এতিয়াও বাৰুকৈ মনত আছে। সেয়ে এইবাৰ 'বিচু উৰাবা' দিনা অৰ্থাৎ অহাকালিলৈ বেচি মতলীয়াভাৱে আনন্দ প্ৰকাশ নকৰিবলৈ তাই মনতে পাঙিলে। যিকোনোভে অত্যাধিক আনন্দ বিজৰিত হৈ পৰিলে ই বিদায়ৰ মূহুৰ্ত্তত মানুহৰ অন্তৰ কন্দুৱাই থকা সৰকা কৰে। সেইবোৰ তাইৰ অপৈনত অভিজ্ঞতাৰ কথাই বাৰে বাৰে সোঁৱৰাই দিয়ে। সেইবুলি যে তাই বিহুলৈ বা মৰং ঘৰলৈ নেযাবগৈ সেইটো নহয়। নগ'লে জোনাকীয়েই জানো তাইক শুদাই এৰিব? অন্যফালেদি চাবলৈ গ'লে বিহুটি ৰংদৈৰ বাবেহে জানো গুচি যাব? ইটো সকলোৰে

১. বিচু উৰাবা — বিহু উৰুৱা
২. চুঁজে তেকলি — মদৰ টেকেলি



বাবে যাব। তাতে এইবছৰৰ বাবেহে মাত্ৰ। অহা বছৰলৈ চোন আকৌ সাজি-কাচি আহিব। কিন্তু তাই জানো অহা বছৰৰ বিহু পাব? ৰংদৈৰ মনত বিভিন্ন ধৰণৰ চিন্তাই জুমুৰি দি ধৰিলে। এইবছৰৰ দৰে তাইনো অহাবছৰলৈ কিয় বিহুটি নেপাব? বিয়া..........ধেৎ। কিযে কথাবোৰ মনলৈ আহে তাইৰ। ককায়েক বিন্দেশ্বৰৰ বিয়াৰ পিচতহে সেইবোৰ চিন্তা কৰা হ'ব। ইফালে মাক-বাপেকৰ কথাটো আছেই। হ'ল বুলিনো ছোৱালী এজনী নিজৰ মৰমৰ জনমতি মাক-বাপেকক এৰি পৰৰ ঘৰলৈ গুচি যাব পাৰি নেকি? সেইবোৰ পিচৰ চিন্তা। সেয়ে ৰংদৈয়ে বিয়াৰ কথাটো ঘুনাক্ষৰেও মনলৈ অনাই নাই। .............মৃত্যু.............নাই, ই কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। ৰংদৈৰ বাবে অন্ততঃত মৃত্যুটো ইমান ওচৰত নাই। তাইৰ বুকুত বহুত আশা আছে। কল্পনাৰ কাৰেঙত ৰং সানি জীৱন সুৰভিৰে লুতুৰি-পুতুৰি হ'বলৈ আছে। নিজৰ মনৰ ৰঙৰ তুলিকাৰে সমাজৰ নানা ধৰণৰ ছবি আঁকিবৰ আছেই। অযুত আশা বুকুত বান্ধি লৈ জীয়াই থাকিলে বোলে আয়ুস দীঘলীয়া হয়। গতিকে কোনো পধ্যেই সেয়া ৰংদৈৰ বাবে কল্পনাৰো বিষয় হ'ব নোৱাৰে।

বিয়াৰ কথাটো মনলৈ আহোতে ৰংদৈৰ মনটো অৱশ্যে দুৰু দুৰুকৈ নকপাঁকৈ থকা নাছিল। কপিঁছিল। এতিয়া নহ'লেও এদিন হলেওতো তাই এই জালবেহুত সোমাব লাগিব। কি যে অবাঞ্চিত অথচ বাধ্য-বাধকতাৰ জগত হ'ব সেইটো — ভাবিয়েই তাইৰ ভয়-শঙ্কা ও মাদকতাৰে মুহূৰ্ত্তে মন ভৰি পৰিল।

ঃ পিচাচি [৩], তই কি কৰি আছ ? এনেই আছ যদি মটিমাহ খিনিকে দলি লৈ আজৰি হৈ লোৱা চোন। অহাকালিলৈচোন তহঁতে সময়কে উলিয়াব নোৱাৰিবি। —— মাকে জীয়েক ৰংদৈক নিজৰ কামৰ মাজতে এটা কামৰ দিহা দি পুনৰ নিজৰ কামত লাগি থাকিল।

ঃ হ'ব বাৰু। তই ভিতৰৰ কামখিনি শেষ কৰি লচোন। ৰংদৈয়ে আগদিনাখনৰ 'বিচু উৰাবা' উৎসৱলৈ বুলি ৰাতিপুৱাতে কাপোৰ-কানিখিনি ধান খেৰৰ ছাঁইৰ পৰা পানী সৰকাই তৈয়াৰ কৰা ক্ষাৰ পানীৰে ধুই-পখালি উঠি তেতিয়া ঘৰৰ আগচোতালৰ এচুকত কাঠ খৰি ফালি আছিল। খৰি ফালি উঠি খৰি কেইডাল ভঁৰালৰ চাঙৰ তলত সুমুৱাই থৈ ঘামি-জামি একাকাৰ হোৱা দেহাটো অলসভাৱে এৰি দিলে। তাৰ পিচত কি কাম কৰিব বুলি ভাৱি অৱশেষত বিচুৰ চিন্তাৰ লগতে বিভিন্ন কথাই তাইৰ মূৰ আচন্দ্ৰাই কৰিছিল।

মাকৰ মাত শুনি ৰংদৈৰ চিন্তাৰ ওৰ পৰিল। কামৰ দিহা এটা পাই চেৰেকীত জঁট লাগি থকা সূতাৰ ওৰ বিচাৰি পোৱাৰ আনন্দৰ দৰেই তাই ভাল পালে। তাইৰ

৩. পিচাচি — জীয়েক

কাম কৰিবলৈ নেপালে কিবা মনবোৰ ভাল নলগা নলগা যেন লাগে। তাই উপলব্ধি কৰে যে কাম নোহোৱা মানুহৰ মগজুত সঁচাই অনাহক চিন্তাই বাঁহ লয়। অৱশ্যে ৰংদৈৰ একেবাৰে কাম নোহোৱা নহয়। কামৰ ভিৰৰ মাজত কাম অলপ পাতল হ'লেহে কাম নোহোৱা পৰিস্থিতিৰ দৰে ৰংদৈৰ অনুভৱ হয়। গতিকে তেনে মুহূৰ্ত্ততে যিকোনো চিন্তাই মূৰত সোমাই পৰে। তাই এই মুহূৰ্ত্তত মাটিমাহ খিনি অকলশৰীয়াকৈ দলিবলৈ হেলা কৰিলে।

মানুহে যেতিয়া অকলশৰীয়া অনুভৱ কৰে তেতিয়া অন্তৰঙ্গ সমনীয়াৰ সান্নিধ্যৰ কথা মনলৈ অনাটো স্বাভাৱিক। ৰংদৈৰো সেই একে অৱস্থাৰেই দেহমন গৰকি গ'ল। এই মুহূৰ্ত্তত তাই বৰকৈয়ে জোনাকীৰ উপস্থিতি কামনা কৰিলে। মনটো অতি উৰুঙা উৰুঙা লগাৰ বিপৰীতে সঙ্গী লাভৰ অস্থিৰতাত ৰংদৈৰ মনটো উদ্বাউল হৈ পৰিল আৰু সখীয়েক জোনাকীহঁতৰ ঘৰতে একেলগে মাটিমাহ খিনি দলি আহিবলৈ তাই মনস্থ কৰিলে।

ঃ ঐ য়ং [৪] মাটিমাহ খিনি হৈবা [৫]হঁতৰ তাতে দলি আহো। লগে-ভাগে কৰিলে সোনকালেও হ'ব আৰু ভালো লাগিব। ৰংদৈয়ে মাকৰ অনুমতিৰে ঘৰৰ চাঙলৈ উঠি গৈ ঘৰৰ ভিতৰত থকা ডাঙৰ ডুলিটোৰ পৰা এক খৰাহি মাটিমাহ উলিয়াই লৈ জোনাকীহঁতৰ ফালে যাবলৈ ওলাল।

ঃ অ পিচাচি, দেৰি নকৰিবি আকৌ। সোনকালে আহি যাবি। হাতত বহুত কাম পৰি আছে। তাতে আবেলি হ'লে মৰং ঘৰলৈ ঢাপলি মেলিবি। মাকে ৰংদৈক তদাৰকি সুৰত কথাবিলাক ক'লে।

ঃ হ'বচোন। মই কিবা বেলেগ কামত যোৱা নাই নহয়। কাম এটা লৈহে ওলাইছো। তই চিন্তা নকৰিবি। বাকী কামবোৰ ঘূৰি আহিও শেষ কৰিব পাৰিম। ৰংদৈয়ে কঁকালত খৰাহিটো থৈ বাওঁহাতেৰে ধৰি মেখেলাখন সোঁহাতেৰে সামান্য দাঙি লৈ হাতা মাৰিডালত নধৰাকৈয়ে চাঙৰ পৰা জখলায়েদি নামি আহি কথাখিনি মাকক উদ্দেশ্যি ক'লে।

ৰংদৈয়ে ঘৰৰ উত্তৰফালে থকা তামোলবাৰীৰ মাজেদি থকা ৰাস্তায়েদি গৈ পিৰিলিহঁতৰ পদূলিৰে আগবাঢ়িল। শেষ বিহুৰ আতিথ্যৰ বাবে গাঁৱৰ সকলো ঘৰৰ লোকেই ব্যস্ত। ঘৰে ঘৰে গৃহস্থসকলে ইতিমধ্যে ব্যৱহাৰ কৰা কাপোৰ-কানিখিনি ধুই ৰ'দ-বতাহত নিসঙ্গতাৰে উৰি থাকিবলৈ এৰি থৈছে। ঘৰে ঘৰে 'বিচু উৰাবা'

৪. য়ং — মা

৫. হৈবা — সখীয়েক



দিনটোৰ গধূলি সাঁজৰ বাবে মাটি-মাহ জাঁতত দলাৰ 'কেৰেক কেৰেক' শব্দ। এইবিলাক সমাজৰ নিয়ম বুলি ৰংদৈহঁতে বিনা-দ্বিধাৰে মানি চলিবলৈ বাধ্য। কোনেও প্ৰশ্ন নকৰে, কেৱল সেই বিশেষ দিনটোত গধূলি কিয় সকলোৱে মাটিমাহৰ আঞ্জা খাব লাগে? আকৌ তাৰ লগত মাংস কিয় ৰান্ধিব লাগে? প্ৰশ্ন নকৰে ৰংদৈহঁতেও আৰু প্ৰশ্ন কৰিলেও যে বুঢ়াচামে গ্ৰহনযোগ্য উত্তৰ দিব নোৱাৰে— সেয়া ৰংদৈহঁতে জানে। কেৱল ৰংদৈহঁতৰ বিশ্বাস— এনেবোৰ সামূহিক আচৰণত কিছুমান ৰীতি-নীতি গঢ় লয়, আৰু সেই ৰীতি-নীতিতেই লোক বিশ্বাস গাঢ় হয় লগতে এটা জাতিৰ স্বকীয়তাবোধ অখুণ্ণ থাকে।

ৰংদৈয়ে জোনাকীক লগ পাই অজানিতে এটি পুলক অনুভৱ কৰিলে। কামৰ মাজতে জোনাকীৰ মুখৰ পৰা গুপুত কিছুমান কথা জনাৰ আনন্দত ৰংদৈৰ মন প্ৰাণ নাচি উঠিল। এইখিনি সময়ত একেলগে বহি কাম কৰি পোৱা আনন্দবোৰৰ সলনি মাথোন জোনাকীৰ গুপুত কথা হৰণ কৰাৰ চালনাত ৰংদৈ ব্ৰতী হ'ল। নহ'লেচোন ৰংদৈৰ বাবে বহু কথা জানিও একো কথা নজনাৰ দৰে হৈ ৰ'ব। অন্যহাতে ৰংদৈৰ মন কিবা এটা চিকাৰৰ পিচ লʼলে তাক পৰাভূত নকৰা পৰ্যন্ত মনটো ফৰকাল ফৰকাল নালাগে। তেতিয়া মূৰৰ ওপৰত শিল এটা উঠাই থোৱাদি অনুভৱ হয়। সময়বোৰ নেযায়-নুপুৱায় লাগে। এদিনেই এবছৰ যেন লাগি যায়। সিফালে জোনাকীও ৰংদৈক লগ পাই সেই মুহূৰ্ত্তত আনন্দত বিভোৰ হ'ল। সদায়ে লগ পাই থকা ৰংদৈক জোনাকীৰ বহুতদিনৰ পিচত লগ পোৱা যেন লাগে কিয় বাৰু? জোনাকীয়ে নুবুজে। এক অবুজ সাঁথৰ যেন লগা এটি হাঁহি জোনাকীৰ গালে-মুখে আত্ম প্ৰকাশ কৰি গ'ল।

ঃ কি হ'ল? বৰকৈ মনত ফুৰ্ত্তি পাইছ নেকি? কথা খুলি নকৱ নেকি মোক? ৰংদৈয়ে জাঁতটোৰ ওচৰত খৰাহিটো ৰাখি লেপেতা কাঢ়ি বহি লৈ জোনাকীৰ গুপুত কথাৰ ভাণ্ডাৰত পোনছাটে টোকৰ মাৰিলে।

ঃ তইচোন গমেই পাইছ। তোক আৰু কি কথা খুলি ক'ব লাগে অ' মৰতিজনী? ৰংদৈৰ মুখামুখিকৈ বহি লৈ জোনাকীয়ে হাঁহি হাঁহি ৰংদৈক কথাখিনি ক'লে।

ঃ ক'বলৈ মন নাই যদি নেলাগে দে ক'ব। নিজৰ কাম সমাধা হ'লে কাকো পৰোৱাই নকৰা গুণটো কিন্তু মই ভাল নেপাওঁ। বহলাই ক'বলৈ মন নাই যদি নকবি; কিন্তু 'হা... না' বা 'হৈছে— নাই' আদিৰেওটো মোক ক'ব পাৰ। দামুৰি পোৱালীয়ে মাকৰ গাখীৰৰ বাঁহ খুন্দিয়াই, গাখীৰ উলিয়াবলৈ চেষ্টা কৰাৰ দৰে

জোনাকীৰ পেটৰ পৰা কথা উলিয়াবলৈ ৰংদৈয়ে পেঘেনিয়াই পেঘেনিয়াই ধৰিলে।

কথাৰ মহলাৰ লগে লগে জোনাকীয়ে জাঁতটোৰ ফুটাটোত মাহ মুঠিয়ে মুঠিয়ে ভৰাই আছে আৰু ৰংদৈয়ে হেঙেল ডালত ধৰি জাঁত ঘূৰাই আছে। জাঁতটোৰ হেচাঁৰ যন্ত্ৰনাৰ কোবত অসহায় মাটিমাহবোৰ চিৰাচিৰে ফাটি জাঁতটোৰ সন্মুখত আত্মসমৰ্পন কৰি এচুকত ওলাই থকাৰ দৰে ৰংদৈৰ প্ৰশ্ন আৰু বাক্যবানত জোনাকী তিষ্ঠিব নোৱাৰি কথাটো কৈ দিবলৈ ঠিৰাং কৰিলে। হ'লেও তাইৰ লাজ লাজ ভাব আহিল। লাজুকীয়া ভাৱেৰেই তাই ক'লে—

ঃ তোক নকৈনো কাক কম মোৰ লাহৰি। ও... ও... হৈছে......হৈছে...। বুলি কৈ তাই দুয়োখন হাতেৰে ৰংদৈক জোৰে সাৱটি ঢেক্‌ঢেকাই হাঁহিব ধৰিলে।

ঃ এই ........কি কৰ........কি কৰ........? মোক তোৰ 'কোনোবা' বুলি ভাৱিছ নেকি? মৰতি ক'ৰবাৰ! — বুলি ৰংদৈও জোনাকীৰ হাঁহিত হাঁহি মিলাই দিলে। ক্ষন্তেকৰ বাবে জাঁতটোৰ লগতে সময়ো তথা লাগি চাই ৰ'ল। কি শাশ্বত সেই হাঁহি। সেই আনন্দ।

হাঁহি-ধেমালিৰ মাজতে দুয়োজনীয়ে মাটি মাহ দলাৰ কাম শেষ কৰিলে। তাৰ পিচত নিজৰ ভাগৰ মাটিমাহ খিনি ৰংদৈয়ে খৰাহিত ভৰাই ঘৰমুৱা হ'ল। আহোতে তাইৰ মন বৰ অকলশৰীয়া অকলশৰীয়া যেন লাগিল। ৰংদৈৰ মনত প্ৰশ্ন হ'ল– জোনাকীৰ খবৰে তাইক ৰংদৈৰ একেবাৰে ওচৰ চপাই অনাত সহায় কৰিব নে জোনাকীক চিৰদিনৰ বাবে ৰংদৈৰ ওচৰৰ পৰা কাঢ়ি লৈ যোৱাত অৰিহনা যোগাব? মনৰ ভিতৰতে জাগৃত হোৱা এই প্ৰশ্নৰ উত্তৰ বিচাৰি নেপাই ৰংদৈয়ে ক্ষন্তেকৰ বাবে চকুদুটা মুদি লৈ পুনৰ লাহে লাহে মেলি অলসভাৱে আবেলিৰ আকাশলৈ এৰি দিলে।

● ● ●



## (৮)

বিহুৰ শেষ দিন। বাতিপুৱাৰ পৰা গাৱঁৰ ৰাইজ খদমদম লগাইছে বিহু উৰাবৰ বাবে। আজিৰ দিনটো এই গাৱঁৰ ৰাইজৰ বাবে লেখত ল'বলগীয়া আৰু বিষাদেৰে ভৰা আনন্দৰ দিন। আনন্দ এই কাৰণে যে গাৱঁৰ বুঢ়া-ডেকা, ল'ৰা-ছোৱালী, জীয়াৰী-বোৱাৰী আদি সকলোৱে এই দিনটোত দেওঘৰত আপোন পাহৰি বিহু-মতলীয়া হৈ মিলিত হ'বলৈ সুবিধা পায় আৰু বিহু কৰি আনন্দত মতলীয়া হৈ পৰে। অন্যহাতে বিষাদেৰে ভৰা এই কাৰণেই যে এনেহেন আদৰৰ বিহুটি এবছৰৰ কাৰণে হ'লেও গাৱঁৰ ৰাইজে জাকে-জুমে দেওঘৰ আৰু মৰংঘৰৰ পৰা উলিয়াই নি হাতচাপৰি গীত গাই গাৱঁৰ এচুকত চাপৰিত বিৰিণাৰে গাঁঠি দি খেদাই থৈ আহিব লগা হয়। যাতে এবছৰৰ কাৰণে বিহুৱা ৰাইজক আমনি নকৰাৰ লগতে খেতি-বাতি কৰিবলৈ সুবিধা দিয়ে।

গাৱঁৰ পূজাৰী বৃন্দই বিহু খেদোৱা দিন বুলিয়েই ৰাতিপুৱাতে দেওশালত গৈ পূজা পাতলৰ কাম-কাজ আগবঢ়াইছেগৈ। বেলা হোৱাৰ লগে লগে ৰাইজে পূজা-পাতল উচৰ্গা কৰি সেৱা কৰিলে। পূজা আগবঢ়োৱাৰ মাজে মাজে ৰাইজে দেওধনি নৃত্যও উপভোগ কৰিলে। বিহুৰ শেষ দিন বুলিয়েই নেকি আজি দেওধনিৰ সংখ্যাও বাঢ়িল। তাৰে ভিতৰত এজনী বুঢ়ী, এজনী বোৱাৰী, এজনী গাভৰু ছোৱালী আৰু এজন মতা মানুহ। বুঢ়ী দেওধনি জনীয়েই সবাটোতকৈ পুৰণি আৰু স্থান অনুসৰি উচ্চ ও ডাঙৰ বুলি পূজাৰীবৃন্দই মতপোষণ কৰে।

পূজা-পাতল সম্পূৰ্ণকৈ শেষ হোৱাৰ লগে লগে বৰদেউৰীয়ে ৰং ধেমালি কৰিব পাৰে বুলি ঘোষণা কৰিলে। তেতিয়া বেলি লহিয়াইছে। লাহে লাহে মানুহ লানি নিছিগাকৈ দেওশাললৈ বুলি ঢাপলি মেলি আহিল। সকলোৱে বগা কাপোৰ-কানি পৰিধান কৰি পৱিত্ৰ মনেৰে দলে দলে আহি দেওশাল ভৰি পৰিছে। ঢুলীয়া পাৰ্টিয়ে ঢোল-তাল লৈ দেওঘৰত ঢোল বজাবলৈ লাগি গ'ল। দেওধনি সকলে ঢোলৰ চেৱে চেৱে নৃত্য কৰিবলৈ আৰম্ভ কৰি দিলে। ক্ষন্তেকৰ বাবে দেওঘৰৰ আকাশ-বতাহ মুখৰিত হৈ পৰিল।

ৰংদৈহঁতৰ গাত আজি তত নাই। বিহু খেদোৱা দিন বুলিয়েই ৰংদৈয়ে পুৱাৰ পৰা কামৰ ওৰ নোপোৱা হৈছে। মাকৰ লগত ইটো-সিটো কামত সহায় কৰিও কাম শেষ কৰিব পৰা নাই। মাকেও তাইক সকলো কামতে আজিকালি আৱশ্যক

বুজি লগতে কাম কৰিবলৈ দিয়া হৈছে। কাৰণ– ৰংদৈহঁত তেওঁলোকৰ মতে উৰণীয়া চৰাই। কোন দিনাখন বুকুত কামোৰ মাৰি ভুৰুংকৈ উৰি গুচি যাব তাৰ কোনো ঠিক নাই। গতিকে ঘৰত থকা কেইদিনতেই পোহ-পালৰ বকেয়া উছুল কৰি ল'ব লাগে বুলি বুঢ়া-বুঢ়ীয়ে ভাবে। অন্যহাতে ৰংদৈ নহ'লে তেওঁলোকৰ বাবে চাওঁতাই যে নাইকীয়া হ'ব সেইটোও বুঢ়া-বুঢ়ীয়ে উপলব্ধি নকৰা নহয়। আগবেলাৰ কাম-বন আজৰি কৰি লৈ ৰংদৈয়ে সখীয়েক জোনাকীৰ লগতে এজাক গাভৰুৰ স'তে অৱশেষত দেওঘৰলৈ বুলি আহিল।

সময় বুজি বিন্দেশ্বৰেও মনুজৰ স'তে দেওঘৰলৈ আহিল। অলপ পিচতে সিহঁতে দেওঘৰৰ বাকৰিত জনসমুদ্ৰৰ লগত মিলি গ'ল। লাহে লাহে বিন্দেশ্বৰে ঢুলীয়া পাৰ্টিৰ ওচৰলৈ আহি নিজে ক'ব নোৱৰাকৈ ভিৰৰ মাজত হাত চাপৰি বজোৱাত লাগি গ'ল। মনুজে আপচুচ কৰি জনসমুদ্ৰৰ এচুকত কুঁচিমুচি থাকিল। দেওধনি নৃত্য চোৱাৰ উপৰিও মনুজে ৰাইজকো চাবলৈ নেৰিলে। কিমান যে ধৰ্মৰ প্ৰতি অনুৰাগ ও বিশ্বাস এই গাৱঁৰ ৰাইজ– সি দেখিয়েই তবধ মানিলে। সকলো পুৰুষে বগা চোলা চুৰিয়া আৰু সকলো মহিলাই বগা মেখেলা, গাতিগি[১]ৰে দেওঘৰৰ চোতাল একাকাৰ। মনুজে অনুমান কৰিলে– দেওঘৰৰ এই বাকৰি আঁতৰৰ পৰা চাগে এখন ডাঙৰ পাৰি থোৱা বগা বৰকোপোৰে ঢৌ খেলি থকাৰ দৰে লাগিছে। অৱশ্যে বিচু আৰু ধৰ্মৰ এক ওতঃপ্ৰোতঃ সম্পৰ্ক থকাৰ বাবেহে এই গঞা ৰাইজৰ এনে প্ৰবল অনুকম্পা বুলি মনুজে উপলব্ধি কৰিলে।

গাৱঁৰ ৰাইজ শেষ বিহুৰ দিনৰ আনন্দৰ ভাগ ল'বলৈ বুলি জাকে-জুমে দেওঘৰলৈ অহাত গাৱঁৰ ঘৰবোৰ জনপ্ৰাণীহীন হৈ পৰিল। দেওশালৰ বাকৰিত নাচি নাচি দেওধনিয়ে উত্ৰাৱল হৈ গঞাঁ ৰাইজক উদ্দেশ্যি বাতৰি চলালে। গঞা ৰাইজে 'হয় কুন্দি, হয় কুন্দি' বুলি শলাগি আঁঠু ল'লে। বেলা হৈ অহাত ৰাইজক ৰং-ধেমালি কৰিবলৈ এৰি দি দেওধনিবোৰে ঘৰা-ঘৰি গ'লগৈ।

দেওধনিসকলে দেওঘৰৰ পৰা গুচি যোৱাত ডেকা-গাভৰুবোৰে ৰাইজৰ লগতে মুকলিমুৰীয়াকৈ বিহু কৰিবলৈ আৰম্ভ কৰি দিলে। জুমে জুমে দেওঘৰৰ চৌহদতে শেষ বিহুৰ দিন বুলি বিহু গালে আৰু নাচিলে। শেষ বিহুৰ আনন্দত ডেকা-গাভৰুৰ ওপৰিও বোৱাৰী, বুঢ়া-বুঢ়ী সকলোৱে বিহু মতলীয়া হৈ বিহুত যোগ দিলে। আনকি পূজাৰী বৃন্দও অলপীয়াকৈ বিহুত নানাচি থাকিব নোৱাৰিলে। ঢোল-তালৰ ওপৰিও পেপাঁৰ সুৰে বিহু গীতৰ সুৰে সুৰে দেওঘৰৰ বাকৰি মুখৰিত কৰি তুলিলে। তেনেকৈয়ে সময়বোৰ বাগৰি গ'ল। এটা সময়ত সকলো ৰাইজে জুমে জুমে বিহু

১. গাতিগি – মহিলাই মূৰত লোৱা কাপোৰ



গাবলৈ এৰি মিলিজুলি 'লহৰিয়া'[২] নৃত্য কৰিবলৈ আৰম্ভ কৰি দিলে। সকলোৱে হাতত ধৰাধৰি কৰি ঘড়ীৰ কাটাৰ বিপৰীতে দেওশালৰ চাৰিওফালে চক্ৰাকাৰে ঘূৰি গীত গাই গাই নাচিবলৈ ধৰিলে। নামতি ৰজকে গীত আৰম্ভ কৰাৰ লগে লগে বাকীবোৰে তাকে আওঁৰাই আকৌ গাই গ'ল। এবল সেই লহৰিয়া নৃত্য কৰাৰ পিচত সেই সুৰ বদলাই ৰজকে আবৰব'[৩] আৰম্ভ কৰি দিলে। এই সুৰ শুনাৰ লগে লগে অংশ গ্ৰহণকাৰী সকলে এইবাৰ পিচৰ জনে আগৰ জনৰ বাহু বা কঁকালত ধৰি ঘড়ীৰ কাটাৰ লগে লগে ঘূৰি নৃত্য কৰিবলৈ লাগি গ'ল।

তেতিয়া গৰু-ম'হ ঘৰলৈ চাপি আহিবৰ সময় হ'ল। বেলাৰ উমান পাই পূজাৰী বৃন্দই ৰংধেমালি এৰি বিহু পেলাই আহিবৰ সময় হ'ল বুলি ডেকা-গাভৰু জাকক সকীয়াই দিলে। ইফালে বিহু-বলিয়া ডেকা-গাভৰুৰ কানসাৰেই নাই। হ'লেও সময়–সময়। গতিকে ৰাইজে এইবাৰ মৰং ঘৰলৈ বিহু উলিয়াই আনিলে। পূজাৰী বৃন্দই দেওঘৰৰ বাকী কামবোৰ সমাপন কৰি গাৱঁৰ বোৱাৰী, বুঢ়া-বুঢ়ী সকলৰ লগত ঘৰাঘৰি গ'লগৈ। ডেকা-গাভৰু জাকে মৰং ঘৰত বৰ বেচি দেৰি বিহু নকৰিলে। সিহঁতে এটা বিশেষ ধৰণৰ 'হাত চাপৰি গীত' গাই গাই গাৱঁৰ দক্ষিণ-পশ্চিমে খৰকৈ আগবাঢ়ি গ'ল। সেইফালে থকা নদী কাষৰীয়া আওহতীয়া চাপৰিত গৈ একে উশাহতে বিৰিণাৰ গাঁঠি দি মৰং ঘৰৰ পৰা নিয়া বিহু পেলাই আহিল। দুই এজনে হাতত নিয়া টকা মাৰিবোৰ তাতে পেলাই থৈ আহিবলৈ নেপাহৰিলে। সিহঁতৰ মাজৰে দুজনমানে মুখেৰে 'থু-থু' কৈ থুৱাই 'এইবছৰৰ বাবে তোক থ'লো। আমাক আমনি নকৰিবি আৰু! আমাৰ খেতি-বাতি কৰিবৰ দিন পালেহি। অহাবছৰ আকৌ লগ পাম দেই.........' বুলি কৈ কৈ পিচফালে নোচোৱাকৈ দৌৰি দৌৰি গুচি আহিল। আদৰৰ বিহুটি তেনেকৈ অকলশৰে এৰি থৈ অহাৰ বাবে ক্ষন্তেকৰ বাবে সকলোৰে কম বেচি পৰিমাণে বেয়া লাগিল। ৰংদৈৰ হ'লে কান্দি দিবলৈকে মন গৈছিল। ওচৰতে মনুজ আৰু বিন্দেশ্বৰ থকাৰ বাবে তাই লাজতে চলচলীয়া হোৱা চকুযুৰি ঢাকি ৰাখিলে। অৱশ্যে তেতিয়া সন্ধিয়াৰ এন্ধাৰবোৰেও নামি আহি তাইৰ চকুযুৰি লুকুৱাবলৈ সহায় কৰিছিলহি। জোনাকীৰ কিন্তু বৰ বেয়া নেলাগিল। কাৰণ, তাইৰ বাবে দিনবোৰ সোনকালে পাৰহৈ গ'লেহে ভাল। ৰংদৈয়ে নেজানে– তাই কিয় তেনেকৈ ভাৱে?

বিহু পেলাই থৈ আহি এইবাৰ সকলো ডেকা-গাভৰুৱে দুয়োখন চুবাৰ মাজত থকা নৈখনৰ বালি চাপৰিত গোট খালেহি। আৰম্ভ হ'ল ডেকাচামুৰ শক্তি পৰীক্ষা। প্ৰথমে লেম্টা আৰু ৰজনচিং আগবাঢ়ি আহিল। বিন্দেশ্বৰে উপযাচি গৈ দুয়োজনকে

২. লহৰিয়া – বৃত্তাকাৰে নচা নৃত্য-গীত
৩. আবৰব – বৃত্তাকাৰে নচা নৃত্য-গীত

কেনেকৈ ধৰা ধৰি কৰিব লাগে বুজাই দিলে। 'এক-দুই-তিনি' বুলি চিঞৰাৰ লগে লগে যুঁজ আৰম্ভ হ'ল। উপস্থিত ডেকা-গাভৰুৱে ৰঙতে কিৰিলি মাৰিলে। মনুজে মানুহ যুঁজ প্ৰথম বাৰৰ বাবে দেখিবলৈ পাই তবধ মানিলে। যুঁজত ৰজনচিং জিকিল। বিন্দেশ্বৰে ৰজন চিঙক সাৱট মাৰি ধৰি সম্ভাষণ জনালে। তাৰ পিচত কেবাজনো ডেকাই নিজৰ নিজৰ বাহুবল প্ৰদৰ্শন কৰিলে।

মাল যুঁজ শেষ হোৱাৰ পিচত সকলোৱে নিয়মানুসৰি বৰদেউৰীৰ ঘৰলৈ বুলি খোজ দিলে। যাওঁতে সিহঁতে প্ৰত্যক্ষ কৰিলে গোটেই গাওঁখনৰ ঘৰে ঘৰে চাৰিওদিশে ধান-খেৰৰ জুইয়ে গাওঁখন পোহৰাই তুলিছে। ইও এটা বিহু খেদোৱা দিনৰ সন্ধিয়াৰ বিশেষত্ব বুলি সকলোৱে জানে। সিহঁত জাকে জুমে গৈ বৰদেউৰীহঁতৰ চোতালত নিয়মানুসৰি বছৰৰ বিহুটি মোখনী মাৰিলে। তাৰ পিচত সকলোৱে চুঁজে খাই ঘৰা-ঘৰি গ'লগৈ। ৰংদৈ আৰু জোনাকীয়েই সকলোকে আলপৈছান ধৰিলে। তেতিয়া মানে সন্ধিয়া পাৰ হ'লেই। ইতিমধ্যে গাঁৱৰ ঘৰবোৰৰ চাৰিওদিশে জ্বলোৱা ধানখেৰৰ জুইবোৰ নুমাবলৈ আৰম্ভ কৰিছে। সদৌ শেষত জোনাকীয়ে ৰংদৈক মাত লগাই মনুজক সিহঁতক ঘৰলৈ লগ ধৰিলে। জোনাকীৰ আশা মনুজ তাইৰ লগত ওলোৱা মানে লগতে বিন্দেশ্বৰো ওলোৱা। ৰংদৈ ওচৰতে থকাৰ বাবে জোনাকীয়ে পোনপটীয়াকৈ বিন্দেশ্বৰক মাতিব নোৱাৰিলে। হাজাৰ হ'লেও সি তাইৰ বান্ধৱীৰ নিজৰ ককায়েক। ইফালে মনুজেও বিন্দেশ্বৰহঁতৰ ঘৰখন এৰি যাবলৈ মুঠেই মন নাই। প্ৰকৃততে ক'বলৈ গ'লে— ঘৰখন মানে তাত থকা মানুহবোৰক লৈহে। অৱশ্যে মানুহবোৰৰ ভিতৰত ৰংদৈয়েই যে মূল আকৰ্ষণৰ নায়িকা সেয়া নিঃসন্দেহে মনুজে নুবুজা নহয়। ৰংদৈয়ে কথাটো বুজে নে নুবুজে মনুজে কিন্তু সেইটো নুবুজে। বিন্দেশ্বৰৰ মনত হ'লে এটা সন্দেহ আজি কালি ক্ৰমান্বয়ে ঘণীভূত হৈ অহাটো পৰিলক্ষিত হ'ল। এই মূহুৰ্তত বিন্দেশ্বৰে জোনাকীৰ লগত অকলশৰে মনুজক পঠিয়াবলৈ ৰাজী নহ'ল। অৱশেষত জোনাকীৰ আশাই জয়ী হ'ল।

জোনাকীহঁতৰ ঘৰত গৈ বিন্দেশ্বৰে মনুজৰ স'তে মাটিমাহৰ আঞ্জাৰে কুকুৰা মাংস খালে। অৱশ্যে বিন্দেশ্বৰ আৰু জোনাকীয়ে জানে যে মনুজে বিন্দেশ্বৰহঁতৰ ঘৰত ভাত খোৱা হ'লেও সেই একে মাটি মাহৰ আঞ্জাৰেই মাংস খাব পালেহেঁতেন। কাৰণ — বিহু খেদোৱা এই দিনটোৰ সন্ধিয়াৰ সাঁজটোত গাৱঁৰ প্ৰত্যেক ঘৰতে সেই মাটি মাহৰ আঞ্জাৰে মাংস ৰন্ধাটো এটা পুৰণা নিয়ম। মনুজে নিয়মৰ কথাটো জানে নে নাই সিহঁত দুয়ো ধৰিব নোৱাৰিলে। মনুজে সেয়া জোনাকীৰ আলহীৰ প্ৰতি অনুগ্ৰহ বুলিওটো ভাৱিব পাৰে।

ভাতপানী খাই বিন্দেশ্বৰে মনুজৰ লগত ঘৰলৈ গাঁৱৰ মাজেৰে ঘূৰি আহিল।



আহি ৰৰ্ডিঙত দুয়ো শুবলৈ ধৰোতেই গাঁৱৰ কোনোবা ঘৰত কন্দা-কটা সিহঁতে শুনিবলৈ পালে। ভালকৈ কান উনা দি শুনিলত কান্দোনটো সিহঁতৰ ঘৰৰ ওচৰতে যেন লাগিল। বৰ্ডিঙৰ বাহিৰলৈ ওলাই বিন্দেশ্বৰে ঘৰৰ পদূলি পালেগৈ।..গৈ গম ললে— সেয়া পিৰিলিহঁতৰ ঘৰৰ ফালৰ পৰাই আহিছে যেন বোধ হ'ল। সি ভাৱিলে-- পিৰিলিজনী আকৌ কাৰোবালৈ পলালে নেকি? একেবাৰে কথাটো চয়-নিশ্চয় কৰি আহিবলৈ সি কোবাকুবিকৈ পিৰিলিহঁতৰ ঘৰৰ ফালে খোজ দিলে। ইফালে মনুজৰ মনটোও উচ্ পিচাই আছিল। বৰ্ডিঙত অকলে টোপনি নহাত কি কৰো কি নকৰো বুলি সি ৰংদৈকে মাত লগালে। ৰংদৈও খাই বৈ শুবৰ বাবে যো-জা কৰি আছিল। মনুজৰ মাত শুনি ৰংদৈয়ে হাতত চাকি এটা লৈ মিচিঁং[৪]লৈ ওলাই আহিল। মনুজে সুধিলে—

ঃ সেয়া যে কন্দা-কটা কৰি আছে; কাৰ ঘৰৰ বাৰু? কিয়বা কান্দিছে?

ঃ অ, মই অথনিৰে পৰা শুনি আছো। সেয়া পিৰিলিৰ মাকৰ মাত যেন লাগিছে। পিৰিলি পিতচিঙলৈ পলালে হ'ব পায়! যাওক শুই থাককগৈ। ৰংদৈয়ে চাঙৰ ওপৰৰ পৰাই কথাখিনি ক'লে। মনুজে বিন্দেশ্বৰ অহালৈকে বাট চাই ৰংদৈক আকৌ সুধিলে—

ঃ তুমি যে পিৰিলি বুলি ঘপকৈ কৈ দিলা কথাটো আগতে গম পাইছিলা নেকি?

ঃ ঘুনুক-ঘানাককৈ কথাটো দেওঘৰত বিচু[৫] কৰি থাকোতেই গম পাইছিলো। এতিয়া সেইবোৰ বাদ দিয়ক। মোৰ টোপনি আহিছে মই শুই থাকোগৈ। ৰংদৈয়ে কথাখিনি কৈ সোঁহাতেৰে চকু দুটা মোহাৰি ভিতৰলৈ সোমাই গ'ল।

অলপ পিচতে বিন্দেশ্বৰ পুনৰ ঘূৰি আহিল। কথাটো কি বুলি মনুজে কৌতুহ'লেৰে সুধিলত গম পালে যে, হয় পিৰিলিয়েই বোলে গাৱঁৰে দক্ষিণ চুবাৰ পিতচিঙলৈ পলাই গ'ল। ওচৰ চুবুৰীয়া দুজন মানে আহি পিৰিলিৰ মাকক বুজনি দি কন্দা-কটাটো যেনেতেনে বন্ধ কৰিলে। মানুহ বিলাকৰ কথা— 'তাই মৰিবলৈ যোৱা নাই নহয়। আৰু কিবা অজাতি বা আহুমদিয়া লৈ যোৱা নাই নহয়। অঁ, হওঁতে পিতচিং দুখীয়া কিন্তু সিহঁতেতো মাটি নেখায়। অন্য দুখীয়া দহ-চাৰিঘৰলোকে খাই বৈ থকাৰ দৰে সিহঁতেও দুবেলা দুমুঠি খাব............ইত্যাদি।

মনুজে কোনজনীনো পিৰিলি আছিল ভালকৈ নামে ছোৱালীয়ে মিলাব নোৱাৰিলে। পিতচিঙৰ কথাটো বাদেই। পিচত বিন্দেশ্বৰে চেহেৰাৰ বৰ্ণনা দি মাল-

৪. মিচিঁং — ঘৰৰ আগফালৰ মুকলি কোঠা

৫. বিচু — বিহু

যুঁজ খেলত যে ৰংদৈক বাৰেপতি ঘৰলৈ 'সোনাকালে যাওঁ, সোনকালে যাওঁ,' বুলি লগ ধৰি আছিল, সেইজনী বুলি কোৱাতহে চেৰেং কৈ চেহেৰাটো তাৰ চকুৰ আগত ভাহি উঠিল। মনুজে মনতে ভাৱিলে সেই হেবেঙি[৬] যেন দেখা ছোৱালীজনীয়ে তলে তলে ইমান আগবঢ়া নে? নে সকলো ছোৱালী জাতিয়েই তেনেকুৱা? মনুজৰ মনটো অজানিতে দুৰু দুৰু কৈ কঁপি উঠিল।

ৰংদৈয়ে শুবলৈ বুলি বিছনাত পৰিল যদিও কাণ থিয় কৰি ৰাখি বিন্দেশ্বৰ আৰু মনুজৰ সকলো কথা-বতৰা শুনি আছিল। পিৰিলি পলোৱাৰ কথাটো তাই সঁচাকৈ জানিছিল যদিও বিন্দেশ্বৰে খবৰ লৈ অহাত তাই নিশ্চিত হৈ পৰিল। তাৰে আগলৈকে ৰংদৈৰ বিশেষ চিন্তা নাছিল। পিতচিঙে পিৰিলিক পলুৱাই নিব— ল'ৰা ছোৱালী হ'ব— পিচলৈ লগৰ সমনীয়া বিলাকে সিহঁতৰ ল'ৰা-ছোৱালীবোৰৰ মাক-বাপেকৰ নাম কাঢ়ি জুকাবলৈ ভাল পাব— 'পি-পি' বুলি অৰ্থাৎ পিতিচিং-পিৰিলি। বহু সিমানেই। কিন্তু আজি হঠাতে সঁচাই পিৰিলিয়ে বিয়া সুমুৱা বুলি নিশ্চিত হৈ ৰংদৈৰ গা-মন ভাল নলগা হৈছে। তাই শুব নোৱাৰি লুটিবাগৰ মাৰিছেহে মাৰিছে। টোপনি যাবলৈ বুলি অশেষ চেষ্টা কৰিছে যদিও বাৰে বাৰে তাইৰ পিৰিলিৰ ছবিটোহে দেখি থাকিল।

ৰংদৈৰ মনত অনেক চিন্তাই জুমুৰি দি ধৰিলে। আজি যদি পিৰিলি নহৈ তাইৰ ঠাইত ৰংদৈ হ'লহেঁতেন! তেনেহ'লে চোন — এই দিনটো তাইৰ জীৱনৰ কাৰণে কিমান গুৰুত্বপূৰ্ণ হ'লহেঁতেন। এখন বেলেগ ঘৰৰ পৰা এখন আচহুৱা ঘৰলৈ নিগমন। জীৱনৰ এটা স্তৰৰ পৰা অন্য এটা স্তৰলৈ যাত্ৰা। এটা একক অঙ্কৰে গঠিত জীৱনৰ পৰা এটা যুগ্ম জীৱনলৈ গতি। এটা মুকলিমূৰীয়া চঞ্চলা স্থিতিৰ পৰা এটা জটিল বন্ধনিৰ মাজলৈ................ নাই নাই আৰু চিন্তা কৰিব নোৱাৰি। ৰংদৈৰ চিন্তাশক্তি ৰুদ্ধ হৈ অৱশ হৈ পৰিল। মানসিকভাৱে ভাৱাক্ৰান্ত হৈ ৰংদৈয়ে অৱশেষত চকু দুটি মুদি দিলে। তাই টোপনিয়াবলৈ আকৌ চেষ্টা কৰিলে। কিন্তু নোৱাৰিলে। লাহে লাহে পিৰিলিৰ চেহেৰাই বোৱাৰী সাজত ৰংদৈৰ ওচৰত হাজিৰ হ'লহি। এটি বিদ্ৰুপৰ হাঁহিৰে পিৰিলিয়ে যেন ক'লে— 'মই জীৱনৰ পৰিপূৰ্ণতাৰ পিনে আগবাঢ়ি আছো, তোমালোকে কি কৰি আছা? সেই স্থিতিতেই অটল থাকিলে তুমি পৰিপূৰ্ণতাৰ স্বাদ-কোনোদিনে নাপাবা। আহা..........আহা...........আহা..... ..... মোক সম্ভাষন জনোৱা। ——সম্ভাষন.......।' ৰংদৈয়ে ভাৱিলে পিৰিলিৰ দৰে সেই হেবেঙি জনীয়ে তাইক বৰ বৰ কথা শুনাবলৈ সাহস পালে ক'ত? আজি বিয়াত সোমায়েই তাই অহাকালিৰ

৬. হেবেঙি — আঁকৰী



কথা শুনায়। পৰিপূৰ্ণতা ...... স্থিতি.... স্বাদ.... সম্ভাষন........ এইবোৰ শব্দ তাই এদিনতে কেনেকৈ শিকি পেলালে। নেঁ বিয়া এনেকুৱা এটা যাদুলগা পৰ্ব য'ত সোমালেই এদিনতে সলনি হৈ পৰে? হবও পাৰে.......... উদাহৰণস্বৰূপে— পিৰিলি।

ৰাতিপুৱাতে ৰংদৈৰ কাণত মাইকৰ শব্দ পৰিলহি। ৰিণি ৰিণি পৰা মাইকৰ মাতত ৰংদৈ চকামকাকৈ উঠিল। তাই মাইকৰ মাতটো কোন ফালৰ পৰা আহিছে বিছনাৰ পৰাই গম ল'লে। মাইকৰ মাত দক্ষিণচুবাৰ পৰা অহা বুলি খাটাং হোৱাতহে তাইৰ পিৰিলিৰ বিয়া উঠোৱা কথাটো মনত পৰি গ'ল। পিৰিলিৰ কথাটো পুনৰ মনত অহাৰ লগে লগে তাইৰ যোৱা ৰাতিৰ কথাবোৰ আকৌ ডোখৰ ডোখৰকৈ মনত পৰিল। সেইবোৰ মনৰ ভাৱনা নে সপোনেই আছিল তাই ঠিক ধৰিবই নোৱাৰিলে।

মাইকৰ সুৰে সুৰে ৰংদৈয়ে শুনিলে— পুৱাৰে পৰা আৰু এটা মাইক বাজি আছে। সেইটো মাইক আচল মাইক নহয় স্বয়ং নিজৰ দেউতাক। এই বলকনি যে বিন্দেশ্বৰক উদ্দেশ্যি তাক বুজিবলৈ আৰু বাকী নোথাকিল। বাপেকৰ বলকনি আহি তাইৰ কাণত পৰিলহি— 'বিহুটো গ'লগৈ যেতিয়া, ৰংৰহইচ্ বাদ দি খেতিত নামিব লাগে। ইফালে শালি কঠীয়া এটোপোলাও পেলোৱা হোৱা নাই। মাটি চহাই এতিয়াই নথলে পানী অহাৰ লগে লগে কি কৰিব বুলি ভাৱেছেবা! নাঙল-যুঁৱলি আদি মই নিজে চাই চিতি থৈছোৰেই। নে মই আকৌ পথাৰত নামিব লাগিব? ..........' ইত্যাদি, ইত্যাদি।

মাইকৰ মাত আৰু ঘৰত দেউতাকৰ বলকনিত বিন্দেশ্বৰে শুই থাকিব নোৱাৰিলে। লগত মনুজ থকাৰ বাবে তাৰ বেচিঁকৈ লাজ লাগিল। দেউতাকৰ ওপৰত তাৰ এবাৰ টিঙিচ্‌কৈ খং এটা উঠিছিল। কিন্তু উঠিলেও নো কি হ'ব? দেউতাকেওটো বৰ অদৰকাৰী কথা কোৱা নাই। কেৱল সুৰটো অলপ বেলেগ আৰু! মনুজেও মোমায়েকৰ বক্‌বকনি বৰ এটা ভাল নেপালে। তাৰো অলপ লাজ লাগিল। কাৰণ— সি থকাৰ কাৰণেহে কিজানি বিন্দেশ্বৰে হাল বাবলৈ যো-জা কৰিব পৰা নাই। মনুজে মনে মনে থিৰাং কৰিলে সি অহা কালি মানে ঘৰলৈ গুচি যাবগৈ। কথাটো সি নিজে মোমায়েকৰ আগতে ভাত খাওঁতে উলিয়াব বুলি মনস্থ কৰিলে। অলপীয়াকৈ মনুজে বিন্দেশ্বৰক কথাটো আগতিয়াকৈ কাণ ছোৱাই থোৱাত বিন্দেশ্বৰে ভালেই পালে। অন্ততঃ এটা লেঠা কমিব। লগে লগে তাৰ কিছু চিন্তাও কমিব।

সকলোৰে যেতিয়া খোঁটালীত ভাত খাবলৈ বহিল তেতিয়া মনুজে সি যে অহাকালিলৈ যাবগৈ তাকে মোমায়েকক জনালে। কথাটো শুনি বৰদেউৰীয়ে গিজ্‌গিজাই উঠিল— 'তোৰ আকৌ কি জক উঠিল! অহাকালিলৈ যাবিগৈ? তই হ'বলা— 'মিদি

দিগেঁ দাবেৰুবা' বিহু খাই নেযাব? সেইদিনা 'বহুৱা'[৭] এৰিম নহয়! সেইবিলাক কৰবাত দেখি পাইছ জানো?'

'বিহু শেষ বুলি কৈ আৰু এটা বিহু ক'ৰপৰা ওলালে? সেইটো বা কেতিয়া পৰিছে?' — উৎসুকেৰে মনুজে মোমায়েকক সুধিলে।

ঃ আচলতে এইটো বিহু— বিহু বুলি কোৱা নেযায়; কিন্তু বিহুৰ এটা সামৰণি উৎসৱৰ দৰে। ইয়াক ৰাজকেবাং বুলিও কোৱা হয়। এইটো উৎসৱ অহা দেওবাৰে মানেই ৰাইজে ঠিক কৰিছে। বৰদেউৰীয়ে চুজেঁৰ ডাঙৰ বাটিটো মুখৰ ওচৰলৈ আনি কথাখিনি ক'লে।

বিন্দেশ্বৰে প্ৰথমতে মনুজৰ যোৱাটো ঠিক হৈছে বুলি জানি মনতে ভাল পাইছিল যদিও বাপেকৰ কথাত মনুজ আকৌ দুদিনমান ৰৈ যোৱা কথাটো খাটাং বুলি জানি মনটি সেমেকি উঠিল। মনে মনে তাৰ বাপেকৰ ওপৰতহে খঙ উঠিল। যাবলৈ বিছৰা ল'ৰাটোকনো এনেকৈ লোভ দেখুৱাই ৰাখিব পায়নে? এনেকৈয়ে তাক লাই দি দি ওপৰত তুলিছে।

ঃ হ'ব বাৰু মমাই। তেন্তে মই 'ৰাজকেবাঙ' আৰু বহুৱা চাইহে যামগৈ। ঘৰতো মোৰ তেনেকৈ বৰ্ত্তমান কাম নাই। ইয়াৰ পৰা গৈয়েই ডিব্ৰুগড়ৰ হোষ্টেললৈকে গুচি যাবগৈ লাগিব। আৰু! হে.......... হে...........। মনুজে কথাখিনি যেন বৰ জুতি লগাই ক'লে, তেনে ভঙ্গিমা তাৰ গালে মুখে পৰিস্ফুত হ'ল। ইফালে কথাবোৰ বিন্দেশ্বৰৰ বুকুত শাল বিন্ধাদি বিন্ধি থকা সৰকা কৰিলে। কোনো মতে সি সহ্য কৰি থাকিল। কাৰণ— একোতে তাৰ উন্নতি নহ'লেও এই সহ্য কৰা গুণটো আয়ত্ব কৰাত বিন্দেশ্বৰ আজিকালি সিদ্ধহস্ত হৈ পৰিছে।

● ● ●

৭. বহুৱা — বিশেষ দল



## (৯)

'ৰাজকেবাঙ'ৰ দিন। লগতে পিঠা খোৱা বিহু অৰ্থাৎ 'মিদি দিগেঁ দাবেৰুবা বিচু'। প্ৰতি ঘৰতে বিভিন্ন ধৰণৰ পিঠা বনাবৰ বাবে চাউলৰ পিঠাগুড়ি খুন্দা, গুড়-চেনি যোগাৰ কৰা, সৰিয়হৰ মিঠাতেল পেৰা আদি কাম আগদিনাখনেই শেষ কৰি থৈছে।

ৰংদৈহঁতৰ ঘৰৰ কাৰণে এইবোৰ কাম ভাগে ভাগে থাকে। যেনে— চাউলৰ পিঠাগুড়ি খুন্দা কাম তাইৰ আৰু মাকৰ। গুড় চেনি যোগাৰ কৰাটো— দেউতাক আৰু বিন্দেশ্বৰৰ। সৰিয়হৰ তেল পেৰাত কিন্তু কোনেও ৰেহাই নেপায়। এইটো কামত মনুজৰ দৰে ডেকা-আলহীবোৰেও সহায় কৰিবলগীয়া হয়। কাৰণ — এইটো কামত অধিক মানুহৰ দৰকাৰ। অৱশ্যে বৰদেউৰীয়ে এনেবোৰ কামতো কেৱল দিহা পৰামৰ্শ দিয়াতেই ক্ষান্ত থাকিবলগীয়া হয়। কিয়নো— তেওঁ ঘৰখনতকৈ সমাজৰ কামতেই বেচিভাগ সময় ব্যস্ত থাকে। আজিৰ দিনটোতো সেয়েহে ৰাতিপুৱাতে গা-পা ধুই দেওঘৰলৈ বুলি গৈছে। বৰদেউৰীৰ মতে আজিৰ সকামটোৱেই বোলে আটাইতকৈ ডাঙৰ আৰু তাৎপৰ্যপূৰ্ণ সকাম। ইয়াত তেত্ৰিশ কোটি দেৱতাক বোলে স্মৰন কৰি ভাগে ভাগে পূজা কৰিব লাগে। গাহৰি, হাঁহ, কুকুৰা উচৰ্গা কৰি দেৱতাক সন্তুষ্ট কৰাটোৱেই ইয়াৰ মুখ্য উদ্দেশ্য। এই উৎসৱৰ উল্লেখনীয় বিশেষত্ব হ'ল— ইয়াক দেও ঘৰৰ ভিতৰত নেপাতি মৰং ঘৰৰ ওচৰত পথাৰত বা নদীৰ বাকৰিত পতা হয়। শাৰী শাৰী কৈ কেবাটাও বাঁহৰ আৰু খাগৰিৰ বিশেষ কিছুমান অৱয়ব বনাই লৈ বালিৰ ঢাপ তুলি সেইবিলাক থিয় কৰাই থৈ পূজা কাৰ্য সমাপন কৰা হয়।

ৰংদৈহঁতে পূজা-সকামৰ চিন্তা একো নকৰিলেও হয়। কেৱল ৰাতিপুৱাতে বাপেকক দেওঘৰলৈ ওলাই যোৱাত সহায় কৰি দিয়া কাম খিনিতহে তাইক দৰকাৰ। এইমাত্ৰ বাপেক ওলাই গ'ল যেতিয়া দিনটোৰ কাৰণে বৰদেউৰীৰ বাবে চিন্তা কৰিব নেলাগে। এতিয়া কেৱল তাইৰ নিজৰ কামখিনিহে মাথোন আগবঢ়াবলৈ বাকী আছে। তাৰো পৰি লগত মাকজনী আছেই। অৱশ্যে বুঢ়ী মাকজনী নহ'লেও তাই অকলশৰেই বিচুৰ যাৱতীয় জা-যোগাৰ কৰিব পৰা শকতি পূৰাদমে আছে। বৰদেউৰীয়নীও বুঢ়ী হৈছে যদিও এনেয়ে বহি চুজেঁ খাই থকা বিধৰ নহয়। তাইয়ো কাজী হৈয়েই আছে। আগদিনাখনৰ পৰাই তাই এই 'ৰাজকেবাঙ'ৰ বাবে কমখন কাম কৰা নাই নে?

আগবেলাতেই মিঠাতেল পেৰা কামত লাগি-ভাগি পিচবেলালৈ ডাল শাক বিচাৰি লগৰ বুঢ়ী কেইজনীৰ লগত গৈ 'মিককা', 'নেপাপু', 'তেবেজু', 'চকাতি', 'দুদুঁ' আদি নানা বনৰীয়া শাক-পাচলি 'তুচে্ছ' ১ ভৰাই আনি ঘৰত দমাই থোৱাহি নাই জানো?

বৰদেউৰী দেওঘৰলৈ বুলি ওলাই যোৱাৰ অলপ পিচতে ৰংদৈয়ে আগদিনাখনেই গধূলি তিয়াই থোৱা বৰা চাউল আৰু লাহী চাউল সোপা ঢেঁকীশাললৈ নমাই আনিলে। বৰদেউৰীয়নীও ঘৰৰ ৰান্ধনিশালৰ কামবোৰ আগবঢ়াই ঢেঁকীশাললৈ নামি অহা কথা।

অন্যফালে বিন্দেশ্বৰে নিজৰ কাম-বনবোৰ শেষ কৰি আহি পুনৰ মনুজৰ লগ লাগিলহি। মনুজে অকলশৰে ৰংদৈক ঢেঁকীশালত দেখা পাই তাইৰ ওচৰলৈ আগবাঢ়ি গ'ল। বিন্দেশ্বৰো ঢেঁকীকে অলপ মাৰি ৰংদৈক সহায় কৰি দিবলৈ বুলি ঢেঁকীশাল পালেগৈ। বিন্দেশ্বৰক ঢেঁকী মৰা দেখি মনুজো ঢেঁকী মাৰিবলৈ সোঁ ভৰিখন ঢেঁকীৰ নেজলৈ আগবঢ়াই দিলে। দুজন পাহুৱাল ডেকাৰ ভৰিৰ ভৰত ঢেঁকীয়ে অদ্ভুত ধৰণেৰে চিঞৰিবলৈ ধৰিলে। ঢেঁকীৰ মাত শুনি বৰদেউৰীয়নীয়ে ৰান্ধনি-শালৰ দুৱাৰেদি চাই পঠিয়াই দেখিলে— বিন্দেশ্বৰ আৰু মনুজৰ দুই ভৰিৰ ভয়ত ঢেঁকীয়ে কক্‌বকাই আছে। এক আত্মসন্তুষ্টিৰ চিন প্ৰকট্ কৰি বৰদেউৰীয়নীয়ে 'লা-খোৱা' ক'লা দাঁত কেইটা উলিয়াই গৌৰৱেৰে ক্ষন্তেক হাঁহিলে।

ককায়েক আৰু মনুজৰ সহায়ত পিঠাগুড়ি খুন্দা হ'লত সামৰি-সুতৰি ঘৰলৈ উঠি গৈ ৰংদৈয়ে পিঠা বনাবলৈ লাগি গ'ল। কাৰণ— সময় ৰৈ নাথাকে। ইফালে অলপ পিচতে গাৱঁৰ সৰু ল'ৰা-ছোৱালী জাকে পিঠা খাবলৈ জাউৰীয়ে জাউৰীয়ে আহিবই। লগত যিহে খৰিকা একোডাল হাতে হাতে লৈ আহে দেখিলে ৰংদৈৰ ভয়হে লাগে। যেন— পিঠা নেপালে সেই কেইডালেৰে গাহৰি খোঁচ মৰাদি মাৰি থৈহে যাব!

আচলতে সেইটো ৰংদৈৰ মনৰ ওপৰুৱা ভাৱনাহে। সৰু ল'ৰা-ছোৱালীজাকে হওঁতে হাতে হাতে জোঙা খৰিকা একোডাল আনে যদিও সেই কিডাল সিহঁতে খাই আদিগা হোৱা পিঠাবোৰহে বিন্ধাই লৈ যাবলৈ আনে।

ৰংদৈয়ে পিঠা ভাজিবলৈ লোৱা দেখি মনুজেও তাইৰ ওচৰতে লেপেটা কাঢ়ি বহি লৈ পানী মিহলাই গুড়েৰে সনা পিঠা গুড়ি খিনিৰ চৰিয়াটো ওচৰলৈ টানি ল'লে। চৰিয়াটোৰ ওচৰতে ৰংদৈয়ে চালনী এখন লৈ তাত থেপথেপীয়া কৰি লোৱা পিঠা গুড়িবোৰ দুয়োখন হাতেৰে একোটাকৈ সৰু সৰু ৰুটীৰ আকাৰত চেপেটা কৰি ল'লে। আকাৰবোৰ ঘিলাৰ সমান হোৱাৰ বাবেই নেকি বৰদেউৰীহঁতে এই পিঠাৰ নাম 'ঘিলাপিঠা' ৰাখিছে। ইফালে আখলৰ ওপৰত বহাই থোৱা কেৰাহিত পেৰা সৰিয়হৰ তেলে 'পিঠা

১. তুচে্ছ -- বাঁহৰ বা বেতৰ বেগ



ভাজো, পিঠা ভাজো' কৰি উতলি আছিল। চালনী খনৰ পৰা দুটামান পিঠা ৰংদৈয়ে কেৰাহিত দি দিয়াত তেল ছিটিকি আহি মনুজৰ ভৰিত পৰিলহি। মনুজ গৰম তেলৰ উত্তাপত 'উহ' কৰি বহাৰ পৰা জঁপিয়াই উঠিল। ৰংদৈয়ে তাকে দেখি ততাতয়াকৈ বহাৰ পৰা উঠি গৈ মনুজৰ তেল পৰা ঠাই ডোখৰত চকু পেলালে। গৰম তেলৰ ছিটিকনিয়ে নিমিষতে মনুজৰ ভৰিৰ ছালত পকি উঠিল। ৰংদৈয়ে 'কি কৰো, কি নকৰো' কৰি সাউৎকৈ 'দুদেপাতি'২ৰ এচুকত থোৱা ডাঙৰ চুঙাৰ পৰা নিমখ অকনমান লৈ তেল পৰা ঠাই ডোখৰত সানি দিলে। তাৰ পিচত ৰংদৈয়ে আকৌ পিঠা ভজা কামত নিমগ্ন হ'ল।

মনুজে ৰংদৈৰ দৰদসনা কাৰ্যত অভিভূত হ'ল। অৱশ্যে ৰংদৈৰ বাবে সেয়া মানৱীয়তাবোধৰ পৰিচায়কহে। কাৰণ— মনুজৰ ঠাইত যদি ককায়েক বিন্দেশ্বৰৰ গাত তেনেকৈ তেল পৰাহেঁতেনো সেই একেখিনি কামকে ৰংদৈয়ে কৰিলেহেঁতেন। ৰংদৈৰ বাবে নিজৰ পেহীয়েকৰ ল'ৰা যেতিয়া মনুজ তাইৰ নিজৰ ককায়েকৰ সমান।

মনুজে কথাটো তেনেকৈ সহজভাৱে ল'লে নে নাই ৰংদৈয়ে কিন্তু নুবুজিলে। আৰু মনুজে বেলেগ ধৰণেৰে কথাটো ল'লেও ৰংদৈৰ কি যায়? নিজে ভাল হৈ থাকিলেই হ'ল। এনেয়ে নকয় নহয় বোলে— 'নিজ ভালেই, জগত ভাল'। সেইকন দৃঢ় বিশ্বাস নিজৰ আছে আৰু ভৱিষ্যতেও থাকিব বুলি তাইৰ বিশ্বাস।

ৰংদৈৰ আনমনা মনটো মনুজে ধৰিব পাৰিলে বুলি অনুভৱ কৰি তাই 'দুদেপাতি'ৰ সিটো চুকত ৰখা খৰাহিত থোৱা পিঠাবোৰৰ পৰা এখন পিঠা উলিয়াই লৈ মনুজক খাই চাবলৈ দিলে। মনুজেও যন্ত্ৰৰ দৰে হাতখন আগবঢ়াই দি পিঠা খাই 'বৰ ভাল হৈছে' বুলি শলাগিলে। ৰংদৈৰ বাবে এই 'বৰ ভাল হৈছে' বোলাৰ অৰ্থ বৰ কঠিন যেন লাগিল।

ৰংদৈয়ে পিঠা ভাজি শেষ কৰিছে কি নকৰিছে তেনেতে এজাক ল'ৰা-ছোৱালী পিঠা খাবলৈ ঘৰৰ ভিতৰলৈ ল'ৰি ল'ৰি সোমাই আহিল। 'আও........! ইহঁতজাক ইমান সৰৱজান নে? পিঠা ভাজি শেষ কৰাৰ লগে লগে যে আহি পালেহি!' ৰংদৈয়ে মুখৰ ভিতৰতে এনেয়ে ভোৰ ভোৱালে। লগে লগে তাই পিঠা কেইখনমান এখন কাঁহীত বেলেগে থৈ খৰাহিৰ পৰা সকলো ল'ৰা-ছোৱালীকে এখন এখন কৈ পিঠা হাতে হাতে ভগাই দিলে। ল'ৰা-ছোৱালীজাকে পিঠা পাই দৌৰি দৌৰি ঘৰৰ ভিতৰৰ পৰা ওলাই গ'ল। কিছুমানে সম্পূৰ্ণ খালে, কিছুমানে আধা খাই চালে আৰু কিছুমানে অকনো নোখোৱাকৈ হাতত থকা খৰিকাটোত ফুটুৱাই গাঁথি ললে।

২. দুদেপাতি — জুশাল

তাৰপিচত তেনেকুৱা কেইবাজাকো ল'ৰা-ছোৱালী আহিল। গ'ল। সময় হৈ অহাৰ লগে লগে ল'ৰা-ছোৱালীৰ জাক কমি আহিল। ৰংদৈয়ে কেৰাহিত থাকি যোৱা মিঠাতেলত মাকে আনি থোৱা 'মিককা' ডালশাক ভাজি লৈ মনুজৰ স'তে ভাত খাবলৈ বহিল। বিন্দেশ্বৰে আজি ভাত নেখায়। কাৰণ— সি আজি 'বহুৱা'[৩] হ'ব। 'বহুৱা' হোৱালোকে সেইদিনা দিনৰ দিনটো উপবাসে থাকিব লাগে বুলি সিহঁতৰ নিয়ম। তাকে নকৰিলে বোলে 'বহুৱা' নেখাটে।

বিন্দেশ্বৰে 'বহুৱা'ৰ বাবে দৰকাৰী কাপোৰ-কানি বিছাৰি খোঁচাৰি ল'লে। কাপোৰ-কানি মানে গেঞ্জী এটা আৰু এখন পুৰণি গামোচা। সি সেইখিনিকে টোপোলা হিচাপে বান্ধি ল'লে। সি জানে যে, সেইবোৰ 'বহুৱা' হিচাপে ব্যৱহাৰ কৰাৰ পিচত একেবাৰে ঘাটতে পেলাই থৈ আহিব লাগিব। ঘূৰাই গৈ আহিব নেপায় বুলি সিহঁতৰ জনবিশ্বাস।

আবেলি মনুজৰ স'তে বিন্দেশ্বৰে মৰং ঘৰলৈ ওলাল। যাওঁতে বিন্দেশ্বৰে লগত কাপোৰৰ টোপোলাটো লৈ যাবলৈ নেপাহৰিলে। সিহঁতে গৈ পোৱা মানে মৰংঘৰত কুকুৰা যুঁজ বেছকৈ চলি আছিল। মানুহ বোৰে জুম বান্ধি কুকুৰা যুঁজ খেলত মত্ত। বিন্দেশ্বৰহঁতে জুমৰ লগত মিলি পৰিল। ভিৰ ঠেলি বিন্দেশ্বৰে দেখিলে— সিটো চুবাৰ উৰাচিং আৰু এই চুবাৰ লালচিঙে কুকুৰাৰ ঠেঙত চোকা ও জোঙা লোহাৰ শান আল হিচাপে বান্ধি দিয়া কামত ব্যস্ত। আল বান্ধি হোৱাত দুয়োফালৰ পৰা গৰাকীৰ হতুৱাই দুপিনৰ পৰা ডাঙৰ ডাঙৰ মতা কুকুৰা দুটা এৰ খাই আহিল। এৰি দিয়া মাত্ৰেই দুয়োটা কুকুৰাৰ মাজত তয়াময়া যুঁজ আৰম্ভ হ'ল। যুঁজ দেখি চাৰিওফালৰ মানুহে কিৰিলি পাৰিবলৈ ধৰিলে।

খেল আৰম্ভ হোৱালৈ লক্ষ্য ৰাখি কলাচিং আৰু তাপচিঙে ওপৰতে বিত আৰম্ভ কৰি দিলে। কুকুৰা দুটাৰ গৰাকী বলি আৰু দিবুৰ মন থৌকি-বাথৌ লাগিল। কোন হাৰে কোন জিকে! এবাৰ দিবুৰ কুকুৰাটোৱে বলিৰ কুকুৰাটোৰ বুকুতে আল সুমুৱাই দিলে। আল লগা ঠাইৰ পৰা তেজ জলকা জলকে পৰিল। আল আহি যেন বলি বুঢ়াৰ বুকুতে লাগিল তেনে ভাৱ পৰিস্ফুত হ'ল বলি বুঢ়াৰ গালে-মুখে। তেজ অবিৰতভাৱে নিগৰি থকাৰ বাবে কুকুৰাটোৱে ক্ৰমান্বয়ে লেবেজান হৈ আহিল। তথাপিও আঘাতপ্ৰাপ্ত কুকুৰাটোৱে প্ৰান-পণে যুঁজি থাকিল। কিন্তু তেজ বেচিকৈ ওলোৱাৰ বাবে অৱশেষত বলিৰ কুকুৰাটোৱে পৰাজয় স্বীকাৰ কৰি পলোৱাৰ চেষ্টা কৰিলে। তাকে দেখি দিবুৱে 'জিকিলো, জিকিলো' বুলি চিঞৰ মাৰি প্ৰায় দৌৰি যোৱাদি আগবাঢ়ি গৈ নিজৰ কুকুৰাটোক দিবুয়ে ধৰি আনি আনন্দত মতলীয়া হ'ল। লগে লগে আহত

৩. বহুৱা — হুঁচৰি লোৱা বহুৰৰ এটা বিশেষ দল



হোৱা বলি বুঢ়াৰ কুকুৰাটো পলকতে নিজৰ কব্জালৈ আনিলে।

তাৰপিচত আকৌ এহাল কুকুৰা যুঁজৰ বাবে সাজু কৰিলে। সেয়া মনিচিং আৰু লীলাধৰৰ ভাগৰ। কোন জিকিল কোন হাৰিল মনুজ আৰু বিন্দেশ্বৰে সেইখন যুঁজ নোচোৱাকৈ তাৰপৰা লাহে লাহে আঁতৰি গ'ল।

মনুজ আৰু বিন্দেশ্বৰে লাহে লাহে মৰং ঘৰৰ সিটো চুকত চলি থকা খড়ি খেল চাবলৈ গ'ল। নৰেশ্বৰ, মনবৰৰ লগতে আৰু দুজনমানে কাপোৰ এখন পাৰি লৈ খড়ি গুটি খেলি আছে। তাত মানুহৰ ভিৰ যথেষ্ট কম। নৰেশ্বৰে এবাৰ গোটেই খিনি গুটিকে হাতত লৈ পাৰি থোৱা কাপোৰত মাৰি পঠিয়ায়। লগে লগে গুটি বোৰলৈ চাই চাই কিবা হিচাপ কৰি 'হেঁ—হেঁ' কৈ হাঁহে। এবাৰ এবাৰ মুখ কেইখন সকলোৰে বিকটাই পেলায়। তাৰ পিচত তাৰে কেইটমান গুটি আঁতৰাই থৈ বাকীখিনি হাতত লৈ আকৌ মাৰি পঠিয়ায়। তাৰ পিচত হিছাপ। হাঁহি। মৌনতা। কেতিয়াবা মুখত 'চেঃ চেঃ' শব্দ। মনুজে বিন্দেশ্বৰক কিবা বুজিছে নেকি সোধাত বিন্দেশ্বৰে 'ওঁহো' বুলি কোৱাত দুয়ো লাহে লাহে তাৰপৰা আঁতৰিল।

মনুজ আৰু বিন্দেশ্বৰে তাৰ পৰা আঁতৰি আহি মৰং ঘৰৰ অন্য এটা চুকলৈ পোনালে। ডাঙৰ বটগছৰ তলত 'বহুৱা' হ'ব খোজা ডেকা জাকে লাহে লাহে গোট খাইছেহি। প্ৰত্যেকৰে হাতত একো একোটা টোপোলা। সিহঁতক চাবলৈ সৰু ল'ৰা-ছোৱালীবোৰে জুম বান্ধিছেহি। 'বহুৱা' হ'ব খোজা ডেকা জাকৰ ভিতৰত লেমটা, বতেৰা, মোহন, অনিল, টানুৱা, বিচম্বৰ, সোমেশ্বৰকে আদিকৰি প্ৰায় বিশজন মান ডেকা। সিহঁত কেইজনমানে বাঁহ চুচি চুচি লাঠী বনাই আছে। দুজনমানে গছৰ ডাল-পাত কাটি আনিছে। কিছুমানে কলৰ শুকান পাত গোটাই আনি দমাইছেহি। মুঠতে এটা যুদ্ধকালীন তৎপৰতা। বিন্দেশ্বৰেও আগবাঢ়ি গৈ সিহঁতজাকৰ লগতে লাগি-ভাগি একাকাৰ হৈ পৰিল। মনুজে তন্ময়তাৰে সেইবোৰকে নিৰীক্ষণ কৰি থাকিল।

সময় আগবঢ়াত মৰংঘৰত থকা ৰাইজে খেলবোৰ সামৰি ৰাজকেবাঙৰ থলীলৈ পোনালে। তাতো পূজা-পাতলৰ কাম আধ্যা পৰাত ভোজ-ভাত খাই সকলোৱে ঘৰাঘৰি যাবলৈ ধৰিলে। বিন্দেশ্বৰৰ পৰামৰ্শমতে মনুজো সন্ধ্যা হোৱাৰ আগে আগে ঘৰলৈ ওলাল।

গাৱঁৰে দুজন বয়সস্থ মানুহে 'বহুৱা' কেইটাৰ সাজ-পোছাকৰ নামত কলৰ শুকান পাত আৰু গছৰ পাত মেৰিয়াই গোটেই গাটোকে ঢাকি সজাইছে। নিমিষতে গোটেই কেইটা 'বহুৱা' ৰূপী ডেকাজাক একো একোটা অদ্ভুত জন্তুৰ ৰূপলৈ পৰিবৰ্তন হৈ পৰিল।

'বহুৱা'বোৰ যোৱাপাতি হালে হালে গাৱঁৰ মাজেৰে যাবলগীয়া হয়। আজি বিন্দেশ্বৰ আৰু অনিল এযোৰ বহুৱা ৰূপত। বিন্দেশ্বৰ হৈছে 'মতা বহুৱা' আৰু অনিল 'মাইকী বহুৱা'। 'মতা বহুৱা'টোৰ কাম ঘৰে ঘৰে লাঠীৰে কোবোৱা আৰু বাটত উদংকৈ

তাৰপিচত তেনেকুৱা কেইবাজাকো ল'ৰা-ছোৱালী আহিল। গ'ল। সময় হৈ অহাৰ লগে লগে ল'ৰা-ছোৱালীৰ জাক কমি আহিল। ৰংদৈয়ে কেৰাহিত থাকি যোৱা মিঠাতেলত মাকে আনি থোৱা 'মিককা' ডালশাক ভাজি লৈ মনুজৰ স'তে ভাত খাবলৈ বহিল। বিন্দেশ্বৰে আজি ভাত নেখায়। কাৰণ— সি আজি 'বহুৱা'[৩] হ'ব। 'বহুৱা' হোৱালোকে সেইদিনা দিনৰ দিনটো উপবাসে থাকিব লাগে বুলি সিহঁতৰ নিয়ম। তাকে নকৰিলে বোলে 'বহুৱা' নেখাটে।

বিন্দেশ্বৰে 'বহুৱা'ৰ বাবে দৰকাৰী কাপোৰ-কানি বিছাৰি খোঁচাৰি ল'লে। কাপোৰ-কানি মানে গেঞ্জী এটা আৰু এখন পুৰণি গামোচা। সি সেইখিনিকে টোপোলা হিচাপে বান্ধি ল'লে। সি জানে যে, সেইবোৰ 'বহুৱা' হিচাপে ব্যৱহাৰ কৰাৰ পিচত একেবাৰে ঘাটতে পেলাই থৈ আহিব লাগিব। ঘূৰাই গৈ আহিব নেপায় বুলি সিহঁতৰ জনবিশ্বাস।

আবেলি মনুজৰ স'তে বিন্দেশ্বৰে মৰং ঘৰলৈ ওলাল। যাওঁতে বিন্দেশ্বৰে লগত কাপোৰৰ টোপোলাটো লৈ যাবলৈ নেপাহৰিলে। সিহঁতে গৈ পোৱা মানে মৰংঘৰত কুকুৰা যুঁজ বেছকৈ চলি আছিল। মানুহ বোৰে জুম বান্ধি কুকুৰা যুঁজ খেলত মত্ত। বিন্দেশ্বৰহঁতে জুমৰ লগত মিলি পৰিল। ভিৰ ঠেলি বিন্দেশ্বৰে দেখিলে— সিটো চুবাৰ উৰাচিং আৰু এই চুবাৰ লালচিঙে কুকুৰাৰ ঠেংত চোকা ও জোঙা লোহাৰ শান আল হিচাপে বান্ধি দিয়া কামত ব্যস্ত। আল বান্ধি হোৱাত দুয়োফালৰ পৰা গৰাকীৰ হতুৱাই দুপিনৰ পৰা ডাঙৰ ডাঙৰ মতা কুকুৰা দুটা এৰ খাই আহিল। এৰি দিয়া মাত্ৰেই দুয়োটা কুকুৰাৰ মাজত তয়াময়া যুঁজ আৰম্ভ হ'ল। যুঁজ দেখি চাৰিওফালৰ মানুহে কিৰিলি পাৰিবলৈ ধৰিলে।

খেল আৰম্ভ হোৱালৈ লক্ষ্য ৰাখি কলাচিং আৰু তাপচিঙে ওপৰতে বিত আৰম্ভ কৰি দিলে। কুকুৰা দুটাৰ গৰাকী বলি আৰু দিবুৰ মন থৌকি-বাথৌ লাগিল। কোন হাৰে কোন জিকে! এবাৰ দিবুৰ কুকুৰাটোৱে বলিৰ কুকুৰাটোৰ বুকুতে আল সুমুৱাই দিলে। আল লগা ঠাইৰ পৰা তেজ জলকা জলকে পৰিল। আল আহি যেন বলি বুঢ়াৰ বুকুতে লাগিল তেনে ভাৱ পৰিস্ফুত হ'ল বলি বুঢ়াৰ গালে-মুখে। তেজ অবিৰতভাৱে নিগৰি থকাৰ বাবে কুকুৰাটোৱে ক্ৰমান্বয়ে লেবেজান হৈ আহিল। তথাপিও আঘাতপ্ৰাপ্ত কুকুৰাটোৱে প্ৰান-পণে যুঁজি থাকিল। কিন্তু তেজ বেচিকৈ ওলোৱাৰ বাবে অৱশেষত বলিৰ কুকুৰাটোৱে পৰাজয় স্বীকাৰ কৰি পলোৱাৰ চেষ্টা কৰিলে। তাকে দেখি দিবুৱে 'জিকিলো, জিকিলো' বুলি চিঞৰ মাৰি প্ৰায় দৌৰি যোৱাদি আগবাঢ়ি গৈ নিজৰ কুকুৰাটোক দিবুয়ে ধৰি আনি আনন্দত মতলীয়া হ'ল। লগে লগে আহত

৩. বহুৱা — হুঁচৰি লোৱা বছৰৰ এৰা বিশেষ দল



হোৱা বলি বুঢ়াৰ কুকুৰাটো পলকতে নিজৰ কজ্জালৈ আনিলে।

তাৰপিচত আকৌ এহাল কুকুৰা যুঁজৰ বাবে সাজু কৰিলে। সেয়া মনিচিং আৰু লীলাধৰৰ ভাগৰ। কোন জিকিল কোন হাৰিল মনুজ আৰু বিন্দেশ্বৰে সেইখন যুঁজ নোচোৱাকৈ তাৰপৰা লাহে লাহে আতঁৰি গ'ল।

মনুজ আৰু বিন্দেশ্বৰে লাহে লাহে মৰং ঘৰৰ সিটো চুকত চলি থকা খড়ি খেল চাবলৈ গ'ল। নৰেশ্বৰ, মনবৰৰ লগতে আৰু দুজনমানে কাপোৰ এখন পাৰি লৈ খড়ি গুটি খেলি আছে। তাত মানুহৰ ভিৰ যথেষ্ট কম। নৰেশ্বৰে এবাৰ গোটেই খিনি গুটিকে হাতত লৈ পাৰি থোৱা কাপোৰত মাৰি পঠিয়ায়। লগে লগে গুটি বোৰলৈ চাই চাই কিবা হিচাপ কৰি 'হেঁ—হেঁ' কৈ হাঁহে। এবাৰ এবাৰ মুখ কেইখন সকলোৰে বিকটাই পেলায়। তাৰ পিচত তাৰে কেইটমান গুটি আঁতৰাই থৈ বাকীখিনি হাতত লৈ আকৌ মাৰি পঠিয়ায়। তাৰ পিচত হিছাপ। হাঁহি । মৌনতা। কেতিয়াবা মুখত 'চেঃ চেঃ' শব্দ। মনুজে বিন্দেশ্বৰক কিবা বুজিছে নেকি সোধাত বিন্দেশ্বৰে 'ওঁহো' বুলি কোৱাত দুয়ো লাহে লাহে তাৰপৰা আঁতৰিল।

মনুজ আৰু বিন্দেশ্বৰে তাৰ পৰা আঁতৰি আহি মৰং ঘৰৰ অন্য এটা চুকলৈ পোনালে। ডাঙৰ বটগছৰ তলত 'বহুৱা' হ'ব খোজা ডেকা জাকে লাহে লাহে গোট খাইছেহি। প্ৰত্যেকৰে হাতত একো একোটা টোপোলা। সিহঁতক চাবলৈ সৰু ল'ৰা-ছোৱালীবোৰে জুম বান্ধিছেহি। 'বহুৱা' হ'ব খোজা ডেকা জাকৰ ভিতৰত লেমটা, বতেৰা, মোহন, অনিল, টানুৱা, বিচম্বৰ, সোমেশ্বৰকে আদিকৰি প্ৰায় বিশজন মান ডেকা। সিহঁত কেইজনমানে বাঁহ চুচি চুচি লাঠী বনাই আছে। দুজনমানে গছৰ ডাল-পাত কাটি আনিছে। কিছুমানে কলৰ শুকান পাত গোটাই আনি দমাইছেহি। মুঠতে এটা যুদ্ধকালীন তৎপৰতা। বিন্দেশ্বৰেও আগবাঢ়ি গৈ সিহঁতজাকৰ লগতে লাগি-ভাগি একাকাৰ হৈ পৰিল। মনুজে তন্ময়তাৰে সেইবোৰকে নিৰীক্ষণ কৰি থাকিল।

সময় আগবঢ়াত মৰংঘৰত থকা ৰাইজে খেলবোৰ সামৰি ৰাজকেবাঙৰ থলীলৈ পোনালে। তাতো পূজা-পাতলৰ কাম আধ্যা পৰাত ভোজ-ভাত খাই সকলোৱে ঘৰাঘৰি যাবলৈ ধৰিলে। বিন্দেশ্বৰৰ পৰামৰ্শমতে মনুজো সন্ধ্যা হোৱাৰ আগে আগে ঘৰলৈ ওলাল।

গাৱঁৰে দুজন বয়সস্থ মানুহে 'বহুৱা' কেইটাৰ সাজ-পোছাকৰ নামত কলৰ শুকান পাত আৰু গছৰ পাত মেৰিয়াই গোটেই গাটোকে ঢাকি সজাইছে। নিমিষতে গোটেই কেইটা 'বহুৱা' ৰূপী ডেকাজাক একো একোটা অদ্ভুত জন্তুৰ ৰূপলৈ পৰিবৰ্ত্তন হৈ পৰিল।

'বহুৱা'বোৰ যোৱাপাতি হালে হালে গাৱঁৰ মাজেৰে যাবলগীয়া হয়। আজি বিন্দেশ্বৰ আৰু অনিল এযোৰ বহুৱা ৰূপত। বিন্দেশ্বৰ হৈছে 'মতা বহুৱা' আৰু অনিল 'মাইকী বহুৱা'। 'মতা বহুৱা'টোৰ কাম ঘৰে ঘৰে লাঠীৰে কোবোৱা আৰু বাটত উদংকৈ

থকা হাঁহ-কুকুৰা, ছাগলী- গাহৰি, মানুহ-গৰু যাক যেনেকৈ পায় তাক লাঠীৰে মাৰি যোৱা। 'মাইকী বহুৱা'ৰ কামৰ ভিতৰত লাঠী বুটলা আৰু লাঠীৰ কোবত মৰা পৰা খোৱা জন্তুবোৰ গোটাই যোৱা। লগতে হালৰে কাপোৰ-কানিৰ টোপোলাটো লৈ যোৱা। বিন্দেশ্বৰে ভালেই পালে-- সি দলিয়াই বা কোবাই যাব; অনিলে বুটলি বুটলি যাব।

চাৰিদেউৰীয়ে 'বহুৱা' কেইটাৰ কাৰণে বেলেগে অলপ 'বোজা'[৪] ৰাখি বহুৱা কেইটাক এৰিবলৈ বুলি মৰং ঘৰলৈ মাতি পঠালে। গোটেই দিনটো একো বস্তু খাবলৈ নোপোৱাত অৰ্থাৎ অনাহাৰত 'বহুৱা' ৰূপী ডেকাজাক কঁপি কঁপি উঠিল। পূজাৰীবৃন্দই মন্ত্ৰমাতি 'চুঁজে'[৫] বাকি সিহঁতক এৰি দিলে। 'বহুৱা'জাকে চাৰিদেউৰীক সেৱা জনাই সকলোৱে 'হল.....লৌ' 'হল.......লৌ' বুলি চিঞৰ মাৰি গাৱঁৰ উত্তৰ পিনে থকা উলুৱনী চাপৰি ফালে লৰ দিলে। পূজাৰীবৃন্দৰ অমোঘ মন্ত্ৰৰ শক্তিত তজবজীয়া কুৰিজন ডেকাই হিতাহিত জ্ঞান হেৰুৱাই ক্ষন্তেকতে বলিয়াৰদৰে হৈ পৰিল।

'বহুৱা' জাকক বিদায় দি ততাতয়াকৈ চাৰিদেউৰীও নিজৰ নিজৰ ঘৰলৈ বুলি খোজ ল'লে। নহ'লে যে 'বহুৱা'জাকে কাকো ৰেহাই নিদিয়ে।

পূজাৰীবৃন্দৰ পৰা মুক্তি পাই 'বহুৱা' জাকে যেন এক অলৌকিক শক্তিহে আহৰন কৰিলে। এক দৈৱশক্তিৰ প্ৰৰোচনাত আহত হৈ নিজৰ নিজৰ গিয়ান পুৰি খাই গাঁৱৰ এমূৰৰ পৰা ঘৰবোৰ লাঠীৰে কোবাই কোবাই আহিবলৈ ধৰিলে। মুখে মুখে হল...লৌ' 'হল.........লৌ' মাত। নিমিষতে গোটেই গাওঁখন নিতাল মাৰিলে। কেৱল বহুৱা' জাকৰ 'হল.......লৌ 'হল............লৌ' চিঞৰে গাঁৱৰ আকাশ বতাহ মুখৰিত কৰি তুলিলে।

ৰংদৈহঁতে ঘৰৰ হাঁহ-কুকুৰা, ছাগলী, গাহৰি, গৰু আদি আবেলিয়েই বান্ধি আজৰি হৈ আছিল। তাৰপিচত মাকৰ সতে নিশব্দে ঘৰতে সোমাই থাকিল। নহ'লে যে কোন 'বহুৱা'ৰ লাঠীৰ কোব কাৰ গাত পৰে কোনে জানে!

মনুজে মৰংঘৰত বিন্দেশ্বৰক এৰি পোনে পোনে ৰংদৈহঁতৰ ঘৰ পালেহি। তাৰ অলপ পিচতেই বৰদেউৰীও ঘৰ সোমালেহি। মনুজে বিন্দেশ্বৰক এয়া প্ৰথম বাৰৰ বাবে এৰা দিছে। নহ'লে সি বিন্দেশ্বৰৰ গাৰ ছাঁৰ দৰে। সেয়েহে তাৰ মন আজি ৰ অকলশৰীয়া। 'কি কৰো, কি নকৰো' কৈ বৰ্ডিঙতে চাটিফুটি কৰি থাকোতেই সি মোমায়েক-পেহীয়েকে তাক বিচাৰ-খোঁচাৰ কৰা শুনা পালে। সিহঁতে ৰংদৈৰ মুখে

৪. বোজা — ভোজৰ ভাগ

৫. চুঁজে — ঘৰুৱা মদ বিশেষ



ভাগিনৰ উপস্থিতিৰ সংবাদ পাই তাক ঘৰৰ চাঙলৈ উঠি আহিবলৈ কবলৈ ৰংদৈকে নিৰ্দ্দেশ দিলে। নিৰ্দ্দেশমতে ৰংদৈয়ে মনুজক চাঙলৈ মতাত সি ততাতয়াকৈ জখলাৰ ওচৰ পালেগৈ। সি যেন ইমান সময়ে তেনে আহ্বানলৈহে অপেক্ষা কৰি আছিল! মনুজে প্ৰথম বাৰৰ বাবে বিন্দেশ্বৰৰ অনুপস্থিতিত ৰংদৈক বহুদেৰিলৈকে খুব ওচৰত পালে।

ক্ষন্তেক বিৰতিৰ পিচত গাৱঁৰ মাজৰ পৰা 'হল.... লৌ' 'হল..... লৌ' কৰি চিঞৰা মাত বৰদেউৰীহঁতৰ কাণত পৰিলহি। ৰংদৈহঁতে অনুমান কৰিলে যে এহাল 'বহুৱা' জোনাকীহঁতৰ ঘৰ পাইছেহি! মনুজৰ 'বহুৱা' চোৰাঁৰ উদিগ্নতা ব্যগ্ৰ হৈ উঠিল। সি উচ্ পিচাবলৈ আৰম্ভ কৰি দিলে। ক্ৰমে ক্ৰমে 'বহুৱা'ৰ 'হল.... লৌ' 'হল........লৌ' চিঞৰ কাষ চাপি আহিল। শুকান কলপাতৰ 'ছাৰাক ছাৰাক' শব্দ সিহঁতৰ বাৰীৰ পিচফালে পালেহি। বৰদেউৰীয়ে জ্বলি থকা একমাত্ৰ চাকিটো নুমুৱাই দিবলৈ ইঙ্গিত দিয়াত ৰংদৈয়ে মুখেৰে ফু মাৰি চাকিটো নুমুৱাই দিলে। নিমিষতে চাৰিওটি প্ৰাণীক কোঁঠাটোৰ এন্ধাৰে ছাটি ধৰিলে।

'বহুৱা' হাল ঘৰৰ চোতাল গচকাৰ উমান পাই মনুজে 'বহুৱা' চোৱাৰ লোভ সামৰিব নোৱাৰি বেৰৰ জলঙাইদি মনে মনে চাবলৈ লাগি গ'ল। সি কি কৰিছে এন্ধাৰৰ বাবে বৰদেউৰীৰ লগতে কোনেও একো গমকে নেপালে। মনুজে বিনা দ্বিধাই 'বহুৱা' চকা মকাকৈ হ'লেও চাবলৈ পালে। বৰদেউৰীয়ে গম পোৱা হ'লে 'বহুৱা চাব নেপায়' বুলি চাবলৈ বাধা দিলেহেঁতেন। মনুজে হলৌ জলৌকৈ ক'লা ক'লা দুটা দৈত্য এন্ধাৰতে দেখা দি দেখিলে। সিহঁতৰ মুখত তেতিয়াও 'হল......লৌ, হল..... লৌ' চিঞৰ। 'বহুৱা' হাল দৌৰি ফুৰাৰ বাবে ফোঁপাই-জোপাই মাতবোৰ উলিয়াব লগা হৈছে যেন মনুজৰ ভাৱ হ'ল। সি চাই থাকোতেই বহুৱাই লাঠীৰে ঘৰৰ চাং, বেৰ আদি কোবাই যোৱা সি দেখা পালে। এটা লাঠীৰ কোব অকস্মাতে সি চাই থকা বেৰখনৰ জলঙাৰ ওচৰত পৰাতহে সি মূৰটো বেৰৰ ওচৰৰ পৰা আঁতৰাই আনিলে।

বহুৱাহাল ঘৰটো দুপাকমান ঘূৰি লাহে লাহে আঁতৰি যোৱা যেন পাই ৰংদৈয়ে আকৌ চাকিটো জ্বলাই ল'লে। ক্ষন্তেকৰ বাবে ঘৰৰ ভিতৰৰ কোঁঠালী পোহৰ হৈ উঠিল। পোহৰৰ লগে লগে পুনৰ সিহঁতৰ মুখৰ মাত ওলাল। ৰংদৈয়ে ক'লে যে, বহুৱা হাল সোমেশ্বৰ আৰু বিচম্বৰ আছিল। বৰদেউৰী আৰু বৰদেউৰীয়নীয়ে সেয়া কোন আছিল ধৰিবই নোৱাৰিলে। নোৱাৰিবৰে কথা। আজিকালি ল'ৰা কিছুমানক সিহঁতে দিন দুপৰতেই চিনি নোপোৱা বয়সত ভৰি দিছে। মনুজৰ কথাটো বেলেগ। সি এইখন গাঁৱৰ ল'ৰা নহয় যেতিয়া কেনেকৈনো সতকাই চিনি পাব? ৰংদৈক কিন্তু মনুজে আচৰিত নেমানি নোৱাৰিলে। কাৰণ-- এটা অস্ফুট মুখৰ শব্দ 'হল... লৌ'

তেওঁ কেনেকৈ মানুহক চিনিব পাৰে এইজনীয়ে! সেয়া— ৰংদৈৰ দিব্য গুণৰ পৰিচায়ক বুলি মনতে ভাৱি ল'লে মনুজে।

ক্ষন্তেক বিৰতিৰ পিচত আকৌ এহাল 'বহুৱা' আহি ধামধুমকৈ ঘৰৰ ছাং-বেৰ কোবাই গুচি গ'ল। নুমাই থোৱা চাকিটো আকৌ জ্বলি উঠিল। লাহে লাহে গাৱঁৰ দহোদিশে বহুৱা জাকৰ চিঞৰ ক্ৰমে কমি আহিল। এটা সময়ত সকলোৱে নিশ্চিত হ'ল যে, বহুৱাজাক গাঁৱৰ পৰা সম্পূৰ্ণ ৰূপে গুচি গৈছে।

বহুৱাজাক গাওঁ পাৰ হৈ যোৱাতহে যেন গাওঁখনলৈ পুনৰ সজীৱতা ফিৰি আহিল। ঘৰে ঘৰে আকৌ লেম-চাকি, চৌকা জ্বলিল। ঘৰবোৰৰ মানুহৰ খদম দম পুনৰ পলকতে ঘূৰি আহিল।

'বহুৱা' দেখি মনুজৰ মনতে কিছুমান প্ৰশ্ন জাগি উঠিল। সি মনৰ উৎকণ্ঠা সহিব নোৱাৰি মোমায়েকক সুধিলে—

ঃ মমাই [৬], এই 'বহুৱা' জাকে ঘৰৰ ছাং-বেৰ কোবাই গ'ল, ইয়াৰ তাৎপৰ্য কি বাৰু?

ঃ আচল কথাটো হ'ল— গাওঁখনত থকা ভূত-প্ৰেত, বেমাৰ-আজাৰ, মাৰি-মৰক আদি অমঙ্গলীয় বস্তুবোৰ গাঁৱৰ পৰা খেদি পঠোৱা। যাতে গাঁৱৰ ৰাইজৰ লোক কোনো অপায়-অমঙ্গলৰ কবলত নপৰে। মূলতে গাওঁখনত বসবাস কৰা ৰাইজসকলৰ উন্নতিৰ বাবেই আমি চাৰিদেউৰী বৃন্দই 'বহুৱা' এৰো। কথাখিনি কৈ বৰদেউৰীয়ে বিশেষ ভঙ্গীমাৰে নিজৰ সেৰেঙা অথচ পকা দীঘল দাড়ি কেইডাল বাওঁহাতৰ আঙুলীৰে বুলালে।

ঃ সিহঁতে এতিয়া ক'লৈ গ'লগৈ? আকৌ ঘূৰি নাহিব নেকি? মনুজে সৰু ল'ৰাটোৰ দৰে চিধাচিধিকৈ প্ৰশ্নটো কৰিলে।

ঃ নাই। সিহঁতে এতিয়া 'বহুৱা' হৈ আকৌ ঘূৰি নাহে। মানুহ হৈ অহা কালিলৈ ৰাতিপুৱাহে ঘূৰি আহিব। সিহঁতে এতিয়া গাৱঁৰ নামনিত থকা নৈৰ ঘাটত গোট খাইছেগৈ চাগে। তাতে সকলোৱে গা-পা ধুই 'মাইকী বহুৱা'বোৰে লৈ যোৱা কাপোৰ-কানিবোৰ সলাব আৰু ঘাটতেই সিহঁতে চিকাৰ কৰি নিয়া ঘৰচীয়া জন্তুৰ মাংসৰে ভোজ খাব। তোৰো খাবৰ মন আছে যদি খা গৈ যা! বৰদেউৰীয়ে ৰসিকতাৰে কথাৰ সামৰণি মাৰিলে।

ঃ নাই। মোৰ খাবৰ মন নাই। এনেয়ে সুধিছোহে। সুধিব নেপায় নেকি? মনুজে আকৌ মোমায়েকক প্ৰশ্ন কৰিলে।

ঃ অ, তোক কোনে ক'লে— সুধিব নেপায় বুলি। সোধাৰ কাৰণেহে মই ইমান কথাৰ মহলা মাৰিলো। তোক মই ধেমালিকৈহে তালৈ যাবলৈ কৈছিলো। তোৰ কাৰণে মইচোন মৰংঘৰৰ পৰা গাহৰি মাংস আনিছোৱেই।

৬. মমাই — মোমাইদেউ



গাহৰি মাংসৰ কথা শুনাৰ লগে লগে মনুজৰ জিভাৰ পানী ওলাল। সংযত কৰি সি ক'লে—

ঃ মৰং ঘৰৰ গাহৰি মাংস?

ঃ অঁতো। ৰাজকেবাং উৎসৱত গাহৰিয়েই প্ৰধান মাংস। মই মিছা কৈছো যদি তোৰ পেহীয়েৰক সুধি ল। বৰদেউৰীয়ে ঘৈণীয়েকৰ মূখলৈ পেন্দুৱাকৈ চাই কথাখিনি ক'লে।

ঃ অঁ ৰাজকেবাঙতেই তোৰ মমায়ে বৰপূজাৰী হিচাপে এপাচিমান গাহৰি মাংস মাননি হিচাপে পায়। কিন্তু আজি টোপোলা খুলিব নেপায়। অহাকালিলৈ পেট ভৰাই খাব পাৰিবি। বৰদেউৰীয়নীয়ে সৰু ল'ৰাক নিচুকাই কথা কোৱাৰ সুৰত ভাগিন মনুজক ক'লে।

ৰংদৈয়ে কথাবোৰ শুনিহে আছিল। কিছুমান চিধাচিধিকৈ মাক-দেউতাকৰ পৰা নুশুনা বা সুধিব নোৱৰা কথা তাই মাজে সময়ে ঘৰৰ সদস্যৰ বাহিৰৰ লোকৰ উপস্থিতিতহে শুনিবলৈ সুযোগ পায়। তেনেকুৱা এটা সুযোগৰ সন্ধানতেই তাই আজি ইমানপৰে চুপ-চাপ হৈ বহি আছিল। ৰংদৈয়ে ভাৱিলে— তাইৰ বয়সৰ ছোৱালীয়ে গাঁৱত তিনি-চাৰিবাৰ 'বহুৱা' এৰা দেখিছে যদিও তাৰ তাৎপৰ্যৰ বিষয়ে নাজানিছিল। এনেকৈ বা কিমান দেখি থকা, শুনি থকা কথাৰ ওপৰত সিহঁতৰ দখল নাই বাৰু? কথাবোৰ ভাৱি তাই নিজকে সৰু বয়সৰ এজনী ছোৱালীযেন ভাৱ এটা নিজৰে জাগিল এই মুহূৰ্তত।

● ● ●

## (১)

আহাৰ মাহ। গাঁৱৰ সকলো ৰাইজ খেতি-বাতি কৰাত ব্যস্ত। স্কুল কলেজৰ গৰম বন্ধ হোৱাৰ বাবে ৰংদৈ-বিন্দেশ্বৰহঁতেও খেতিত নামি পৰিবলৈ সুবিধা পাইছে। বিন্দেশ্বৰে অকলে খেতি উঠাব নোৱাৰিব বুলি বৰদেউৰীয়ে এইবাৰ বুদুৱা বঙালীৰ সৰু পুতেক কালুক হালোৱা হিচাপে ল'লে। ল'লে মানে লব্ধ লগা হ'ল বুলি ক'লেহে ৰজিতা খাব। লোৱাৰ দুটা কাৰণ। এটা কাৰণ হ'ল— বুদুৱাই ভাং খাবলৈ বৰদেউৰীৰ পৰা ধাৰলৈ নিয়া টকাবোৰ পৰিশোধ কৰাৰ মানসেৰে বৰদেউৰীক টানি অনুৰোধ কৰাৰ বাবে। আনটো হ'ল— বৰদেউৰী নিজে খেতিৰ পৰা পৰোক্ষভাৱে সকাহ লোৱা।

অন্যহাতে, কালু থকাৰ বাবে আজিকালি বিন্দেশ্বৰৰো সুবিধা নোহোৱাকৈ নথকা নহয়। বহুখিনি সহায় হৈছে। অন্ততঃ পথাৰত এহালৰ সলনি দুহাল গৰু নমাব পৰা হৈছে।

বিন্দেশ্বৰহঁতৰ ঘৰৰ মাটি যথেষ্ট যদিও আধি-হিচাপে গাৱঁৰ দুখীয়া লোকক ৰুবলৈ দিয়া বাবে প্ৰায়ভাগ মাটি গুচি যায়। বাকী থকা মাটি খিনিহে ঘৰৰ হালেৰে ৰুব লাগে। অৱশ্যে গ'ল বছৰ বিন্দেশ্বৰহঁতে হালোৱা নোলোৱাকৈয়ে খেতি শেষ কৰিছিল। তেতিয়া বিন্দেশ্বৰৰ লগতে বৰদেউৰীয়েও খেতি পথাৰত গৈ সহায় কৰিবলগীয়াত পৰিছিল। এইবাৰ কালুৱে যেনিবা এহাল দমৰা গৰু ডাঙৰ হালৰ পিচে পিচে নাঙল চোঁচৰাব। হালো বোৱা হ'ল লগতে দিনত সি গৰু খিনিকো চাই দিব পাৰিব।

কুকুৰাই ডাক দিয়াৰ লগে লগে ৰংদৈয়ে বিছনাৰ পৰা উঠি গাৰ মেখেলাখন সলাই ভঁৰালৰ পৰা পাচিত মুঠি ধান উলিয়াই গোহালিত ধান মাৰিবলৈ ধৰোতেই বৰ্ডিঙত শুই থকা বিন্দেশ্বৰক উদ্দেশ্যি কোৱা বাপেকৰ কথাখিনি আহি তাইৰ কাণত সোমালেহি।

ঃ পিচাচি [1] তোৰ কাইক[2] জগাই দেহি। ইমান দেৰিনো শুব লাগেনে? পিঠিও নিবিষায় ইহঁতৰ! সৌৱা অনিলহঁতৰ এতিয়া এডৰা হালবাই হ'বই। সোনকালে হাল লৈ গৈ সোনকালে হাল খুলিলেহে হালৰ গৰুও কষ্ট নেপায়, মানুহো কষ্ট নেপায়........।

বাপেকৰ কথা শুনি ৰংদৈয়ে বৰ্ডিঙৰ ওচৰলৈ গৈ বিন্দেশ্বৰক জগালেহি।

১. পিচাচি — জী

২. কাই — ককায়েক



বিন্দেশ্বৰে থতমত খাই টোপনিৰ পৰা উঠি হাতেৰে চকু দুটা মোহাৰি বাহিৰলৈ ওলাই আহিল। মিচ্চং[3]তে থকা পথাৰলৈ যোৱা কাপোৰ পিন্ধি জাপি আৰু এছাৰিডাল লৈ গোহালিলৈ চাই দেখে— হালৰ গৰুকেইটা নাই। 'আ ... ঔ এই পোৱালী কালু কেতিয়াৰ পৰা ইমান কাজুৱা হ'ল? আগতিয়াকৈ হালৰ গৰু খুলি নিব পৰা হ'ল।' বিন্দেশ্বৰে নিজকে এলেহুৱা বুলি ইতস্ততাবোধ কৰি ঘৰৰ চচালিত ওলমাই থোৱা দীঘল দাখন কান্ধত লৈ পথাৰলৈ বুলি পোনালে।

পথাৰত গৈ বিন্দেশ্বৰে দেখে কালুৱে হাল দুখন জুটিলৈ জুপুকা মাৰি আলি এটাৰ ওপৰত বহি আছে। বেছেৰাই কোন ডৰা মাটি বাব লাগে সেয়া নজনাৰ কাৰণেই নে এলাহতে বহি আছে বিন্দেশ্বৰে নুবুজিলে। দমৰাহালে কান্ধৰ পৰা যুৱঁলি লুটিয়াই যোঁতজৰীডাল শলমাৰিৰ পৰা এৰুৱাই দিবলৈ মুৰ জোকাৰি আছে। বিন্দেশ্বৰে গোটেই পৰিস্থিতিটো নিৰীক্ষণ কৰি কালুক এক প্ৰকাৰ চিঞৰাৰ দৰে ক'লে—

ঃ ঐ কালু, তই আগতিয়াকৈ আহি ক'ত টোপনিয়াই আছহি? গৰু হালে শলমাৰি ভাঙিব এতিয়া! দেখা নাই নেকি?

কালুৱে বিন্দেশ্বৰৰ ধমকনি শুনি অকস্মাতে সাপ এডাল দেখি জাঁপ মাৰি দিয়াৰ দৰে জাঁপ এটা দি পোনছাটেই গৰু হালৰ ওচৰ পালেগৈ। বিন্দেশ্বৰেও ডাঙৰ হাল গৰুৰ ওচৰলৈ গৈ সিটো সীমাত থকা ঔটেঙা জোপাৰ তলৰ মাটি ডৰা বৰা দিবলৈ আৰম্ভ কৰি দিলে। তাকে দেখি কালুৱেও একান্ত বাধ্য ল'ৰাৰ দৰে তাৰ দমৰা হালৰ যুৱঁলি থিকঠাক্ কৰি বিন্দেশ্বৰৰ পিচে পিচে গৰু হাল খেদি দিলে।

বিন্দেশ্বৰে এইখন পথাৰৰ পৰা কেতিয়া শালি ৰুই শেষ কৰিব পাৰি তাৰে চিন্তাত ব্যাকুল। এইখন পথাৰ শেষ কৰিব পাৰিলে সিখন পথাৰত ধেমালি কৰি কৰি শালি ৰুব পাৰিব। তেতিয়ালৈ অৱশ্যে কলেজখনে খুলিবৰে হ'ব। এইখন পথাৰ তাতে দুৰটো হয়েই, ইয়াত কাম কৰি কিবা গা নুঠা যেন লাগে বিন্দেশ্বৰৰ। অৱশ্যে কাৰণটো বিন্দেশ্বৰে নজনা নহয়। পাৰোতেনো এইবছৰ বিন্দেশ্বৰে আহুধান এইখন পথাৰত নকৰি সিখন পথাৰত কৰে নে? এইখন পথাৰতকৈ সেইখন পথাৰত আহুধান কমকৈ হয় বুলি সি হবলা নেজানে! আজিকালি বিন্দেশ্বৰৰ মনত জোনাকীৰ কথা লৈ এটা জুলীয়া হেঁপাহ অনবৰতে শিৰাই-উপশিৰাই কিলবিলাই থাকে।

দুডৰামান হাল বাই শেষ কৰাৰ পিচত বেলা হৈ অহাত দমৰা হালে কালুক নাগুৰ-নাকটিখন দেখুৱাবলৈ আৰম্ভ কৰিলে। ভিতৰফালৰ বগা দমৰাটোৱে বোকাত শুই দিবলৈও চেষ্টা চলাইছে। অৱশ্যে শুই দিয়াৰ লগে লগে কালুৱে নেজডাল পকাই

৩. মিচ্চং — ঘৰৰ মুকলি কোঠা

দিয়াত আকৌ যেনিবা উঠি হাল টানিবলৈ ধৰে। বিন্দেশ্বৰে পৰিস্থিতিটো নেদেখাকৈ থকা নাছিল। দেখা পাইছিল। কিন্তু সি দমৰাটোৰ অৱস্থা দেখি বুজিলে যে, সি দুষ্টামি কৰি শুই পৰা নাই। দুষ্টামি কৰিলেও বিন্দেশ্বৰে তাৰ দৰৱ নজনা নহয়। চাৰি-পাঁচ বছৰমান আগতে এদিন এনেকৈ ন-শিকাৰু দমৰা গৰুৱে দুষ্টামি কৰি শুই দিয়াৰ বাবে তাৰ দেউতাকে জলকীয়াৰ গুড়ি গৰুটোৰ নাকে-মুখে ভৰাই দিয়া সি দেখিছিল। আৱশ্যক হ'লে সেই ফৰ্মুলা বিন্দেশ্বৰে খটুৱাব পাৰে। কিন্তু আজিৰ দমৰাটোৰ বাবে সেইটো ফৰ্মুলা খটুৱাবলৈ বিন্দেশ্বৰে সুযোগ নেপালে। তাৰ দমৰা হালৰ ওপৰত দৰদ উপজিল। সি দমৰা হাল মেলি দিবলৈ কালুক হুকুম কৰিলে। হুকুমমতে কাম। দমৰা হালে বন্ধনৰ পৰা মুক্তহৈ আগপিনে থকা মাটি কেইডৰালৈ আগবাঢ়ি গ'লগৈ।

বিন্দেশ্বৰেও হালৰ গৰু ৰাখি নাঙলটো খুলি মাটি কেইডৰামান মৈয়াবলৈ বুলি কালুক মৈখন আনিবলৈ পাচিলে। কালুৱে তাৰ সৰু দেহাটোৰে যেনেতেনে বোকা পানী খচকি সিটো ডৰাত থকা মৈখন চোঁচৰাই আনি বিন্দেশ্বৰৰ ওচৰত থলেহি। বিন্দেশ্বৰে মৈখন জুটি দি কালুকে মাটি কেউডৰা মৈয়াবলৈ লগাই দিলে। ওজনটো পাতল হোৱাৰ বাবে গৰুহালো কষ্ট নেপাব! অন্যহাতে বিন্দেশ্বৰো সেই খিনি সময়ত কোৰৰ কামত লাগিব পাৰিব। সেই ভাৱনাৰে বিন্দেশ্বৰে কোৰখন লৈ আলি কটা ও আলি দিয়া কামত নিমগ্ন হ'ল।

ঘৰত ৰংদৈয়ে মাকৰ লগত লাগি-ভাগি ধান খিনি মাৰি মাকৰ হাতত কোলাখন গুজি দি ৰান্ধনি শালত সোমালেগৈ। ভাতৰ চৰুটো চৌকাত উঠাই তাই মদ চাকিবলৈ লাগি গ'ল। ভাত হোৱাৰ লগে লগে তাই মৰাপাটৰ আগ কেইডালমান পানীৰে কেৰাহিত সিদ্ধ কৰি তাৰে কেইডালমান মাক-দেউতাকৰ বাবে কাঁহী এখনত বেলেগে ৰাখি কেইডালমান পথাৰলৈ জলপান হিচাপে লোৱা ভাতৰ ওপৰত ৰাখিলে। যতনটোত দুটামান কেঁচা-জলকীয়া আৰু নিমখ এবেজামান লৈ এখন গামোচাৰে বান্ধি তাই মাকক চিঞৰিলে—

ঃ ঐ য়ং[৪]। তোৰ হ'ল নে নাই? মই হ'লে ওলালো। তই উঠি আহি বাঙক[৫] চুজেঁ দিবিহি। মোৰ দেৰি হৈছে।

ঃ তই পিচে মকজি[৬] খাই ললি নে নাই? তইচোন একেবাৰে ধুমুহাৰ দৰে কামখিনি কৰি এতালি? মাকে ৰংদৈক উদ্দেশ্যি ক'লে।

৪. য়ং — মা
৫. বাং — দেউতা
৬. মকজি — জলপান



ঃ নাই। মই ঘূৰি আহিহে খামহি। কায়ে[৭] দেৰি কৰিলে খঙত গিজ্‌গিজাই উঠিব। এই বুলি কৈ ৰংদৈয়ে ভিতৰৰ পৰা 'গৰং গৰং' কৈ ওলাই আহি মাথাত মকজিৰ টোপোলাটো আৰু হাতত চুজেঁৰ যতনটো লৈ চাঙৰ পৰা নামি পথাৰলৈ পোনালে। বৰদেউৰীয়নীয়ে চাই থাকোতে কেতিয়ানো ৰংদৈয়ে বাৰীৰ পিচফালে পালেগৈ তলকিবই নোৱাৰিলে। শেষত তাইৰ মাততহে বৰদেউৰীয়নী সচকিত হৈ উঠিল।

ঃ ঐ য়ং, ৰ'দ হ'লে তই একেবাৰে ধানখিনি ৰ'দত মেলি দিবলৈ নাপাহৰিবি। মই আহিলো। ৰ'দ এছেৰেঙা ওলোৱাহেন দেখি ৰংদৈয়ে চাঁৎকৈ কথাটো মনত অহাত মাকলৈ চিঞৰিলে। মাকে শুনিলে নে নাই তাই গম নেপালে। অৱশ্যে নুশুনিলেও মাকে সেইটো কাম কৰিবই। কিন্তু ৰংদৈৰ এইটো এটা স্বভাৱ। তাই নিজতকৈ বুদ্ধিমান বা বয়সত ডাঙৰ আপোনজনক এনেয়ে কিছুমান উপদেশমূলক কথা কৈ মনত বাৰুকৈয়ে আনন্দ লভে। তেহেলৈ সেইটো হৈ উঠকেই বা নুঠকেই।

ৰংদৈয়ে জলপান লৈ গাঁৱৰ পথাৰলৈ ওলাই যোৱা ৰাস্তাত কেবাজনীও গাভৰু তিৰোতা লগ পালে। কেইজনীমানে আহুধান দাবলৈ হাতে হাতে কাচি লৈ ওলাইছে; কিছুমানে শালি ৰুবলৈ ওলাইছে। দুজনীমানে জাকৈ লৈ মাছ ধৰিবলৈ ওলাইছে। ইত্যাদি, ইত্যাদি। সিহঁতৰ মাজৰে দুজনীমানে ৰংদৈক প্ৰশ্ন কৰি ব্যতিব্ৰস্ত কৰি তুলিছে। ৰংদৈহঁতৰ আজি বোকা এৰিছে নে নাই? সিখন পথাৰত ৰুবলৈ কিমান বাকী আছে? আহুধান দাই শেষ হৈছে নে নাই? এইবাৰ আহুধান কিমান পাইছে? মুঠৰ ওপৰত খেতি-বাতিৰ ওপৰত সুধিব পৰা নানা প্ৰশ্ন। ৰংদৈও হেলা নকৰি যথাযথ উত্তৰ দি সিহঁত কেইজনীৰ পৰাও খেতিৰ খবৰ চমুকৈ ল'লে। নহ'লে যে তাইক সিহঁতজাকে দন্দুৰি ছোৱালী বুলি ভাৱিব! সেই সুযোগকন ৰংদৈয়েইবা সিহঁতকেইজনীক দিবইবা কিয়?

ৰংদৈয়ে পথাৰ গৈ পোৱামানে বিন্দেশ্বৰে এহালিছামান মাটিৰ আলি পাৰ কাটি শেষেই কৰিলে। তাৰোপৰি সি এডৰা মাটিৰ নতুন আলি দিবলৈ আৰম্ভ কৰিলে। ৰংদৈয়ে এটা আধা শুকান আলিৰ ওপৰেদি খোজ পেলাই যোৱা দেখি বিন্দেশ্বৰে খঙতে গিজ্‌গিজাই উঠিল—

ঃ শেষ কৰিলে আৰু এইজনীয়ে! দেখা নাই নেকি আলিটো কেঁচা হৈয়েই আছে! তহঁতি মাইকী জাতিয়ে কি বুজিবি পথাৰৰ বোকা মাটিৰে আলি দিয়া কিমান কষ্ট। নামি যাব নোৱাৰ নেকি? চব্ চেপেতা বনাই দিলি! ককায়েকৰ ধমকনিত ৰংদৈয়ে একেছাতে আলিৰ পৰা বোকা পানীত নামি পৰিল। তাই অৱশ্যে জানিছিলেই ককায়েকে আলিত উঠা দেখিলে ধমকী দিব বুলি। কিন্তু তাইৰ কাকয়েকক খং তুলি

৭. কাই — ককায়েক

দিয়াত আকৌ যেনিবা উঠি হাল টানিবলৈ ধৰে। বিন্দেশ্বৰে পৰিস্থিতিটো নেদেখাকৈ থকা নাছিল। দেখা পাইছিল। কিন্তু সি দমৰাটোৰ অৱস্থা দেখি বুজিলে যে, সি দুষ্টামি কৰি শুই পৰা নাই। দুষ্টামি কৰিলেও বিন্দেশ্বৰে তাৰ দৰৱ নজনা নহয়। চাৰি-পাঁচ বছৰমান আগতে এদিন এনেকৈ ন-শিকাৰু দমৰা গৰুৱে দুষ্টামি কৰি শুই দিয়াৰ বাবে তাৰ ...তাকে জলকীয়াৰ গুড়ি গৰুটোৰ নাকে-মূখে ভৰাই দিয়া সি দেখিছিল। আৱশ্যক হ'লে সেই ফৰ্মূলা বিন্দেশ্বৰে খটুৱাব পাৰে। কিন্তু আজিৰ দমৰাটোৰ বাবে সেইটো ফৰ্মূলা খটুৱাবলৈ বিন্দেশ্বৰে সুযোগ নেপালে। তাৰ দমৰা হালৰ ওপৰত দৰদ উপজিল। সি দমৰা হাল মেলি দিবলৈ কালুক হুকুম কৰিলে। হুকুমমতে কাম। দমৰা হালে বন্ধনৰ পৰা মুক্তহৈ আগপিনে থকা মাটি কেইডৰালৈ আগবাঢ়ি গ'লগৈ।

বিন্দেশ্বৰেও হালৰ গৰু ৰাখি নাঙলটো খুলি মাটি কেইডৰামান মৈয়াবলৈ বুলি কালুক মৈখন আনিবলৈ পাচিলে। কালুৱে তাৰ সৰু দেহাটোৰে যেনেতেনে বোকা পানী খচকি সিটো ডৰাত থকা মৈখন চোঁচৰাই আনি বিন্দেশ্বৰৰ ওচৰত থলেহি। বিন্দেশ্বৰে মৈখন জুটি দি কালুকে মাটি কেউডৰা মৈয়াবলৈ লগাই দিলে। ওজনটো পাতল হোৱাৰ বাবে গৰুহালো কষ্ট নেপাব! অন্যহাতে বিন্দেশ্বৰো সেই খিনি সময়ত কোৰৰ কামত লাগিব পাৰিব। সেই ভাৱনাৰে বিন্দেশ্বৰে কোৰখন লৈ আলি কটা ও আলি দিয়া কামত নিমগ্ন হ'ল।

ঘৰত ৰংদৈয়ে মাকৰ লগত লাগি-ভাগি ধান খিনি মাৰি মাকৰ হাতত কোলাখন গুজি দি ৰান্ধনি শালত সোমালেগৈ। ভাতৰ চৰুটো চৌকাত উঠাই তাই মদ চাকিবলৈ লাগি গ'ল। ভাত হোৱাৰ লগে লগে তাই মৰাপাটৰ আগ কেইডালমান পানীৰে কেৰাহিত সিদ্ধ কৰি তাৰে কেইডালমান মাক-দেউতাকৰ বাবে কাঁহী এখনত বেলেগে ৰাখি কেইডালমান পথাৰলৈ জলপান হিচাপে লোৱা ভাতৰ ওপৰত ৰাখিলে। যতনটোত দুটামান কেঁচা-জলকীয়া আৰু নিমখ এবেজামান লৈ এখন গামোচাৰে বান্ধি তাই মাকক চিঞৰিলে—

ঃ ঐ য়ং[৪]। তোৰ হ'ল নে নাই? মই হ'লে ওলালো। তই উঠি আহি বাঙক[৫] চুজেঁ দিবিহি। মোৰ দেৰি হৈছে।

ঃ তই পিচে মকজি[৬] খাই ললি নে নাই? তইচোন একেবাৰে ধুমুহাৰ দৰে কামখিনি কৰি এতালি? মাকে ৰংদৈক উদ্দেশ্যি ক'লে।

৪. য়ং — মা
৫. বাং — দেউতা
৬. মকজি — জলপান



ঃ নাই। মই ঘূৰি আহিহে খামহি। কায়ে[৭] দেৰি কৰিলে খঙত গিজ্‌গিজাই উঠিব। এই বুলি কৈ ৰংদৈয়ে ভিতৰৰ পৰা 'গৰং গৰং' কৈ ওলাই আহি মাথাত মকজিৰ টোপোলাটো আৰু হাতত চুজেঁৰ যতনটো লৈ চাঙৰ পৰা নামি পথাৰলৈ পোনালে। বৰদেউৰীয়নীয়ে চাই থাকোতে কেতিয়ানো ৰংদৈয়ে বাৰীৰ পিচফালে পালেগৈ তলকিবই নোৱাৰিলে। শেষত তাইৰ মাততহে বৰদেউৰীয়নী সচকিত হৈ উঠিল।

ঃ ঐ য়ং, ৰ'দ হ'লে তই একেবাৰে ধানখিনি ৰ'দত মেলি দিবলৈ নাপাহৰিবি। মই আহিলো। ৰ'দ এছেৰেঙা ওলোৱাহেন দেখি ৰংদৈয়ে চাঁৎকৈ কথাটো মনত অহাত মাকলৈ চিঞৰিলে। মাকে শুনিলে নে নাই তাই গম নেপালে। অৱশ্যে নুশুনিলেও মাকে সেইটো কাম কৰিবই। কিন্তু ৰংদৈৰ এইটো এটা স্বভাৱ। তাই নিজতকৈ বুদ্ধিমান বা বয়সত ডাঙৰ আপোনজনক এনেয়ে কিছুমান উপদেশমূলক কথা কৈ মনত বাৰুকৈয়ে আনন্দ লভে। তেহেঁলে সেইটো হৈ উঠকেই বা নুঠকেই।

ৰংদৈয়ে জলপান লৈ গাঁৱৰ পথাৰলৈ ওলাই যোৱা ৰাস্তাত কেবাজনীও গাভৰু তিৰোতা লগ পালে। কেইজনীমানে আহুধান দাবলৈ হাতে হাতে কাচি লৈ ওলাইছে; কিছুমানে শালি ৰুবলৈ ওলাইছে। দুজনীমানে জাকৈ লৈ মাছ ধৰিবলৈ ওলাইছে। ইত্যাদি, ইত্যাদি। সিহঁতৰ মাজৰে দুজনীমানে ৰংদৈক প্ৰশ্ন কৰি ব্যতিব্ৰস্ত কৰি তুলিছে। ৰংদৈহঁতৰ আজি বোকা এৰিছে নে নাই? সিখন পথাৰত ৰুবলৈ কিমান বাকী আছে? আহুধান দাই শেষ হৈছে নে নাই? এইবাৰ আহুধান কিমান পাইছে? মুঠৰ ওপৰত খেতি-বাতিৰ ওপৰত সুধিব পৰা নানা প্ৰশ্ন। ৰংদৈও হেলা নকৰি যথাযথ উত্তৰ দি সিহঁত কেইজনীৰ পৰাও খেতিৰ খবৰ চমুকৈ ল'লে। নহ'লে যে তাইক সিহঁতজাকে দন্দুৰি ছোৱালী বুলি ভাবিব! সেই সুযোগকন ৰংদৈয়েইবা সিহঁতকেইজনীক দিবইবা কিয়?

ৰংদৈয়ে পথাৰ গৈ পোৱামানে বিন্দেশ্বৰে এহালিছামান মাটিৰ আলি পাৰ কাটি শেষেই কৰিলে। তাৰোপৰি সি এডৰা মাটিৰ নতুন আলি দিবলৈ আৰম্ভ কৰিলে। ৰংদৈয়ে এটা আধা শুকান আলিৰ ওপৰেদি খোজ পেলাই যোৱা দেখি বিন্দেশ্বৰে খঙতে গিজ্‌গিজাই উঠিল—

ঃ শেষ কৰিলে আৰু এইজনীয়ে! দেখা নাই নেকি আলিটো কেঁচা হৈয়েই আছে! তহঁতি মাইকী জাতিয়ে কি বুজিবি পথাৰৰ বোকা মাটিৰে আলি দিয়া কিমান কষ্ট। নামি যাব নোৱাৰ নেকি? চব্ চেপেতা বনাই দিলি! ককায়েকৰ ধমকনিত ৰংদৈয়ে একেছাতে আলিৰ পৰা বোকা পানীত নামি পৰিল। তাই অৱশ্যে জানিছিলেই ককায়েকে আলিত উঠা দেখিলে ধমকী দিব বুলি। কিন্তু তাইৰ ককায়েকক খং তুলি

৭. কাই — ককায়েক

ৰং চাব বিছাৰে কেতিয়াবা কেতিয়াব। খং উঠিলে ককায়েকক তাইৰ বোলে বৰ ধুনীয়া লাগে। সেইটো কথা ক'লে কাকয়েকে খং এৰি হাঁহিবলৈ আৰম্ভ কৰি দিয়ে। আৰু......... আৰু ককায়েকক হঁহা দেখি ৰংদৈৰো হাঁহি ৰখাব নোৱৰা অৱস্থা হয়! শেষত দুয়োৱে হাঁহি হাঁহি দুখ-ভাগৰ পাহৰি যায়। নিজৰ ভনীয়েক এজনীৰ মৰমৰ এঠাঁনো বাৰু বিন্দেশ্বৰে কোনসতে এৰে? হঁহা আৰু হুহুৱাব পৰা আদিয়েই সুখৰ জীৱন নহয় জানো? দুয়োৱে অনুভৱ হয়।

ৰংদৈয়ে জলপানৰ টোপোলাটো কঠিয়াতলীৰ ওচৰত থকা আলিৰ ওপৰত থৈ কালুৱে মৈয়াই থকা মাটি ডৰালৈ গৈ মৈখনৰ পিচে পিচে ঘূৰি মাছ ধৰিবলৈ লাগি গ'ল। কাৱৈ, গৰৈ, মাগুৰ মাছ কেবাজনীও ৰংদৈয়ে ধৰি তাইৰ মেখেলাৰ খুচনিত ভৰাবলৈ ধৰিলে। ইফালে বিন্দেশ্বৰে পাতি থোৱা খোকা চাই কাচিতুৱা, চেঙেলী, গৰৈ মাছকে আদি কৰি এসাজমানৰ জোখাৰে মাছ গোট খালে।

বেলা হোৱাত বিন্দেশ্বৰ আৰু কালুৱে মকজি আৰু চুজেঁ খিনি সময় উলিয়াই খাই ল'লে। খাই লৈ বিন্দেশ্বৰে পুনৰ মাটি মৈয়াবলৈ লাগি গ'ল। কালুক অলপ সময়ৰ বাবে আজৰি হোৱা দেখি ৰংদৈয়ে ঔটেঙা জোপাত লমালমে লাগি থকা কুমলীয়া ঔ দুটামান পাৰিবলৈ লগাই দিলে। কালুৱে আদেশ পাই ঔজোপাৰ পৰাই এটা ফৰমুটি কাটি লৈ কেবাটাও ঔটেঙা পাৰি দিলে। ৰংদৈয়ে ততাতয়াকৈ মদ অনা যতনটোতে মাছখিনি ভৰাই ঔটেঙা কেইটা জলপান অনা যতনটোত লৈ ঘৰলৈ বুলি খোজ পেলালে।

বেলি আহি মূৰৰ ওপৰত উঠো নুঠো হোৱাত বিন্দেশ্বৰে গৰুহাল খুলি দি কালুক চৰাবলৈ লৈ যাবলৈ দিলে। তাৰপিচত বিন্দেশ্বৰে আকৌ কোৰখন লৈ দুটামান আলিৰ পাৰ কাটিলে। লাহে লাহে তাৰ মূৰে-কপালে বেলিৰ প্ৰখৰ ৰ'দ জাক আহি ধমনী কোবালেহি। সি ইফালে-সিফালে চাই মাটি এডৰাৰ চুকত এঘাপ কোৰখন মাৰি পানীৰ তলত নালটো ডুবাই ৰাখি লাহে লাহে তাৰ পৰা আতঁৰি আহিল।

তাৰপিচত কি কৰো কি নকৰো কৈ বিন্দেশ্বৰে অলপ আতঁৰত থকা পিতনিত বৰশী টোপাবলৈ বুলি খোজ দিলে। বিন্দেশ্বৰে আচলতে বৰশী টোপাই খুউব ভাল পায়। বৰশী টোপোৱা কামটো বোলে মানুহৰ ধৈৰ্য গুণটি বঢ়ায়। সি কথাটো কৰবাত শুনা পাইছিল। কিন্তু সি বৰশী ধৈৰ্য গুণ বঢ়াবলৈ বুলি নুটুপায়। মুঠৰ ওপৰত বিন্দেশ্বৰে মাছ ধৰি এক বুজাব নোৱৰা পুলক অনুভৱ কৰে। তেহেলৈ সি ধৰা মাছখিনি নিজে খাবলৈ ·ৰকেই বা নেপাওক।

ৰংদৈয়ে পথাৰৰ পৰা মাছ আৰু ঔটেঙা অনা দেখি বৰদেউৰীয়ে জুতি লগাকৈ তৰকাৰী ৰান্ধিবলৈ সন্দিয়ালে। ৰংদৈয়ে সেইমতে মাছ আৰু ঔটেঙা জোল ৰান্ধিলে।



তাৰপিচত সকলোৱে টকালি পাৰি পাৰি খালে। বৰদেউৰীৰ আজি অকস্মাতে ভাগিন মনুজৰ কথা মনত পৰিল। সি থকা হ'লে আজি কিমান ভাল লাগিলহেঁতেন! মনত পৰাৰ একমাত্ৰ যোগসূত্ৰ ঔটেঙা! বৰদেউৰীৰ মনত ভাহি উঠিল— সেই 'ৰাজকেবাঙ'ৰ পিচৰ দিনলৈ। গাহৰি মাংসৰ লগত ঔটেঙাৰ জোল.......... তেতিয়াহে বৰদেউৰীৰ ভালকৈ মনত আহিল যে মনুজৰ খা-খবৰ নোপোৱা আজি কিমান দিন হ'ল? সেই 'ৰাজকেবাঙ'ৰ পিচৰ দিনা গাহৰি মাংস খাই যোৱাৰ পিচত আৰু তাৰ খা-খবৰেই নোহোৱা হ'ল! আজি প্ৰায় তিনি মাহেই হ'বগৈ চাগে! অঁ সি পাহৰিলে, পাহৰিলে-— ৰংদৈহঁতেওটো চিঠি এখনকে তালৈ লেখিব পাৰে। নাই, ক'লেও মন-কান নকৰে। বৰদেউৰীয়ে লেখিব জনাহেঁতেন চিঠি এখনকে নিজে লেখি পঠিয়ালেহেঁতেন!

ঃ হয় নে হেৰি। ভাত খোৱা হ'ল যদি হাতখন ধোৱক। কিনো খাবলৈ নোপোৱাদি জোলখন চেলেকি চেলেকি আছে! বৰদেউৰীয়নীয়ে বৰদেউৰীক কিবা ভাবি বৈ থকা দেখি ক'লে।

ঃ অঁ হ'ল; হ'ল। নিয়া আৰু পিচে তোমাৰ হ'ল নে নাই?

ঃ মোৰ হ'ল গতিকেহে আপোনাক কৈছো। মোৰ অথনিয়েই হ'ল। আপোনালৈহে বৈ আছো। বৰদেউৰীয়নীয়ে কথাখিনি কৈ দুয়োজনৰ কাঁহী বাটি খিনি সামৰি লৈ ৰান্ধনি ঘৰলৈ সোমাই গ'ল।

আচলতে বৰদেউৰীৰ মনুজক মনত পেলোৱাৰ সম্পৰ্কটো ঔটেঙা যদিও সেয়া খোৱাবৰ কাৰণে নহয়। মনুজে কথাই কথাই কিছুমান প্ৰশ্ন কৰি থাকে; সেইধৰণৰ প্ৰশ্নৰ উত্তৰ দি বৰদেউৰীয়ে আচলতে খুব ভাল পায়। কাৰণ, মনুজৰ প্ৰশ্ন কৰাৰ সুৰ বেলেগ। কিছুমানে জানি বুজি প্ৰশ্ন কৰে; কিছুমানে জেঙা ধৰিবলৈ প্ৰশ্ন কৰে; আৰু কিছুমানে নজনা কথা জানিবলৈ প্ৰশ্ন কৰে। মনুজক বৰদেউৰীৰ নজনা কথা জানিব বিচাৰি প্ৰশ্ন কৰাৰ দৰে ভাব হয়। অন্যহাতে বৰদেউৰীৰ মনৰ কথা বিশেষকৈ নিজৰ সমাজ-সংস্কৃতিৰ বিষয়ক কথা কাৰোবাক কৈ মনতে অপৰিসীম সন্তুষ্টি লভে। মনুজ সেইটো দিশতেই বৰদেউৰীৰ বৰ আপোন। অৱশ্যে মনুজৰ সলনি কোনোবা এজন হ'লেও বৰদেউৰীৰ বৰ আপোন হ'লহেঁতেন; যদিহে সেই কোনোবাজনে বৰদেউৰীহঁতৰ সংস্কৃতিৰ কথা বিনা দ্বিধাই শুনি যায় আৰু বিনা প্ৰতিবাদে আঁকোৱালি লোৱাৰ উমান স্পষ্টভাৱে দেখা পোৱা যায়।

ইফালে ৰংদৈৰ গাত তৰণি নোহোৱাৰ দৰে হৈছে। তাই ভাত খাই উঠিয়েই ইখন পথাৰলৈ পোনালে। ইখন পথাৰলৈ মানে আহুধান দাবলৈ। আহুধান পকি 'মোক দা, মোক দা' কৰি আছে। তাতে দুদিনমানৰ পিচত সিখন পথাৰত শালি ৰুৱা আৰম্ভ হ'ব। শালি ৰুৱা আৰম্ভ হোৱা মানে চকুমুদি দহ দিনমান সেইখন পথাৰতে ব্যস্ত

হোৱা। ইফালে কেইদিনমানৰ পিচতেই স্কুল-কলেজৰ গৰম বন্ধ শেষ হ'ব। কি যে মস্কিল! কথাবিলাক মনত অহাৰ লগে লগে আপোনা-আপুনি ৰংদৈৰ খোজ বিলাক খৰ হ'ল।

নৈখনৰ পাৰ পাই ৰংদৈয়ে দেখে পানী অলপ কমিছে। দুদিনমানৰ আগতে আহাৰ যাঁঠ লাগি থকা সময়ত নেৰা-নেপেৰা বৰষুণৰ বাবেই নেকি পানী খুউব বাঢ়িছিল। আজি কিন্তু সেই উত্তাল ভাব সঁচাই নাই। হ'লেও তিয়নী ৰোৱা অৱস্থা আহি পৰা নাই। ঘাটতে কলৰ ভুৰ দেখি তাই ওচৰলৈ গৈ দেখে লগত লুৰ মাৰি ডাল নাই। কোনোবাই চাগে লুকুৱাই থৈ গৈছে। অযথা দেৰি কৰি লাভ নাই বুলি ভাবি ৰংদৈয়ে লাহে লাহে ঘাটলৈ নামি গ'ল। ক্রমান্বয়ে নৈখনৰ পানী তাইৰ ভৰিৰ ওপৰলৈ আগবাঢ়ি আহিল।

ভৰদুপৰীয়া ভৰ যৌৱনা গাভৰু এজনীৰ দেহা নৈখনৰ পানীয়ে হঠাতে চেলেকিবলৈ পাই এটা মূহুৰ্ত্তত কল্‌কলাই উঠিল। পানীৰ নৰম সোঁতে বখলিয়াই নিয়াত মেখেলাখনৰ তলৰ পৰা ওলোৱা তাইৰ কোমল অথচ বগা কৰঙন দুটা চিক্‌মিকাই উঠিল। তাকে দেখি দুটামান দুষ্ট চেলেকনা মাছে একা বেকাকৈ নাচি-বাগি আহি তাইৰ কোমল অংশবোৰত গা ঘহাই গ'লহি। পানীৰ সোঁতে কৰঙনৰ পৰা মেখেলাখন টো খেলাই আৰু বেচি আঁতৰলৈ নিবলৈ আপ্রাণ চেষ্টা চলালে। দুপৰীয়াৰ গৰমত ঘামি যোৱা গাটো ক্ষন্তেকৰ বাবে তাইৰ শাঁত পৰিল। তথাপিও যেন কিবা এটা অপূর্ণ ভাব জাগিল তাইৰ। এই অপূর্ণতাৰ ভাব বুকুৰ ভিতৰৰ নে বুকুৰ বাহিৰৰ ৰংদৈয়ে নিজে সঠিককৈ নির্ণয় কৰাত ব্যর্থ হ'ল। তাই অৱশেষত আধা ডুবগৈ থকা শৰীৰটোকে সম্পূর্ণকৈ পানীৰ তলত ডুবাই দিলে। অসহ্য এক উত্তেজনাৰ নিমিষতে বুকুৰ ভিতৰতে জাহ গ'ল।

ঘাটৰ সিপাৰত উঠি ৰংদৈয়ে ৰিণিকি ৰিণিকি দেখিলে— জোনাকীয়ে অকলে সিহঁতৰ পথাৰত আহু ধান দাই আছে। অকলশৰীয়াকৈ দেখি ৰংদৈৰ জোনাকীলৈ দৰদ উপজিল।

জোনাকীহঁতৰ পথাৰৰ সিফালে আকৌ কিলৌবুঢ়াহঁতৰ পথাৰত ৰুৱনীৰে ভৰি আছে। কিলৌবুঢ়াহঁতৰ কথাই সুকীয়া। হালো বেচি, ৰুৱনীও বেচি। অৱশ্যে সেই অনুপাতে মাটিও কম নহয়। ৰংদৈয়ে ভাৱিলে— কিমান বা ৰং ৰহইচ্ হৈছে সিঁহতজাকৰ মাজত। তাই জানে যে, পথাৰত কামৰ সময়ত মানুহৰ মূৰৰ হিচাপ কৰা হয়। মানুহ যিমানে বাঢ়ে সিমানে কামৰ ৰাগিও বাঢ়ে। তেতিয়া কাম হৈ পৰে একো একোটা পুতলা খেলাৰ দৰে। আৰু কেতিয়াবা হৈ পৰে নিচাৰ দৰে।

ৰংদৈয়ে সিহঁতৰ নিজৰ পথাৰত ভৰি দিয়াৰ লগে লগে এজাক টুনী চৰাই 'ভুৰং ভুৰংকৈ পকা আহুধানৰ মাজৰ পৰা উৰা মাৰিলে। তাই ভাৱিলে— সাধু কথাৰ দৰে তাই টঙীত বহি 'হুৰ হুৰ বতাহ চৰাই, মোৰ ধান নেখাবি, তোক দিম গোট কৰাই'



বুলি চৰাই খেদিবলৈ তাই বাৰু সময় পায় ক'ত? হওঁতে টঙীঘৰৰ দৰে বহা এটা পুখুৰীটোৰ পাৰত নথকা নহয়। আছে। তাকো আহুধান কৰা কেইডৰাৰ একেবাৰে ওচৰত নহয়। কিন্তু মানুহহে টঙীঘৰৰ শোভা বঢ়াবলৈ এই বাৰিষা বতৰত নোজোৰা হৈছে। বাৰিষাৰ দিনবিলাকত কামৰ হেঁচা পৰিলে ৰংদৈয়ে ককায়েক বিন্দেশ্বৰক বিয়া কৰাবলৈ কবলৈ মন যায়। যাতে তাইৰ কামত সহায়ক হয়। কিন্তু তাই কথাটো কব নোৱাৰে। অৱশ্যে তাই ক'লেই যে বিন্দেশ্বৰে সতকাই বিয়াত সোমাব সেইটোও সন্দেহ। কাৰণ— তাৰো এটা ভৱিষ্যৎ আছে। সেই ভৱিষ্যৎ বর্তমান ঘৰখন চলাই নিবৰ বাবে সন্মুখীন হোৱা প্রয়োজনবোধতকৈ কেবাগুনো উৰ্দ্ধত— সেইটো ৰংদৈয়ে নুবুজা নহয়।

ৰংদৈয়ে পথাৰত ভৰি দিয়েই বহাটোলৈ পোনাই দিলে। তাতে ছালি খনত গুজি থোৱা কাচি এখন উলিয়াই লৈ তিতা গাৰেই আহুধান দাবলৈ লাগি গ'ল। তাই অকলশৰে আহুধান দাই থাকোতেই বেচিকৈ অকলশৰীয়া অকলশৰীয়া অনুভৱ কৰিলে। গ'ল বছৰ আহুধান দোৱা সময়ত পিৰিলিয়ে ৰংদৈহঁতক যথেষ্ট সহায় কৰিছিল। এইবছৰ সেইজনীও নাই। পিৰিলিৰ কথা মনলে অহাৰ লগে লগে ৰংদৈৰ পিৰিলিক চাবলৈ খুউব মন গ'ল। সেই সৰু ছোৱালীজনীয়ে কেনেকৈনো সংসাৰ এখন চলাইছে বাৰু? দুদিনমানৰ আগতে তাইৰ গা-নৰিয়া বুলিও কোনোবা এজনীয়ে ৰংদৈক খবৰটো দিছিল। দুদিনমানৰ আগতে মানে যাঁঠ ভঙাৰ পিছৰ্দিনা। ৰংদৈয়ে সখীয়েক কেইজনীৰ লগত এই টং টং পুখুৰীৰ পাৰত থকা সৌ টেঙা আম জোপাৰ পৰা আম পাৰি লৈ খোৱা দিনা খন। কথাটো জোনাকীয়েই কৈছিল নে মনদৈয়ে কৈছিল ৰংদৈৰ বিশেষ মনত নাই। কথাটো শুনিয়েই বদিচিয়ে কৈছিল যে, 'পিৰিলি জনীৰ গাত ইমান ধৈর্য নোহোৱা কেতিয়াৰ পৰা হ'ল যে, তাই বিয়াত সোমায়েই ল'ৰাৰ মাক হ'বলৈ ওলাল। তাইৰ ইমান জুই নে?' 'তেতিয়াহ'লে পিতচিঙো সাইলাখ ঘিউহে পিৰিলিজনীৰ জ্বলা জুই জপ্ দপ্‌কৈ জ্বলাত সহায় কৰিছিল!' বিজয়াই বদিচিৰ বক্তব্যৰ লগত জোৰা লগাই কথা খিনি কৈছিল। বদিচি আৰু বিজয়াৰ কথা শুনি সকলোৱে ঢেক্‌ঢেকাই হাঁহিব লাগিছিল যদিও জ্বলা দি টেঙা আম খাই থকাৰ বাবে খুলোছাকৈ হাঁহিব নোৱাৰিলে। সিহঁতজাকৰ হাঁহি কিবা অদ্ভুত গেঙেঁৰিওৱাৰ দৰে মুখেদি বাহিৰ হ'ল। দুজনীমানৰ জিভাৰ পানী লেলাউটি হৈ বাগৰি গ'ল। জোনাকীৰ ডিঙিত সেৰ সেৰনিয়েই লাগিল। জিলিয়ে দৌৰি গৈ কচুপাত এখিলাত পুখুৰীৰ পানী অলপ আনি মুখত দিয়াতহে জোনাকীৰ সম্বিৎ ঘূৰি আহিল।

মুকলি মুৰীয়াকৈ ৰংদৈহঁতে গোট খালে তেনে উদণ্ডীয়া কথা পতা এটা নিয়মত পৰিণত হৈছে। অৱশ্যে গোট খালে বুলিয়েই যে তেনে কথা পাতে সেইটোও নহয়। অন্যহাতে, সখীয়েক কেইজনীৰ লগত লগালগি হৈ মুকলিমুৰীয়া ঠাইত তেনেবোৰ কথা নেপাতিলেচোন সিহঁতৰ পাতিবলৈ অন্য ঠায়েই নাই!

কথাবিলাক ভাৱি ভাৱি ৰংদৈয়ে ধান দাই থাকোতে গচকি থকা পথাৰৰ চেপ্‌চেপীয়া পানীত তাইৰ সোঁভৰিৰ গোৰোৱাত এটা পিৰপিৰনি অনুভৱ কৰিলে। 'কিনো' বুলি ৰংদৈয়ে ধানৰ মুঠিটো পুৰা কৰি বান্ধি কাচি খন দুই কৰঙনৰ মাজত চেপা মাৰি লৈ তললৈ চালে। দেখিলে— এটা সৰু গৰৈ মাছ। ৰংদৈয়ে দেখিয়েই গম পালে— গৰৈ পোৱালীটো এইবছৰৰ পোনা। গৰৈ পোৱালীটো দেখি ৰংদৈৰ চাংকৈ আকৌ পিৰিলিৰ কথাটোলৈ মনত পৰিল। এইবাৰ আচলতে পিৰিলিৰ পেটত থকা সেই পোৱালীটোলৈহে তাইৰ মনত পৰিল। ৰংদৈয়ে মৰমতে গৰৈ পোৱালীটো আলফুলে হাতেৰে ধৰি আকৌ দ ঠাইত এৰি দিলে। অজানিতে এক অপ্ৰত্যাশিত উষ্ম নিশ্বাস তাইৰ নাকে মুখে ওলাই বতাহৰ লগত মিলি গ'ল।

ৰংদৈৰ কাচিখন ৰ'দৰ পোহৰত চিক্‌মিকাই চলি থাকিল। ক্ষন্তেক পিচতে ৰংদৈয়ে পথাৰৰ মাজতে এখন্তেক থিয় দঙা দি নিজৰ ভৰি দুখনকে লিৰিকি-বিদাৰি চালে। তাইৰ মেখেলাখন তেতিয়াও গোটেই গাটোকে সাৱটি ধৰাৰ দৰে লিপিট খাই আছিল। অৱশ্যে আঁঠুৰ ওপৰলৈকেহে। তলৰ খিনি তাই কোঁচাই লৈ মুকলি কৰি থৈছিল। অকস্মাতে তাই বাওঁভৰিৰ সৰু গাঁঠিটোৰ চুকত ক'লা বস্তু এটা লাগি থকা দেখি চখ্ খাই উঠিল। ভালকৈ চাই দেখে— সেইটোচোন এটা জোক। ৰংদৈয়ে ততাতয়াকৈ সোঁহাতৰ আঙুলীত থু অকনমান সানি লৈ জোকটো হাতেৰে এৰুৱাই ঢাপৰফালে দলিয়াই দিলে। জোকটো লেতু সেতুহৈ শূন্যতে বেবেৰিবাং কিছুমান বৰ্ণ সৃষ্টি কৰি হাম খুৰি খাই পৰিলগৈ।

জোকটো মঙহৰ পৰা এৰুৱাই দিয়াত লাগি থকা মঙহ ডোখৰৰ পৰা সোৰ সোৰ কৰি তেজ নিগৰিবলৈ ধৰিলে। তাই তেজ বন্ধ নোহোৱা দেখি বহাৰ ওচৰলৈ গৈ তাত চূণ জাতীয় কিবা বস্তুৰ অনুসন্ধানত লাগি গ'ল। কিন্তু নেপালে। উপায় নেপাই তাই আঙুলী এটাৰে টিপি ধৰি ভৰিখন লৰচৰ নোহোৱাকৈ এবল [৮] সময় ৰাখিলে। তেনেকৈয়ে তেজ ৰখাব নোৱাৰি তাই পুখুৰীটোৰ পাৰত থকা পাতিদৈ জোপাৰ ওচৰত থকা কচু পাতৰ ঠাৰি এডাল কাচিখনেৰে কাটি লৈ তাৰ আঠা অকন চেপি তেজ নিগৰা জেগাত লগাই দিলে। ৰঙা ৰঙৰ তেজ কজলা বৰনলৈ পৰিবৰ্তিত হৈ তেজ বন্ধ হবৰ উপক্ৰম হ'ল।

তেজ সম্পূৰ্ণ বন্ধ হোৱাত ৰংদৈয়ে পুনৰ আহুধানৰ তলীলৈ লাহে লাহে আগবাঢ়ি গ'ল। আহুতলীৰ ওচৰ পোৱাৰ লগে লগে 'ভুৰুং' কৈ টুনী চৰাই এজাক আকৌ পকা ধানৰ মাজৰ পৰা উৰা মাৰি অকাই-পকাই জোনাকীহঁতৰ পথাৰৰ পিনে জাকপাতি আঁতৰি গ'ল।

● ● ●

৮ এবল — এখন্তেক



## (২)

চাওঁতে চাওঁতে আহাৰ মাহ পাৰ হৈ শাওণ মাহত সোমাল। গাঁৱৰ ৰাইজ খেতি বাতি কৰি ভাগৰি পৰিল। বাৰীৰ আম, কঠাল, লেতেকু, পনিয়াল, জাম পকি সৰিবলৈ ধৰিলে। মৰিডিক্ৰং নৈৰ পানী ফেনে ফুটুকাৰে আকৌ বাঢ়িল। গৰু ম'হ বিলাকৰ খেতিৰ হেঁচাত পৰি কামিহাড় ওলাই পৰিছে। পানী পাই নৈৰ দাঁতি কাষৰীয়া বাওঁ ধানৰ মাজে মাজে গজি উঠা কুঁহিলা গছবোৰ বাঢ়ি ওখ হ'ল। বতাহ পাই বাওঁধানৰ লগতে কুৰুলা গছবোৰেও ঢৌ খেলাই নাচি বাগি গা-ঘেলাবলৈ ধৰিলে। সেইবিলাকৰ লহৰে লহৰে পানী পাই ডাঙৰ হোৱা পুঠি চেলেকনা মাছ কিছুমানে উলাহতে পানী ছিটিকাই জঁপিয়াই গা দেখুৱাবলৈ ধৰিলে।

বৰদৈউৰীৰ চোতালত আগদিনাই ৰাইজ গোট খালে। ৰাইজমানে কেৱল গাঁৱৰ বৰমূৰীয়া সকল। শাওণ মাহ সোমোৱাৰ লগে লগে বুঢ়া চামৰ 'হাওনৰ পূজা' পাতিবৰ বাবে তৎপৰতা বাঢ়িল। বাৰিষাৰ দিন হোৱাৰ বাবে এই পূজা তাৎপৰ্যপূৰ্ণ হ'লেও সিমান গুৰুত্ব পোৱা নাই। কাৰণ, গাঁৱৰ প্ৰায়বোৰ মানুহেই খেতিবাতিৰ বাবে পথাৰত লাগি থাকিব লগা হৈছে। সেয়েহে আলোচনা দীঘলীয়া নকৰি পূজাৰ বাবে আৱশ্যকীয় বস্তু বাহানিবোৰৰ আলেখ-লেখ কৰিয়েই পূজাৰীবৃন্দই আলোচনা সামৰিলে। পিচদিনা আলোচনা অনুসৰি নিৰ্দিষ্ট স্থানত পূজা পাতল দি 'হাওনৰ পূজা' সমাপন কৰিলে।

ৰংদৈ-বিন্দেশ্বৰহঁতৰ বাবে দুদিনমানৰ পৰা খেতিৰ কাম কমিল যেন ভাৱ আহিবলৈ ধৰিলে। কাৰণ, আতঁৰৰ পথাৰখনত শালি ৰুই শেষ কৰা আজি দুদিমান হ'লেই। এতিয়া ওচৰৰ টং টং পথাৰখন আছে। ওচৰ হ'লেও এইখন পথাৰৰ বাবে অসুবিধা এটাই। সেয়ে হৈছে— নৈখন পাৰ হোৱা। অৱশ্যে গাঁৱৰ নামনিফালে 'চেন্টাৰ' সংযোগী এখন বাঁহৰ দলং আছে। সেই খনেদি গ'লে একেবাৰে ঘুৰি যাব লাগে। অন্যহাতে, নৈখন নহ'লেও নহয়। এই নৈখনে সিহঁতে ক'ব নোৱাৰাকৈয়ে কিমান সহায় কৰি আছে। সেইবোৰ হিচাপ-নিকাচ কৰিলে এখন মহাভাৰতেই হ'ব। এইখন পথাৰতো আহুতলী খিনিৰ ওপৰিও দুপুৰামান মাটি ৰুবলৈ আছেঁই। সাতে পাঁচে মিলি শাওণ মাহতে খেতি উঠাব পাৰিবু যেন বিন্দেশ্বৰহঁতৰ ভাৱ। বাকী কঠীয়াতলী খিনি ৰুলে যেনিবা ভাদ মাহৰ এসপ্তাহত সোমাব। তাৰপিচত আৰু

বিন্দেশ্বৰহঁতক কোনে পায়! অৱশ্যে কঠীয়াতলী খিনি মাটি মাহ সিঁচিবৰ বাবেও থব পাৰি। তাৰোপৰি গৰু কেইটা ঠিয় কৰাবলৈকোতো জেগা অলপ লাগে।

ৰাতিপুৱাতে বিন্দেশ্বৰে কালুক জগাই লৈ পথাৰলৈ বুলি হালৰ গৰু কেইটা খেদি নিলে। ঘাটত গৈ দেখে যে, নৈৰ পানী বাঢ়ি আছে। ৰাতি বৰষুণ হোৱা নাই

পাহাৰত বৰষুণ হোৱাৰ বাবেই নৈৰ পানী বাঢ়িছে বুলি বিন্দেশ্বৰে অনুমান কৰিলে। ঘাটত অন্য দিনাৰ দৰে থকা কলৰ ভুৰটো দেখা নেপাই বিন্দেশ্বৰৰ টিঙিচ্ কৰি খঙটো উঠিল। কোনে নিব পাৰে বাৰু? বিন্দেশ্বৰে ভালকৈ চাই দেখিলে— ৰছীডালো নাই। সি মনতে ভাবিলে ৰাতি কোনোবাই দলনিৰ মাজত কাঁহী বজাই বজাই 'তুম্বুক' চৰাই মাৰিবলৈ নিশ্চয় আহিছিল। সিহঁতেই ক'ৰবাত ভুৰটো লুকুৱাই থৈ গ'ল। হেৰৌ ভুৰটো ব্যৱহাৰ কৰিছ কৰ; কৰি আগৰ জেগাতে থৈ যা! নাই। ৰাতিপুৱাতে নৈত নামি পাৰ হ'বলৈ এলাহ কৰাৰ বাবেহে বিন্দেশ্বৰে তাৰ 'মমাই' তিতেচিঙৰ লগত লাগি-ভাগি দুদিনমানৰ আগতে চাৰিটা আঠীয়া কলৰ ভুৰটো সাজি উলিয়াইছিল। যাতে জোনাকীহঁতেও সময়ত একেলগে ৰংদৈহঁতৰ লগত পাৰ হ'ব পাৰি। কিন্তু ভুৰটো আজি পুৱাতে দেখা নেপাই বিন্দেশ্বৰৰ গা-মন জিন্-জিনাই উঠিল।

ইতিমধ্যে গৰু কেইটাই নৈৰ পানীত নামি পৰা দেখি বিন্দেশ্বৰে কালুক কাপোৰ-কানিখিনি পাৰতে থৈ পাৰহে যাবলৈ ক'লে। কালুৱে উপায়ন্তৰ হৈ কজলাটোৰ নেজত ধৰি গৰু কেইটাৰ লগে লগে সাতুৰি নদীৰ মাজ পালেগৈ বিন্দেশ্বৰে দেখিলে- — নৈৰ পানীত থাউনি নোপোৱা কালু আৰু গৰু কেইটাই কেৱল কাণ-মূৰ উলিয়াই উলিয়াই সাতুৰি সাতুৰি নৈখনৰ বহু ভটীয়নি পাৰত উঠিছেগৈ। বিন্দেশ্বৰেও ইফালে সিফালে চাই কঁকালত তিয়নীখন গাঁঠি মাৰি বাকীখিনি কাপোৰ নিজৰ মূৰত সযতনে মেৰিয়াই বান্ধি লৈ নদীত নামি পৰিল। হ'লেও সি অনায়াসে সেইখিনি সাঁতুৰি পাৰ হৈ গৈ পোনে পোনেই সিটো পাৰত উঠিলেগৈ। তাৰ পিচত কালুৰ লগ হৈ গৈ বহাটোতে তিয়নী সলাই হাল বাবলৈ আৰম্ভ কৰি দিলে।

আজি কেবাদিনো ধৰি বিন্দেশ্বৰৰ মনটো ভাল নহয়। তাৰে প্ৰধান কাৰণ হ'ল— জোনাকীক লৈ। এইখন পথাৰলৈ হাল অনা দিনাৰে পৰা বিন্দেশ্বৰে যি নেই তাইক লগ কৰিবলৈ সুযোগ বিচাৰি আছে, সিমানেই জোনাকীয়ে কিবা গা এৰা দিয়াৰ নিচিনাহে ইঙ্গিত বিন্দেশ্বৰে পোৱা যেন লাগিছে। সুযোগ তেনেকৈ একেবাৰে নোপোৱাও নহয়; কিন্তু হ'ল বুলিনো সকলোৱে দেখাকৈনো কেনেকৈ কথা হয়। অন্ততঃ অলপ মানুহৰ আওহতীয়া জেগা হ'লে ভাল আৰু! তেতিয়াহে আচল মনৰ কথাবিলাক ব্যক্ত কৰিবলৈ সুবিধা হয়। নৈখন পাৰ হওঁতে বা ৰাতি ঘিলা বা চুমপকা



খেলোতে লগ পোৱাক কিবা লগ পোৱা যেনেই নেলাগে বিন্দেশ্বৰৰ। কাৰণ, তাতটো তেনেকৈ মনৰ কথা পাতিব নোৱাৰি। সেয়েহে সি এই দুই এদিনতে জোনাকীক লগ পাবৰ বাবে উদ্বাউল হৈ পৰিছে। মনৰ হেঁপাহতে সি জোনাকীহঁতৰ পথাৰলৈ আজি কেবাবাৰো চকু মাৰিছে। নাই। সেইজনী ক'তবা মৰিবলৈ গ'ল। বহু দেৰিৰ মূৰকত বিন্দেশ্বৰে নৈৰ ঘাটৰ ফালে চকু পেলোৱাত দুজনী ছোৱালী আহি থকা যেন দেখা পালে। সি হাল বাই থাকোতেই দৃষ্টি পেলাই নিশ্চিত হ'ল যে, সেয়া এজনী ভনীয়েক ৰংদৈ। এজনীহে কোন সঠিককৈ ধৰিব নোৱাৰাৰ বাবে নিজৰ চকু দুটাকে ঘোঁকোতা মাৰি আনিবলৈ তাৰ মন গ'ল। ছোৱালী দুজনী ক্ৰমান্বয়ে ওচৰ চাপি অহাতহে সি চিনি পালে— সেইজনী জোনাকী। মূৰত জাপি লৈ অহাৰ বাবে বিন্দেশ্বৰে তাইক ধৰিবকে পৰা নাছিল। তাতে আকৌ তাই আঁঠুলৈকেহে মেখেলাখন পিন্ধি আহিছে। দেখাত একেবাৰে সৰু ছোৱালী যেন লাগি গ'ল বিন্দেশ্বৰৰ। দুয়োজনীয়ে নৈখন কেনেকৈ পাৰ হৈ আহিল বিন্দেশ্বৰে ধৰিবই নোৱাৰিলে।

লাহে লাহে ৰংদৈ আৰু জোনাকীৰ হাঁহি খিকিন্দালি ক্ৰমে ওচৰ চাপি আহি বিন্দেশ্বৰৰ কাণত সোমালেহি। বিন্দেশ্বৰ আচৰিত হ'ল— আজি আকৌ বোকাও এৰা নাই; ইফালে আহুধানো দাই শেষ হ'লেই, পিছে জোনাকীয়েনো কি কৰিবলৈ ৰংদৈৰ লগত আহিল! এই ছোৱালী জাতিবোৰৰ কাণ্ড-কাৰখানা চিন্তা কৰি একো পাৰাপাৰ পোৱা নেযায়— বিন্দেশ্বৰৰ মনোভাৱ। এক অবাঞ্ছিত আনন্দ আৰু এক প্ৰকাৰ অভিমানত বিন্দেশ্বৰে সিহঁত দুজনীয়ে অহা ফালে নোচোৱাকৈ হালখনতে ব্যস্ত হৈ থাকিল।

ৰংদৈৰ মাত আৰু হাঁহি ক্ৰমান্বয়ে ডাঙৰ হৈ অহা বিন্দেশ্বৰে শুনিবলৈ পালে। অন্যহাতে, জোনাকীৰ মাত হাঁহি ক্ৰমান্বয়ে সৰু হৈ বতাহৰ লগত মিলি বিন্দেশ্বৰৰ কাণত নপৰাত সি মূৰ ডাঙি চাই দেখে— ৰংদৈ আহি সিহঁতৰ পথাৰৰ সীমাত থকা টং টং পুখুৰী পাৰত ভৰি পেলাইছেহি আৰু তাৰ মৰমৰ চৰাই জনী উঠি গৈ সিহঁতৰ নিজৰ পথাৰত পৰিছেগৈ। বিন্দেশ্বৰে খঙতে গৰু হালকে এনেয়ে দুচাট্ মানকৈ এছাৰিৰে পিতিলে। কালুৱে বিন্দেশ্বৰৰ অকস্মাতে খং উঠা দেখি অযথা গালি খোৱাৰ ভয়ত খৰ-খেদাকৈ বিন্দেশ্বৰৰ পিচে পিচে দমৰা হাল খেদি দিলে। দমৰাহালে একেবাৰে আগবাঢ়ি গৈ বিন্দেশ্বৰৰ ভৰিতে খোজ পেলালেগৈ। তাৰোপৰি ভিতৰৰ দমৰাটোৱে মূৰেৰে বিন্দেশ্বৰৰ তপিনাত খুন্দিয়ালেগৈ। জ্বলা জুইত ঘিউ ঢালি দিয়াৰ দৰে দমৰা হালে বিন্দেশ্বৰৰ খং দুগুনে বঢ়ালে। খঙত একো নাই হৈ বিন্দেশ্বৰে হাতৰ নাঙলৰ মুঠি এৰি একেবাৰে পিচলৈ ঘূৰি লৈ এছাৰিৰে দমৰাহালৰ মূৰে-কাণে পিতিলে।

বিন্দেশ্বৰহঁতক কোনে পায়! অৱশ্যে কঠীয়াতলী খিনি মাটি মাহ সিঁচিবৰ বাবেও থব পাৰি। তাৰোপৰি গৰু কেইটা ঠিয় কৰাবলৈকোতো জেগা অলপ লাগে।

ৰাতিপুৱাতে বিন্দেশ্বৰে কালুক জগাই লৈ পথাৰলৈ বুলি হালৰ গৰু কেইটা খেদি নিলে। ঘাটত গৈ দেখে যে, নৈৰ পানী বাঢ়ি আছে। ৰাতি বৰষুণ হোৱা নাই পাহাৰত বৰষুণ হোৱাৰ বাবেই নৈৰ পানী বাঢ়িছে বুলি বিন্দেশ্বৰে অনুমান কৰিলে। ঘাটত অন্য দিনাৰ দৰে থকা কলৰ ভুৰটো দেখা নেপাই বিন্দেশ্বৰৰ টিঙিচ্ কৰি খঙটো উঠিল। কোনে নিব পাৰে বাৰু? বিন্দেশ্বৰে ভালকৈ চাই দেখিলে— ৰছীডালো নাই। সি মনতে ভাবিলে ৰাতি কোনোবাই দলনিৰ মাজত কাঁহী বজাই বজাই 'তুম্বুক' চৰাই মাৰিবলৈ নিশ্চয় আহিছিল। সিহঁতেই ক'ৰবাত ভুৰটো লুকুৱাই থৈ গ'ল। হেৰৌ ভুৰটো ব্যৱহাৰ কৰিছ কৰ; কৰি আগৰ জেগাতে থৈ যা! নাই। ৰাতিপুৱাতে নৈত নামি পাৰ হ'বলৈ এলাহ কৰাৰ বাবেহে বিন্দেশ্বৰে তাৰ 'মমাই' তিতেচিঙৰ লগত লাগি-ভাগি দুদিনমানৰ আগতে চাৰিটা আঠীয়া কলৰ ভুৰটো সাজি উলিয়াইছিল। যাতে জোনাকীহঁতেও সময়ত একেলগে ৰংদৈহঁতৰ লগত পাৰ হ'ব পাৰি। কিন্তু ভুৰটো আজি পুৱাতে দেখা নেপাই বিন্দেশ্বৰৰ গা-মন জিন্-জিনাই উঠিল।

ইতিমধ্যে গৰু কেইটাই নৈৰ পানীত নামি পৰা দেখি বিন্দেশ্বৰে কালুক কাপোৰ-কানিখিনি পাৰতে থৈ পাৰহে যাবলৈ ক'লে। কালুৱে উপায়ন্তৰ হৈ কজলাটোৰ নেজত ধৰি গৰু কেইটাৰ লগে লগে সাতুৰি নদীৰ মাজ পালেগৈ বিন্দেশ্বৰে দেখিলে— নৈৰ পানীত থাউনি নোপোৱা কালু আৰু গৰু কেইটাই কেৱল কাণ-মুৰ উলিয়াই উলিয়াই সাতুৰি সাতুৰি নৈখনৰ বহু ভটীয়নি পাৰত উঠিছেগৈ। বিন্দেশ্বৰেও ইফালে সিফালে চাই কঁকালত তিয়নীখন গাঁঠি মাৰি বাকীখিনি কাপোৰ নিজৰ মূৰত সযতনে মেৰিয়াই বান্ধি লৈ নদীত নামি পৰিল। হ'লেও সি অনায়াসে সেইখিনি সাঁতুৰি পাৰ হৈ গৈ পোনে পোনেই সিটো পাৰত উঠিলেগৈ। তাৰ পিচত কালুৰ লগ হৈ গৈ ৰহাটোতে তিয়নী সলাই হাল বাবলৈ আৰম্ভ কৰি দিলে।

আজি কেবাদিনো ধৰি বিন্দেশ্বৰৰ মনটো ভাল নহয়। তাৰে প্ৰধান কাৰণ হ'ল— জোনাকীক লৈ। এইখন পথাৰলৈ হাল অনা দিনাৰে পৰা বিন্দেশ্বৰে যিঃ নেই তাইক লগ কৰিবলৈ সুযোগ বিচাৰি আছে, সিমানেই জোনাকীয়ে কিবা গা এৰা দিয়াৰ নিচিনাহে ইঙ্গিত বিন্দেশ্বৰে পোৱা যেন লাগিছে। সুযোগ তেনেকৈ একেবাৰে নোপোৱাও নহয়; কিন্তু হ'ল বুলিনো সকলোৱে দেখাকৈনো কেনেকৈ কথা হয়। অন্ততঃ অলপ মানুহৰ আওহতীয়া জেগা হ'লে ভাল আৰু! তেতিয়াহে আচল মনৰ কথাবিলাক ব্যক্ত কৰিবলৈ সুবিধা হয়। নৈখন পাৰ হওঁতে বা ৰাতি ঘিলা বা চুমপকা



খেলোতে লগ পোৱাক কিবা লগ পোৱা যেনেই নেলাগে বিন্দেশ্বৰৰ। কাৰণ, তাতটো তেনেকৈ মনৰ কথা পাতিব নোৱাৰি। সেয়েহে সি এই দুই এদিনতে জোনাকীক লগ পাবৰ বাবে উদ্বাউল হৈ পৰিছে। মনৰ হেঁপাহতে সি জোনাকীহঁতৰ পথাৰলৈ আজি কেবাবাৰো চকু মাৰিছে। নাই। সেইজনী ক'তবা মৰিবলৈ গ'ল। বহু দেৰিৰ মূৰকত বিন্দেশ্বৰে নৈৰ ঘাটৰ ফালে চকু পেলোৱাত দুজনী ছোৱালী আহি থকা যেন দেখা পালে। সি হাল বাই থাকোতেই দৃষ্টি পেলাই নিশ্চিত হ'ল যে, সেয়া এজনী ভনীয়েক ৰংদৈ। এজনীহে কোন সঠিককৈ ধৰিব নোৱাৰাৰ বাবে নিজৰ চকু দুটাকে ঘোঁকোতা মাৰি আনিবলৈ তাৰ মন গ'ল। ছোৱালী দুজনী ক্ৰমান্বয়ে ওচৰ চাপি অহাতহে সি চিনি পালে— সেইজনী জোনাকী। মূৰত জাপি লৈ অহাৰ বাবে বিন্দেশ্বৰে তাইক ধৰিবকে পৰা নাছিল। তাতে আকৌ তাই আঁঠুলৈকেহে মেখেলাখন পিন্ধি আহিছে। দেখাত একেবাৰে সৰু ছোৱালী যেন লাগি গ'ল বিন্দেশ্বৰৰ। দুয়োজনীয়ে নৈখন কেনেকৈ পাৰ হৈ আহিল বিন্দেশ্বৰে ধৰিবই নোৱাৰিলে।

লাহে লাহে ৰংদৈ আৰু জোনাকীৰ হাঁহি খিকিন্দালি ক্ৰমে ওচৰ চাপি আহি বিন্দেশ্বৰৰ কাণত সোমালেহি। বিন্দেশ্বৰ আচৰিত হ'ল— আজি আকৌ বোকাও এৰা নাই; ইফালে আহুধানো দাই শেষ হ'লেই, পিছে জোনাকীয়েনো কি কৰিবলৈ ৰংদৈৰ লগত আহিল! এই ছোৱালী জাতিবোৰৰ কাণ্ড-কাৰখানা চিন্তা কৰি একো পাৰাপাৰ পোৱা নেযায়— বিন্দেশ্বৰৰ মনোভাব। এক অবাঞ্চিত আনন্দ আৰু এক প্ৰকাৰ অভিমানত বিন্দেশ্বৰে সিহঁত দুজনীয়ে অহা ফালে নোচোৱাকৈ হালখনতে ব্যস্ত হৈ থাকিল।

ৰংদৈৰ মাত আৰু হাঁহি ক্ৰমান্বয়ে ডাঙৰ হৈ অহা বিন্দেশ্বৰে শুনিবলৈ পালে। অন্যহাতে, জোনাকীৰ মাত হাঁহি ক্ৰমান্বয়ে সৰু হৈ বতাহৰ লগত মিলি বিন্দেশ্বৰৰ কাণত নপৰাত সি মূৰ ডাঙি চাই দেখে— ৰংদৈ আহি সিহঁতৰ পথাৰৰ সীমাত থকা টং টং পুখুৰী পাৰত ভৰি পেলাইছেহি আৰু তাৰ মৰমৰ চৰাই জনী উভতি গৈ সিহঁতৰ নিজৰ পথাৰত পৰিছেগৈ। বিন্দেশ্বৰে খঙতে গৰু হালকে এনেয়ে দুচাট্ মানকৈ এছাৰিৰে পিতিলে। কালুৱে বিন্দেশ্বৰৰ অকস্মাতে খং উঠা দেখি অযথা গালি খোৱাৰ ভয়ত খৰ-খেদাকৈ বিন্দেশ্বৰৰ পিচে পিচে দমৰা হাল খেদি দিলে। দমৰাহালে একেবাৰে আগবাঢ়ি গৈ বিন্দেশ্বৰৰ ভৰিতে খোজ পেলালেগৈ। তাৰোপৰি ভিতৰৰ দমৰাটোৱে মূৰেৰে বিন্দেশ্বৰৰ তপিনাত খুন্দিয়ালেগৈ। জ্বলা জুইত ঘিউ ঢালি দিয়াৰ দৰে দমৰা হালে বিন্দেশ্বৰৰ খং দুগুনে বঢ়ালে। খঙত একো নাই হৈ বিন্দেশ্বৰে হাতৰ নাঙলৰ মুঠি এৰি একেবাৰে পিচলৈ ঘূৰি লৈ এছাৰিৰে দমৰাহালৰ মূৰে-কাণে পিতিলে।

ঃ এই গৰু হালে এবাৰ নহয় এবাৰ অথন্তৰ ঘটাব! ভৰি গচকি খান্তাং কৰাটো বাদেই একেবাৰে গা-চা মহতিয়াই নিব খোজে! বৰ জোৰিবান দেখুৱায়! আৰু এই পোৱালী বঙালীতো সি অকল নাঙলটোহে চোঁচৰাব জানে। মনপুতি দকৈ নাঙলৰ আঙচ্ লগালেহে দমৰা হালে মজাটো পায়। দিওঁ নেকি ইয়াকো এচাট বুলি বিন্দেশ্বৰে কালুকো এচাট দিব বিচৰা দেখি নাঙলৰ মুঠি এৰি সি হাঁহি হাঁহি দিলে লৰ বহাটোৰ পিনে।

ঃ কি হ'ল অ' কালু? হাল এৰি যে দুয়োজনে খেদা-খেদি কৰি আছ? কিবা সাপ-চাপ ওলাইছে নেকি? নে তই ককায়েৰক জগৰ লগালি? ৰংদৈয়ে পোৱালী হাতীটোৱে মাকৰ আশ্ৰয়ৰ বাবে গাতে গা লগাই গা-বচাবলৈ অহাৰ দৰে তাইৰ ওচৰ চাপি অহা কালুক দেখি সুধিলে। কিন্তু কালু নিমাত। কেৱল সি তাৰ কিচ্‌কিচিয়া ক'লা মুখ-মণ্ডলত তাৰ দাঁত কেইটা এবাৰ উলিয়াই এবাৰ ঢাকি লৈ মিচিক-মাচাক কৈ হাঁহি থাকিল।

ৰংদৈয়ে পথাৰলৈ চকু ফুৰাই দেখিলে গোটেই কেইখন খেলিমেলি। দমৰা গৰু হালৰ লাওমূৰাটোৰ পৰা যুঁৱলি সুলকি মুকলি হৈ আছে। ডাঙৰ হালৰ নাঙল আঙচ্‌ত লাগি নেথাকি ওচৰৰ ডৰাটোলৈ চোঁচৰাই নিছে। বিন্দেশ্বৰে সেইবিলাক থিক-থাক নকৰি কালুক চিঞৰিবলৈ ধৰিলে—

ঃ ক'লৈ পলাইছ ঐ কালু! এই ফালে আহ বুলি কৈছো নহয়? লাওমুৰাটো ধৰহি। নহ'লে ই এতিয়া পলাব। দেখা নাই নেকি?

ঃ তুই মোক মাৰ্‌বি। মুই নাযাং। হাঁহি বন্ধ কৰি কালুৱে ভয়ে ভয়ে কথাখিনি ক'লে। কথাৰ লগে লগে সি ৰংদৈৰ আশ্ৰয়েৰে তাইৰ মেখেলাখনতে ধৰিলে। ৰংদৈৰ কালুৰ প্ৰতি দৰদ উপজিল। তাই জলপানৰ টোপোলাটো বহাত থৈ অভয় দি কালুক ক'লে—

ঃ বল, বল! মই থাকিলে ককায়েৰে তোক মাৰিব নোৱাৰে। ময়ো লগত গৈছো। তই গৰুটো ধৰ আৰু হালখন জুটি লৈ ল। তাৰ খং মানে বিন্দেশ্বৰৰ খঙ যে গৰুহালৰ ওপৰতহে সেই কথা কালুৰেও নুবুজাকৈ থকা নাছিল। সি বুজিছিল। কিন্তু গৰু হালে আজিহে যে বিন্দেশ্বৰক আমনি দিছে সেইটো কথাও নতুন নহয়। প্ৰায়ে দমৰা গৰু হালে বিন্দেশ্বৰক ভৰি বা তপিনাত মূৰ ঘঁহায় বা মূৰৰে খুন্দিয়ায়। কিন্তু বিন্দেশ্বৰৰ আজিৰ খঙৰ দৰে তেনে খং কালুৱে কাহানিও দেখা পোৱা নাছিল। সেই খঙৰ লগত যে আৰু কিছুমান কাৰণ সোমাই থাকিব পাৰে সেইটোনো কালুৱে কি খাই কব পাৰিব? কালুৰ সলনি আজি ৰংদৈ হ'লেও ৰংদৈও কথাটো সিমান তলকিব নোৱাৰিলেহেঁতেন কিজানি!



যিকিনহওঁক ৰংদৈৰ হস্তক্ষেপত যেনিবা পৰিস্থিতি নিয়ন্ত্ৰণত আহিল। আকৌ আগৰ দৰেই হাল চলিবলৈ ধৰাত ৰংদৈয়ে আত্ম সন্তুষ্টিৰ হাঁহি এটা মাৰিলে। কিন্তু ৰংদৈৰ মনত এটা প্ৰশ্নবোধক চিহ্নই বাৰে বাৰে আমনি দি গ'ল। দুদিনমান হ'ল--ককায়েকে বিন্দেশ্বৰৰ মুখখনলৈকে তাই চাব নোৱাৰা অৱস্থা হৈছে। চকুৱে চকুৱে পৰিলেই যেন তাইক সি খাই পেলাব তেনেকুৱা এটা ভাৱ দেখা পাইছে ৰংদৈয়ে। সেইবাবে ৰংদৈও ককায়েকক জোকাই ল'বলৈ সাহ পোৱা নাই। কিন্তু ৰংদৈয়েনো ককায়েকৰ কি পানী খোৱা পুখুৰীত বিষ ঢালিলে— তাৰে চিন্তাত ৰংদৈ উদিগ্ন। বিষ ঢালিলেতো ৰংদৈৰো মৰণ! কাৰণ ৰংদৈয়েতো সেই একে পুখুৰীৰহে পানী খায়। তথাপি কিবা এটা হেস্ত-নেস্ত কৰিব লাগিব বুলি ভাৱি ৰংদৈৰ মন ব্যাকুল হৈ পৰিল। সিফালে জোনাকীৰ মনটোও এই কেইদিন ৰংদৈয়ে মুকলিকৈ পোৱা নাই। ৰংদৈয়ে জোনাকীক 'ভাত খালি নে' বুলি সুধিলে তাই 'নেখাই মৰিব লাগে নেকি', 'নেখালেও বা কোনে হিচাপ ৰাখে', ধৰণৰ উত্তৰহে পোৱা যায়। সেয়েহে নেকি আজিও জলপানৰ টোপোলাটো পথাৰত দি তাইকে শালি ৰুৱাত অলপ সহায় কৰি দিবগৈ বুলি কোৱাতো তাই ৰংদৈৰ লগ নিদি উচাটমাৰি নিজৰ পথাৰলৈ অকলেই পোনাই দিলে। মুঠতে গোটেই বিষয়টোকে ৰংদৈৰ বেবেৰি বাং যেন লাগিল। ৰংদৈৰ ক্ষুদ্ৰ মগজে বুজি পালে যে, দুয়োজনৰ মাজত নিশ্চয় এটা কেৰোণ সোমাইছে। আৰু এই কেৰোণটোৰ পৰাই যে এটা ডাঙৰ বেমেজালি হ'বগৈ সেইটোও ৰংদৈয়ে নুবুজা নহয়। এই বেমেজালিটোনো কি তাৰ উৎস বিচাৰি ৰংদৈৰ এটা জুলীয়া হেঁপাহ মনৰ মাজতে অংকুৰিত হৈ পোখা মেলিবলৈ ধৰিলে।

ৰংদৈয়ে নিজে পুখুৰীৰ পানীত ননমাকৈ পুখুৰীত মাছ আছে নে নাই জনাৰ দৰে জোনাকীহঁতৰ সম্পৰ্কত তেনেকুৱা এটা ঝামেলা সৃষ্টি হ'ব পাৰে বুলিয়েই ৰংদৈয়ে জোনাকীৰ প্ৰথম প্ৰণয় বিনিময়ৰ আগতেই কথাটো সকীয়াই দিয়া তাইৰ মনত আছে। আৰু..........। কিন্তু ৰংদৈ আজি নিৰুপায়। তাই পিচৰ জেঙাবোৰত সোমাই নপৰো বুলি কোৱা সত্ত্বেও পৰিস্থিতিয়ে তাইক হাত বাউল দি মাতিবলৈ ধৰাৰ দৰে অনুভৱ কৰিলে। মনৰ মাজত অঙ্কুৰিত হোৱা হেঁপাহটো ঠন ধৰি ডাল-পাত মেলাত সখীয়েক জোনাকীৰ মুখৰ পৰাই কথাটো উলিয়াবলৈ বুলি অৱশেষত ৰংদৈ বাধ্যত পৰিল।

ইফালে বিন্দেশ্বৰেও ৰংদৈ আহি পথাৰত ভৰি দিয়াৰ আগলৈকে কেনেকৈ নৈখন পাৰ হৈ আহিল; যদি ভুৰেৰে পাৰ হৈ আহিল তেন্তে ভুৰ ক'ত পালি? জোনাকীহঁতৰ বোকা এৰিছে নে নাই? ইত্যাদি নানা ধৰণৰ প্ৰশ্ন কৰিব বুলি ভাৱি আছিল যদিও দমৰাহালে পৰিৱেশটোকেই সলনি কৰি দিয়াত বিন্দেশ্বৰৰ মুড়টোৱেই নষ্ট হৈ পৰিল।

ঃ এই গৰু হালে এবাৰ নহয় এবাৰ অথন্তৰ ঘটাব! ভৰি গচকি খাত্তাং কৰাটো বাদেই একেবাৰে গা-চা মহতিয়াই নিব খোজে। বৰ জোৰিবান দেখুৱায়! আৰু এই পোৱালী বঙালীতো সি অকল নাঙলটোহে চোঁচৰাব জানে। মনপুতি দকৈ নাঙলৰ আঙচ্ লগালেহে দমৰা হালে মজাটো পায়। দিওঁ নেকি ইয়াকো এচাট বুলি বিন্দেশ্বৰে কালুকো এচাট দিব বিচৰা দেখি নাঙলৰ মুঠি এৰি সি হাঁহি হাঁহি দিলে লৰ বহাটোৰ পিনে।

ঃ কি হ'ল অ' কালু? হাল এৰি যে দুয়োজনে খেদা-খেদি কৰি আছ? কিবা সাপ-চাপ ওলাইছে নেকি? নে তই ককায়েৰক জগৰ লগালি? ৰংদৈয়ে পোৱালী হাতীটোৱে মাকৰ আশ্ৰয়ৰ বাবে গাতে গা লগাই গা-বচাবলৈ অহাৰ দৰে তাইৰ ওচৰ চাপি অহা কালুক দেখি সুধিলে। কিন্তু কালু নিমাত। কেৱল সি তাৰ কিচ্‌কিচিয়া ক'লা মুখ-মণ্ডলত তাৰ দাঁত কেইটা এবাৰ উলিয়াই এবাৰ ঢাকি লৈ মিচিক-মাচাক কৈ হাঁহি থাকিল।

ৰংদৈয়ে পথাৰলৈ চকু ফুৰাই দেখিলে গোটেই কেইখন খেলিমেলি। দমৰা গৰু হালৰ লাওমূৰাটোৰ পৰা যুঁৱলি সুলকি মুকলি হৈ আছে। ডাঙৰ হালৰ নাঙল আঙচ্‌ত লাগি নেথাকি ওচৰৰ ডৰাটোলৈ চোঁচৰাই নিছে। বিন্দেশ্বৰে সেইবিলাক থিক-থাক নকৰি কালুক চিঞৰিবলৈ ধৰিলে—

ঃ ক'লৈ পলাইছ ঐ কালু! এই ফালে আহ বুলি কৈছো নহয়? লাওমুৰাটো ধৰহি। নহ'লে ই এতিয়া পলাব। দেখা নাই নেকি?

ঃ তুই মোক মাৰ্‌বি। মুই নাযাং। হাঁহি বন্ধ কৰি কালুৱে ভয়ে ভয়ে কথাখিনি ক'লে। কথাৰ লগে লগে সি ৰংদৈৰ আশ্ৰয়েৰে তাইৰ মেখেলাখনতে ধৰিলে। ৰংদৈৰ কালুৰ প্ৰতি দৰদ উপজিল। তাই জলপানৰ টোপোলাটো বহাত থৈ অভয় দি কালুক ক'লে—

ঃ বল, বল! মই থাকিলে ককায়েৰে তোক মাৰিব নোৱাৰে। ময়ো লগত গৈছো। তই গৰুটো ধৰ আৰু হালখন জুটি লৈ ল। তাৰ খং মানে বিন্দেশ্বৰৰ খঙ যে গৰুহালৰ ওপৰতহে সেই কথা কালুৰেও নুবুজাকৈ থকা নাছিল। সি বুজিছিল। কিন্তু গৰু হালে আজিহে যে বিন্দেশ্বৰক আমনি দিছে সেইটো কথাও নতুন নহয়। প্ৰায়ে দমৰা গৰু হালে বিন্দেশ্বৰক ভৰি বা তপিনাত মূৰ ঘঁহায় বা মূৰৰে খুন্দিয়ায়। কিন্তু বিন্দেশ্বৰৰ আজিৰ খঙৰ দৰে তেনে খং কালুৱে কাহানিও দেখা পোৱা নাছিল। সেই খঙৰ লগত যে আৰু কিছুমান কাৰণ সোমাই থাকিব পাৰে সেইটোনো কালুৱে কি খাই কব পাৰিব? কালুৰ সলনি আজি ৰংদৈ হ'লেও ৰংদৈও কথাটো সিমান তলকিব নোৱাৰিলেহেঁতেন কিজানি!



যিকিনহওঁক ৰংদৈৰ হস্তক্ষেপত যেনিবা পৰিস্থিতি নিয়ন্ত্ৰণত আহিল। আকৌ আগৰ দৰেই হাল চলিবলৈ ধৰাত ৰংদৈয়ে আত্ম সন্তুষ্টিৰ হাঁহি এটা মাৰিলে। কিন্তু ৰংদৈৰ মনত এটা প্ৰশ্নবোধক চিহ্নই বাৰে বাৰে আমনি দি গ'ল। দুদিনমান হ'ল-- ককায়েকে বিন্দেশ্বৰৰ মুখখনলৈকে তাই চাব নোৱাৰা অৱস্থা হৈছে। চকুৱে চকুৱে পৰিলেই যেন তাইক সি খাই পেলাব তেনেকুৱা এটা ভাব দেখা পাইছে ৰংদৈয়ে। সেইবাবে ৰংদৈও ককায়েকক জোকাই ল'বলৈ সাহ পোৱা নাই। কিন্তু ৰংদৈয়েনো ককায়েকৰ কি পানী খোৱা পুখুৰীত বিষ ঢালিলে— তাৰে চিন্তাত ৰংদৈ উদিগ্ন। বিষ ঢালিলেতো ৰংদৈৰো মৰণ! কাৰণ ৰংদৈয়েতো সেই একে পুখুৰীৰহে পানী খায়। তথাপি কিবা এটা হেস্ত-নেস্ত কৰিব লাগিব বুলি ভাৱি ৰংদৈৰ মন ব্যাকুল হৈ পৰিল। সিফালে জোনাকীৰ মনটোও এই কেইদিন ৰংদৈয়ে মুকলিকৈ পোৱা নাই। ৰংদৈয়ে জোনাকীক 'ভাত খালি নে' বুলি সুধিলে তাই 'নেখাই মৰিব লাগে নেকি', 'নেখালেও বা কোনে হিচাপ ৰাখে', ধৰণৰ উত্তৰহে পোৱা যায়। সেয়েহে নেকি আজিও জলপানৰ টোপোলাটো পথাৰত দি তাইকে শালি ৰুৱাত অলপ সহায় কৰি দিবগৈ বুলি কোৱাতো তাই ৰংদৈৰ লগ নিদি উচাটমাৰি নিজৰ পথাৰলৈ অকলেই পোনাই দিলে। মুঠতে গোটেই বিষয়টোকে ৰংদৈৰ বেবেৰি বাং যেন লাগিল। ৰংদৈৰ ক্ষুদ্ৰ মগজে বুজি পালে যে, দুয়োজনৰ মাজত নিশ্চয় এটা কেৰোণ সোমাইছে। আৰু এই কেৰোণটোৰ পৰাই যে এটা ডাঙৰ বেমেজালি হ'বগৈ সেইটোও ৰংদৈয়ে নুবুজা নহয়। এই বেমেজালিটোনো কি তাৰ উৎস বিচাৰি ৰংদৈৰ এটা জুলীয়া হেঁপাহ মনৰ মাজতে অংকুৰিত হৈ পোখা মেলিবলৈ ধৰিলে।

ৰংদৈয়ে নিজে পুখুৰীৰ পানীত ননমাকৈ পুখুৰীত মাছ আছে নে নাই জনাৰ দৰে জোনাকীহঁতৰ সম্পৰ্কত তেনেকুৱা এটা ঝামেলা সৃষ্টি হ'ব পাৰে বুলিয়েই ৰংদৈয়ে জোনাকীৰ প্ৰথম প্ৰণয় বিনিময়ৰ আগতেই কথাটো সকীয়াই দিয়া তাইৰ মনত আছে। আৰু..........। কিন্তু ৰংদৈ আজি নিৰুপায়। তাই পিচৰ জেঙাবোৰত সোমাই নপৰো বুলি কোৱা সত্বেও পৰিস্থিতিয়ে তাইক হাত বাউল দি মাতিবলৈ ধৰাৰ দৰে অনুভৱ কৰিলে। মনৰ মাজত অঙ্কুৰিত হোৱা হেঁপাহটো ঠন ধৰি ডাল-পাত মেলাত সখীয়েক জোনাকীৰ মুখৰ পৰাই কথাটো উলিয়াবলৈ বুলি অৱশেষত ৰংদৈ বাধ্যত পৰিল।

ইফালে বিন্দেশ্বৰেও ৰংদৈ আহি পথাৰত ভৰি দিয়াৰ আগলৈকে কেনেকৈ নৈখন পাৰ হৈ আহিল; যদি ভুৰেৰে পাৰ হৈ আহিল তেন্তে ভুৰ ক'ত পালি? জোনাকীহঁতৰ বোকা এৰিছে নে নাই? ইত্যাদি নানা ধৰণৰ প্ৰশ্ন কৰিব বুলি ভাৱি আছিল যদিও দমৰাহালে পৰিবেশটোকেই সলনি কৰি দিয়াত বিন্দেশ্বৰৰ মুড্‌টোৱেই নষ্ট হৈ পৰিল।

ঃ ঐ কাই ১। মই হই ২হঁতৰ পথাৰত শালি ৰুই দিবলৈ যাওঁ। তঁহতি মকজি৩ খাই লবি। বাচিঙ৪তে থৈ গৈছো। চাবি আকৌ কাউৰীয়ে মকজি খিনি খাই পেলাব। ৰংদৈৰ মাত শুনি বিন্দেশ্বৰে চাই দেখিলে— ৰংদৈয়ে জোনাকীহঁতৰ পথাৰৰ ফালে খোজ দি লাহে লাহে আঁতৰি গৈছে।

বিন্দেশ্বৰে কামৰ মাজতে ৰংদৈয়ে জোনাকীৰ ওচৰলৈ যোৱাটোকে পুনৰ চকু ফুৰালে। বিন্দেশ্বৰে নিজেও উপলব্ধি নকৰা নহয় যে, সি এই কেইদিন বৰ খিং খিঙিয়া হৈ পৰিছে। আজি ৰংদৈয়ে নিজ চকুৰে দেখি যোৱা আচৰণবোৰ জোনাকীক কৈ দিব গৈ পাৰে নেকি বুলি ভাৱি সি নিজেই বৰ লজ্জা অনুভৱ কৰিলে। তাৰ খঙৰ স্বভাৱটো মুকলি কৈ জোনাকীক অনুবাদ কৰি দিলে জোনাকীয়েই বা কি বুলি ভাৱিব বুলি চিন্তা কৰি সি উচ্‌পিচাই উঠিল। কথাটো ভাৱি বিন্দেশ্বৰ তৎ নোহোৱা মানুহৰ দৰে অস্থিৰ হৈ পৰিল। সি হালৰ গৰুৱে আঙচ্ মাৰিবৰ বাবে ঘনে ঘনে ঘুৰি থকাৰ দৰে সেই একেটা কথাকে ঘনাই ঘনাই ভাৱি থাকিল।

ৰংদৈয়ে ভৱামতে আচলতে জোনাকীৰ লগত বিন্দেশ্বৰৰ বৰ বিশেষ তেনেকৈ জগৰ লগা-লগি হোৱা নাই। এটা বুজাবুজিৰ অভাৱত পৰস্পৰৰ মনত একোটাকৈ সন্দেহৰ বাঁহে গা কৰি উঠিছে। বহু কথা সিমানেই। এইটোত সঁচা যে এই পৰস্পৰৰ সন্দেহৰ পৰাই সময়ত উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰিলে কথা ডাঙৰ হৈ পৰাৰ সম্ভাৱনা নথকা নহয়। কাৰণ— মানুহক বিশ্বাস কৰিব পাৰিলে শান্তি আৰু সন্দেহত যন্ত্ৰণা। তথাপিও বিন্দেশ্বৰে জোনাকীৰ ওপৰত বিশ্বাস এশভাগেই অটুট ৰাখিব পৰা নাই। তাৰ মনত নানা ধৰণৰ চিন্তাই মূৰত দোলা দি গ'ল। সি পাৰ হৈ যোৱা দিনবোৰ মনত পলাই নমৰা আঙচ্‌ফালে আকৌ হালখন ঘুৰাই খেদাৰ দৰে মনটো স্মৃতিৰ বাকৰিলৈ খেদাই দিলে। মনটো গৰাকীৰ আদেশ পাই সেই বহাগৰ 'ৰাতি বিহু'ৰ শেষৰ নিশালৈ ঢাপলি মেলিলে। মনটো ইফালে সিফালে কিল্ বিলাই 'লহৰিয়া নৃত্য'ৰ এটা বিশেষ মূহূৰ্তৰ কথা ভাৱি বৈ গ'ল। অচিনাকি এজন আলহী ডেকা ল'ৰাৰ সন্ধানত বিন্দেশ্বৰৰ মনটো কেন্দ্ৰীভূত হৈ পৰিল। সেইদিনা জোনাকীৰ লগত নচা সেই অচিনাকি ল'ৰাজনেই নেকি বাৰু বিন্দেশ্বৰৰ বাবে আজি এই যন্ত্ৰণাৰ মূল নায়ক?

---

১. কাই -- ককাই
২. হই -- সখী
৩. মকজি -- জলপান
৪. বাচিং -- বহা



নাঙলৰ সিৰলুত ওলাইপৰা বোকা মাটিৰ লদা আৰু আহুধানৰ নৰাৰ স'তে লেটিপেটিত সৃষ্টি হোৱা বোকা মাটিৰ দ'মবোৰ মৈয়াই দিলে সমান হোৱাৰ দৰে বিন্দেশ্বৰে সন্দেহৰ পৰা সৃষ্টি হোৱা অবিশ্বাস, যন্ত্ৰণাবোৰ সমান কৰাৰ মানসেৰে পুনৰ বাৰ বিষয়টো চালি জাৰি চালে। সি ভাৱিলে, জোনাকীয়ে সঁচাকৈয়ে বিন্দেশ্বৰক ভাল পায় নে নাই? নে জোনাকীৰ সেইবোৰ চালনাহে মাথোন? তেতিয়াহঁলে কিয় জোনাকীয়ে সেই ৰাতি এক অজান আশঙ্কাৰ অভিনয় কৰি বিন্দেশ্বৰৰ বুকুত উম দিছিল? সঁচাই, সেই গোটেইবোৰ অভিনয়েই আছিল নেকি? তেন্তে জোনাকীয়ে সেইদিনা দিয়া কথাবিলাকৰ কোনো মূল্য নাই নেকি? সেইবোৰ তেন্তে সম্পূৰ্ণ মিছা আছিল? নে প্ৰলোভন? কিন্তু জোনাকীয়ে এবাৰ হ'লেও ভাৱি চাইছে নে যে, সেইবোৰ কথা তাই কেৱল বিন্দেশ্বৰৰ আগতেহে কৈছিল? সাক্ষী হিচাপে নাছিল জানো— সেই কিলৌ বুঢ়াৰ বাঁহনি ডৰাৰ হাজাৰ হাজাৰ বাঁহ কেইডাল আৰু সেই জোনাক ভৰা ৰাতিৰ তৰাবোৰ!

এটা আঙচ্ মাৰি শেষ নহওঁতেই আৰু নতুন এটা আঙচ্ লৈ এইবাৰ বিন্দেশ্বৰে মনোজৰ কথাটোত মনত পেলালে। কাৰণ, মনোজকো বিন্দেশ্বৰে সন্দেহৰ উৰ্ধত ৰাখিব বিচৰা নাই। হাজাৰ হ'লেও সিও ডেকা ল'ৰা। চহৰত উচ্চশিক্ষা লৈ থকা শিক্ষিত ডেকা। তাৰোপৰি মুখত অনবৰতে লাগি থকা হে.......... হে..... হাঁহি। তাৰ সেই মুহিনি হাঁহিৰ বানত জানো জোনাকীয়েও আহত নোহোৱাকৈ থাকিব পাৰিলে? সেই লৈ বিন্দেশ্বৰ নিঃসন্দেহত কেনেকৈ মজি থাকিব? নহ'লেনো 'বিচু উৰুৱা' দিনা ৰাতি মনোজক অকলে তাক শুনোৱাই কিয় ভাত খাবলৈ জোনাকীয়ে মাতিছিল? সঁচাই বাৰু জোনাকীৰ মনোজৰ প্ৰতিও দুৰ্বলতা সৃষ্টি হৈছিল নেকি? মানসিক ভাৱে আৰু শাৰীৰিক ভাৱে ভাৰাক্ৰান্ত হৈ বিন্দেশ্বৰে এইবাৰ হালখন মেলি দিবলৈ বাধ্য হ'ল। বিন্দেশ্বৰৰ অবাঞ্ছিত আদেশ পাই কালুৱে হালখন মেলি নাকি ছিগা ম'হৰ দৰে ফৰকাল ফৰকাল লাগিল। তাৰ পিচত দুয়োজনে গৰু দুহাল ওখ হৈ বাঢ়ি থকা বাওঁধানৰ মাজলৈ খেদি দি বহাৰ পিনলৈ খোজ দিলে।

বিন্দেশ্বৰে কালুৰ সতে জলপান খাই উঠি বহাৰ সম্মুখৰ মাটি কেইডৰাত বাঁহৰ হেদালিত ওলোমাই থোৱা আহুধানৰ মুঠিখিনি ৰ'দ ওলোৱা দেখি ভালকৈ শুকাবলৈ লুটিয়াই লুটিয়াই দিলে। কালুৱে ইতিমধ্যে তাৰ বহাত থকা জাপিটো লৈ গৰু কেইটাৰ ওচৰলৈ গ'লগৈ। আহুধানৰ মুঠিখিনি দেখি বিন্দেশ্বৰে নৈ খনৰ অৱস্থিতি অনুভৱ কৰিলে। নৈখনৰ পানী বাঢ়ি থকাৰ বাবে সি আহুধানৰ মুঠিখিনি ঘৰলৈ নি ভঁৰালত থবগৈ পৰা নাই। অৱশ্যে দুদিনমানৰ আগতে নৈ খনৰ পানী শুকাইছিল যদিও সেইকেইদিন কঠীয়া তোলা আৰু কঠীয়া কঢ়িওৱাৰ লগতে মাটি ৰোৱাৰ ধুম

ঃ ঐ কাই [১]। মই হই [২]হঁতৰ পথাৰত শালি ৰুই দিবলৈ যাওঁ। তঁহতি মকজি[৩] খাই লবি। বাচিঙ[৪]তে থৈ গৈছো। চাবি আকৌ কাউৰীয়ে মকজি খিনি খাই পেলাব। ৰংদৈৰ মাত শুনি বিন্দেশ্বৰে চাই দেখিলে— ৰংদৈয়ে জোনাকীহঁতৰ পথাৰৰ ফালে খোজ দি লাহে লাহে আঁতৰি গৈছে।

বিন্দেশ্বৰে কামৰ মাজতে ৰংদৈয়ে জোনাকীৰ ওচৰলৈ যোৱাটোকে পুনৰ চকু ফুৰালে। বিন্দেশ্বৰে নিজেও উপলব্ধি নকৰা নহয় যে, সি এই কেইদিন বৰ খিং খিঙিয়া হৈ পৰিছে। আজি ৰংদৈয়ে নিজ চকুৰে দেখি যোৱা আচৰণবোৰ জোনাকীক কৈ দিব গৈ পাৰে নেকি বুলি ভাৱি সি নিজেই বৰ লজ্জা অনুভৱ কৰিলে। তাৰ খঙৰ স্বভাৱটো মুকলি কৈ জোনাকীক অনুবাদ কৰি দিলে জোনাকীয়েই বা কি বুলি ভাৱিব বুলি চিন্তা কৰি সি উচ্‌পিচাই উঠিল। কথাটো ভাৱি বিন্দেশ্বৰ তৎ নোহোৱা মানুহৰ দৰে অস্থিৰ হৈ পৰিল। সি হালৰ গৰুৰে আঙচ্‌ মাৰিবৰ বাবে ঘনে ঘনে ঘুৰি থকাৰ দৰে সেই একেটা কথাকে ঘনাই ঘনাই ভাৱি থাকিল।

ৰংদৈয়ে ভৱামতে আচলতে জোনাকীৰ লগত বিন্দেশ্বৰৰ বৰ বিশেষ তেনেকৈ জগৰ লগা-লগি হোৱা নাই। এটা বুজাবুজিৰ অভাৱত পৰস্পৰৰ মনত একোটাকৈ সন্দেহৰ বাঁহে গা কৰি উঠিছে। বহু কথা সিমানেই। এইটোত সঁচা যে এই পৰস্পৰৰ সন্দেহৰ পৰাই সময়ত উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰিলে কথা ডাঙৰ হৈ পৰাৰ সম্ভাৱনা নথকা নহয়। কাৰণ— মানুহক বিশ্বাস কৰিব পাৰিলে শান্তি আৰু সন্দেহত যন্ত্ৰণা। তথাপিও বিন্দেশ্বৰে জোনাকীৰ ওপৰত বিশ্বাস এশভাগেই অটুট ৰাখিব পৰা নাই। তাৰ মনত নানা ধৰণৰ চিন্তাই মূৰত দোলা দি গ'ল। সি পাৰ হৈ যোৱা দিনবোৰ মনত পলাই নমৰা আঙচ্‌ফালে আকৌ হালখন ঘুৰাই খেদাৰ দৰে মনটো স্মৃতিৰ বাকৰিলৈ খেদাই দিলে। মনটো গৰাকীৰ আদেশ পাই সেই বহাগৰ 'ৰাতি বিহু'ৰ শেষৰ নিশালৈ ঢাপলি মেলিলে। মনটো ইফালে সিফালে কিল্‌ বিলাই 'লহৰিয়া নৃত্য'ৰ এটা বিশেষ মূহূৰ্তৰ কথা ভাৱি বৈ গ'ল। অচিনাকি এজন আলহী ডেকা ল'ৰাৰ সন্ধানত বিন্দেশ্বৰৰ মনটো কেন্দ্ৰীভূত হৈ পৰিল। সেইদিনা জোনাকীৰ লগত নচা সেই অচিনাকি ল'ৰাজনেই নেকি বাৰু বিন্দেশ্বৰৰ বাবে আজি এই যন্ত্ৰণাৰ মূল নায়ক?

---

১. কাই -- ককাই
২. হই -- সখী
৩. মকজি -- জলপান
৪. বাচিং -- বহা



নাঙলৰ সিৰলুত ওলাইপৰা বোকা মাটিৰ লদা আৰু আহুধানৰ নৰাৰ স'তে লেটিপেটিত সৃষ্টি হোৱা বোকা মাটিৰ দ'মবোৰ মৈয়াই দিলে সমান হোৱাৰ দৰে বিন্দেশ্বৰে সন্দেহৰ পৰা সৃষ্টি হোৱা অবিশ্বাস, যন্ত্ৰণাবোৰ সমান কৰাৰ মানসেৰে পুনৰ বাৰ বিষয়টো চালি জাৰি চালে। সি ভাৱিলে, জোনাকীয়ে সঁচাকৈয়ে বিন্দেশ্বৰক ভাল পায় নে নাই? নে জোনাকীৰ সেইবোৰ চালনাহে মাথোন? তেতিয়াহ'লে কিয় জোনাকীয়ে সেই ৰাতি এক অজান আশঙ্কাৰ অভিনয় কৰি বিন্দেশ্বৰৰ বুকুত উম দিছিল? সঁচাই, সেই গোটেইবোৰ অভিনয়েই আছিল নেকি? তেন্তে জোনাকীয়ে সেইদিনা দিয়া কথাবিলাকৰ কোনো মূল্য নাই নৈকি? সেইবোৰ তেন্তে সম্পূৰ্ণ মিছা আছিল? নে প্ৰলোভন? কিন্তু জোনাকীয়ে এবাৰ হ'লেও ভাৱি চাইছে নে যে, সেইবোৰ কথা তাই কেৱল বিন্দেশ্বৰৰ আগতেহে কৈছিল? সাক্ষী হিচাপে নাছিল জানো— সেই কিলৌ বুঢ়াৰ বাঁহনি ডৰাৰ হাজাৰ হাজাৰ বাঁহ কেইডাল আৰু সেই জোনাক ভৰা ৰাতিৰ তৰাবোৰ।

এটা আঙচ্‌ মাৰি শেষ নহওঁতেই আৰু নতুন এটা আঙচ্‌ লৈ এইবাৰ বিন্দেশ্বৰে মনোজৰ কথাটোত মনত পেলালে। কাৰণ, মনোজকো বিন্দেশ্বৰে সন্দেহৰ উৰ্ধত ৰাখিব বিচৰা নাই। হাজাৰ হ'লেও সিও ডেকা ল'ৰা। চহৰত উচ্চশিক্ষা লৈ থকা শিক্ষিত ডেকা। তাৰোপৰি মুখত অনবৰতে লাগি থকা হে......... হে..... হাঁহি। তাৰ সেই মুহিনি হাঁহিৰ বানত জানো জোনাকীয়েও আহত নোহোৱাকৈ থাকিব পাৰিলে? সেই লৈ বিন্দেশ্বৰ নিঃসন্দেহত কেনেকৈ মজি থাকিব? নহ'লেনো 'বিচু উৰৰা' দিনা ৰাতি মনোজক অকলে তাক শুনোৱাই কিয় ভাত খাবলৈ জোনাকীয়ে মাতিছিল? সঁচাই বাৰু জোনাকীৰ মনোজৰ প্ৰতিও দুৰ্বলতা সৃষ্টি হৈছিল নেকি? মানসিক ভাৱে আৰু শাৰীৰিক ভাৱে ভাৱাক্ৰান্ত হৈ বিন্দেশ্বৰে এইবাৰ হালখন মেলি দিবলৈ বাধ্য হ'ল। বিন্দেশ্বৰৰ অবাঞ্ছিত আদেশ পাই কালুৱে হালখন মেলি নাকি ছিগা ম'হৰ দৰে ফৰকাল ফৰকাল লাগিল। তাৰ পিচত দুয়োজনে গৰু দুহাল ওখ হৈ বাঢ়ি থকা বাওঁধানৰ মাজলৈ খেদি দি বহাৰ পিনলৈ খোজ দিলে।

বিন্দেশ্বৰে কালুৰ সতে জলপান খাই উঠি বহাৰ সন্মুখৰ মাটি কেইডৰাত বাঁহৰ হেদালিত ওলোমাই থোৱা আহুধানৰ মুঠিখিনি ৰ'দ ওলোৱা দেখি ভালকৈ শুকাবলৈ লুটিয়াই লুটিয়াই দিলে। কালুৱে ইতিমধ্যে তাৰ বহাত থকা জাপিটো লৈ গৰু কেইটাৰ ওচৰলৈ গ'লগৈ। আহুধানৰ মুঠিখিনি দেখি বিন্দেশ্বৰে নৈ খনৰ অৱস্থিতি অনুভৱ কৰিলে। নৈখনৰ পানী বাঢ়ি থকাৰ বাবে সি আহুধানৰ মুঠিখিনি ঘৰলৈ নি ভঁৰালত থবগৈ পৰা নাই। অৱশ্যে দুদিনমানৰ আগতে নৈ খনৰ পানী শুকাইছিল যদিও সেইকেইদিন কঠীয়া তোলা আৰু কঠীয়া কঢ়িওৱাৰ লগতে মাটি ৰোৱাৰ ধুম

উঠাৰ বাবে সময়কে উলিয়াব নোৱাৰিলে। হ'লেও ৰংদৈয়ে আহুধান দোৱা কেইদিন ঘৰলৈ সন্ধিয়া যাওঁতে মাথাত এক ডাঙৰি এক ডাঙৰি কৰি দহ/বিশ ডাঙৰিমান নিছে। তাৰ পিচত তাইও কঠীয়া তোলা কামত বিন্দেশ্বৰক সহায় কৰি দিব লগা হোৱাত পিচলৈ সেয়াও মুদা মৰিল। তাৰ পিচতেই নৈখন বাঢ়িল। হওঁতে গাওঁখনৰ নামনি লৈ যোৱা কেঁচা ৰাষ্টাটোৱে স্কুল-কলেজ, চেণ্ট্ৰ লৈ যোৱা পকী ৰাস্তাক চুই যোৱাকৈ নৈখনৰ ওপৰত সেই বাঁহৰ দলং খন নথকা নহয়। ইচ্ছা কৰিলে সেই দলংডেদি পাৰ হৈ পথাৰৰ পৰা গাঁৱলৈ সোমাব পাৰি। কিন্তু সিফালেদি ঘূৰি গ'লে-বিন্দেশ্বৰহঁতৰ কিবা এযুগ যেন সময় লগাৰ দৰে ভাৱ হয়। সেয়ে একেবাৰে নৈৰ পানী বাঢ়ি ইকুল-সিকূল ফেনে-ফুটুকাৰে ভৰি পৰিলেহে সেই ফালেদি ঘূৰি যোৱা হয়।

বিন্দেশ্বৰে নৈখনৰ উজনিলৈ চাই পঠিওৱাত দেখিলে যে, উলুৱনী চুবাৰ ৰমাচিংহঁতৰ বান ভেটাত দুজনমানে পৰঙিজাল বাই আছে। বৰষুণৰ পিচত ৰ'দ এচেৰেঙা ওলোৱাৰ বাবেই নেকি মাছৰ উজান উঠিব পাৰে। সেয়েহে বিন্দেশ্বৰেও লাহে লাহে বাওঁতলীৰ মাজেৰে থকা মাথাউৰীটোৰে গৈ নৈ খনত দিয়া সিহঁতৰ বানভেটাৰ চাঙত উঠিলগৈ। সি তাতে এবল ঠিয় হৈ দুটামান মাছ ওলোৱা দেখি তৰি থোৱা পৰঙি জালখন পেলালে। পানী বঢ়াৰ বাবে নৈখনৰ পানী সামান্য ঘোলা। সি পানীলৈ জুমি জুমি চাই কিবা এটা ক'লাকৈ দেখা যেন পাই জালখনৰ মাৰি ডালত দুয়োখন হাত হেঁচা মাৰিলে। দুটামান নাৰ মাছ পৰঙিৰ পৰা 'জুপুং জুপুং'কৈ জঁপিয়াই পানীৰ যুঁৰলিত ছিটিকি ছিটিকি পৰিল গৈ। তাৰে এটা জঁপিয়াই গৈ বানৰ পিচফালে দিয়া ডেৰাত পৰি ছট্‌ফটাবলৈ ধৰিলে। পৰঙি সম্পূৰ্ণ পানীৰ ওপৰত দাং খোৱাতহে দেখিলে মাত্ৰ দুটা চকৰি পুঠি মাছ জালত পৰিছে। সেই দুটাকে হাতত লৈ সি পুনৰ জালখন পানীত পেলালে। মাছ দুটা হাততে লৈ সি পানীত নামি দেৱায়ত পৰি থকা নাৰ মাছটো ধৰি উঠাই আনিলে। সি পুনৰ জালবোৱা চাঙত উঠি তাৰ চুৰিয়াতে কোঁচ এটা কৰি মাছ কেইটা তাতে ভৰালে। তেনেকৈ দুবাৰ মান জাল দাঙি সি পাঁচ/ছয়টামান নাৰমাছ ধৰিলে। গোটেইখিনি চুৰিয়াতে থবলৈ অসুবিধা পোৱাত বিন্দেশ্বৰে কালুক যতন এটা আনিবলৈ কোৱাত সি দৌৰি গৈ বহাৰ পৰা মদ অনা যতনটোকে আনি দিলে।

বিন্দেশ্বৰক মাছ মৰা দেখিবলৈ পাই কালুও মাছ মাৰিবলৈ মন গ'ল। কিন্তু সি জানে যে, বিন্দেশ্বৰে তাক মাছ মৰিবলৈ কেতিয়াও নিদিয়ে। সেয়েহে সি ওচৰতে চুপ্‌চাপ্ হৈ ক্ষন্তেক সময় থিয় দঙা দি থাকিল। বিন্দেশ্বৰে মাছৰ আশাত একান্তচিত্তে লৰচৰ নোহোৱাকৈ চাঙৰ ওপৰত ঠিয় দি থাকিল । তাৰ নাঙঠ পিঠিত ৰ'দে গৰকি থকা সৰকা কৰিছে। এটা সময়ত তাৰ ডিঙিৰ শিৰ 'কেৰেত কুৰুৎ' কৈ শব্দ কৰিবলৈ আৰম্ভ কৰিলে। তথাপি তাৰ লৰচৰ নাই। অলপ পিচতে নৈৰ পানী বেচি ঘোলাহৈ অহা দেখি সি উজনিলৈ চাই দেখিলে ম'হ এজাক নৈৰ দলনিত নামি চৰিছেগৈ। তাৰ টিঙিচ্‌কৈ খঙটো উঠি গ'ল। হ'লেও সি তাৰ মূৰটোকে অলপ বেচি তললৈ কৰি পানীৰ সুঁতিত মাছৰ সন্ধানত চকু পেলালে। ছঁয়াময়াকৈ এটামান মাছ জালত উঠা যেন দেখি জালখন উঠাবলৈ ধৰোতেই 'চাৰাক' কৰি শব্দ এটা উঠিল। শব্দ শুনি জালৰ মাজৰ পৰা পুঠিমাছে ফৰিং ছিটিকা দি জপিয়াই আঁতৰি গ'ল। শব্দটোৰ উৎসৰ অনুসন্ধানত বিন্দেশ্বৰে পিচফালে ঘূৰি চাই দেখে— কালুৱে হাতত থকা এছাৰি ডালেৰে তাৰ ওচৰতে পানীৰ ওপৰত নাচি থকা জিঞাটোক অজানিতে মাৰিবলৈ চেষ্টা কৰিছে। খঙত একো নাই হৈ বিন্দেশ্বৰে ক'লে—

ঃ দিলে নহয় খেদি এই ডালে! ছেঃ পুঠিমাছ এজাক আছিলে। মনে মনে লৰচৰ নোহোৱাকৈ থাকিব নোৱাৰিলে থাক কেনৈ ইয়াত হু! যা— আঁতৰি যা ইয়াৰ পৰা। বিন্দেশ্বৰৰ ধমকনিত সম্বিৎ ঘুৰাই পাই কালুৱে দৌৰি গৈ গৰুকেইটাৰ ওচৰ পালেগৈ।

পুনৰ বিন্দেশ্বৰৰ তপস্যা আৰম্ভ হ'ল। সেয়া থিয় হৈ থকা তপস্যা। বহুদেৰিৰ মূৰকত আকৌ বিন্দেশ্বৰে মাছ জালত উঠাৰ এটা উমান পাই গাৰ শক্তিৰে পৰঙিৰ মাৰি ডালত দুইহাতেৰে হেঁচা মাৰিলে । অত্যাধিক হেঁচাত পৰঙিৰ খুটাটোত বান্ধি থোৱা ৰছী ছিগি 'জপং' কৰি বিন্দেশ্বৰ নিজে চাঙৰ পৰা পানীলৈ ভাৰসাম্য হেৰুৱাই সৰি পৰিল। পানীত পৰা শব্দ ইমান জোৰ আছিল যে সেই শব্দ গৈ আতঁৰত থকা কালুৰ কাণত পৰিলগৈ। কালুৱে ঘটনাটো দেখি 'পৰিলে, পৰিলে' বুলি দেও দি দেও দি জঁপিয়াই চিঞৰিবলৈ ধৰিলে। তাকে শুনি বিন্দেশ্বৰৰ লাজ লাগিল। সি আৰু কোনোবাই দেখিলে নেকি বুলি ইফালে সিফালে চাই লাহে লাহে পুনৰ চাঙলৈ উঠি আহিল। সি আচলতে কালুৱে দেখাৰ বাবে লাজ পোৱা নাই। তাৰ লাজ লাগিব— যদিহে কালুৰ চিঞৰে জিনি গৈ জোনাকীহঁতৰ পথাৰ ৰজনুজনাইগৈ। কিন্তু পৰিস্থিতি সিমান পোৱালৈকে কালুৰ সেই ক'লা বৰণৰ মুখখনত বগা দাঁত দুপাৰি ক্ষন্তেকতে পুনৰ জাপ গ'ল। বিন্দেশ্বৰে ভেটাৰ চাঙৰ পৰাই দেখা পালে-ৰংদৈ আৰু জোনাকীয়ে জোনাকীহঁতৰ পথাৰৰ সীমাত থকা হেলচ্ জোপাৰ তলত। সিহঁতে জিৰাইছে নে হেলচ্ পাৰিছে সি ভালকৈ ধৰিব নোৱাৰিলে। টেঙাৰ কথা মনত পৰাৰ লগে লগে তাৰ জিভাৰ পানী ওলাল। সি সেপ ঢুকি ঢুকি মাছ থোৱা পাত্ৰটো লৈ বহাৰ পিনে লাহে লাহে আগবাঢ়ি গ'ল।

● ● ●

উঠাৰ বাবে সময়কে উলিয়াব নোৱাৰিলে। হ'লেও ৰংদৈয়ে আহুধান দোৱা কেইদিন ঘৰলৈ সন্ধিয়া যাওঁতে মাথাত এক ডাঙৰি এক ডাঙৰি কৰি দহ/বিশ ডাঙৰিমান নিছে। তাৰ পিচত তাইও কঠীয়া তোলা কামত বিন্দেশ্বৰক সহায় কৰি দিব লগা হোৱাত পিচলৈ সেয়াও মুদা মৰিল। তাৰ পিচতেই নৈখন বাঢ়িল। হওঁতে গাওঁখনৰ নামনি লৈ যোৱা কেঁচা ৰাষ্টাটোৰে স্কুল-কলেজ, চেণ্টাৰ লৈ যোৱা পকী ৰাস্তাক চুই যোৱাকৈ নৈখনৰ ওপৰত সেই বাঁহৰ দলং খন নথকা নহয়। ইচ্ছা কৰিলে সেই দলঙেদি পাৰ হৈ পথাৰৰ পৰা গাঁৱলৈ সোমাব পাৰি। কিন্তু সিফালেদি ঘূৰি গ'লে-বিন্দেশ্বৰহঁতৰ কিবা এযুগ যেন সময় লগাৰ দৰে ভাৱ হয়। সেয়ে একেবাৰে নৈৰ পানী বাঢ়ি ইকুল-সিকুল ফেনে-ফুটুকাৰে ভৰি পৰিলেহে সেই ফালেদি ঘূৰি যোৱা হয়।

বিন্দেশ্বৰে নৈখনৰ উজনিলৈ চাই পঠিওৱাত দেখিলে যে, উলুৱনী চুবাৰ ৰমাচিংহঁতৰ বান ভেটাত দুজনমানে পৰঙিজাল বাই আছে। বৰষুণৰ পিচত ৰ'দ এচেৰেঙা ওলোৱাৰ বাবেই নেকি মাছৰ উজান উঠিব পাৰে। সেয়েহে বিন্দেশ্বৰেও লাহে লাহে বাওঁতলীৰ মাজেৰে থকা মাথাউৰীটোৰে গৈ নৈ খনত দিয়া সিহঁতৰ বানভেটাৰ চাঙত উঠিলগৈ। সি তাতে এবল ঠিয় হৈ দুটামান মাছ ওলোৱা দেখি তৰি থোৱা পৰঙি জালখন পেলালে। পানী বঢ়াৰ বাবে নৈখনৰ পানী সামান্য ঘোলা। সি পানীলৈ জুমি জুমি চাই কিবা এটা ক'লাকৈ দেখা যেন পাই জালখনৰ মাৰি ডালত দুয়োখন হাত হেঁচা মাৰিলে। দুটামান নাৰ মাছ পৰঙিৰ পৰা 'জুপুং জুপুং'কৈ জঁপিয়াই পানীৰ যুঁৰলিত ছিটিকি ছিটিকি পৰিল গৈ। তাৰে এটা জঁপিয়াই গৈ বানৰ পিচফালে দিয়া ডেৱাত পৰি ছট্‌ফটাবলৈ ধৰিলে। পৰঙি সম্পূৰ্ণ পানীৰ ওপৰত দাং খোৱাতহে দেখিলে মাত্ৰ দুটা চকৰি পুঠি মাছ জালত পৰিছে। সেই দুটাকে হাতত লৈ সি পুনৰ জালখন পানীত পেলালে। মাছ দুটা হাততে লৈ সি পানীত নামি দেৱায়ত পৰি থকা নাৰ মাছটো ধৰি উঠাই আনিলে। সি পুনৰ জালবোৱা চাঙত উঠি তাৰ চুৰিয়াতে কোঁচ এটা কৰি মাছ কেইটা তাতে ভৰালে। তেনেকৈ দুবাৰ মান জাল দাঙি সি পাঁচ/ছয়টামান নাৰমাছ ধৰিলে। গোটেইখিনি চুৰিয়াতে থবলৈ অসুবিধা পোৱাত বিন্দেশ্বৰে কালুক যতন এটা আনিবলৈ কোৱাত সি দৌৰি গৈ বহাৰ পৰা মদ অনা যতনটোকে আনি দিলে।

বিন্দেশ্বৰক মাছ মৰা দেখিবলৈ পাই কালুও মাছ মাৰিবলৈ মন গ'ল। কিন্তু সি জানে যে, বিন্দেশ্বৰে তাক মাছ মৰিবলৈ কেতিয়াও নিদিয়ে। সেয়েহে সি ওচৰতে চুপ্‌চাপ্ হৈ ক্ষন্তেক সময় থিয় দঙা দি থাকিল। বিন্দেশ্বৰে মাছৰ আশাত একান্তচিত্তে লৰচৰ নোহোৱাকৈ চাঙৰ ওপৰত ঠিয় দি থাকিল । তাৰ নাঙঠ পিঠিত ৰ'দে গৰকি



থকা সৰকা কৰিছে। এটা সময়ত তাৰ ডিঙিৰ শিৰ 'কেৰেত কুৰুৎ' কৈ শব্দ কৰিবলৈ আৰম্ভ কৰিলে। তথাপি তাৰ লৰচৰ নাই। অলপ পিচতে নৈৰ পানী বেচি ঘোলাহৈ অহা দেখি সি উজনিলৈ চাই দেখিলে ম'হ এজাক নৈৰ দলনিত নামি চৰিছেগৈ। তাৰ টিঙিচ্‌কৈ খঙটো উঠি গ'ল। হ'লেও সি তাৰ মূৰটোকে অলপ বেচি তললৈ কৰি পানীৰ সুঁতিত মাছৰ সন্ধানত চকু পেলালে। ছঁয়াময়াকৈ এটামান মাছ জালত উঠা যেন দেখি জালখন উঠাবলৈ ধৰোতেই 'চাৰাক' কৰি শব্দ এটা উঠিল। শব্দ শুনি জালৰ মাজৰ পৰা পুঠিমাছে ফৰিং ছিটিকা দি জপিয়াই আঁতৰি গ'ল। শব্দটোৰ উৎসৰ অনুসন্ধানত বিন্দেশ্বৰে পিচফালে ঘূৰি চাই দেখে– কালুৱে হাতত থকা এছাৰি ডালেৰে তাৰ ওচৰতে পানীৰ ওপৰত নাচি থকা জিএগ্ৰাটোক অজানিতে মাৰিবলৈ চেষ্টা কৰিছে। খঙত একো নাই হৈ বিন্দেশ্বৰে ক'লে––

ঃ দিলে নহয় খেদি এই ডালে! ছেঃ পুঠিমাছ এজাক আছিলে। মনে মনে লৰচৰ নোহোৱাকৈ থাকিব নোৱাৰিলে থাক কেলৈ ইয়াত হু! যা– আঁতৰি যা ইয়াৰ পৰা। বিন্দেশ্বৰেৰ ধমকনিত সম্বিৎ ঘুৰাই পাই কালুৱে দৌৰি গৈ গৰুকেইটাৰ ওচৰ পালেগৈ।

পুনৰ বিন্দেশ্বৰৰ তপস্যা আৰম্ভ হ'ল। সেয়া থিয় হৈ থকা তপস্যা। বহুদেৰিৰ মূৰকত আকৌ বিন্দেশ্বৰে মাছ জালত উঠাৰ এটা উমান পাই গাৰ শক্তিৰে পৰঙিৰ মাৰি ডালত দুইহাতেৰে হেঁচা মাৰিলে । অত্যাধিক হেঁচাত পৰঙিৰ খুটাটোত বান্ধি থোৱা ৰছী ছিগি 'জপং' কৰি বিন্দেশ্বৰ নিজে চাঙৰ পৰা পানীলৈ ভাৰসাম্য হেৰুৱাই সৰি পৰিল। পানীত পৰা শব্দ ইমান জোৰ আছিল যে সেই শব্দ গৈ আতঁৰত থকা কালুৰ কাণত পৰিলগৈ। কালুৱে ঘটনাটো দেখি 'পৰিলে, পৰিলে' বুলি দেও দি দেও দি জঁপিয়াই চিঞৰিবলৈ ধৰিলে। তাকে শুনি বিন্দেশ্বৰৰ লাজ লাগিল। সি আৰু কোনোবাই দেখিলে নেকি বুলি ইফালে সিফালে চাই লাহে লাহে পুনৰ চাঙলৈ উঠি আহিল। সি আচলতে কালুৱে দেখাৰ বাবে লাজ পোৱা নাই। তাৰ লাজ লাগিব– যদিহে কালুৰ চিঞৰে জিনি গৈ জোনাকীহঁতৰ পথাৰ ৰজনজনাইগৈ। কিন্তু পৰিস্থিতি সিমান পোৱালেকে কালুৰ সেই ক'লা বৰণৰ মুখখনত বগা দাঁত দুপাৰি ক্ষন্তেকতে পুনৰ জাপ গ'ল। বিন্দেশ্বৰে ভেটাৰ চাঙৰ পৰাই দেখা পালে- ৰংদৈ আৰু জোনাকীয়ে জোনাকীহঁতৰ পথাৰৰ সীমাত থকা হেলচ্ জোপাৰ তলত। সিহঁতে জিৰাইছে নে হেলচ্ পাৰিছে সি ভালকৈ ধৰিব নোৱাৰিলে। টেঙাৰ কথা মনত পৰাৰ লগে লগে তাৰ জিভাৰ পানী ওলাল। সি সেপ ঢুকি ঢুকি মাছ থোৱা পাত্ৰটো লৈ বহাৰ পিনে লাহে লাহে আগবাঢ়ি গ'ল।

● ● ●

## (৩)

দীঘলীয়া গৰম বন্ধৰ পিছত বিন্দেশ্বৰহঁতৰ কলেজ খুলিছে। কলেজ খোলাৰ বাবে বিন্দেশ্বৰহঁতৰ লগতে ৰংদৈহঁতেও কলেজলৈ পথাৰৰ কামৰ মাজতে ক্লাছ কৰিবলৈ পাক মাৰিব লগীয়া হৈছে। ইফালে খেতিও শেষ হোৱা নাই। নাই বুলিলেও খেতি উঠাবলৈ এসপ্তাহতকৈ বেছি লাগিলেও কম নেলাগিব। কাৰণ — নামত হাল দুখন হ'লেও দমৰা হালৰ শক্তি কমি যোৱাৰ বাবে এইকেইদিন কালুৱে দুটামান আঙচ্ নাঙল চোঁচৰাই হাল মেলি দিব লগীয়াত পৰিছে। গতিকে সঁচা অৰ্থত এখনহে হাল। ইফালে শাওণ মাহৰ দিন শেষ হৈ অহাৰ লগে লগে গৰু আৰু মানুহৰো বল-বুকু কমি আহিছে।

বিন্দেশ্বৰে বেলি হোৱাৰ লগে লগে হালখন খুলি থৈ কালুকে মাটি কেইডৰা মৈয়াবলৈ লগাই দি ঘৰলৈ পোনালে। যাওঁতে সি নৈখনত গা আৰু কাণে-মূৰে লাগি থকা বোকাবোৰ ততাতয়াকৈ ধুই ল'লে। ঘৰ পায়েই দুটামান গৰম ভাত পোৱা মাছৰ পিটিকাৰে নাকে-মুখে গুজি ল'লে। সময়ৰ লগত ফেৰ মাৰি বিন্দেশ্বৰে বৰ্ডিঙত থকা পেণ্ট্ আৰু চাৰ্টটো লগাই চাইকেলখন লৈ কলেজলৈ বুলি ওলাল। খোজেৰে যাবলগীয়া হোৱাৰ বাবে ইতিমধ্যে ৰংদৈ আৰু জোনাকীয়ে কলেজলৈ বুলি গ'লেই। সি বাটতে সিহঁতক লগ পাই যোৱাৰ আশাত চাইকেলখনৰ পেডেল জোৰেৰে ঘূৰাই দিলে।

গাওঁখনৰ পৰা ওলায়েই বিন্দেশ্বৰে দেখিলে ৰংদৈহঁত নৈ খনৰ ওপৰত থকা বাঁহৰ দলংখনৰ ওচৰত পাইছেহি। সিহঁতক দেখা মাত্ৰকতেই বিন্দেশ্বৰৰ চাইকেলৰ চকা আৰু তীব্ৰ বেগেৰে ঘূৰিলে। সময় বাগৰি যোৱাৰ লগে লগে ক্ৰমান্বয়ে বিন্দেশ্বৰ আৰু সিহঁত দুয়োজনীৰ দুৰত্বও ক্ৰমে কমি আহিল। কমি গৈ গৈ এটা সময়ত দূৰত্ব নাইকীয়া হ'ল। সেই অনুপাতে বিন্দেশ্বৰৰ চাইকেল খনৰো গতি মন্থৰ হৈ বৈ যোৱাৰ উপক্ৰম হ'ল— যেন সি গৈ কলেজখনহে পালেগৈ।

বিন্দেশ্বৰে গৈ দলংখন পাৰ হৈয়েই ৰংদৈহঁতক লগ পালে। সিহঁতক লগ পোৱাৰ আগতে বিন্দেশ্বৰৰ যি হেঁপাহ আৰু উৎসাহ আছিল, সেইবোৰ নিমিষতে হেৰুৱাই ন-কন্যাজনীৰ দৰে গাল-মুখ ৰঙা-চিঙা পৰিল। লাজমান কাতি কৰি সি চাইকেলখনৰ পৰা নামিল। যিহেতু হাফ্ পেডেল মাৰি সি এনেয়ে বেয়া পায়।



ঐ কাই। তোৰ কাণতচোন সেই, সোপা বোকা! পথাৰৰ বোকা মাটিচোন তোৰ গালে-মুখে লিপিত খাই আছে! ৰংদৈয়ে ককায়েক বিন্দেশ্বৰৰ নাকে কাণে লাগি থকা বোকা মাটি সোপা দেখা পাই মাত লগালে।

ঃ সঁচাইনে? মইচোন নৈত ভালকৈয়ে গা ধুইছিলো। কোনখন কাণঁত নো? বিন্দেশ্বৰে ভনীয়েক ৰংদৈয়ে মিছাতে ৰগৰ কৰি ৰং চাব বিচাৰিছে নেকি বুলি ভাৱি তাইলৈ পেন্দুৱাকৈ চাই কথাখিনি সুধিলে।

ঃ মিছা কৈছো যদি জোনাকীকে সুধি ল। ৰংদৈয়ে উচাট মাৰি অভিমান ভাৱেৰে মেখেলাচাদৰেৰে আবৃত গাটোৰে ঢপলিয়াই ঢপলিয়াই দুখোজমান আগবাঢ়ি গ'ল।

জোনাকীয়ে ৰংদৈৰ অভিমানী অভিনয় দেখি মিচিকিয়াই হাঁহি দিলে। অৱশ্যে, ইমান সময়ে জোনাকীয়ে বিন্দেশ্বৰৰ মুখলৈকে চাব পৰা নাই। বিন্দেশ্বৰে জোনাকীৰ মুখলৈ চাইছে নে নাই তাই গম নেপালে। ৰংদৈৰ অভিমানী অভিনয় 'বিন্দেশ্বৰ-জোনাকী'ৰ জগতত নতুন অধ্যায় নহয়। সিহঁতৰ বাবে ৰংদৈৰ এই অভিনয় প্ৰতি প্ৰিৰিয়ডৰ পিচত মৰা কলেজৰ ঘণ্টাৰ ধ্বনিৰ দৰে। প্ৰাৰ্থক্য কেৱল ব্যৱধানৰ ক্ষেত্ৰতহে।

বিন্দেশ্বৰে আচলতে পথাৰত হালবাই আহিয়েই কলেজ কৰিবলৈ আহিব লগা হোৱাত তাৰ আজিয়েই নহয় কলেজ খোলা দিনাৰে পৰা কেবাদিনো কিবা নহয় কিবা কেজেং লাগিয়েই আছে। সময়ৰ টনাটনিত এদিন সি নহয় ভাতকে ভালকৈ খাব পৰা নাই, নহয় গা ধুবলৈকে সময় উলিয়াব পৰা নাই বা কলেজৰ নোট বুককে পাহৰি গৈছে; ইত্যাদি.........ইত্যাদি। আজিও সি কোবাকুবিকৈ গাটো তিয়াই আহোতে তাৰ কাণ-মুখত লাগি থকা বোকা খিনিকে ভালকৈ ছাফা কৰি আহিবলৈ তাৰ সময়ৰ নাটনি হ'ল। অৱশ্যে কলেজলৈ যোৱাৰ লগতে তাৰ জোনাকীক লগ পোৱাৰ তাড়নাত যেন সময়ৰ হিচাপ ৰাখিবলৈ তাক উৎসাহ যোগাইছে— সেয়া সি নুই কৰিব নোৱাৰে।

ঃ ঐ তোকনো কোনে মিছা মাতিছে বুলি কৈছে? ৰবিচোন ক'তনো জাকৈ মৰাদি ঢপলিয়াই আঁতৰি গৈছ? বিন্দেশ্বৰৰ মাতত ৰংদৈ থমকি ৰ'ল। ৰংদৈৰ সেইটো স্বভাৱ। তাইৰ সোনকালে অভিমান ভাঙে। ৰংদৈ ৰোৱা দেখি বিন্দেশ্বৰৰ অলপ সাহ বাঢ়িল। এতিয়া অন্ততঃ জোনাকীৰ আগত সি তাৰ বোকা লগা কাণখন দেখুৱাব নেলাগিব। সি কিবা ক'বলৈ মুখ মেলোতেই ৰংদৈয়ে ক'লে—

ঃ কি ক'বলৈ মুখ মেলি আছ? নৈখন পাৰহৈ অহিলোৱেইচোন? এতিয়া ক'ত মুখখন ধুই লবি? নে তেনেকৈয়ে কলেজত ফষ্টি মাৰিবি গৈ?

ৰংদৈৰ অনুশাসন মূলক বক্তব্যখিনি শুনি বিন্দেশ্বৰে বেচি সময় সিহঁতৰ লগত আগ বাঢ়ি যাব নোৱাৰিলে। সি ততালিকে চাইকেল খন ঘূৰাই নৈ খনলৈ বুলি ঘূৰি আহিল। ৰাস্তাৰ একাষত চাইকেলখন ষ্টেণ্ড্ কৰি থৈ নৈ খনলৈ নামি পৰাত তাৰ চাৰিওফালে পানীৰ ঢৌৰে চক্ৰাকাৰে তাৰ ভৰি দুখনৰ পৰা ক্ৰমে আঁতৰি পলাল। ক্ষন্তেক সময় লৰচৰ নোহোৱাকৈ ৰৈ দিয়াত পানী পুনৰ শান্ত হৈ পৰিল। সি নিজৰ মুখখন পানীত চাই নিজকে বৰ আচহুৱা লাগিল। দুই হাতেৰে পানী একাজলী লৈ সি কাণ-মুখ ভালদৰে ধুই ল'লে। মুখখন ধুই লৈ মনটো তাৰ ফৰকাল ফৰকাল লাগিল যদিও তাৰ আগৰ বোকা-মাটিৰ চেহেৰাটোৰে জোনাকীৰ ওচৰৰ পৰা ধৰা দি অহাৰ বাবে মনটো সেমেকি উঠিল।

বহুদিনৰ জিপাল মনটো সেমেকি চিৰাচিৰ হোৱাৰ পিচত আকৌ ক্ষন্তেকৰ বাবে হ'লেও ঠন ধৰি উঠাত মনটো আনন্দৰে ভৰি পৰে যদিও সেইবোৰ কিবা জোৱাৰ— ভাটাৰ দৰে লাগে বিন্দেশ্বৰৰ। ইয়াৰ নামেই নেকি প্ৰেম? তাৰমানে প্ৰেমৰ সাগৰ। এই সাগৰৰ জোৱাৰ— ভাটা। এই বিশেষ সাগৰত হাবু-দুবু খোৱা এজন নাবিক— বিন্দেশ্বৰ। কথাবোৰ ভাৱি বিন্দেশ্বৰৰ গা-মন জিকাৰ খাই উঠিল। সি কি হাবু-দুবু খন খাইছে? সেয়া এক মানসিক দ্বন্দহে। ইয়াৰ প্ৰতিকাৰ নাই জানো? নিশ্চয় আছে। এই প্ৰতিকাৰৰ ভেটি হিচাপে ৰংদৈ যে যোল্ল অনা সেয়া বিন্দেশ্বৰৰ অজ্ঞাত নহয়। সেয়েহে— আজিও 'বিন্দেশ্বৰ— জোনাকী'ৰ এই মানসিক অস্থিৰতাৰ প্ৰাচীৰ ভাঙি দিয়াত ৰংদৈ কৃতকাৰ্যতা হ'ল। ৰংদৈৰ মনৰ পোহৰত উদ্ভাসিত হৈ পৰিল বিন্দেশ্বৰ আৰু জোনাকীৰ মাজৰ ক'লা ডাৱৰবোৰ। তাতেই জানো ৰংদৈয়ে আত্ম সন্তুষ্টিৰ মাদকতা লাভ নকৰে? নিশ্চয় কৰে। ৰংদৈয়ে আনৰ বাবে নিজক তিল্‌তিল্ কৈ বিলাই দি পোৱা নিস্বাৰ্থ ত্যাগতেই 'জীৱন' নামৰ এই ক্ষন্তেকীয়া অধ্যায়ৰ সফলতাৰ সোৱাদ উপলব্ধি কৰে।

* * * * * * *

এই দুদিন বৰষুণৰ সলনি ৰ'দ হোৱাৰ বাবে ৰাস্তা—পদূলি শুকাই গাঁৱৰ ভিতৰত চাইকেল চলাব পৰা অৱস্থা হৈছে। বিন্দেশ্বৰহঁতৰ দৰে ডেকাচামে গাঁৱৰ বোকা ৰাস্তাত ব্যৱহাৰ কৰা চকতা[১] বোৰ সামৰি থ'লে। পূৰ্ণিমা হওঁ হওঁ হোৱাৰ বাবে জোনাক নিশাৰ তৰাবোৰ গণিব পৰা পৰিবেশ। খেতি-বাতিৰ হেঁচা ক্ৰমে কম হৈ অহাৰ বাবে ৰাতি গাঁৱৰ ডেকা-গাভৰুৱে মিলি 'চুমপকা', 'গুদু-গুদু', ঘিলাখেল

---

১. চকতা — বাঁহৰ ঠেং



আদি খেলি আনন্দ লভাটো ৰংদৈহঁতৰ বাবে জীৱনৰ একোটা কাৰ্যসূচী হৈ পৰিছে। উদ্দেশ্য সকলোৱে মিলি জুলি ৰং-ধেমালি কৰা। তাৰ পৰা যে সিহঁতৰ কিবা লাভ হৈছে— সেইবোৰ হিচাপ কৰিবলৈ ৰংদৈহঁতৰ সময়েই বা ক'ত? বিন্দেশ্বৰ, অনিলহঁতেও খেলা-ধূলাৰ উপকাৰিতাৰ বিষয়ে চিন্তা কৰি ৰাতি এপৰলৈকে খেলিবলৈ নেথাকে। সকলোৱে গাঁৱৰ পৰম্পৰাগত ভাৱে চলি অহা খেল বুলিহে যোগদান কৰে। তাৰ পৰা যে শাৰীৰিক, মানসিক দিশত প্ৰভাৱ পেলাব পাৰে— সেইটো সিহঁতে অঙ্ক কৰি উলিওৱা হোৱাই নাই।

ৰাতি তেতিয়া আঠটা মান বাজিছে। ৰংদৈহঁতে ভাত-পানী খাই 'মিচচঙ'তে বহি লৈছেহি। দিনৰ ভাগত টান ৰ'দ দিয়া হেতুকে গৰম নিশালৈকে বৰ্তি আছে। ফট্‌ফটীয়া জোনাক নিশাৰ পোহৰত দেখা গৈছে যে, ক'তো গছৰ পাত এখিলাও লৰচৰ কৰা নাই। সিহঁতে যেন 'হিল্‌মত' আখৰাতহে ব্যস্ত। ভাত-পানী খাই অহাৰ বাবেই নেকি ৰংদৈহঁতৰ গাত গৰমে বেচিকৈ লগ ধৰিছে। গৰম তিষ্ঠিব নোৱাৰি ৰংদৈয়ে নিজে বনাই লোৱা তামোলৰ ঢকুৱাৰ বিচনীৰে গাটো বতাহ দিছে। তাইৰ ওচৰতে গাতে গা লগাই বহি, বিন্দেশ্বৰে ৰংদৈৰ বিচনীৰ বতাহ খিনি কাঢ়ি ল'বলৈ যত্ন কৰিছে। 'মিচচঙ'ৰ উজনি দিশত বৰদেউবীয়ে লেপেতা কাঢ়ি বহি পিতলৰ গুড়-গুড়িত মলাধঁপাত খাই আছে। বতাহ চলাচল কৰিবলৈ এনেয়ে হাতত থকা গামোচাখন জোকাৰি আছে ওচৰতে বহি বৰদেউবীয়নীয়ে। লগতে তাই মুখ্‌দি কৰিবলৈ তামোলৰ 'চালি গাতি [২] খুলি লৈছে। কালুৱে কোঁচিমোচি 'মিচচঙ'ৰ বেৰৰ কাষত থকা তাৰ বিছনাখন থানথিত লগাই আছে। তাৰ বিছনা মানে ঘৰতে ৰংদৈয়ে বোৱা এখন 'তপেঁ'[৩] আৰু মৰাপাটৰ মুঠা এটা গাৰুৰ বাবে। লগতে এখন আঠুৱা। বহু সিমানেই। তাতে সি আৰামত শুই স্বৰ্গসুখ পায়।

বহু সময়লৈকে কাৰো মুখত একো কথা নাই। এক নিস্তব্ধতা পৰিবেশ। কেৱল বৰদেউবীৰ গুড়-গুড়িৰ পৰা সৃষ্টি হোৱা 'ক......ৰ......ৰ......ক' শব্দ আৰু ৰংদৈৰ বিচনীৰ 'চাৰাক' 'চাৰাক' শব্দ। ৰংদৈয়ে আচলতে বিচনীৰ পৰা ওলোৱা শব্দটোও সৃষ্টি কৰো বুলি কৰা শব্দ। তাই নিৰ্জনতা ভাল পায় সঁচা; কিন্তু সেই নিৰ্জনতা ইমান জাক মানুহৰ উপস্থিতিত সঁচা অৰ্থত ভাল নেপায়। তাইৰ বাবে নিৰ্জনতা, নিস্তব্ধতা এইবোৰ পৰিবেশ অকলশৰে মোকাবিলা কৰি অনাবিল মাদকতা পোৱা যায়। বহুজন মানুহৰ উপস্থিতিত ইয়াৰ স্থান আছে যদিও মান নাই বুলি তাই ভাৱে।

---

২. চালি গাতি — হাঁচটি
৩. তপেঁ — বিছনা চাদৰ

ৰংদৈৰ অনুশাসন মূলক বক্তব্যখিনি শুনি বিন্দেশ্বৰে বেচি সময় সিহঁতৰ লগত আগ বাঢ়ি যাব নোৱাৰিলে। সি ততালিকে চাইকেল খন ঘূৰাই নৈ খনলৈ বুলি ঘূৰি আহিল। ৰাস্তাৰ একাষত চাইকেলখন ষ্টেণ্ড্‌ কৰি থৈ নৈ খনলৈ নামি পৰাত তাৰ চাৰিওফালে পানীৰ ঢৌৱে চক্ৰাকাৰে তাৰ ভৰি দুখনৰ পৰা ক্ৰমে আঁতৰি পলাল। ক্ষন্তেক সময় লৰচৰ নোহোৱাকৈ বৈ দিয়াত পানী পুনৰ শান্ত হৈ পৰিল। সি নিজৰ মুখখন পানীত চাই নিজকে বৰ আচহুৱা লাগিল। দুই হাতেৰে পানী একাজলী লৈ সি কাণ-মুখ ভালদৰে ধুই ল'লে। মুখখন ধুই লৈ মনটো তাৰ ফৰকাল ফৰকাল লাগিল যদিও তাৰ আগৰ বোকা-মাটিৰ চেহেৰাটোৰে জোনাকীৰ ওচৰৰ পৰা ধৰা দি অহাৰ বাবে মনটো সেমেকি উঠিল।

বহুদিনৰ জিপাল মনটো সেমেকি চিৰাচিৰ হোৱাৰ পিচত আকৌ ক্ষন্তেকৰ বাবে হ'লেও ঠন ধৰি উঠাত মনটো আনন্দৰে ভৰি পৰে যদিও সেইবোৰ কিবা জোৱাৰ— ভাটাৰ দৰে লাগে বিন্দেশ্বৰৰ। ইয়াৰ নামেই নেকি প্ৰেম? তাৰমানে প্ৰেমৰ সাগৰ। এই সাগৰৰ জোৱাৰ— ভাটা। এই বিশেষ সাগৰত হাবু-দুবু খোৱা এজন নাবিক— বিন্দেশ্বৰ। কথাবোৰ ভাৱি বিন্দেশ্বৰৰ গা-মন জিকাৰ খাই উঠিল। সি কি হাবু-দুবু খন খাইছে? সেয়া এক মানসিক দ্বন্দহে। ইয়াৰ প্ৰতিকাৰ নাই জানো? নিশ্চয় আছে। এই প্ৰতিকাৰৰ ভেটি হিচাপে ৰংদৈ যে যোল্ল অনা সেয়া বিন্দেশ্বৰৰ অজ্ঞাত নহয়। সেয়েহে— আজিও 'বিন্দেশ্বৰ— জোনাকী'ৰ এই মানসিক অস্থিৰতাৰ প্ৰাচীৰ ভাঙি দিয়াত ৰংদৈ কৃতকাৰ্যতা হ'ল। ৰংদৈৰ মনৰ পোহৰত উদ্ভাসিত হৈ পৰিল বিন্দেশ্বৰ আৰু জোনাকীৰ মাজৰ ক'লা ডাৱৰবোৰ। তাতেই জানো ৰংদৈয়ে আত্ম সন্তুষ্টিৰ মাদকতা লাভ নকৰে? নিশ্চয় কৰে। ৰংদৈয়ে আনৰ বাবে নিজক তিল্‌তিল্‌ কৈ বিলাই দি পোৱা নিস্বাৰ্থ ত্যাগতেই 'জীৱন' নামৰ এই ক্ষন্তেকীয়া অধ্যায়ৰ সফলতাৰ সোৱাদ উপলব্ধি কৰে।

* * * * * * *

এই দুদিন বৰষুণৰ সলনি ৰ'দ হোৱাৰ বাবে ৰাস্তা—পদূলি শুকাই গাঁৱৰ ভিতৰত চাইকেল চলাব পৰা অৱস্থা হৈছে। বিন্দেশ্বৰহঁতৰ দৰে ডেকাচামে গাঁৱৰ বোকা ৰাস্তাত ব্যৱহাৰ কৰা চকতা[1] বোৰ সামৰি থ'লে। পূৰ্ণিমা হওঁ হওঁ হোৱাৰ বাবে জোনাক নিশাৰ তৰাবোৰ গণিব পৰা পৰিবেশ। খেতি-বাতিৰ হেঁচা ক্ৰমে কম হৈ অহাৰ বাবে ৰাতি গাঁৱৰ ডেকা-গাভৰুৱে মিলি 'চুমপকা', 'গুদু-গুদু', ঘিলাখেল

১. চকতা — বাঁহৰ ঠেং



আদি খেলি আনন্দ লভাটো ৰংদৈহঁতৰ বাবে জীৱনৰ একোটা কাৰ্যসূচী হৈ পৰিছে। উদ্দেশ্য সকলোৱে মিলি জুলি ৰং-ধেমালি কৰা। তাৰ পৰা যে সিহঁতৰ কিবা লাভ হৈছে— সেইবোৰ হিচাপ কৰিবলৈ ৰংদৈহঁতৰ সময়েই বা ক'ত? বিন্দেশ্বৰ, অনিলহঁতেও খেলা-ধূলাৰ উপকাৰিতাৰ বিষয়ে চিন্তা কৰি ৰাতি এপৰলৈকে খেলিবলৈ নেথাকে। সকলোৱে গাঁৱৰ পৰম্পৰাগত ভাৱে চলি অহা খেল বুলিহে যোগদান কৰে। তাৰ পৰা যে শাৰীৰিক, মানসিক দিশত প্ৰভাৱ পেলাব পাৰে— সেইটো সিহঁতে অঙ্ক কৰি উলিওৱা হোৱাই নাই।

ৰাতি তেতিয়া আঠটা মান বাজিছে। ৰংদৈহঁতে ভাত-পানী খাই 'মিচচঙ'তে বহি লৈছেহি। দিনৰ ভাগত টান ৰ'দ দিয়া হেতুকে গৰম নিশালৈকে বৰ্তি আছে। ফট্‌ফটীয়া জোনাক নিশাৰ পোহৰত দেখা গৈছে যে, ক'তো গছৰ পাত এখিলাও লৰচৰ কৰা নাই। সিহঁতে যেন 'হিল মত' আখৰাতহে ব্যস্ত। ভাত-পানী খাই অহাৰ বাবেই নেকি ৰংদৈহঁতৰ গাত গৰমে বেচিকৈ লগ ধৰিছে। গৰম তিষ্ঠিব নোৱাৰি ৰংদৈয়ে নিজে বনাই লোৱা তামোলৰ ঢকুৱাৰ বিচনীৰে গাটো বতাহ দিছে। তাইৰ ওচৰতে গাতে গা লগাই বহি, বিন্দেশ্বৰে ৰংদৈৰ বিচনীৰ বতাহ খিনি কাঢ়ি ল'বলৈ যত্ন কৰিছে। 'মিচচঙ'ৰ উজনি দিশত বৰদেউৰীয়ে লেপেতা কাঢ়ি বহি পিতলৰ গুড়-গুড়িত মলাধঁপাত খাই আছে। বতাহ চলাচল কৰিবলৈ এনেয়ে হাতত থকা গামোচাখন জোকাৰি আছে ওচৰতে বহি বৰদেউৰীয়নীয়ে। লগতে তাই মুখুদি কৰিবলৈ তামোলৰ 'চালি গাতি [2] খুলি লৈছে। কালুৱে কোঁচিমোচি 'মিচচঙ'ৰ বেৰৰ কাষত থকা তাৰ বিছনাখন থানথিত লগাই আছে। তাৰ বিছনা মানে ঘৰতে ৰংদৈয়ে বোৱা এখন 'তপেঁ'[3] আৰু মৰাপাটৰ মুঠা এটা গাৰুৰ বাবে। লগতে এখন আঠুৱা। বছ্‌ সিমানেই। তাতে সি আৰামত শুই স্বৰ্গসুখ পায়।

বহু সময়লৈকে কাৰো মুখত একো কথা নাই। এক নিস্তব্ধতা পৰিবেশ। কেৱল বৰদেউৰীৰ গুড়-গুড়িৰ পৰা সৃষ্টি হোৱা 'ক.......ৰ.......ৰ......ক' শব্দ আৰু ৰংদৈৰ বিচনীৰ 'চাৰাক' 'চাৰাক' শব্দ। ৰংদৈয়ে আচলতে বিচনীৰ পৰা ওলোৱা শব্দটোও সৃষ্টি কৰো বুলি কৰা শব্দ। তাই নিৰ্জনতা ভাল পায় সঁচা; কিন্তু সেই নিৰ্জনতা ইমান জাক মানুহৰ উপস্থিতিত সঁচা অৰ্থত ভাল নেপায়। তাইৰ বাবে নিৰ্জনতা, নিস্তব্ধতা এইবোৰ পৰিবেশ অকলশৰে মোকাবিলা কৰি অনাবিল মাদকতা পোৱা যায়। বহুজন মানুহৰ উপস্থিতিত ইয়াৰ স্থান আছে যদিও মান নাই বুলি তাই ভাৱে।

২. চালি গাতি — হাঁচটি
৩. তপেঁ — বিছনা চাদৰ

প্ৰকৃতিৰ সময়ৰ তাগিদাত প্ৰাক্ পূৰ্ণিমাৰ জোনটি পূব দিশত ভুমুকি মাৰি ৰংদৈহঁতৰ আগ চোতালত থকা কৃষ্ণচূড়া জোপাৰ ডাল পাতৰ মাজে মাজে লুকা-ভাকু খেলিছেগৈ। কৃষ্ণচূড়া জোপাৰ ডাল-পাতবোৰ একেথৰে থকাৰ বাবে জোনাকৰ ৰূপালী পোহৰ এচপৰা ছিটিকি আহি বৰদেউৰীৰ পিতলৰ গুড়-গুড়িত পৰি এটা জিক্ মিকনি সৃষ্টি কৰিছে। জোনৰ দুষ্ট এচেৰেঙা পোহৰে পোনে পোনে আহি ৰংদৈৰ কোমল গাল দুখনত পৰশ বুলাইছেহি। প্ৰকৃতিৰ এই অকৃত্ৰিম মৰমত ক্ষন্তেক সময় ডুব গৈ ৰংদৈয়ে কোনে প্ৰতিবাদ সাব্যস্ত নকৰি অপলক দৃষ্টিৰে জোনটিলৈকে চাই থাকিল। তাই যেন জীৱনত প্ৰথমবাৰৰ বাবে জোনটি দেখা পালে— সেই ভঙ্গিমাৰে।

ঃ হয় নে হেৰি। মমাই কিলৌৰ অৱস্থা কেনেকুৱা? আপুনি যাওঁতে বহি কথা পাতিব পাৰিছে নে? বৰদেউৰীয়নীয়ে তামোল এখন মুখত ভৰাই লৈ ধঁপাতৰ টেমাটোত হাত থৈ বৰদেউৰীক সুধিলে।

ঃ অৱস্থা সিমান ভাল নেদেখিলো। যেনেতেনে দুজনমানে ধৰিমেলি বহুৱাইছিলে। কিন্তু বহি লৈ কথা পাতিবলৈ কষ্ট হয় বোলে। গুড়-গুড়িটোত এটা শোহা মাৰি এসোপা ধোঁৱা নাকে মুখে উলিয়াই দি বৰদেউৰীয়ে ক'লে।

ঃ পিচে খাব-বব পৰা হৈ আছে নে? মইহে গৈ চাই আহিবলৈকে সময় উলিয়াব পৰা নাই। বৰদেউৰীয়নীয়ে ধঁপাত অকনমান মুখত লৈ চূণ অকন কম যেন পাই পুনৰ চূণৰ টেমীটো খুলি লৈ কথাখিনি ক'লে।

ঃ নাই । মকঁ[৪] দেখিলেই বোলে খং কৰি আছে। চুজেঁ[৫] কিন্তু খাবলৈ এৰা নাই বোলে। মৰালৈকে বোলে চুজেঁ খাই থাকিব। আৰু কি কৈছে শুনিছ নে নাই? সি বোলে মৰিলে তাৰ শটো পুৰিব নেলাগে। ভোকাতুৰ কুকুৰ-কাউৰীক বোলে খাবলৈ দিব লাগে।

ঃ ফুচুৰি বুঢ়াটোৰ কথা আৰু! মৰালৈকে মানুহক হুহুৱাইহে এৰিব। কথাখিনিৰ লগতে বৰদেউৰীয়নীয়ে নিজৰ লা খোৱা ক'লা দাঁত কেইটা উলিয়াই খক্খক্ কৈ হাঁহিলে।

এই হাঁহি যে আনন্দৰ হাঁহি নহয় সেয়া ৰংদৈহঁতে বুজিলে। এই হাঁহি বিষাদৰ হাঁহি। কাৰণ, কিলৌ বুঢ়াৰ যোৱা-থোৱা অৱস্থা। কিলৌ বুঢ়াক এই গাঁৱৰ মানুহে কোনে বেয়া পায়? বুঢ়া চামৰ পৰা ডেকা-গাভৰুলৈকে কোনেও বুঢ়াক বেয়া পোৱাৰ নজিৰ নাই। বুঢ়াৰ ফুচুৰি কথা, ল'ৰা-ছোৱালীৰ লগত সমনীয়াৰ দৰে ধেমালি-ধুমুলা কৰা আদি চিচবাঁ গাঁৱৰ যেন একো একোটা আনন্দৰ সফুঁৰা। সকলোৱে সেই বিশেষ

৪. মকঁ — ভাত
৫. চুজেঁ — মদ বিশেষ



লৈকেহে যেন খাপ পিটি থাকে। এই হাঁহিৰ থুনঁপাক যেন আজি জীৱন যাত্ৰাৰ শেষ ষ্টেছনত।

বৰদেউৰীৰ গুড়-গুড়িত ধঁপাত শেষ হোৱাৰ বাবে ধোঁৱা নোলোৱাত বিন্দেশ্বৰক গুড়-গুড়িটো ভিতৰত থৈ আহিবলৈ হুকুম কৰিলে। ওচৰতে কালুও আছে যদিও ঘৰৰ ভিতৰৰ কাম বুলি বৰদেউৰীয়ে কালুক কামৰ বাবে নেপাছিলে। কাৰণ— বৰদেউৰীহঁতৰ নিয়ম মতে কালু জাতত বঙালী হোৱাৰ কাৰণে সি ঘৰৰ ভিতৰত সোমাব নেপায়। সোমালে অশুচি হয়। তেনেধৰণৰ পৰম্পৰাগত সামূহিক বাধা বা নিষেধ কেনেবাকৈ ঘটিলেও ৰাইজে সেইঘৰক এঘৰীয়া কৰিব নাইবা অশুচি ভাঙি শান্তি জল খাই প্ৰায়চিত হ'ব লাগিব। গাঁৱৰ মুৰব্বী হিচাপে বৰদেউৰীহঁতৰ বাবে সেইবোৰ নিয়ম শিলত কটা দাগৰ দৰে।

বাপেকৰ হুকুম শুনি বিন্দেশ্বৰে গুড়-গুড়িটো লৈ ভিতৰলৈ সোমাই গ'ল।

ঃ তহঁতি আজি নেখেল নেকি? ক'তা কোনোচোন অহা নাই? নে আজি আমাৰ ভাত খোৱা সোনকালে হ'ল? বৰদেউৰীয়নীয়ে ওচৰতে বহি থকা ৰংদৈক সুধিলে।

ঃ খেলিম। 'হই' জোনাকীহঁত আহোঁহে লাগে। ৰংদৈয়ে চমুকৈ কৈ থ'লে।

ঃ আজি মুকু খেলব দিবি ৰংপেই? আজি মুই খেলিম। কালুৱে কথাৰ মাজতে সুৰুঙা পাই ৰংদৈক জোৰ দি ধৰিলে। অন্য ল'ৰাৰ দৰে কালুও ৰংদৈক পেহী বুলিয়ে সম্বন্ধ লয়। তাৰ সমন্ধৰ যে আঁতি গুৰি নাই বেচেৰাই কেনেকৈনো জানিব?

ঃ অ, তোক খেলিব দিব লাগে! তই খেলিব জান জানো? তাৰ যিহে কথা 'মুই খেলিম'! তই খেলিব নেপাৰ। বিন্দেশ্বৰে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি কালুক উদ্দেশ্যি ধমকী সুৰত কথাখিনি ক'লে। আহোতে সি হাতত ঘিলা থোৱা টিনটো লৈ আহিল। চাঙৰ পৰা নামি গৈ বিন্দেশ্বৰে টিনৰ পৰা ঘিলাখিনি চোতালতে ঢালিলে। ৰংদৈ আৰু কালুও বিন্দেশ্বৰৰ লগতে চাঙৰ পৰা চোতাললৈ নামি পৰিল।

ঃ এ, আজি ঘিলা নেখেলো। আজি 'গুদু-গুদু' বা 'চুম পকা' খেলো। ঘিলাখিনি উলিয়াই অনা দেখি ৰংদৈয়ে নিজৰ মন্তব্য আগবঢ়ালে। কিন্তু বিন্দেশ্বৰ নাচোৰবান্দা। সি আজি ঘিলাই খেলিব। আজিৰ স'তে ঘিলা খেলা দুদিনহে হ'ব। তাৰ আগতচোন সিহঁতে 'চুমপকা' খেলিছেই। বিন্দেশ্বৰে ঘিলাখিনি টিনৰ পৰা ঢালি দিয়াৰ লগে লগে দুটামান ঘিলা দৌৰি গৈ ঘৰৰ চাঙৰ তল পালেগৈ। কালুৱে পিচে পিচে দৌৰি গৈ দুয়োটা ঘিলা বুটলি আনি বিন্দেশ্বৰৰ হাতত তুলি দিলেহি। বিন্দেশ্বৰে নিজৰ চিনাকি লাভতি ঘিলা দুটামান হাতেৰে পিটিকি পিটিকি বাছি ল'লে।

প্ৰকৃতিৰ সময়ৰ তাগিদাত প্ৰাক্ পূৰ্ণিমাৰ জোনটি পূব দিশত ভুমুকি মাৰি ৰংদৈহঁতৰ আগ চোতালত থকা কৃষ্ণচূড়া জোপাৰ ডাল পাতৰ মাজে মাজে লুকা-ভাকু খেলিছেগৈ। কৃষ্ণচূড়া জোপাৰ ডাল-পাতবোৰ একেথৰে থকাৰ বাবে জোনাকৰ ৰূপালী পোহৰ এচপৰা ছিটিকি আহি বৰদেউৰীৰ পিতলৰ গুড়-গুড়িত পৰি এটা জিক্ মিকনি সৃষ্টি কৰিছে। জোনৰ দুষ্ট এচেৰেঙা পোহৰে পোনে পোনে আহি ৰংদৈৰ কোমল গাল দুখনত পৰশ বুলাইছেহি। প্ৰকৃতিৰ এই অকৃত্ৰিম মৰমত ক্ষন্তেক সময় ডুব গৈ ৰংদৈয়ে কোনো প্ৰতিবাদ সাব্যস্ত নকৰি অপলক দৃষ্টিৰে জোনটিলৈকে চাই থাকিল। তাই যেন জীৱনত প্ৰথমবাৰৰ বাবে জোনটি দেখা পালে—সেই ভঙ্গিমাৰে।

ঃ হয় নে হেৰি। মমাই কিলৌৰ অৱস্থা কেনেকুৱা? আপুনি যাওঁতে বহি কথা পাতিব পাৰিছে নে? বৰদেউৰীয়নীয়ে তামোল এখন মুখত ভৰাই লৈ ধঁপাতৰ টেমাটোত হাত থৈ বৰদেউৰীক সুধিলে।

ঃ অৱস্থা সিমান ভাল নেদেখিলো। যেনেতেনে দুজনমানে ধৰিমেলি বহুৱাইছিল। কিন্তু বহি লৈ কথা পাতিবলৈ কষ্ট হয় বোলে। গুড়-গুড়িটোত এটা শোহা মাৰি এসোপা ধোঁৱা নাকে মুখে উলিয়াই দি বৰদেউৰীয়ে ক'লে।

ঃ পিচে খাব-বব পৰা হৈ আছে নে? মইহে গৈ চাই আহিবলৈকে সময় উলিয়াব পৰা নাই। বৰদেউৰীয়নীয়ে ধঁপাত অকনমান মুখত লৈ চূণ অকন কম যেন পাই পুনৰ চূণৰ টেমীটো খুলি লৈ কথাখিনি ক'লে।

ঃ নাই । মকঁ[৪] দেখিলেই বোলে খং কৰি আহে। চুজেঁ[৫] কিন্তু খাবলৈ এৰা নাই বোলে। মৰালৈকে বোলে চুজেঁ খাই থাকিব। আৰু কি কৈছে শুনিছ নে নাই? সি বোলে মৰিলে তাৰ শটো পুৰিব নেলাগে। ভোকাতুৰ কুকুৰ-কাউৰীক বোলে খাবলৈ দিব লাগে।

ঃ ফুচুৰি বুঢ়াটোৰ কথা আৰু! মৰালৈকে মানুহক হুহুৱাইহে এৰিব। কথাখিনিৰ লগতে বৰদেউৰীয়নীয়ে নিজৰ লা খোৱা ক'লা দাঁত কেইটা উলিয়াই খক্খক্ কৈ হাঁহিলে।

এই হাঁহি যে আনন্দৰ হাঁহি নহয় সেয়া ৰংদৈহঁতে বুজিলে। এই হাঁহি বিষাদৰ হাঁহি। কাৰণ, কিলৌ বুঢ়াৰ যোৱা-থোৱা অৱস্থা। কিলৌ বুঢ়াক এই গাঁৱৰ মানুহে কোনে বেয়া পায়? বুঢ়া চামৰ পৰা ডেকা-গাভৰুলৈকে কোনেও বুঢ়াক বেয়া পোৱাৰ নজিৰ নাই। বুঢ়াৰ ফুচুৰি কথা, ল'ৰা-ছোৱালীৰ লগত সমনীয়াৰ দৰে ধেমালি-ধুমুলা কৰা আদি চিঁৰা গাঁৱৰ যেন একো একোটা আনন্দৰ সফুঁৰ। সকলোৰে সেই বিশেষ

৪. মকঁ — ভাত
৫. চুজেঁ — মদ বিশেষ



ধৰণৰ হাঁহিকেহে যেন খাপ পিটি থাকে। এই হাঁহিৰ থুনুপাক যেন আজি জীৱন যাত্ৰাৰ শেষ ষ্টেছনত।

বৰদেউৰীৰ গুড়-গুড়িত ধঁপাত শেষ হোৱাৰ বাবে ধোঁৱা নোলোৱাত বিন্দেশ্বৰক গুড়-গুড়িটো ভিতৰত থৈ আহিবলৈ হুকুম কৰিলে। ওচৰতে কালুও আছে যদিও ঘৰৰ ভিতৰৰ কাম বুলি বৰদেউৰীয়ে কালুক কামৰ বাবে নেপাছিলে। কাৰণ— বৰদেউৰীহঁতৰ নিয়ম মতে কালু জাতত বঙালী হোৱাৰ কাৰণে সি ঘৰৰ ভিতৰত সোমাব নেপায়। সোমালে অশুচি হয়। তেনেধৰণৰ পৰম্পৰাগত সামূহিক বাধা বা নিষেধ কেনেবাকৈ ঘটিলেও ৰাইজে সেইঘৰক এঘৰীয়া কৰিব নাইবা অশুচি ভাঙি শান্তি জল খাই প্ৰাচিত হ'ব লাগিব। গাঁৱৰ মুৰব্বী হিচাপে বৰদেউৰীহঁতৰ বাবে সেইবোৰ নিয়ম শিলত কটা দাগৰ দৰে।

বাপেকৰ হুকুম শুনি বিন্দেশ্বৰে গুড়-গুড়িটো লৈ ভিতৰলৈ সোমাই গ'ল।

ঃ তহঁতি আজি নেখেল নেকি? ক'তা কোনোচোন অহা নাই? নে আজি আমাৰ ভাত খোৱা সোনকালে হ'ল? বৰদেউৰীয়নীয়ে ওচৰতে বহি থকা ৰংদৈক সুধিলে।

ঃ খেলিম। 'হই' জোনাকীহঁত আহোঁহে লাগে। ৰংদৈয়ে চমুকৈ কৈ থ'লে।

ঃ আজি মুকু খেলব দিবি ৰংপেই? আজি মুই খেলিম। কালুৱে কথাৰ মাজতে সুৰুঙা পাই ৰংদৈক জোৰ দি ধৰিলে। অন্য ল'ৰাৰ দৰে কালুও ৰংদৈক পেহী বুলিয়ে সম্বন্ধ লয়। তাৰ সমন্ধৰ যে আঁতি গুৰি নাই বেচেৰাই কেনেকৈনো জানিব?

ঃ অ, তোক খেলিব দিব লাগে! তই খেলিব জান জানো? তাৰ যিহে কথা 'মুই খেলিম'! তই খেলিব নেপাৱ। বিন্দেশ্বৰে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি কালুক উদ্দেশ্যি ধমকী সুৰত কথাখিনি ক'লে। আহোতে সি হাতত ঘিলা থোৱা টিনটো লৈ আহিল। চাঙৰ পৰা নামি গৈ বিন্দেশ্বৰে টিনৰ পৰা ঘিলাখিনি চোতালতে ঢালিলে। ৰংদৈ আৰু কালুও বিন্দেশ্বৰৰ লগতে চাঙৰ পৰা চোতাললৈ নামি পৰিল।

ঃ এ, আজি ঘিলা নেখেলো। আজি 'গুদু-গুদু' বা 'চুম পকা' খেলো। ঘিলাখিনি উলিয়াই অনা দেখি ৰংদৈয়ে নিজৰ মন্তব্য আগবঢ়ালে। কিন্তু বিন্দেশ্বৰ নাচোৰবান্দা। সি আজি ঘিলাই খেলিব। আজিৰ স'তে ঘিলা খেলা দুদিনহে হ'ব। তাৰ আগতচোন সিহঁতে 'চুমপকা' খেলিছেই। বিন্দেশ্বৰে ঘিলাখিনি টিনৰ পৰা ঢালি দিয়াৰ লগে লগে দুটামান ঘিলা দৌৰি গৈ ঘৰৰ চাঙৰ তল পালেগৈ। কালুৱে পিচে পিচে দৌৰি গৈ দুয়োটা ঘিলা বুটলি আনি বিন্দেশ্বৰৰ হাতত তুলি দিলেহি। বিন্দেশ্বৰে নিজৰ চিনাকি লাভতি ঘিলা দুটামান হাতেৰে পিটিকি পিটিকি বাছি ল'লে।

অলপ পিচতে জোনাকীহঁত ভাহি পালে। জোনাকীয়ে আহিয়েই 'অ হই মকঁ হাবেমনা? দাম জুবুৰা? অৰ্থাৎ ভাত খালিনে? কি তৰকাৰী? আদি পৰম্পৰাগত মাত বোলেৰে সকলোৰে স'তে মিলি পৰিল। ৰংদৈও বাকী বিলাকক সমাৰ্থক প্ৰশ্ন কৰি এক দলৰ ঐক্যমত সাব্যস্ত কৰিলে। ছোৱালীজাক গোট খোৱাৰ লগে লগে গোমা পৰিবেশে হঠাৎ প্ৰাণ পাই উঠিল। সিহঁতজাকৰ হাঁহি তামছা, খিকিন্দালি ইত্যাদিত বিন্দেশ্বৰে অকশৰীয়া অনুভৱ কৰিলে। সি মুহূৰ্ততে তাৰ লগৰ ডেকা জাকৰ উপস্থিতিৰ প্ৰয়োজন বোধ অনুভৱ কৰিলে। 'ইহঁতজাক আজি গ'ল ক'লৈ? ইমান দেৰিনো কৰিব লাগেনে? বিন্দেশ্বৰে মনৰ ভিতৰতে ভোৰ ভোৰাইছে কি নাই তেনেতে অনিল আৰু মোহনৰ মাত সি তামোল বাৰীৰ সিফালে শুনিবলৈ পালে। তাৰ ক্ষন্তেক পিচতে আৰু দুজনমান আহিল। সকলোৱে আহি চোতাল ভৰি পৰাৰ লগে লগে ঘিলা-খেল খেলিবলৈ আৰম্ভ কৰি দিলে।

ছোৱালীজাকৰ হৈ ৰংদৈয়ে প্ৰস্তাৱ দিলে যে আজি ছোৱালী এফালে আৰু ল'ৰা এফালে হৈ খেলিব। বিন্দেশ্বৰৰ লগতে ডেকাজাকে তেনে ধৰণৰ নৰম প্ৰস্তাৱ শুনি ঢেক্ ঢেকাই হাঁহিলে। হাঁহি মস্কৰাৰ অৰ্থ বুজি গাভৰু জাকৰ মনত প্ৰতি-হিংসাৰ দাবানল দপ্ দপকৈ জ্বলি উঠিল। জোনাকীয়ে ৰংদৈক সমৰ্থন দি ক'লে যে, 'আজি দেখা যাওঁক ক'ৰ পানী কলৈ যায়।' বিন্দেশ্বৰে জোনাকীৰ মুখৰ পৰা তেনে উক্তি প্ৰথমবাৰৰ বাবে শুনি চমকি উঠিল আৰু বিজয়ৰ মন এটা অন্তৰত লৈ খেলিবৰ বাবে সাজু হ'ল।

ডেকা গাভৰুজাকে ঘিলা খেলিবলৈ আৰম্ভ কৰা দেখি বৰদেউৰী আৰু বৰদেউৰীয়নীয়ে 'বেচি দেৰিলৈ নেখেলিবি,' 'ৰাতিপুৱা সোনকালে উঠি পথাৰলৈ যাব লাগে' ইত্যাদি সকিয়নী কথা কৈ ভিতৰলৈ সোমাই গ'ল।

ক্ষন্তেকৰ বাবে ডেকা-গাভৰু জাকে মুকলিমূৰীয়া এটা পৰিবেশ পালে— বুঢ়া বুঢ়ী দুয়ো ভিতৰলৈ গুচি যোৱাত। হ'লেও ডেকা-গাভৰুজাকে ঘিলা খেলতেই মত্ত হৈ থাকিল। ঘিলাখেলত সাধাৰণতে ল'ৰাজাকে ভাল খেল দেখুৱাব পাৰে। অৱশ্যে ঘিলা খেল বুলিয়েই নহয়— 'হইগুদু' খেল, 'চুম পকা' খেল আদি খেল বিলাকতো ডেকা-গাভৰু জাকে বেলেগ বেলেগ পাৰ্টি হৈ খেলিলে ডেকা জাকেই জিকে। গাভৰু জাকে হাৰে। তথাপি গাভৰু জাকেও সিহঁতৰ জিতা-জিৎ ভাৱ নেৰে। গাভৰু জাকৰ এনে জেদী স্বভাৱটো বোলে সিহঁতৰ জন্মগত প্ৰবৃত্তি। সেয়া বিন্দেশ্বৰহঁতৰ মনৰ ভাৱ।

ডেকা-জাকৰ ভিতৰত মোহনৰ হাত বৰ পোন। তাৰ ঘিলা চলি যাওঁতে 'ভুঁ....ভুঁ' কৰি এটা শব্দ হয়। বিন্দেশ্বৰ আৰু অনিলৰ খেল মজলীয়া। অন্যহাতে



গাভৰু জাকৰ ভিতৰত জোনাকী আৰু ৰংদৈ সমান। বাকী মনদৈ, জিলি, বিজয়াহঁত কম বেচি পৰিমানে খেলে। মুঠৰ ওপৰত বিন্দেশ্বৰহঁতে ৰংদৈহঁতক বৰ বেয়াকৈ খেলত পানী খোৱাবলৈ ধৰিলে। ৰংদৈয়ে খঙতে কান্দি দিবলৈ মন গ'ল। মোহন, বিন্দেশ্বৰ আৰু অনিলৰ তীব্ৰ চক্ৰৰ দৰে চলা ঘিলাই জোনাকী, ৰংদৈহঁতে দেখুওৱা 'চে-লি', 'ম-লাই' ঘিলা, উফৰাই শাৰীৰ পৰা ছিন্ন-বিছিন্ন কৰিবলৈ ধৰিলে। খেলত গাভৰু জাকৰ চৰম বিপৰ্যয়ৰ পৰিণতি দেখি ডেকা জাকৰ হাঁহি— তামছা বঢ়িল। কালুৱে খেলৰ মাজতে টোপনি আহিছে বুলি দৌৰি জখলা বগাই চাঙলৈ উঠি গৈ শুবলৈ ধৰিলে।

বিন্দেশ্বৰহঁতেও সময় হোৱাত খেল সামৰি ঘিলাবোৰ এজেগাত দমাই চাঙৰ এচুকত থোৱা টিনটো আনি হিচাপ কৰি কৰি ভৰাই থলে। গাভৰু জাকে ঘৰলৈ বুলি পোনালে। তেতিয়া কৃষ্ণচূড়া জোপাৰ ডাল-পাতৰ মাজৰ পৰা ওলাই আহি জোনটোৱে মূৰৰ ওপৰত পালেহি। মোহন, অনিলহঁতেও গাভৰুজাকৰ লগতে ঘৰা ঘৰি গ'লগৈ। যাওঁতে অনিলে বিন্দেশ্বৰকো কিলৌবুঢ়াৰ ঘৰত বেমাৰীৰ বাবে 'পৰ' ৰাখিবলৈ যাব নেকি সুধিছিল। কিন্তু বিন্দেশ্বৰ নগ'ল। তাৰ পুৱাই পথাৰলৈ গৈ হাল বোৱাকে ধৰি কলেজলৈকো যাবলগীয়া আছে। অৱশ্যে সেইবোৰ কাৰণ অনিলক সি নকলে। কাৰণ অনিলহঁতেও পুৱাই উঠি হাল বাবলৈ যোৱাটো বাধ্যতামূলক। অৱশ্যে তাৰ যেনিবা কলেজলৈ যাব নালাগে।

ৰংদৈয়ে বিছনাখনত মূৰটো পেলাই 'গাতিগি'[৬]টো আঁতৰাই বান্ধি থোৱা চুলিখিনি মুকলি কৰি গাৰুৰ একাষত মেলি দিলে। একোচামান চুলি বাউসীৰ ওপৰেদি আহি আউলী-বাউলী হৈ নিজৰ বুকুৰ ওপৰত পৰিলহি। গাটো লাহেকৈ বিছনাখনত এৰি বুকুৰ ওপৰত থকা চুলি কেইডাল লিৰিকি বিদাৰি তাই শুবলৈ যত্ন কৰিলে। এটা সময়ত তাইৰ হাতখনত আঙুলিয়ে অজানিতে এক শৃঙ্গ সদৃশ কোমল দেশত পদাৰ্পণ কৰিলে। ভাগৰুৱা অৱসাদপূৰ্ণ দেহ মন ক্ষন্তেকৰ বাবে শীতল বতাহে জীপাল কৰিলে। চিলমিলীয়া টোপনিত তাই শুনা পালে গাওঁখনৰ মাজত থকা বাঁহৰ দলংখনৰ ওপৰত গোৱা 'লুগুৰু চাজেবা'[৭]। কোনোবা ডেকাই গাঁৱৰ ডেকা-গাভৰু চামে গোপনে ৰখা 'পুন্‌চেইবা' নামৰ গাভৰুজনীৰ নাম কাঢ়ি গোৱা প্ৰণয় গীত।

● ● ●

৬. গাতিগি — মূৰত লোৱা মহিলাৰ গামোচা
৭. লুগুৰু চাজেবা — দীঘলীয়া কৈ গোৱা এবিধ গীত

অলপ পিচতে জোনাকীহঁত আহি পালে। জোনাকীয়ে আহিয়েই 'অ হই মকঁ হাবেমনা? দাম জুবুৰা? অৰ্থাৎ ভাত খালিনে? কি তৰকাৰী? আদি পৰম্পৰাগত মাত বোলেৰে সকলোৰে স'তে মিলি পৰিল। ৰংদৈও বাকী বিলাকক সমাৰ্থক প্ৰশ্ন কৰি এক দলৰ ঐক্যমত সাব্যস্ত কৰিলে। ছোৱালীজাক গোট খোৱাৰ লগে লগে গোমা পৰিবেশে হঠাৎ প্ৰাণ পাই উঠিল। সিহঁতজাকৰ হাঁহি তামছা, খিকিন্দালি ইত্যাদিত বিন্দেশ্বৰে অকশৰীয়া অনুভৱ কৰিলে। সি মূহূৰ্ততে তাৰ লগৰ ডেকা জাকৰ উপস্থিতিৰ প্ৰয়োজন বোধ অনুভৱ কৰিলে। 'ইহঁতজাক আজি গ'ল ক'লৈ? ইমান দেৰিনো কৰিব লাগেনে? বিন্দেশ্বৰে মনৰ ভিতৰতে ভোৰ ভোৰাইছে কি নাই তেনেতে অনিল আৰু মোহনৰ মাত সি তামোল বাৰীৰ সিফালে শুনিবলৈ পালে। তাৰ ক্ষন্তেক পিচতে আৰু দুজনমান আহিল। সকলোৱে আহি চোতাল ভৰি পৰাৰ লগে লগে ঘিলা-খেল খেলিবলৈ আৰম্ভ কৰি দিলে।

ছোৱালীজাকৰ হৈ ৰংদৈয়ে প্ৰস্তাৱ দিলে যে আজি ছোৱালী এফালে আৰু ল'ৰা এফালে হৈ খেলিব। বিন্দেশ্বৰৰ লগতে ডেকাজাকে তেনে ধৰণৰ নৰম প্ৰস্তাৱ শুনি ঢেক্ ঢেকাই হাঁহিলে। হাঁহি মস্কৰাৰ অৰ্থ বুজি গাভৰু জাকৰ মনত প্ৰতি-হিংসাৰ দাবানল দপ্ দপকৈ জ্বলি উঠিল। জোনাকীয়ে ৰংদৈক সমৰ্থন দি ক'লে যে, 'আজি দেখা যাওঁক ক'ৰ পানী কলৈ যায়।' বিন্দেশ্বৰে জোনাকীৰ মুখৰ পৰা তেনে উক্তি প্ৰথমবাৰৰ বাবে শুনি চমকি উঠিল আৰু বিজয়ৰ মন এটা অন্তৰত লৈ খেলিবৰ বাবে সাজু হ'ল।

ডেকা গাভৰুজাকে ঘিলা খেলিবলৈ আৰম্ভ কৰা দেখি বৰদেউৰী আৰু বৰদেউৰীয়নীয়ে 'বেচি দেৰিলৈ নেখেলিবি,' 'ৰাতিপুৱা সোনকালে উঠি পথাৰলৈ যাব লাগে' ইত্যাদি সকিয়নী কথা কৈ ভিতৰলৈ সোমাই গ'ল।

ক্ষন্তেকৰ বাবে ডেকা-গাভৰু জাকে মুকলিমূৰীয়া এটা পৰিবেশ পালে— বুঢ়া বুঢ়ী দুয়ো ভিতৰলৈ গুচি যোৱাত। হ'লেও ডেকা-গাভৰুজাকে ঘিলা খেলতেই মত্ত হৈ থাকিল। ঘিলাখেলত সাধাৰণতে ল'ৰাজাকে ভাল খেল দেখুৱাব পাৰে। অৱশ্যে ঘিলা খেল বুলিয়েই নহয়— 'হইগুদু' খেল, 'চুম পকা' খেল আদি খেল বিলাকতো ডেকা-গাভৰু জাকে বেলেগ বেলেগ পাৰ্টি হৈ খেলিলে ডেকা জাকেই জিকে। গাভৰু জাকে হাৰে। তথাপি গাভৰু জাকেও সিহঁতৰ জিতা-জিৎ ভাৱ নেৰে। গাভৰু জাকৰ এনে জেদী স্বভাৱটো বোলে সিহঁতৰ জন্মগত প্ৰবৃত্তি। সেয়া বিন্দেশ্বৰহঁতৰ মনৰ ভাৱ।

ডেকা-জাকৰ ভিতৰত মোহনৰ হাত বৰ পোন। তাৰ ঘিলা চলি যাওঁতে 'ভুঁ....ভুঁ' কৰি এটা শব্দ হয়। বিন্দেশ্বৰ আৰু অনিলৰ খেল মজলীয়া। অন্যহাতে



গাভৰু জাকৰ ভিতৰত জোনাকী আৰু ৰংদৈ সমান। বাকী মনদৈ, জিলি, বিজয়াহঁত কম বেচি পৰিমানে খেলে। মুঠৰ ওপৰত বিন্দেশ্বৰহঁতে ৰংদৈহঁতক বৰ বেয়াকৈ খেলত পানী খোৱাবলৈ ধৰিলে। ৰংদৈয়ে খঙতে কান্দি দিবলৈ মন গ'ল। মোহন, বিন্দেশ্বৰ আৰু অনিলৰ তীব্ৰ চক্ৰৰ দৰে চলা ঘিলাই জোনাকী, ৰংদৈহঁতে দেখুওৱা 'চে-লি', 'ম-লাই' ঘিলা, উফৰাই শাৰীৰ পৰা ছিন্ন-বিছিন্ন কৰিবলৈ ধৰিলে। খেলত গাভৰু জাকৰ চৰম বিপৰ্যয়ৰ পৰিণতি দেখি ডেকা জাকৰ হাঁহি— তামছা বঢ়িল। কালুৱে খেলৰ মাজতে টোপনি আহিছে বুলি দৌৰি জখলা বগাই চাঙলৈ উঠি গৈ শুবলৈ ধৰিলে।

বিন্দেশ্বৰহঁতেও সময় হোৱাত খেল সামৰি ঘিলাবোৰ এজেগাত দমাই চাঙৰ এচুকত থোৱা টিনটো আনি হিচাপ কৰি কৰি ভৰাই থলে। গাভৰু জাকে ঘৰলৈ বুলি পোনালে। তেতিয়া কৃষ্ণচূড়া জোপাৰ ডাল-পাতৰ মাজৰ পৰা ওলাই আহি জোনটোৱে মূৰৰ ওপৰত পালেহি। মোহন, অনিলহঁতেও গাভৰুজাকৰ লগতে ঘৰা ঘৰি গ'লগৈ। যাওঁতে অনিলে বিন্দেশ্বৰকো কিলৌবুঢ়াৰ ঘৰত বেমাৰীৰ বাবে 'পৰ' ৰাখিবলৈ যাব নেকি সুধিছিল। কিন্তু বিন্দেশ্বৰ নগ'ল। তাৰ পুৱাই পথাৰলৈ গৈ হাল বোৱাকে ধৰি কলেজলৈকো যাবলগীয়া আছে। অৱশ্যে সেইবোৰ কাৰণ অনিলক সি নকলে। কাৰণ অনিলহঁতেও পুৱাই উঠি হাল বাবলৈ যোৱাটো বাধ্যতামূলক। অৱশ্যে তাৰ যেনিবা কলেজলৈ যাব নালাগে।

ৰংদৈয়ে বিছনাখনত মূৰটো পেলাই 'গাতিগি'[৬]টো আঁতৰাই বান্ধি থোৱা চুলিখিনি মুকলি কৰি গাৰুৰ একাষত মেলি দিলে। একোচামান চুলি বাউসীৰ ওপৰেদি আহি আউলী-বাউলী হৈ নিজৰ বুকুৰ ওপৰত পৰিলহি। গাটো লাহেকৈ বিছনাখনত এৰি বুকুৰ ওপৰত থকা চুলি কেইডাল লিৰিকি বিদাৰি তাই শুবলৈ যত্ন কৰিলে। এটা সময়ত তাইৰ হাতখনত আঙুলিয়ে অজানিতে এক শৃঙ্গ সদৃশ কোমল দেশত পদাৰ্পণ কৰিলে। ভাগৰুৱা অৱসাদপূৰ্ণ দেহ মন ক্ষন্তেকৰ বাবে শীতল বতাহে জীপাল কৰিলে। চিল্‌মিলীয়া টোপনিত তাই শুনা পালে গাওঁখনৰ মাজত থকা বাঁহৰ দলংখনৰ ওপৰত গোৱা 'লুগুৰু চাজেবা'[৭]। কোনোবা ডেকাই গাঁৱৰ ডেকা-গাভৰু চামে গোপনে ৰখা 'পুনচেইবা' নামৰ গাভৰুজনীৰ নাম কাঢ়ি গোৱা প্ৰণয় গীত।

● ● ●

---

৬. গাতিগি — মূৰত লোৱা মহিলাৰ গামোচা
৭. লুগুৰু চাজেবা — দীঘলীয়া কৈ গোৱা এবিধ গীত

## (৪)

কেইবাদিনৰ বিৰতিৰ পিছত দুদিনমান খুউব বৰষুণ হৈছে। শাওণৰ শেষ ঢল। মৰিডিক্রঙৰ পানী ফেনে-ফুটুকাৰে আকৌ বাঢ়িল। পানীৰ লগতে মেটেকাৰ লানি নিছিগা যাত্রা। মেটেকা-ঢলবোৰ গাওঁ আৰু কলেজলৈ ওৱোলা সংযোগী বাঁহৰ দলংখনত লাগি ধৰিছেহি। ৰাতিৰে পৰা মেটেকা জমা হোৱাৰ বাবে দলং উটি যাওঁ উটি যাওঁ অৱস্থা। দলঙৰ ওচৰে পাজৰে থকা পথাৰৰ মানুহে সোলোঙা মাৰি আদিৰে দলঙৰ খুঁটাত লাগি ধৰা মেটেকাবোৰ গুচাবলৈ ধৰিছে। পানীৰ সোঁতৰ হেঁচাত মেটেকাৰ জাপ তৰপে তৰপে জমা হৈ একেবাৰে টান হৈ পৰিছে। মেটেকাৰ তৰপ ইমান টান হৈ পৰিল যে, সিবিলাকৰ ওপৰত মানুহে অনায়াসে নামি খোজ কাঢ়ি যাব পৰা হ'ল।

মেটেকাৰ লগতে প্রায় দুসপ্তাহমানৰ আগতে 'বুৰ উতুৱাবা'[1] পূজাৰ নাওঁখন উটি আহি মেটেকা জাপত সোমাই পৰিছেহি। পুৱাতে ইকান-সিকান বাগৰি কথাটো তৎক্ষণাত বৰদেউৰীৰ কাণতো পৰিলত বৰদেউৰী একেবাৰে গিজ্‌গিজাই উঠিল- — 'জানিছেই ৰাইজে। প্রতিবছৰে মই দলংখন ওখকৈ দিবলৈ নকওঁ জানো? নাই, নেমানে। সেই পূজাৰ নাওঁ দলঙত লাগিল যেতিয়া দলং ৰাখিব নোৱাৰে। হেৰৌ সেইটো এনেয়ে ধেমালিতে এৰি দিয়া নাওঁ নহয়- নহয়। তাত কিমান ধৰণৰ পূজা-পাতল, গুৰু-গোসাঁনীৰ বাবে আগ কৰা মাননি, অৰিহনাৰ স'তে ৰোগ-ব্যাধি ভাটি দেশলৈ উটুৱাই দিয়া হয় সেইটো আমিহে জানো। হেৰৌ-সেইটো দেও নাওঁ। দেখাত সাধাৰণ কলপটুৱাৰ ভুৰ যেন দেখা পালেও তাত কিমান অপায়-অমঙ্গলৰ বোজা উটুৱাই দিয়া হয় আইনামৰ সুৰত— সেইটো আমি পূজাৰীবৃন্দহে জানো! সেই দলং আৰু নৰয়।'

পুৱাতে কামলৈ ওলাই যোৱা মানুহকে ধৰি ওচৰৰ পথাৰৰ মানুহেৰে শেষত দলং ভৰি পৰিল। কিন্তু মানুহবোৰ নিঃসহায়। সিহঁতে পাৰ্যমানে দলংখন বচাবলৈ আপ্রাণ চেষ্টা চলালে। দুজনমানে পানীত নামি মেটেকা গুচাবলৈ ধৰিলে। কিন্তু সকলো চেষ্টা নিষ্ফল হোৱাৰ দৰে ৰাইজে পালে। কাৰণ— খুঁটাত মেটেকাৰে ভৰি পৰাৰ বাবে পানীৰ সোঁত মেটেকাৰ তলেদি যাবলগীয়া হোৱাত দলঙৰ খুঁটাবোৰ পানীয়ে খান্দি দলংখন প্রায় বেকা কৰি পেলোৱাৰ উপক্রম হ'ল। মানুহবোৰৰ চকুৰ

১. বুৰ উতুৱাবা — ভুৰ উটোৱা



আগতেই দলংখনৰ অৱস্থা তথৈবচ হৈ পৰিল। নিমিষতে মানুহবোৰৰ যোগসূত্র যেন বিছিন্ন হৈ পৰিল।

বিন্দেশ্বৰহঁতৰ পথাৰখন দলংখনৰ বহু উজনিত। হ'লেও পথাৰখনৰ পৰা নৈখনৰ দলংখন ৰিনিকি ৰিনিকি দেখা পোৱা যায়। সেয়েহে সি দলংখনৰ ওচৰত গোটখোৱা মানুহবোৰ পথাৰৰ পৰাই দেখি আছিল। কিন্তু কি হৈছিল সেইটোহে সি ধৰিব নোৱাৰিলে। সি মনতে ভাৱিলে— মাছ-তাছ ওলাইছে নেকি? অৱশ্যে সি ৰাতিপুৱা ভুৰেৰে পথাৰলৈ আহোতে নৈখনত মেটেকাৰ লানি নিছিগা যাত্রা দেখি দলংখনৰ অৱস্থাৰ কথা নভৱাকৈ থকা নাছিল। ভাৱিছিল।

বিন্দেশ্বৰে ঘৰত আহিহে নিশ্চিত হ'ল যে, দলংখন বোলে মেটেকাই উটুৱাই নিলে। দলংখনৰ অৱস্থা শুনি বিন্দেশ্বৰৰ লগতে ৰংদৈৰো চিন্তা লাগিল। সিহঁত কলেজলৈ যোৱা যায় কেনেকৈ?

ৰংদৈয়ে সচৰাচৰ পিন্ধিথকা ইগুঁ[2] বাইগা[3] আৰু গাতিগি[4] সলাই মেখেলা চাদৰ পিন্ধি কলেজৰ নোটবহীখন লৈ ইছাটি-বিছাটি কৰি আছে। আজি বিন্দেশ্বৰে বৰ্ডিঙৰ পৰা চাইকেলখনো উলিওৱা নাই। বোকাৰ ওপৰিও দলংখনো নোহাৰা হ'ল। ঘপকৈ দলঙৰ ঘাটত ৰাইজে কলৰ ভুৰ বনোৱাটো ভৱা নাই। কাৰণ— সেইঘাটত পানীৰ সোঁত বেচি। কলৰ ভুৰ থাকিলেও এতিয়া তাত চলোৱা অসম্ভৱ।

ঃ আজি কেনেকৈ যাম ঐ কাই? তই নেযাৱ জানো? ৰংদৈয়ে কি উপায়েৰে নৈখন পাৰ্হৈ কলেজলৈ যাব তাৰ বিষয়ে জানিব বিচাৰি ককায়েকক সুধিলে।

ঃ তই একা? মই ভুৰেৰে পাৰ হৈ যাম বুলি ভাৱিছো। পাৰিলে তয়ো ওলাবি। বিন্দেশ্বৰে লংপেন্টৰ ওপৰত চার্ট পিন্ধি লৈ ৰংদৈক উদ্দেশ্যি ক'লে—

ঃ ভুৰটো ভাল হৈ আছে জানো? সেইটোৰে এনে সোঁতত পাৰ হ'ব পাৰিম জানো?

ঃ কিয় নোৱাৰিম? হওঁতে ভুৰটো পুৰণি হৈছে। তথাপি দুজন অনায়াসে পাৰ হ'ব পাৰিম।

ঃ কেলেই দুজন? জোনাকী হ'বলা নাহিব? তায়ো এতিয়া আহি ওলাবহিয়েই। তিনিজন পাৰিম জানো? ৰংদৈয়ে এটা দুষ্ট হাঁহি মাৰি ককায়েকক কথাখিনি শুনালে।

ঃ তিনিজন কোনোমতে পৰা হ'ব। তহঁতে থিৰেৰে বহি গ'লেই হ'ল। বিন্দেশ্বৰে ৰংদৈৰ দুষ্ট হাঁহিৰ অৰ্থ বুজি পালে যদিও একো প্রতিক্রিয়া প্রকাশ নকৰি

২. ইগুঁ — মেখেলা
৩. বাইগা — গাভৰুৱে বুকুত মৰা গামোচা
৪. গাতিগি — মহিলাৰ মূৰৰ গামোচা

কথাখিনি ক'লে। অৱশ্যে সি জোনাকীও ওলোৱা কথা শুনি পেটে পেটে খুব ভাল পালে।

ক্ষন্তেক পিচতে জোনাকী আহি ৰংদৈক মাত দিলেহি। ৰংদৈয়ে সখীয়েকৰ মাতত পদূলিমূখলৈ আগবাঢ়ি গৈ তাইৰ লগ লাগিলেহি। জোনাকীয়ে পোনচাটেই দলঙৰ ৰাস্তাইদি খোজ লোৱাৰ বাবে ৰংদৈয়ে নিশ্চিত হ'ল যে, জোনাকীয়ে দলং ভঙাৰ কথাটো নেজানে। সেয়েহে ৰংদৈয়ে দলং ভঙাৰ কথাটো জোনাকীক জনালে। কথাটো শুনাৰ লগে লগে জোনাকীয়ে কলেজ যোৱা বাদদি ঘৰলৈ ঘূৰি যোৱা কথা ক'লে। এটা পোনপটীয়া চমু সিদ্ধান্ত। কিন্তু সিদ্ধান্তটো একপক্ষীয় আৰু অদূৰদৰ্শী যেন বোধ হ'ল— ৰংদৈৰ। তাই ঘপ্ কৰে কৈ উঠিল—

ঃ দলং নাই যদি ঘৰলৈ ঘূৰি যা! আজিহে ঘূৰি যাবি নে সদায়েই ঘূৰি যাবি? দলং কিবা এদিনতে পুনৰ হৈ উঠিব নেকি?

জোনাকীয়ে বুজিলে ৰংদৈয়ে তাই ঘৰলৈ ঘূৰি যোৱা সিদ্ধান্তটো সহজ ভাৱে ল'ব পৰা নাই। সেয়ে তাই নৰম সুৰত ক'লে—

ঃ না বাবা না। এদিনত দলং হৈ নুঠে বুলি মই জানো। ঘৰলৈও মই ঘূৰি নেযাওঁ। কিন্তু এতিয়া কৰো কি?

ঃ আমি কলৰ ভুৰেৰে পাৰহৈ যাম বুলি মনতে পাঙিছো। তই বা কি কৱ?

ঃ হ'ব তেন্তে। ময়ো তহঁতৰ লগতে পাৰ হম। পিছে ভাড়া-চাড়া লবি নেকি? ৰংদৈয়ে 'আমি' বোলা শব্দটোত যে জোনাকীৰ হিয়াৰ আমঠুটোও সোমাই আছে সেয়া জোনাকী নিশ্চিত হ'ল। সেয়েহে জোনাকীয়ে ৰগৰ কৰি পৰিস্থিতি পাতল কৰি ৰংদৈৰ মনটো জিনি ল'বলৈ সিহঁতৰ লগতে যোৱা কথাটো ক'লে।

ঃ ভাড়া লয় নে নলয় সেয়া ঘাতৈকে সুধি লবি। মই কিবা তোৰ নাৱৰীয়া নেকি? ৰংদৈয়ে মূখত হাঁহি বিৰিঙাই ভেঙুচালি কৰি জোনাকীক উদ্দেশ্যি কথাখিনি ক'লে।

ঃ তহঁতৰ পিছে যোৱাটো হৈছে নে নাই? যাৰ যদি আহ। মোৰ 'মেজৰ' ক্লাছটো গ'লেই চাগে! বিন্দেশ্বৰে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি চাঙৰ পৰা নামি আহি কথাখিনি ক'লে। তাৰ পিছত সি গোহালিত থোৱা বাঁহৰ লুৰ মাৰি ডাল হাতত লৈ পথাৰলৈ যোৱা ঘাটৰ পিনে আগবাঢ়িল।

আজিকালি বিন্দেশ্বৰে পথাৰলৈ যোৱা ঘাটত লুৰ মাৰিডাল ভুৰৰ লগত থৈ নাহে। তাত থৈ অহা মানে ঘাটত ভুৰ নাইকীয়া হোৱা। বিন্দেশ্বৰে খোজ দিয়াৰ লগে লগে ৰংদৈ আৰু জোনাকীয়েও তাৰ পিচে পিচে খোজ দিলে। বিন্দেশ্বৰৰ খোজত তাৰ লংপেণ্ট কোঁচাই লোৱা কলা ফুল দুটাৰ শিৰ দুটামানে অগাদেৱা কৰি উঠা-নমা



কৰিলে। ৰংদৈহঁতেও ৰাস্তাত বোকা-পানী থকাৰ বাবে মেখেলা চাদৰ দাঙি কঁকালৰ খোঁচনিত খোঁচ দি ল'লে। সিহঁতৰ বগা বগা মঙহাল ভৰিয়ে খোজৰ তালে তালে ৰাস্তাৰ ওপৰত নৃত্যৰত অৱস্থাত দুলিবলৈ ধৰিলে।

ঘাট পায়েই বিন্দেশ্বৰে দেখিলে পানী অলপ কমিছে। প্ৰথমতে সি নিজে ভুৰটোত উঠি লৈ দুয়োজনীকে লাহে লাহে উঠিবলৈ ক'লে। প্ৰথমতে জোনাকী উঠিল। তাৰ পিচত ৰংদৈ উঠি দিয়াত ভুৰ পানীত আধা সোমোৱাৰ দৰে হ'ল। এক অজান আশংকাত ৰংদৈৰ মুখৰ পৰা এটা বিকট্ চিঞৰ অকস্মাতে ৰেলৰ উকিৰ দৰে ওলাল।

ভুৰটো পুৰণি হোৱাৰ বাবে বাঁহৰ ঠিলাবোৰ সোলোক-ঢোলোক হৈ পৰিছে। হ'লেও কুন্দিমামাক চিন্তি ভৰ বাৰিযাৰ নৈৰ বুকুত ভুৰ এৰি দিলে বিন্দেশ্বৰে। ভুৰ ক্ৰমান্বয়ে আগবাঢ়ি গৈ মূল সুঁতিত পালেহি। বিন্দেশ্বৰে আন্দাজতে লুৰ বাই থাকিল। মূল সুঁতিত লুৰ মাটি ঢুকি নোপোৱা অৱস্থা হ'ল। সেয়ে বিন্দেশ্বৰে সুঁতিৰে ভুৰ এৰি দি লুৰ ডালেৰে বঠাৰ দৰে বাই সিপাৰৰ পিনে লাহে লাহে অগ্ৰসৰ হ'বলৈ চেষ্টা চলাই থাকিল। কিন্তু চেষ্টা বিফল হোৱাৰ দৰে দেখি ৰংদৈ আৰু জোনাকীৰ মনত ভয় সোমাবলৈ ধৰিলে। মনৰ অস্থিৰতাৰ লগে লগে সিহঁতৰ শৰীৰবোৰো অস্থিৰ হৈ পৰিল। টুলুং ভুটুং অৱস্থাৰ সৃষ্টি হৈ লাহে লাহে বাঁহৰ ঠিলা ঢিলা হৈ সোঁত আৰু বিন্দেশ্বৰৰ লুৰ ডালৰ বিপৰীত হেঁচাত ভুৰটো দুভাগ হৈ গ'ল। বিন্দেশ্বৰ অকলশৰে আৰু সিটো ভাগত ৰংদৈ আৰু জোনাকী। সিহঁতে অকলশৰীয়া হৈ পৰাৰ বাবে ভয়ত চিঞৰ-বাখৰ লগাই দিলে।

অৱশেষত যেনিবা বিন্দেশ্বৰৰ প্ৰচেষ্টাত সকলোৱে নৈখন পাৰ হৈ যাবলৈ সমৰ্থ হ'ল। কিন্তু ৰংদৈ আৰু জোনাকী দুয়ো বিন্দেশ্বৰৰ পৰা একেখন ভুৰৰ যাত্ৰী হৈ নৈখৰ মাজ ভাগতে বিচ্ছেদ হৈ যে গৈছিল— সেই ঘটনাটোৱে বিন্দেশ্বৰৰ মনত এক শঙ্কাৰ সাঁচ বহুৱাই থৈ গ'ল। তাৰ ভাৱ হ'ল— ৰংদৈ আৰু জোনাকী দুয়ো তাৰ জীৱনৰ মাজ ভাগতে এৰি ক'ৰবালৈ নেযায়তো? নে সিহে দুয়োজনীকে এৰি যাব লাগিব? ধেৎ কি কথাবোৰে যে তাৰ মনত খেলাইছেহি। সি চোন শেষত দুয়োজনীকে নৈখন পাৰ কৰাত কৃতকাৰ্যতা লাভ কৰিলে। সেইটোৱা আকৌ কিহৰ ইঙ্গিত?

সেইদিনা বিন্দেশ্বৰহঁত সোনকালে কলেজৰ পৰা ঘৰলৈ ঘূৰিলে। আহি দেখে পানী বহুত কমিল। বিন্দেশ্বৰে দুভাগহৈ থকা ভুৰখন পাৰত গছত বগাই থকা বনৰীয়া লতাৰে টানকৈ বান্ধি ল'লে। তাৰপিচত সি সিহঁতৰ বহাৰ পিনে আগবাঢ়ি গৈ তাতে থৈ যোৱা লুৰমাৰি ডাল আনি তিনিও নিৰাপদে নৈখন পাৰ হৈ গাওঁ পালেগৈ। জোনাকীক এৰি বিন্দেশ্বৰ আৰু ৰংদৈয়ে ঘৰলৈ খোজ দিওঁতে বিন্দেশ্বৰে ভাঙি থকা

কথাখিনি ক'লে। অৱশ্যে সি জোনাকীও ওলোৱা কথা শুনি পেটে পেটে খুব ভাল পালে।

ক্ষন্তেক পিচতে জোনাকী আহি ৰংদৈক মাত দিলেহি। ৰংদৈয়ে সখীয়েকৰ মাতত পদূলিমুখলৈ আগবাঢ়ি গৈ তাইৰ লগ লাগিলেহি। জোনাকীয়ে পোনচাটেই দলঙৰ ৰাস্তাইদি খোজ লোৱাৰ বাবে ৰংদৈয়ে নিশ্চিত হ'ল যে, জোনাকীয়ে দলং ভঙাৰ কথাটো নেজানে। সেয়েহে ৰংদৈয়ে দলং ভঙাৰ কথাটো জোনাকীক জনালে। কথাটো শুনাৰ লগে লগে জোনাকীয়ে কলেজ যোৱা বাদদি ঘৰলৈ ঘূৰি যোৱা কথা ক'লে। এটা পোনপটীয়া চমু সিদ্ধান্ত। কিন্তু সিদ্ধান্তটো একপক্ষীয় আৰু অদূৰদৰ্শী যেন বোধ হ'ল— ৰংদৈৰ। তাই ঘপ্ কৰে কৈ উঠিল—

ঃ দলং নাই যদি ঘৰলৈ ঘূৰি যা! আজিহে ঘূৰি যাবি নে সদায়েই ঘূৰি যাবি? দলং কিবা এদিনতে পুনৰ হৈ উঠিব নেকি?

জোনাকীয়ে বুজিলে ৰংদৈয়ে তাই ঘৰলৈ ঘূৰি যোৱা সিদ্ধান্তটো সহজ ভাৱে ল'ব পৰা নাই। সেয়ে তাই নৰম সুৰত ক'লে—

ঃ না বাবা না। এদিনত দলং হৈ নুঠে বুলি মই জানো। ঘৰলৈও মই ঘূৰি নেযাওঁ। কিন্তু এতিয়া কৰো কি?

ঃ আমি কলৰ ভুৰেৰে পাৰহৈ যাম বুলি মনতে পাঙিছো। তই বা কি কৱ?

ঃ হ'ব তেন্তে। ময়ো তহঁতৰ লগতে পাৰ হম। পিছে ভাড়া-চাড়া লবি নেকি? ৰংদৈয়ে 'আমি' বোলা শব্দটোত যে জোনাকীৰ হিয়াৰ আমঠুটোও সোমাই আছে সেয়া জোনাকী নিশ্চিত হ'ল। সেয়েহে জোনাকীয়ে ৰগৰ কৰি পৰিস্থিতি পাতল কৰি ৰংদৈৰ মনটো জিনি ল'বলৈ সিহঁতৰ লগতে যোৱা কথাটো ক'লে।

ঃ ভাড়া লয় নে নলয় সেয়া ঘাতৈকে সুধি লবি। মই কিবা তোৰ নাৱৰীয়া নেকি? ৰংদৈয়ে মুখত হাঁহি বিৰিঙাই ভেঙুচালি কৰি জোনাকীক উদ্দেশ্যি কথাখিনি ক'লে।

ঃ তহঁতৰ পিছে যোৱাটো হৈছে নে নাই? যাৱ যদি আহ। মোৰ 'মেজৰ' ক্লাছটো গ'লেই চাগে! বিন্দেশ্বৰে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি চাঙৰ পৰা নামি আহি কথাখিনি ক'লে। তাৰ পিছত সি গোহালিত থোৱা বাঁহৰ লুৰ মাৰি ডাল হাতত লৈ পথাৰলৈ যোৱা ঘাটৰ পিনে আগবাঢ়িল।

আজিকালি বিন্দেশ্বৰে পথাৰলৈ যোৱা ঘাটত লুৰ মাৰিডাল ভুৰৰ লগত থৈ নাহে। তাত থৈ অহা মানে ঘাটত ভুৰ নাইকীয়া হোৱা। বিন্দেশ্বৰে খোজ দিয়াৰ লগে লগে ৰংদৈ আৰু জোনাকীয়েও তাৰ পিছে পিছে খোজ দিলে। বিন্দেশ্বৰৰ খোজত তাৰ লংপেন্ট কোঁচাই লোৱা কলা ফুল দুটাৰ শিৰ দুটামানে অগাদেৱা কৰি উঠা-নমা



কৰিলে। ৰংদৈহঁতেও ৰাস্তাত বোকা-পানী থকাৰ বাবে মেখেলা চাদৰ দাঙি কঁকালৰ খোঁচনিত খোঁচ দি ল'লে। সিহঁতৰ বগা বগা মঙহাল ভৰিয়ে খোজৰ তালে তালে ৰাস্তাৰ ওপৰত নৃত্যৰত অৱস্থাত দুলিবলৈ ধৰিলে।

ঘাট পায়েই বিন্দেশ্বৰে দেখিলে পানী অলপ কমিছে। প্ৰথমতে সি নিজে ভুৰটোত উঠি লৈ দুয়োজনীকে লাহে লাহে উঠিবলৈ ক'লে। প্ৰথমতে জোনাকী উঠিল। তাৰ পিচত ৰংদৈ উঠি দিয়াত ভুৰ পানীত আধা সোমোৱাৰ দৰে হ'ল। এক অজান আশঙ্কাত ৰংদৈৰ মুখৰ পৰা এটা বিকট্ চিঞৰ অকস্মাতে ৰেলৰ উকিৰ দৰে ওলাল।

ভুৰটো পুৰণি হোৱাৰ বাবে বাঁহৰ ঠিলাবোৰ সোলোক-ঢোলোক হৈ পৰিছে। হ'লেও কুন্দিমামাক চিন্তি ভৰ বাৰিষাৰ নৈৰ বুকুত ভুৰ এৰি দিলে বিন্দেশ্বৰে। ভুৰ ক্ৰমান্বয়ে আগবাঢ়ি গৈ মূল সুঁতিত পালেহি। বিন্দেশ্বৰে আন্দাজতে লুৰ বাই থাকিল। মূল সুঁতিত লুৰ মাটি ঢুকি নোপোৱা অৱস্থা হ'ল। সেয়ে বিন্দেশ্বৰে সুঁতিৰে ভুৰ এৰি দি লুৰ ডালেৰে বঠাৰ দৰে বাই সিপাৰৰ পিনে লাহে লাহে অগ্ৰসৰ হ'বলৈ চেষ্টা চলাই থাকিল। কিন্তু চেষ্টা বিফল হোৱাৰ দৰে দেখি ৰংদৈ আৰু জোনাকীৰ মনত ভয় সোমাবলৈ ধৰিলে। মনৰ অস্থিৰতাৰ লগে লগে সিহঁতৰ শৰীৰবোৰো অস্থিৰ হৈ পৰিল। টুলুং ভুটুং অৱস্থাৰ সৃষ্টি হৈ লাহে লাহে বাঁহৰ ঠিলা ঢিলা হৈ সোঁত আৰু বিন্দেশ্বৰৰ লুৰ ডালৰ বিপৰীত হেঁচাত ভুৰটো দুভাগ হৈ গ'ল। বিন্দেশ্বৰ অকলশৰে আৰু সিটো ভাগত ৰংদৈ আৰু জোনাকী। সিহঁতে অকলশৰীয়া হৈ পৰাৰ বাবে ভয়ত চিঞৰ-বাখৰ লগাই দিলে।

অৱশেষত যেনিবা বিন্দেশ্বৰৰ প্ৰচেষ্টাত সকলোৱে নৈখন পাৰ হৈ যাবলৈ সমৰ্থ হ'ল। কিন্তু ৰংদৈ আৰু জোনাকী দুয়ো বিন্দেশ্বৰৰ পৰা একেখন ভুৰৰ যাত্ৰী হৈ নৈখৰ মাজ ভাগতে বিচ্ছেদ হৈ যে গৈছিল— সেই ঘটনাটোৱে বিন্দেশ্বৰৰ মনত এক শঙ্কাৰ সাঁচ বহুৱাই থৈ গ'ল। তাৰ ভাৱ হ'ল— ৰংদৈ আৰু জোনাকী দুয়ো তাৰ জীৱনৰ মাজ ভাগতে এৰি ক'ৰবালৈ নেযায়তো? নে সিহে দুয়োজনীকে এৰি যাব লাগিব? ধেৎ কি কথাবোৰে যে তাৰ মনত খেলাইছেহি। সি চোন শেষত দুয়োজনীকে নৈখন পাৰ কৰাত কৃতকাৰ্যতা লাভ কৰিলে। সেইটোৱা আকৌ কিহৰ ইঙ্গিত?

সেইদিনা বিন্দেশ্বৰহঁত সোনকালে কলেজৰ পৰা ঘৰলৈ ঘূৰিলে। আহি দেখে পানী বহুত কমিল। বিন্দেশ্বৰে দুভাগহৈ থকা ভুৰখন পাৰত গছত বগাই থকা বনৰীয়া লতাৰে টানকৈ বান্ধি ল'লে। তাৰপিচত সি সিহঁতৰ বহাৰ পিনে আগবাঢ়ি গৈ তাতে থৈ যোৱা লুৰমাৰি ডাল আনি তিনিও নিৰাপদে নৈখন পাৰ হৈ গাওঁ পালেগৈ। জোনাকীক এৰি বিন্দেশ্বৰ আৰু ৰংদৈয়ে ঘৰলৈ খোজ দিওঁতে বিন্দেশ্বৰে ভাঙি থকা

কথাখিনি ক'লে। অৱশ্যে সি জোনাকীও ওলোৱা কথা শুনি পেটে পেটে খুব ভাল পালে।

ক্ষন্তেক পিচতে জোনাকী আহি ৰংদৈক মাত দিলেহি। ৰংদৈয়ে সখীয়েকৰ মাজত পদূলিমূখলৈ আগবাঢ়ি গৈ তাইৰ লগ লাগিলেহি। জোনাকীয়ে পোনচাটেই দলঙৰ ৰাস্তাইদি খোজ লোৱাৰ বাবে ৰংদৈয়ে নিশ্চিত হ'ল যে, জোনাকীয়ে দলং ভঙাৰ কথাটো নেজানে। সেয়েহে ৰংদৈয়ে দলং ভঙাৰ কথাটো জোনাকীক জনালে। কথাটো শুনাৰ লগে লগে জোনাকীয়ে কলেজ যোৱা বাদদি ঘৰলৈ ঘূৰি যোৱা কথা ক'লে। এটা পোনপটীয়া চমু সিদ্ধান্ত। কিন্তু সিদ্ধান্তটো একপক্ষীয় আৰু অদূৰদৰ্শী যেন বোধ হ'ল— ৰংদৈৰ। তাই ঘপ্ কৰে কৈ উঠিল—

ঃ দলং নাই যদি ঘৰলৈ ঘূৰি যা! আজিহে ঘূৰি যাবি নে সদায়েই ঘূৰি যাবি? দলং কিবা এদিনতে পুনৰ হৈ উঠিব নেকি?

জোনাকীয়ে বুজিলে ৰংদৈয়ে তাই ঘৰলৈ ঘূৰি যোৱা সিদ্ধান্তটো সহজ ভাৱে ল'ব পৰা নাই। সেয়ে তাই নৰম সুৰত ক'লে—

ঃ না বাবা না। এদিনত দলং হৈ নুঠে বুলি মই জানো। ঘৰলৈও মই ঘূৰি নেযাওঁ। কিন্তু এতিয়া কৰো কি?

ঃ আমি কলৰ ভূৰেৰে পাৰহৈ যাম বুলি মনতে পাঙিছো। তই বা কি কৱ?

ঃ হ'ব তেন্তে। ময়ো তহঁতৰ লগতে পাৰ হম। পিছে ভাড়া-চাড়া লবি নেকি? ৰংদৈয়ে 'আমি' বোলা শব্দটোত যে জোনাকীৰ হিয়াৰ আমঠুটোও সোমাই আছে সেয়া জোনাকী নিশ্চিত হ'ল। সেয়েহে জোনাকীয়ে ৰগৰ কৰি পৰিস্থিতি পাতল কৰি ৰংদৈৰ মনটো জিনি ল'বলৈ সিহঁতৰ লগতে যোৱা কথাটো ক'লে।

ঃ ভাড়া লয় নে নলয় সেয়া ঘাতৈকে সুধি লবি। মই কিবা তোৰ নাৱৰীয়া নেকি? ৰংদৈয়ে মূখত হাঁহি বিৰিঙাই ভেঙুচালি কৰি জোনাকীক উদ্দেশ্যি কথাখিনি ক'লে।

ঃ তহঁতৰ পিছে যোৱাটো হৈছে নে নাই? যাৱ যদি আহ। মোৰ 'মেজৰ' ক্লাছটো গ'লেই চাগে! বিন্দেশ্বৰে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি চাঙৰ পৰা নামি আহি কথাখিনি ক'লে। তাৰ পিছত সি গোহালিত থোৱা বাঁহৰ লুৰ মাৰি ডাল হাতত লৈ পথাৰলৈ যোৱা ঘাটৰ পিনে আগবাঢ়িল।

আজিকালি বিন্দেশ্বৰে পথাৰলৈ যোৱা ঘাটত লুৰ মাৰিডাল ভূৰৰ লগত থৈ নাহে। তাত থৈ অহা মানে ঘাটত ভূৰ লগৰীয়া হোৱা। বিন্দেশ্বৰে খোজ দিয়াৰ লগে লগে ৰংদৈ আৰু জোনাকীয়েও তাৰ পিচে পিচে খোজ দিলে। বিন্দেশ্বৰৰ খোজত তাৰ লংপেণ্ট কোঁচাই লোৱা কলা ফুল দুটাৰ শিৰ দুটামানে অগাদেৱা কৰি উঠা-নমা



কৰিলে। ৰংদৈহঁতেও ৰাস্তাত বোকা-পানী থকাৰ বাবে মেখেলা চাদৰ দাঙি কঁকালৰ খোঁচনিত খোঁচ দি ল'লে। সিহঁতৰ বগা বগা মঙহাল ভৰিয়ে খোজৰ তালে তালে ৰাস্তাৰ ওপৰত নৃত্যৰত অৱস্থাত দুলিবলৈ ধৰিলে।

ঘাট পায়েই বিন্দেশ্বৰে দেখিলে পানী অলপ কমিছে। প্ৰথমতে সি নিজে ভূৰটোত উঠি লৈ দুয়োজনীকে লাহে লাহে উঠিবলৈ ক'লে। প্ৰথমতে জোনাকী উঠিল। তাৰ পিচত ৰংদৈ উঠি দিয়াত ভূৰ পানীত আধা সোমোৱাৰ দৰে হ'ল। এক অজান আশঙ্কাত ৰংদৈৰ মূখৰ পৰা এটা বিকট্ চিঞৰ অকস্মাতে ৰেলৰ উকিৰ দৰে ওলাল।

ভূৰটো পুৰণি হোৱাৰ বাবে বাঁহৰ ঠিলাবোৰ সোলোক-ঢোলোক হৈ পৰিছে। হ'লেও কুন্দিমামাক চিন্তি ভৰ বাৰিষাৰ নৈৰ বুকুত ভূৰ এৰি দিলে বিন্দেশ্বৰে। ভূৰ ক্ৰমান্বয়ে আগবাঢ়ি গৈ মূল সুঁতিত পালেহি। বিন্দেশ্বৰে আন্দাজতে লুৰ বাই থাকিল। মূল সুঁতিত লুৰ মাটি ঢুকি নোপোৱা অৱস্থা হ'ল। সেয়ে বিন্দেশ্বৰে সুঁতিৰে ভূৰ এৰি দি লুৰ ডালেৰে বঠাৰ দৰে বাই সিপাৰৰ পিনে লাহে লাহে অগ্ৰসৰ হ'বলৈ চেষ্টা চলাই থাকিল। কিন্তু চেষ্টা বিফল হোৱাৰ দৰে দেখি ৰংদৈ আৰু জোনাকীৰ মনত ভয় সোমাবলৈ ধৰিলে। মনৰ অস্থিৰতাৰ লগে লগে সিহঁতৰ শৰীৰবোৰো অস্থিৰ হৈ পৰিল। টুলুং ভুটুং অৱস্থাৰ সৃষ্টি হৈ লাহে লাহে বাঁহৰ ঠিলা ঢিলা হৈ সোঁত আৰু বিন্দেশ্বৰৰ লুৰ ডালৰ বিপৰীত হেঁচাত ভূৰটো দুভাগ হৈ গ'ল। বিন্দেশ্বৰ অকলশৰে আৰু সিটো ভাগত ৰংদৈ আৰু জোনাকী। সিহঁতে অকলশৰীয়া হৈ পৰাৰ বাবে ভয়ত চিঞৰ-বাখৰ লগাই দিলে।

অৱশেষত যেনিবা বিন্দেশ্বৰৰ প্ৰচেষ্টাত সকলোৱে নৈখন পাৰ হৈ যাবলৈ সমৰ্থ হ'ল। কিন্তু ৰংদৈ আৰু জোনাকী দুয়ো বিন্দেশ্বৰৰ পৰা একেখন ভূৰৰ যাত্ৰী হৈ নৈখৰ মাজ ভাগতে বিচ্ছেদ হৈ যে গৈছিল— সেই ঘটনাটোৱে বিন্দেশ্বৰৰ মনত এক শঙ্কাৰ সাঁচ বহুৱাই থৈ গ'ল। তাৰ ভাৱ হ'ল— ৰংদৈ আৰু জোনাকী দুয়ো তাৰ জীৱনৰ মাজ ভাগতে এৰি ক'ৰবালৈ নেযায়তো? নে সিহে দুয়োজনীকে এৰি যাব লাগিব? ধেৎ কি কথাবোৰে যে তাৰ মনত খেলাইছেহি। সি চোন শেষত দুয়োজনীকে নৈখন পাৰ কৰাত কৃতকাৰ্যতা লাভ কৰিলে। সেইটোৱা আকৌ কিহৰ ইঙ্গিত?

সেইদিনা বিন্দেশ্বৰহঁত সোনকালে কলেজৰ পৰা ঘৰলৈ ঘূৰিলে। আহি দেখে পানী বহুত কমিল। বিন্দেশ্বৰে দুভাগহৈ থকা ভূৰখন পাৰত গছত বগাই থকা বনৰীয়া লতাৰে টানকৈ বান্ধি ল'লে। তাৰপিচত সি সিহঁতৰ বহাৰ পিনে আগবাঢ়ি গৈ তাতে থৈ যোৱা লুৰমাৰি ডাল আনি তিনিও নিৰাপদে নৈখন পাৰ হৈ গাওঁ পালেগৈ। জোনাকীক এৰি বিন্দেশ্বৰ আৰু ৰংদৈয়ে ঘৰলৈ খোজ দিওঁতে বিন্দেশ্বৰে ভাঙি থকা

দলংখনৰ প্ৰয়োজনীয়তা বৰকৈ অনুভৱ কৰিলে। পিচ দিনাখন দেওবাৰ হোৱা বাবে বিন্দেশ্বৰে অনিলৰ লগত গোটখাই গাঁৱত এখন সভা পাতিবলৈ মনস্থ কৰিলে। উদ্দেশ্য গাঁৱৰ প্ৰত্যেক ঘৰৰ পৰা একোডালকৈ বাঁহ গোটাই লৈ দলংখন মেৰামতি কৰা। কথাটো অনিলে হয়ভৰ দিলে।

বিন্দেশ্বৰ গাঁৱৰ তথা সমাজৰ কামত সদায় আগৰনুৱা। ৰংদৈ যেনেকৈ গাভৰু জাকৰ মাজত গাঁৱত আগৰনুৱা ঠিক তেনেকৈ। ইফালে, বৰদেউৰী গাঁৱৰ মুৰব্বী। বাকী থাকিল— বৰদেউৰীয়নীহে। তাইৰ কিন্তু গাঁৱৰ বুঢ়ীকেইজনীৰ মাজত পাৰদৰ্শিতা সিমান উজ্বল নহয়। হ'লেও বৰদেউৰীয়নী বুলি তাইৰ সামাজিক স্থান নিম্ন নহয়। উচ্চ। সকলোৱে বৰদেউৰীয়নী বুলি মান-সন্মান যাচে। বুঢ়ীচামৰ মাজত বৰদেউৰীয়নীক 'আজলী বুঢ়ী' বুলিহে জনাজাত। বৰদেউৰীয়নীৰ বাবে সেইবোৰ বৰ ধৰিবলগীয়া কথা নহয়। তাইৰ মতে মানুহে কাম কৰিব লাগে। মিলা-প্ৰীতিৰে চুজেঁ-মকঁ[৫] খাব লাগে। বুজা-বুজিৰে থাকিব লাগে। কোন আগ, কোন পিচ বা কোন সৰু, কোন ডাঙৰ সেইবোৰৰ প্ৰশ্ন নাই। কিন্তু ৰংদৈয়ো সেইবোৰলৈ নাচায়। হলেও মাকজনীৰ বাবে তাইৰ চিন্তা। অন্য ঠাইলৈ বা গাৱঁলৈ বাদেই দিয়ক গাঁৱৰ ভিতৰলৈ ৰাইজৰ কামত বা সকামৰ কামত মাকজনী গ'লে ৰংদৈৰ মন ধুধূৰ হৈ থাকে। যেন মনৰ মোনাত কোনোবাই ডাঙৰ শিল এটাহে ভৰাই দিছে। সেইজনীক কিজানিবা কোনোবাই ককৰ্থনা কৰি অসন্মান কৰিছেই? বা কোনোবাই ঠগিছেই কিজানি! ইত্যাদি। কিন্তু ইমান চিন্তাৰ মাজতে দেখিছে— মাকজনী ঠিকে ঠাকে সন্ধিয়া ঘৰলৈ উভতি আহিছে— মুখত এমুকোৰা হাঁহি লৈ। অৱশ্যে নিছা কম বেচি পৰিমানে লাগি নহাকৈ নহয়। কেতিয়াবা নিছা লাগি আহে। আহিয়েই সেই নিত্য-নৈমত্তিক বক্তব্য— 'পিচাচি,[৬] মই চুঁজে খাই আহিছো দেই। মই এতিয়া তহঁতক কাম কৰি দিব নোৱাৰো। মই এতিয়া বিছনাতহে পৰিমগৈ।'

তেতিয়া ৰংদৈয়ে টানকৈ ভাত খাবলৈ ধৰিব লাগিব। খাতিৰ কৰি কব লাগিব— 'য়ং[৭] তই একো কৰি দিব নেলাগে। মোৰ মকঁ-জুবুৰা[৮] হৈয়েই আছে। তই হাত-মুখ ধুই মকঁ অলপ খাই শুই থাকগৈ'।

ৰংদৈয়ে মন কৰি আহিছে— মাকে হওঁক বা বাপেকেই হওঁক খঙৰ ভমকত নতুবা চুজেঁৰ নিছাত কিবা ক'লেও শেষত সিহঁতৰ মৰমৰ একেজনী 'পিচাচি'ৰ কথা

---

৫. চুজেঁ-মকঁ — মদ-ভাত
৬. পিচাচি — জী
৭. য়ং — মা
৮. মকঁ-জুবুৰা — ভাত-তৰকাৰী



কোনোদিনে সিহঁতে পেলোৱা নাই। মাক-বাপেকৰ এই আবুৰত ৰংদৈয়ে এক বুজাব নোৱাৰা মাদকতা লাভ কৰে। সাংসাৰিক জীৱনত সৃষ্টি হোৱা অকৃত্ৰিম প্ৰেমৰ মাদকতা।

ৰংদৈ আৰু বিন্দেশ্বৰো মাক বাপেক বুঢ়া হৈছে বুলি কোনোদিনেই আৱৰ্জনাৰ দৰে ব্যৱহাৰ কৰাৰ মানসিকতা গঢ়ি তোলা নাই। তেহেলৈ সিহঁতে এতিয়া কোনো উৎপাদশীলতাৰ দিশত অৰিহনা আগবঢ়াওকেই বা আগনবঢ়াওক। কাৰণ ৰংদৈহঁতে বুজে কাকিনি তামোলৰ পৰা কোনো দিনে তামোলৰ আশা নেথাকিলেও তাত টোকোৰা বা শালিকী চৰায়ে বাঁহ সাজিবলৈকে অন্তঃত সুযোগ পায়।

সন্ধিয়া বৰদেউৰীয়ে বিন্দেশ্বৰক সেইদিনা কিলৌবুঢ়াৰ ঘৰত ৰাতি 'পৰ' ৰাখিবলৈ বুলি পাছিলে। বিন্দেশ্বৰে যাওঁতে অনিলকো লগত লৈ গ'ল। সিহঁতৰ বাবে ভালেই হ'ল— বেলেগকৈ এদিন আলোচনা কৰাতকৈ 'পৰ' ৰাখিবলৈ ৰাতি কিলৌবুঢ়াৰ ঘৰত সকলো ডেকা গোট খাব যেতিয়া তাতে সিহঁতে অনুষ্টুপীয়াকৈ সিদ্ধান্ত ল'ব পাৰিব। কথামতে আলোচনা। 'পৰ' ৰাখি থাকোতেই সিহঁতৰ আলোচনা হৈ গ'ল। সিদ্ধান্ত হ'ল— গাঁৱৰ প্ৰত্যেক ঘৰৰ পৰা একোডালকৈ বাঁহ আনি পাচদিনাখন সিহঁতে হাতে কামে দলং বনোৱাত লাগি যাব।

বিন্দেশ্বৰে গমি চালে যে, গাৱঁৰ সকলো ডেকা ল'ৰা দলং ঘাটত গোট খোৱাৰ সম্ভৱনা কম। ইফালে সিদ্ধান্তটোও সকলোৱে গম পোৱা নাই। গম পালেও সমজুৱা কামত মানুহৰ সদায় পিচ হুহকা স্বভাৱ এটা আছেই। সেয়ে বিন্দেশ্বৰে বুদ্ধি এটা পাঙিলে। সি ঘোষণা কৰিলে যে, গাঁৱৰ গাভৰু জাকেও ডেকা জাকৰ লগত গৈ সমানে লাগি ভাগি দিব লাগে। ৰাজহুৱা কামত যিহেতু মতা-মাইকী বুলি কোনো প্ৰশ্ন নাই আৰু আহিব নোৱাৰে। বিপৰীত লিঙ্গ বিশেষকৈ ডেকা-গাভৰুৱে একেলগে গোট খোৱা ঠাইত মানুহৰ সমাগম অবাঞ্ছিত ভাবে বেচি হয় আৰু সেই শক্তিক যৌথ ভাৱে যি কোনো কাৰ্যত লগাই সফলতা অৰ্জন কৰিব পাৰিব বুলি বিন্দেশ্বৰে বিশ্বাস কৰে।

বিন্দেশ্বৰৰ বিশ্বাস যিহেতু অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত সেয়েহে সেই আলোচনাত সকলোৱে তাৰ প্ৰস্তাৱকে গ্ৰহণ কৰিলে। এটা গুলিত দুই চিকাৰ কৰাৰ উল্লাসত বিন্দেশ্বৰে দুপৰ নিশা কিলৌবুঢ়াৰ ঘৰৰ পৰা নিজৰ ঘৰলৈ বুলি খোজ দিলে। অনিলহঁতৰ ঘৰ পাৰ হৈয়েই বিন্দেশ্বৰে শুনিবলৈ পালে— এটা ফেঁচাৰ এক অদ্ভুত চিঞৰ। সি সচকিত হৈ পৰিল— চিঞৰটো বা কিহৰ আগজাননী!

● ● ●

## (৫)

পিচদিনাখন প্ৰথম কুকুৰা ডাক দিয়াৰ সময়তে গাঁৱৰ মাজত ৰাতিৰ এন্ধাৰ ফালি এটা চিঞৰ-বাখৰৰ সৃষ্টি হ'ল। ক্ষন্তেক বিৰতিৰ পিচতে সেই চিঞৰ-বাখৰ কান্দোনত পৰিণত হ'ল। বৰদেউৰীয়ে নিশাৰ এন্ধাৰতে বুজি উঠিল— সেই চিঞৰৰ উৎস আৰু সেই মৰ্মস্পদ কান্দোনৰ অৰ্থ। কান্দোনৰ অৰ্থত ম্ৰিয়মান হৈ বৰদেউৰীয়ে বিছনাতে বহি লৈ ক্ষন্তেক সময় মৌনভাৱে তিনিবাৰকৈ 'কুন্দিমামা'[1]ৰ নাম মুখৰ ভিতৰতে উচ্ছাৰণ কৰিলে। তাৰপিচত লাহে লাহে ঘৰৰ বাহিৰলৈ ওলাই আহিল।

অন্যদিনৰ দৰে হোৱাহেঁতেন বৰদেউৰীয়ে এই সময়তে কালু আৰু বিন্দেশ্বৰক পথাৰলৈ হাল নিবলৈ জগালেহেঁতেন। কিন্তু আজি আৰু সেয়া বৰদেউৰীয়ে প্ৰয়োজন বোধ নকৰি নিজৰ ভাগি পৰা মনটোক জোৰেৰে হেঁচা মাৰি ধৰি থাকিল। কিন্তু যিমানেই মনটোক নাকি লগাবলৈ চেষ্টা কৰিলে, সিমানেই মনটোৱে গৰাকীক লেং মাৰি উছাৎ মাৰি যাব ধৰিলে। বৰদেউৰীয়ে অনুভৱ কৰিলে— এই জীৱন যাত্ৰাৰ ষ্টেছনত এজন সতীৰ্থ নামি পৰিছে। তাৰমানে— বৰদেউৰীৰো বৰ্ত্তমান ষ্টেছন নাতিদূৰত আহি পাইছেহি। দুটামান ষ্টেছনৰ পিচতে নিজেও নামি পৰিব লাগিব! মনতে ভাৱিলে— তাৰ সতীৰ্থবোৰ চোন বিন্দেশ্বৰহঁতে সৰুতে এশৰ পৰা একলৈ ওলোটাকৈ নেওঁতা গোৱাৰ সংখ্যাৰ দৰে ক্ৰমে কমি আহিছে।

লাহে লাহে পাচ জোনাকৰ ধূসৰ পোহৰ উজ্বল হৈ আহিবলৈ ধৰিলে। বৰদেউৰীয়ে ঘৰৰ মিচ্চঁ[2]তে জুপুকা মাৰি বহি ল'লে। গাঁৱৰ মাজৰ পৰা দীঘলীয়া কুকুৰা ডাক দিয়াৰ মাত আহি বৰদেউৰীৰ কাণত সোমালেহি। কুকুৰাৰ ডাক শুনা পাই ঘৰৰ দক্ষিণত থকা বাঁহনি জোপাৰ চৰাই-চিৰিকতিবোৰ সাৰ পাই উঠিল। চৰাই-চিৰিকতিবোৰে নিজৰ ভিন ভিন মাত উলিয়াই পুৱাৰ আগমনৰ উদ্দেশ্যি এটা বেসুৰীয়া কোৰাছ গালে। শেষতীয়কৈ হ'লেও বৰদেউৰীহঁতৰ ঘৰৰ গজলীয়াটোৱে পাখি দুখনেৰে ঢপ্‌ঢপাই এটা দীঘলীয়া ডাক দিয়াত উজান দিলে। গজলীয়াটোৰ ঢপ্ ঢপনিত অকস্মাতে বিন্দেশ্বৰ সাৰ পাই উঠিল। সি উঠিয়েই পথাৰলৈ যাবলৈ বুলি খদমদম লগালে। তাৰ খদমদমত কালু আৰু ৰংদৈও সাৰ পাই উঠিল। বৰদেউৰীয়নীয়েও সাৰ পালে যদিও 'মাছৰ চিকুন মুৰা, টোপনিৰ চিকুন পুৱা' কথাটিৰ

১. কুন্দিমামা — দেউৰীৰ ইষ্ট দেৱ-দেৱী
২. মিচ্চঁ — ঘৰৰ মুকলি কোঠা



সাৰমৰ্মৰ আমেজেৰে চকু দুটা জপাই এনেয়ে বিছনাখনতে বাগৰ দি থাকিল।

বৰদেউৰীয়ে তেতিয়ালৈকে মিচ্চঙতে বহি আছিল। তেওঁৰ দৃষ্টি তেতিয়া আকাশৰ জোনা-তৰা দেশত আৰু মন জীৱন সমুদ্ৰত। এন্ধাৰ সৰ্বনাশী পোহৰৰ ৰজা বেলিৰ ক্ৰমশঃ আবিৰ্ভাৱৰ বাবে চুকে-কোণে থকা আন্ধাৰবোৰৰ লগতে আকাশৰ তৰাবোৰ এটি দুটিকৈ বিলীন হৈ যোৱাটো যেন এক জীৱন বৃত্তৰেই চানেকী— তেনে ভাৱ হ'ল বৰদেউৰীৰ। দুদিনমানৰ আগতে পূৰ্ঠ কাঁহীখনৰ দৰে ঘূৰনীয়া হৈ ওলোৱা জোনটিৰ এফাল যেন কোনোবাহে কাটি দিছে। সেয়াও যেন কমি যোৱা বয়সৰ জীৱন্ত দৃষ্টান্ত। আৰু......... নাই। বৰদেউৰীয়ে আৰু ভাৱিবলৈ এৰি দিলে।

বিন্দেশ্বৰ আৰু ৰংদৈয়ে উঠিয়েই নিজৰ নিজৰ কামত আগবাঢ়িল। কাম মানে- বিন্দেশ্বৰ হাল বাবলৈ আৰু ৰংদৈ ভঁৰালৰ পৰা ধান নমাই মাৰিবলৈ। সিহঁতে দেউতাকৰ নিৰ্বিকাৰ অৱস্থা দেখি তবধ মানিলে। অন্যদিনা হোৱাহেঁতেন ইমান দেৰিলৈকে শুই থাকিবলৈ কেতিয়াও নিদিলেহেঁতেন। কিবা গায়ে বেয়া নেকি বুলি সিহঁতে ভাৱি নিজৰ কামত অগ্ৰসৰ হ'ল। তেনেতে গুৰু গম্ভীৰ ভাৱে বৰদেউৰীয়ে ক'লে—

ঃ বাবু, ৰচোন গৰু নুখুলিবি। তই গাৱঁৰ ফালে আগবাঢ়ি যাচোন। পিচাচি, তয়ো ভঁৰালত নুঠিবিচোন। পিচৰাতি গাঁৱৰ মাজৰ পৰা চিঞৰ-বাখৰৰ লগতে কন্দা-কটা কৰা শুনা পাইছিলো। গ'লেই যেন পাওঁ। খবৰটোকে লৈ আহচোন।

কথাবোৰ শুনি বিন্দেশ্বৰ আৰু ৰংদৈৰ কিবা আখজা আখজা লাগিল। বিন্দেশ্বৰে ঘটনাটো উপলব্ধি কৰিব পাৰিলেও ৰংদৈয়ে ঘূনাক্ষৰেও কথাটোৰ তৎ ধৰিব নোৱাৰিলে। তাই হেবেঙীৰ দৰে ভেবা লাগি বিন্দেশ্বৰে যোৱা ফালে চাই থাকিল। বিন্দেশ্বৰে বাপেকৰ নিৰ্দ্দেশমতে তামোলবাৰী পাৰ হৈ অনিলহঁতৰ ঘৰ পাওঁতেই বিপৰীত ফালৰ অহা জিৎচিঙক লগ পাই গ'ল। জিৎচিঙক ঘটনাটোৰ বিষয়ে বিন্দেশ্বৰে সুধিব খুজোতেই সি উপযাচি মাত মাতিলে—

ঃ কাই বিন্দেশ্বৰ দেখোন? মমাই ৰজনচিঙে মোক খবৰটো দিবলৈহে পঠিয়াইছিল। তোক লগ পাই গ'লে যেতিয়া নেযাওঁ আৰু! তয়ে মমাই-পেই[3]ক খবৰটো দিবিগৈ।

ঃ পিচে কিমান সময়তনো হ'ল ঘটনাটো? বিন্দেশ্বৰে মনৰ খু-দুৱনি মাৰিবৰ বাবে জিৎচিঙক কথাটো সুধিলে।

ঃ ৰাতি প্ৰথম কুকুৰা ডাক দিয়াৰ অলপ পিচতে বোলে।

ঃ তাৰেমানে দেওবাৰ পৰিলে?

৩. মমাই-পেই — মোমাই-পেহী

ঃ অঁ পিচৰাতি যেতিয়া দেওবাৰেই পৰিলে। ভাল মানুহ ভাল দিনতে গ'ল। মই তেতিয়াহ'লে ঘূৰিলোহে। মই আকৌ সিপাৰত গৈ দাই মনিচিংহঁতৰ ঘৰতো খবৰ দিবগৈ লাগে বোলে।

জিৎচিঙৰ পৰা খবৰটো পায়েই বিন্দেশ্বৰে ঘৰলৈ ঘূৰি আহিল। ঘৰপায়েই সি বাপেকক খবৰটো জনালে। কালুৱে হালখতি বুলি জানি আনন্দতে কিৰিলি পাৰিলে। বিন্দেশ্বৰৰ ধমকনিতহে তাৰ বগা দাঁত কেইটা যেনিবা জাপ গ'ল। ঘটনাটোৰ খবৰ শুনি বৰদেউৰীয়নীয়েও বিছনাতে 'হে কুন্দি, হে কুন্দি' বুলি চিঞৰি উঠিল। আৰু লগে লগে ৰংদৈক ভঁৰালৰ দুৱাৰত কাপোৰ এখন ওলোমাই দিবলৈ ক'লে। মাকৰ আদেশত ততাতয়াকৈ ৰংদৈয়ে গামোচা এখনকে ভঁৰালৰ দুৱাৰত আঁৰি দিলেগৈ। সেয়া গাৱঁৰ মানুহ মৰাৰ এক পৰম্পৰাগত নিয়ম বুলিয়েই ৰংদৈহঁতে জানে। তাতোতকৈ বেচি ৰংদৈয়ে নেজানে।

সময় আগবঢ়াৰ লগে লগে কিলৌবুঢ়াৰ মৃত্যুৰ খবৰে গোটেই গাওঁখনকে ছানি ধৰিলে। পৰম্পৰাগত নিয়মানুসৰি গাঁৱৰ সকলোৱে এদিনৰ বাবে হালখতি কৰিলে। খবৰ নোপোৱাকৈ যোৱা হালোৱা বিলাকেও পিচত খবৰ পাই হাল পথাৰৰ পৰা ঘূৰাই আনিলে। দিনটোৰ বাবে সকালোৰে ভঁৰালৰ দুৱাৰত কাপোৰ ওলমিল। গোটেই গাওঁখনেই যেন পুৱা বেলাতেই মৃত্যু হ'ল— তেনে এটা গোমা পৰিবেশৰ সৃষ্টি হ'ল। ঘৰুৱা কাম-বনবোৰ মুহূৰ্ত্ততে স্থবিৰ হৈ পৰিল। সকলোৰে বিশ্বাস— মৰাশটো গাৱঁৰ বাহিৰলৈ উলিয়াই নিনিয়া পৰ্যন্ত গোটেই গাওঁখনেই চুৱা। গতিকে ঘৰৰ সকলো কাম-বন পেলাই থৈ সকলোবোৰ মানুহেই সেই ক্ষণলৈ বাট চাই ৰ'ল।

বৰদেউৰীয়ে আকাশলৈ চাই দেখিলে দিনটো ফৰকালেই হ'ব। বৰষুণৰ সম্ভাৱনা নাই। গতিকে মৃতকৰ সৎকাৰত বিশেষ অসুবিধা নহ'ব। চিতাৰ জুই জ্বলোৱাত মানুহবোৰৰ কষ্ট নহব অন্ততঃ। তাতে দিনটো দেওবাৰ। এটা ভাল দিনেই পৰিছে। স্কুল-কলেজৰ পৰা ধৰি অফিচ্-কাছাৰিও বন্ধ। গতিকে সকলো মানুহৰ বাবে অসুবিধাত পেলাই থৈ বুঢ়াই যোৱা নাই। কেৱল আৰু দুদিনমানৰ পিচত হোৱাহেঁতেনে যেনিবা ৰাইজে বেচি মুকলি মূৰীয়াকৈ মৃতকৰ পৰ্বণবোৰ পাতিব পাৰিলেহেঁতেন। অৰ্থাৎ খেতি উঠোৱাৰ শেষত। এতিয়াও ৰাইজৰ খেতি প্ৰায় শেষ স্তৰত। অৱশ্যে গাৱঁৰ দুই এঘৰৰ খেতি শেষ নোহোৱা নহয়। হৈছে।

বেলি হোৱাত মৃতকৰ ঘৰ গাঁৱৰ ৰাইজ তথা অঙহি বঙহিৰে ভৰি পৰিছে। দূৰ-দূৰণিৰ পৰা বংশৰ মানুহবোৰ আহি নোপোৱাত শটো কিছু দেৰিলৈকে ঘৰতে ৰাখিব লগা হৈছে। বেছি দেৰিকৈ ৰাখি থোৱা মানে গাৱঁৰ মানুহক কষ্ট দিয়া। বুঢ়াৰ ঘৈণী কাণী বুঢ়ীয়ে বুকু ভুকুৱাই ভুকুৱাই কান্দি কান্দি লেবেজান হৈ পৰিছে। মাত



দিবলৈ অহা লোকে বুঢ়ীক বুজাইছেহে বুজাইছে। বুঢ়ী কিন্তু অবুজন। চকুৰে নেদেখে যদিও বুঢ়ীয়ে নিজৰ বুঢ়া জনৰ ছবিকে অ'ত ত'ত দেখি আছে বোলে। সকলোৱে আহিয়েই বুঢ়ীক সেই একেই প্ৰশ্ন কৰিছে— ৰাতি কিমান সময়ত হ'ল? সেইসময়ত ওচৰত কোন কোন আছিল? যোৱা সময়ত কি কৈ গ'ল। ইত্যাদি। বুঢ়ীয়ে অতিষ্ঠ হৈ সকলোকে উত্তৰ দিব লগা হৈছে— 'প্ৰথম কুকুৰাই ডাক দিয়া সময়ত বুঢ়াই ক'লে যে তেওঁৰ হেনো ভাল হ'ল। তেওঁক বোলে ফুৰাবলৈ লৈ যাবলৈ বৃটিছে উৰাজাহাজ পঠিয়াই দিছে। মই ওচৰত বহি থকাৰ বাবে মোকে জোৰকৈ উঠাই দিবলৈ ক'লে। মই পাৰিলেহে উঠাবলৈ। ..........তাৰপিচত উৰাজাহাজত উঠি বুঢ়া অকলে ফুৰিবলৈ গ'ল........মোক এৰি থৈ........' বুলি বুঢ়ী হুকুহুকাই কান্দিবলৈ আৰম্ভ কৰি দিছে। তেতিয়া লগতে থকা মাইকী মানুহবোৰে বুঢ়ীৰ লগতে কন্দাত উজান দিয়ে। মতা মানুহবোৰে বুজাই বঢ়াই কান্দিবলৈ মানা কৰেহি। এজনে মাজতে ৰসিকভাৱে কৈছে— 'বুঢ়া উৰাজাহাজত ফুৰিবলৈহে গৈছে! তাকো বৃটিছৰ উৰা জাহাজ। এলা পেছা উৰামটৰ নহয়। তঁহতি ইয়াত এনেয়ে কন্দা-কটা খন লগাই আছ।' এজনে ধমকনিৰ সুৰত কৈছে— 'এই মাইকীমানুহবোৰৰ কন্দাৰ বাহিৰে একো কামেই নাই। কান্দিলে জানো বুঢ়া ঘূৰি আহিব? এতিয়া মৃতকৰ সৎকাৰৰ বাবে কাম-কাজবোৰ তদাৰক যে কৰিব লাগে সেইটো হ'লে হিচাপ নাই। মনে মনে থাকহঁত।'

কিলৌ বুঢ়াৰ মৃত্যুয়ে গাওঁখনৰ বাবে এটা দিশত শূন্যতাৰ সৃষ্টি কৰি থৈ নোযোৱা নহয়। বুঢ়াৰ ফুচুৰি কথাবিলাক গাঁৱৰ প্ৰতিজন মানুহৰ মনত সৰুৰ পৰা ডাঙৰলৈকে হাঁহিৰ খোৰাক যোগাইছিল। হাঁহিব জনা, হুহুৱাব জনা কিলৌবুঢ়াই মৃত্যুৰ মুহূৰ্ত্তলৈকে হাঁহি হাঁহি শেষত সকলোকে কন্দুৱাই বৃটিছৰ— উৰামটৰত স্বৰ্গলৈ যাত্ৰা কৰিলে। নিঠৰুৱা হ'ল— দহবছৰৰ আগতে দৃষ্টি শক্তি হেৰুওৱা বুঢ়াৰ ঘৈণী-মানিকী বুঢ়ী। যাক সকলোৱে এতিয়া ঘৰৰ খোঁটালীৰ চাৰিবেৰৰ মাজতে দিনৰাতি কটোৱা 'কাণী বুঢ়ী' বুলিয়ে জানে।

বেলি উঠি মূৰৰ ওপৰত আহি পোৱাত গাঁৱৰ ৰাইজে শটো সৎকাৰৰ অৰ্থে গাঁৱৰ বাহিৰলৈ লৈ দক্ষিণফালে নিলে। দক্ষিণফালে মানে বুঢ়াৰ নিজৰ নামৰ কাঠনি ফালে। হাতে হাতে দা-কোৰ, কাঠ লৈ ৰাইজ শটোৰ লগতে আগবাঢ়িল। শেষবাৰৰ বাবে মৃতকৰ ঘৰত কান্দোনৰ ৰোল হঠাতে বাঢ়িল। নিমিষতে দপ্‌দপ্‌কৈ জ্বলা চিতাৰ শিখাত বুঢ়াৰ দেহ বিলীন হৈ পৰিল। কিলৌবুঢ়া নামৰ মানুহজন গাঁৱৰ পৰা চিৰদিনৰ বাবে নাইকীয়া হ'ল।

বৰদেউৰীয়ে শটো গাঁৱৰ বাহিৰলৈ নিয়াৰ বাতৰি দিয়াতহে ৰংদৈহঁতে যেন কামৰ ওৰ বিচাৰি পালে। ঘৰে ঘৰে অন্যদিনৰ দৰে আকৌ কামবোৰ প্ৰাণ পাই

উঠিল। বাকী কামবোৰ ৰংদৈক চমজাই বৰদেউৰীয়নীয়ে মৃতকৰ ঘৰলৈ বুলি কিছুমান বস্তু যতনাই ল'লে। বস্তু মানে বাৰীৰে তামোল চাৰি/পাঁচ টা, পান কেইখিলামান, চাউল দুকাটামান আৰু চুজেঁ গুটি হিচাপে এক টেকেলি। মৃতকৰ ঘৰলৈ এনেকৈ গাঁৱৰ প্ৰতিঘৰ মানুহে 'দালি' নি দিয়াটো এই গাঁৱৰ পুৰণি নিয়ম। আনকি ওচৰৰ গাৱঁৰ মানুহবোৰে মৃতকৰ ঘৰলৈ মাত দিবলৈ আহোতেও পাৰ্যমানে হাতত 'দালি' লৈ অহাটো এটা সহানুভূতিৰ চিন বুলি গাৱঁৰ ৰাইজে ভাৱে।

বৰদেউৰীয়নীহঁতে মৃতকৰ ঘৰত গৈ পদাৰ্পন কৰা মানে শ্মাশানশাললৈ যোৱা মানুহবোৰ ঘূৰি আহিল। ঘূৰি আহিয়েই সিহঁতে তেল-পানী খাই ঘৰে ঘৰে পদুলিমুখত জ্বলোৱা জুইকুৰাত তিনিপাককৈ ঘূৰি গা-পা ধুই শুচি হৈ ল'লে। আবেলি হোৱাৰ পৰত সকলোৱে ভোজৰ বাবে মৃতকৰ ঘৰত আকৌ গোট খালেহি। বৰদেউৰীকো নিমন্ত্ৰণ কৰাত মৃতকৰ ঘৰত গৈ ভোজত ভাগ ল'লেহি। কিলৌবুঢ়াৰ ডাঙৰ ল'ৰা ৰজনচিঙে পিণ্ড ধৰিলে। মৃতকৰ চিতাত সাত জাপ খৰি দিয়াৰ বাবে মূঠ সাত দিন লঘোনে কটাব লাগিব বুলি ৰজনচিংহঁতে সাজু হ'ল। তাৰোপৰি তাৰ এইকেইদিন গাওঁ এৰি আতঁৰলৈ যোৱাও নিষেধ আহি পৰিল। পিণ্ড ধৰা লোকে হেনো লঘোনে থকা কেইদিন নদীপাৰ হ'ব নেপায়, লগতে যান-বাহনতো ভ্ৰমণ কৰিব নেপায়। সেইবোৰৰ গুড়াৰ্থ কি সিহঁতে নেজানিলেও বৰদেউৰীহঁতে সেয়া বিশ্বাস কৰে। গতিকে সিহঁতো নিৰুপায়।

আবেলি ৰাইজে ভোজ-ভাত খাই ঘৰা-ঘৰি গ'লগৈ। আঁতৰৰ গাঁৱৰ পৰা অহা মিতিৰ-কুটুমবোৰৰ কিছুমান বাৰিষাৰ দিন হোৱাৰ বাবে সিদিনাই গ'ল। বাকী কিছুমানে পিচদিনা যাবলৈ থাকিল। মুঠৰ ওপৰত ৰাইজৰ সহযোগত কিলৌবুঢ়াৰ মৃত্যুৰ লগত জড়িত পৰ্বণ সুকলমে পাৰ হ'ল।

বিন্দেশ্বৰহঁতৰ দলং বনোৱা কামটো গাঁৱৰ ঘটনাটোৰ বাবে পিচদিনালৈ স্থগিত কৰা হ'ল। পিচদিনা স্কুল-কলেজ খোলা হ'লেও সকলোৱে এদিন খতি কৰি সামূহিক কামত নিয়োজিত কৰিবলৈ বিন্দেশ্বৰহঁতে মনস্থ কৰিলে। কাৰণ, মৃতকৰ ঘৰতে সেইদিনা 'পাচনি' হিচাপে গাঁৱৰ সকলো ডেকা-গাভৰুৱে কাম কৰি দিবলগীয়াত পৰিল। বিন্দেশ্বৰে অৱশ্যে ভালেই পালে। সি দেখিলে যে, সেইদিনা যথেষ্ট ডেকা গাভৰু গোট খাইছে। গতিকে তাতে সিহঁতৰ দলং বনোৱাৰ সিদ্ধান্তটোৰ লগতে পিচদিনালৈ সকলোকে আহিবলৈ কবলৈহে যেন পুনৰ এটা সুযোগ পালে।

পিচদিনাখন গাঁৱৰ সকলো ডেকা-গাভৰুৱে ৰাতিপুৱাতে দলংখনৰ ওচৰত গোট খালেহি। সকলোৱে লাগি-ভাগি দলংখন আগবেলাতেই মেৰামতি কৰিলেগৈ। ৰাইজৰ হাতত পৰি নিমিষতে দলঙৰ ওপৰেদি পুনৰ অহা যোৱা কৰাৰ যোগসূত্ৰ সজীৱ হৈ উঠিল। সিহঁতে উপলব্ধি কৰিলে— 'ৰাইজে নখ জোকাৰিলেই নৈ বয়'



বোলা কথাষাৰ সঁচা। তাতে ডেকা-গাভৰুৰ মিশ্ৰিত ৰাইজ!

দিন উকলি যোৱাৰ লগে লগে সকলোবোৰ ঘটনাৰ দৰে কিলৌবুঢ়াৰ মৃত্যুয়েও মানুহবোৰৰ মনৰ পৰা ক্ৰমান্বয়ে মচ্ খাই যাবলৈ ধৰিলে। গাওঁখনত পুনৰ আগৰ পৰিবেশে গা কৰি উঠিল। গাঁৱৰ মানুহবোৰে নিজৰ নিজৰ কামৰ কাৰ্যসূচীৰ আখৰা কৰিবলৈ অভ্যস্ত হৈ পৰিল। উদাহৰণ স্বৰূপে— বৰদেউৰীহঁতৰ বিহুৰ লগতে সকাম-নিকাম কৰাৰ হিচাপ। পৰম্পৰাগত ৰীতি-নীতিক খামোছ মাৰি ধৰি ৰখাৰ অদম্য হেঁপাহ। সেইদৰে বিন্দেশ্বৰহঁত পুৰণি আৰু আধুনিকতাৰ চাকৈনৈয়াৰ প্ৰভাৱত ভাৰাক্ৰান্ত। ইফালে পূৰ্ব-পুৰুষ সকলৰ আকোৰ গোঁজ মনোভাৱেৰে পুষ্ট সামাজিক জীৱনৰ প্ৰতি তীব্ৰ অনুকম্পা। মাজতে ৰংদৈহঁত সাংস্কৃতিক, সামাজিক দিশত ৰক্ষণশীলতাৰ ধ্বজা স্বৰূপ। কিন্তু মানসিকভাৱে অস্থিৰতাত আক্ৰান্ত। পোৱা নোপোৱাৰ মাজত পৰিবৰ্ত্তনশীলতাৰ অন্তৰ্দ্বন্দৰে দগ্ধ। তেনেকৈয়ে চলি থাকিল— বৰদেউৰীহঁতৰ চিঁবাঁ গাওঁ।

সেইবিলাকৰ মাজতে গাওঁখনত চলি থাকিল— এটা অন্য জগত। সেয়া ডেকা-গাভৰুৰ নিজস্ব গোপন জগত। তাত বুঢ়া-বুঢ়ীৰ স্থান নাই। স্থান নাই সৰু ল'ৰা-ছোৱালীৰ। বিন্দেশ্বৰ-জোনাকীও সেইখন জগতৰে একো একোজন সদস্য যেতিয়া সিহঁতেও নিজৰ নিজৰ ভাও দি দিনচেৰেক নিয়ালে। ৰংদৈহঁত বি, এ শ্ৰেণীত নাম লগালে। বিন্দেশ্বৰে বি, এ, পাছ কৰি— টাউনত চাকৰি বিচাৰি যোৱা আৰম্ভ কৰিলে। দিনক দিনে তাৰ ইণ্টাৰভিউৰ চিঠিৰ জাপ বাঢ়িল, কিন্তু কামত হ'লে নাহিল।

ৰংদৈ— তাই কিন্তু দিনক দিনে বৰ ভাবুক হবলৈ ধৰিলে। তাইক যেন কিবা এটাই কলিজাটো খুলি খুলি খাইছে। সকলো পাইয়ো তাইযেন কিবা এটা পোৱা নাই। কিন্তু সেইটোনো কি তাই ভাৱি ভাৱি কেতিয়াবা পাৰাপাৰ নোপোৱা অথাই সাগৰৰ নাবিকৰ দৰে হাহাকাৰ কৰি উঠে। তাৰ মাজতে তাইক আন এটা চিন্তাই মূৰ ঘোলা কৰি তুলিছে। সেয়া হৈছে— গাওঁখনৰ চিন্তা। তলে তলে গা কৰি উঠা এটা শীতল যুদ্ধ। ধৰ্মৰ ভিত্তিত গঢ়ি উঠা মুৰী আৰু চৰকাৰীভাৱে নিযুক্তি প্ৰাপ্ত গাওঁ বুঢ়াৰ মাজত গা-কৰি উঠা সেই পাৰম্পৰিক প্ৰতিহিংসাৰ দাবানল।

সময় গতিশীল। সময় কাৰো বাবে কিঞ্চিতো নৰয়। দুখ-দৈন, হৰ্ষ-বিষাদ আদিয়ে সময়ক জানো কাহানিবা টলাব পাৰে? তেনেস্থলত ৰংদৈৰ অন্তৰাত্মাত চাটিফুটি কৰি থকা মানসিক চিঞৰত সময়ে জানো থমকি ৰ'ব? নাই। নিশ্চয় নৰয়। চিঁবা গাঁৱৰ ওপৰেদিও সেয়েহে সময়ে উৰা মাৰি গ'ল— কাৰো প্ৰতি ভ্ৰূক্ষেপ নকৰি।

● ● ●

# শেষ অধ্যায়

## (১)

দুৰ্গা পূজাৰ বতৰ। সৰু ল'ৰা-ছোৱালীৰ মনবোৰ বেলুনৰ দৰে উৰি ফুৰিছে। বেলুনৰ দৰে কিছুমান ল'ৰা-ছোৱালীৰ মন ফুলি উঠিছে। কিছুমানৰ ফুটিছে। শাৰদীয় পৰিৱেশে গোটেই জগতকে ছানি ধৰিছে। পুৱাৰ মিঠা ৰ'দ কাচলিয়ে নিয়ঁৰৰ ফেঁহুজালি চিৰাচিৰ কৰি ৰঙৰ ঢৌ খেলাইছে। নিয়ঁৰবোৰে জোনাকৰ দেশত ডাৱৰবোৰে খেলা কৰাৰ দৰে চৌদিশ আৱৰি ধৰিছে। সেইবোৰে ঢৌ খেলি খেলি পদূলিৰ দুয়োকাষে থকা কৃষ্ণচূড়া কেইজোপাৰ ডালে-পাতে বগাই মুকুতাৰ সৃষ্টি কৰিছে। তাতে পৰি বেলিৰ পোহৰে অসংখ্য সৰু সৰু ৰামধেনুৰ বজাৰ মেলিছে। সেইবোৰ যেন ল'ৰা-ছোৱালীৰ হাতে হাতে থকা পূজাৰ ৰং বিৰঙৰ বেলুনবোৰৰ লগতহে প্ৰতিযোগিতা। এক শীতল বতাহজাকৰ আগমনত স্থিৰে ৰৈ থকা নিয়ঁৰৰ মুকুতাবোৰ মূহুৰ্ত্ততে প্ৰাণ পাই উঠিল কোনোমতে সিহঁতে ডালে-পাতে খামোচ্ মাৰি ধৰি বতাহজাকৰ লগতে দুলি থাকিল। হঠাতে ক'ৰবাৰ পৰা শালিকা চৰাই এজনী উৰি আহি কৃষ্ণচূড়া এজোপাৰ ডালত পৰাৰ লগে লগে তাত দুলি থকা মুকুতাবোৰৰ পিঠিত পাখি গজি উঠিল। আৰু নিমিষতে সকলোবোৰ আত্মজাহ গ'ল। 'উঁই চিৰিঙাৰ পাখি গজে মৰিবৰ বাবে' কথাষাৰ মানুহজনীয়ে মুখৰ ভিতৰতে উচ্চাৰণ কৰি দুই ওঁঠত এটা শুকান নিৰাসক্ত হাঁহি বুলাই দিলে। মূহুৰ্ত্ততে তাই নিজকে সেই অকলশৰীয়া শালিকা চৰাইজনীৰ লগত ৰিজাবলৈ মন গ'ল।

গাঁৱৰ দিশৰ পৰা কাঠৰ দলংখন পাৰ হৈয়েই ঘৰটো। ঘৰটো বাংলো আৰ্হিৰ। শিলদিয়া ৰাস্তাৰ পৰা নামিয়েই ঘৰটোৰ পদূলি। ৰাস্তা চুই যোৱা পদূলিৰ দুয়োকাষে কেইজোপামান কৃষ্ণচূড়া গছ। কৃষ্ণচূড়া কেইজোপাৰ তলে তলে দুয়োকাষে শাৰী শাৰীকৈ ফুলনি বাৰী। বিধ বিধ ফুলৰ ৰং বিৰঙ আৰু সুগন্ধি ফুলৰ আকৰ্ষণত ৰাস্তাইদি অহা যোৱা কৰা পথিকে ৰৈ ৰৈ চাই যাবলগীয়া হোৱা পৰিবেশ। আটোমটোকাৰীকৈ ৰখা ঘৰ আৰু ফুলনি ডৰা যে মানুহজনীৰ অৰ্থাৎ মালিকনীৰ একান্ত প্ৰচেষ্টা আৰু সৃষ্টিশীল মনোবলৰ ওপৰত গা কৰি উঠিছে— সেয়া সকলোৱে একেমূকে স্বীকাৰ নকৰি নোৱাৰিব। মানুহজনীৰে অসাধাৰণ ব্যক্তিত্ব আৰু বিশাল অন্তৰৰ গৰাকী হোৱাৰ বাবে সকলো মানুহে তাইক সমীহ ও শ্ৰদ্ধা কৰি চলে। তাতে ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্তী কৃতি শিক্ষয়ত্ৰী।



আৰামী চকীখনত বহি বাৰান্দাতে মানুহজনীয়ে ঘৰটোৰ পদূলিত থকা ফুলনি ডৰালৈ চাই চাই দোকৃমোকালিতে আত্মবিভোৰ। মানুহজনীৰ চুলি দুই এডালত মৰাপাটৰ ৰঙে আকোঁৱালী লৈছে। সেন্দুৰীয়া গাল দুখনত বয়সৰ আঁচোৰ পৰিছে যদিও এটা কমনীয়তাৰ ভাৱ পৰিস্ফুত। মসৃন গাল-মূখত কোনোবা অখ্যাত শিল্পীৰ হাতৰ তুলিকাৰে যেন ৰেখা চিত্ৰ অঙ্কন কৰিবলৈ আৰম্ভ কৰি দিছে। উজ্বল চকুযুৰিৰ চাৱনি যিকোনো মূহুৰ্ত্ততে দৰদ কাঢ়ি নিব পৰা আকৰ্ষনেৰে বিজৰিত। গাত মেৰিয়াই লোৱা এস্নডাৰী কৰা এড়িয়া কাপোৰখনে মানুহজনীৰ ব্যক্তিত্ব আৰু গাম্ভীজ্যতা বঢ়াই তুলিছে। মানুহজনীৰ যোৱা ৰাতিৰ পৰা এটা ভিতৰি ভিতৰি মৃদু জ্বৰ। শাৰীৰিক অসুস্থতাৰ বাবে মানসিক স্থিতিও দোৰ্দুল্যমান। তাই বাৰে বাৰে মনৰ অস্থিৰতাৰ পৰা আঁতৰি থাকিবলৈ যত্ন কৰি আছে। কিন্তু পৰা নাই। সেয়া আজিহে যে হৈছে— তেনে নহয়। শৰীৰৰ অসুস্থতাৰ গইনা লৈ এনে মানসিক অস্থিৰতাবোৰে তাইক প্ৰায়ে আহুত কৰি আহিছে। তাই সেয়ে আজিও অশেষ চেষ্টা কৰিও মনৰ মায়াবী উৰাজাহাজেৰে অতীতৰ বুকুলৈ উলটি নোযোৱাকৈ থাকিব নোৱাৰিলে..........।

* * * * * * *

— সেয়া কিমান বছৰৰ আগৰ কথা হ'ব বাৰু? দহ........ বিশ.......ত্ৰিশ.....? অঁ ত্ৰিশ বছৰ মানৰ আগৰ কথা। কথা মানে ঘটনা। মানুহ এঘৰৰ বাবে সিমানবোৰ ঘটনা যে একেলগে আহিব পাৰে— সেয়া ভূক্তভোগী সকলেহে প্ৰকৃততে বিশ্বাস কৰিব। মানুহে এনেয়ে নকয়— 'বিপদ অকলে নাহে।' কিন্তু সিমানবোৰ বিপদনো ক'ত থুপখাই আছিল— তাই বুজাই নাছিল। বুজিবলৈও চেষ্টা কৰা নাছিল। তাইৰ বাৰু কি নাছিল? কিন্তু মানুহ গৰাকীৰ সকলো থাকিও আজি অকলশৰীয়া। অঁতো, অকলশৰীয়া বুলি নেভাৱি সেই সৰু-ছোৱালীজনীক তাই বাৰু কোনসতে ডাঙৰ-মানুহৰ শাৰীৰ থব? আজি তাই সেইজনীৰ আশাতেই যে জীয়াই আছে— সেইটোও উপলব্ধি নকৰা নহয়। কৰে। পাখিলগা কঁাড়ৰ দৰে সময়ৰ গতিত তাইৰ বয়স বাঢ়িছে যদিও মানুহজনীৰ বাবে তাই কনমানি হৈছে আছে!

মানুহজনীৰ মানসপটত দিবা-সপ্ন হিচাবে ধৰা দিয়া ঘটনাবোৰ তাইৰ ঘৰৰ চোতালত থকা কৃষ্ণচূড়া কেইজোপাৰ বয়সতকৈ আগৰ। উপৰ্যুপৰি হোৱা ঘটনাৱলীৰ সন্তাপত তাই টিকিব নোৱাৰি উফৰি পৰিল— জীৱনৰ চাকৈনৈয়াত। পৰিত্যক্ত হ'ল— জীৱনৰ সোণালী অতীত। ৰং ৰহইচ্‌ৰে ভৰা জীৱন হৈ পৰিল— দুখ যন্ত্ৰণাৰ বাকৰি। তাৰপিচতহে এই ঘৰখন আৰু ঘৰটো।

সকলোবোৰ কথাই আজি মানুহজনীৰ মনত দাপোনৰ দৰে জলজল পট্ পট্‌কৈ জিলিকি উঠিছে। তিলতিলকৈ শেষ হৈ যোৱা সেই বাস্তৱ জীৱন আজি নিজৰ জীৱন্ত কালতেই সপোনৰ দৰে হৈ পৰিছে। বাৰে বাৰে তাইৰ মনলৈ আজি প্ৰশ্ন আহিল— তাইৰ বাৰু কি নাছিল? কোনোবা সুদৰ্শন পাহুৱাল ডেকাক মোঁহিব পৰা ৰূপ-যৌৱন? অপ্ৰত্যাশিত

ভাৱে হোৱা সুখ-দুখৰ সমভাগী হ'বলৈ আৰু মুখ মেলি মেলিই সহাঁৰি পাবলৈ মনৰ মা-দেউতা? কথাৰ প্ৰতি সহাঁৰি হাত আগবঢ়াবলৈ শৈশৱৰ সন্ধে সুলভ ককাইদেউ? হয় হয় ..। এই সকলোবোৰ আছিল। মাক-দেউতাকৰ মৰম সনা দৰদী কোনোও ডাঙৰ দীঘল হোৱা মানুহজনীৰ মৰমৰ ককায়েকো এজন আছিল। আৰু ........... আৰু এই সকলোবোৰৰ মাজতে নদন-বদন এখন ঘৰো আছিল। কিন্তু হাঁয় কপাল। সেই সকলোবোৰ কালৰ কুটিল চাকৈনৈয়াত পৰি ছিন্ন-বিচ্ছিন্ন হৈ গ'ল। যেন এখন ফট্‌ফটীয়া কাচ মুহূৰ্ত্তে পকাত পৰি থানবান হৈ গ'ল। তাৰে ছিটিকি যোৱা কাচৰ ভঙা টুকুৰাবোৰ মাথো মানুহজনীয়ে বুটলি লৈ এখন নতুন কাচৰ সৃষ্টিত ব্ৰতী হৈ পৰিছে। কিন্তু তাই ভাগৰি পৰিছে। সেয়ে তাইৰ মনত নানা প্ৰশ্নৰ উদয় হৈছে। তাই বাৰু এই জীৱন যুদ্ধত জিকি জিকি হাৰিল নেকি? নে তাইৰ এয়া ভাগ্যৰেই দশা? তাইৰ বাৰু কোনখিনিত কেনা লাগিল? কোনসতে তাই চকুপানী আজি ৰুদ্ধ কৰিব? চকুপানী বৈ বৈ এক নিৰাসক্ত শুকান হ্ৰদৰ দৰে হোৱা চকুযুৰি পুনৰ উজ্বল হৈ কেতিয়া উঠিব?

ঘে... ৰে...... ট.......... ঘেৰেট.........

মানুহজনীৰ দিবা স্বপ্নক বাধা প্ৰদান কৰি এখন গাড়ী আহি ঘেৰঘেৰাই পদূলি মুখত 'গাড়ী ৰখা ঠাই' বুলি লিখা আঁহত জোপাৰ তলত এখন্তেক ৰ'লহি। ক্ষন্তেকৰ বাবে তাইৰ দৃষ্টি থমকি ৰ'ল। গাঁৱৰ ফালৰ পৰা টাউনলৈ যোৱা প্ৰথম গাড়ী। গাড়ীখনত পূজা চাবলৈ যোৱা যাত্ৰীৰে পৰিপূৰ্ণ। গাড়ীখন আহি পোৱাৰ লগে লগে দলংপাৰ চেন্টাৰে যেন সাৰ পাই উঠিল। দুজনমান যাত্ৰী উঠিল। কোন কোন আছিল তাই মনদি চোৱাহেঁতেন হয়তো চিনি পালেহেঁতেন। কিন্তু তাই তাকে নকৰিলে।

গাড়ীখন যোৱাৰ লগে লগে মানুহজনীৰ মনটো আকৌ দিবা স্বপ্নৰ হেৰুৱা আঁত বিচাৰি উৰা মাৰিলে..........

...... মাঘ বিহুৰ আগে আগে থিক। তাই লগৰ সখীয়েকজনীৰ লগত কিলৌ কাঠনিত পেঁৰ' কুচিৰি [1] গোটাই ফুৰিছিল। য়মাহাকু, জুঁৰ', কৰৌ-কৰৌ, হঁৰকটা, দেপাইতিতা, জিজিৰিং আদি নানা বৰনীয়া গছৱনৰ সন্ধানত সিহঁত দুয়োজনী পিট্‌পিটাই ফুৰিছিল। সময়নো কেতিয়া ভৰ দুপৰীয়া হৈছিল সেয়া সিহঁতে গমকে পোৱা নাছিল। বেলি গৈ মূৰৰ ওপৰত উঠাত তাইৰ মাকে গাভৰু জীয়েকৰ চিন্তাত সিহঁতক বিচাৰি হাবিলৈ সোমাই গৈছিলহে— তাতে অকস্মাতে পিচাচি [2] মৰিলো ঐ, মোক সাপে খালে ঐ........' বুলি চিঞৰা সিহঁতে শুনিবলৈ পালে। চিঞৰ শুনি দুয়োজনীয়ে হাবি-ভাঙি দৌৰি আহি পাইহিমানে মাকজনী ক'লা বৰণ ধৰি লেবেজান হৈ চিং হৈ পৰি আছে। ইফালে সিফালে চাই সিহঁতে দেখিলে এটা চক্ৰফেটী সাপে লাহে লাহে সিহঁতৰ ওচৰৰ পৰা কিলৌবুঢ়াৰ মৰিশালীফালে আগুৱাই গৈছে। সিহঁতে

১. পেঁৰ' কুচিৰি — মদ বনোৱা পিঠা
২. পিচাচি — জী



বুজি পালে যে, বিষাক্ত ফেটী সাপৰ খোঁটত বুঢ়ীজনী মাটিত ঢলি পৰি ক্ৰমে অচেতন হৈ যাবলৈ ধৰিছে। দুয়োজনীয়ে আথে-বেথে ধৰি আনি ঘৰ পোৱাইহিমানে মাকজনীৰ প্ৰাণবায়ু উৰি গ'ল। গাঁৱৰ বিদেচিং বেজে বিহলঙনীৰে জাৰি জাৰি বিফল হ'ল। অন্য বেজৰ বাবেও মৰাশটোকে দুদিনমান ৰাখিলে। কিন্তু কামত হ'লে নাহিল। গাঁৱৰ সকলোৱে ঘটনাটোৰ বাবে 'হাঁয়, হাঁয়' কৰি হুমুনিয়াহ কাঢ়িলে। ককায়েক দেউতাকৰ লগতে তায়ো প্ৰথমবাৰৰ বাবে এটা অপ্ৰত্যাশিত ঘটনাৰ মুখা-মুখীহৈ বোবা হৈ পৰিল। কান্দি কান্দি চকুলোৰ নৈ বোৱাই দিছিল। কিন্তু তাই গুচি যোৱা মাকক পুনৰ ঘূৰাই নেপালে। বুকু উদং কৰি চিৰদিনৰ বাবে মৰমৰ মাকজনী বহুদূৰলৈ গুচি গ'ল।

.......... তাৰপিচত কিমান দিননো? মাকৰ সৎকাৰৰ বাবে কটা ঘৰৰ চোতালৰ কৃষ্ণচূড়া জোপাৰ পাতবোৰেই চাংগে ভালকৈ শুকোৱা নাছিল। তাতে আহি পালে— মাঘ বিহু। মাঘৰ বিহুত ৰাতি মেজি জ্বলাৰ লগতে দাউ দাউ কৈ আৰু এটা ঘৰ জ্বলিল। ভেলা ঘৰ নহয় তাইৰ নিজৰ ঘৰ। ককায়েক যেনিবা সেই ৰাতি লগৰ ডেকা চামৰ লগত মেজি ঘৰত থকাৰ বাবে বাছিল। তাইৰো একো হানি বিঘিনি নোহোৱাকৈ কুন্দিমামাৰ আশীৰ্বাদত বাছিল। কিন্তু তাইৰ দেউতাক? তাই ইমান চিঞৰিলে 'দেউতা, দেউতা.......... ঘৰত জুই জ্বলিছে.......... তই ওলাই আহ।' চিঞৰ ৰাতিৰ পৃথিৱী কঁপাই তুলি জুইৰ শিখাত মিলি গ'ল। কিন্তু তাই দেউতাকক টলাব কোনোমতে নোৱাৰিলে। মাথো ঘৰৰ ভিতৰৰ পৰা গুৰু গম্ভীৰ স্বৰ জুইৰ ফিৰিঙতি আৰু ধোঁৱা ছাইৰ লগত ভাহি আহিল— 'পিচাচি......... তই চিন্তা নকৰিবি। সিহঁতৰে জয়ী হওঁক। মই হাৰি হাৰি জিকিম। মই মৰি মৰি জীয়াই থাকিম........। হে ....দৰমৰজা কুন্দি। ন দুগজু....... দুগজু। আঁ চিমি........ চিমি........' তাইৰ সন্মুখতে দেউতাকৰ দহন। নিমিষিতে জুইৰ শিখাই গোটেই ঘৰটোকে গ্ৰাস কৰি পেলালে। ককায়েকে দৌৰি আহি পাইহিমানে গোটেই ঘৰ জ্বলি ভষ্মীভূত হোৱাৰ পথত। পৰিবেশ জীয়া মানুহ পোৰাৰ অকতা অকত গোন্ধ। মানুহবোৰ নিৰুপায় হৈ যি যেনেকৈ পাৰে পানী-বালি ছটিয়াইছে। সি গৈ পোৱাৰ লগে লগে মানুহবোৰে তাক গৱা মাৰি ধৰিলে। ককায়েকে সেইবোৰ কেৰেপ নকৰি সকলোকে ওফৰাই জ্বলি থকা ঘৰৰ ভিতৰত সোমাই পৰিল কিন্তু— তেতিয়ালৈ একো বাছি থকা নাছিল। অনিল আৰু মোহনে তাক পুনৰ ধৰি আনি জুইৰ পৰা বচালে। হ'লেও জ্বলি থকা খুঁটা এটা অকস্মাতে হাউলি আহি বিন্দেশ্বৰৰ সোঁ গালত পৰাৰ বাবে দাগ এটা বহিল। তাৰ পিচত তাই কব নোৱাৰে। আনকি তাই কান্দিবলৈকো পাহৰি গ'ল। এটা ভীষণ মানসিক আঘাতৰ তাই চিকাৰ হ'ল।

.... তাৰপিচত খুউব কম দিনৰ ভিতৰতে তাই যেতিয়া সুস্থ হৈ উঠিল তেতিয়া তাই গাঁৱৰ ৰাইজৰ মুখত বু....বু বা... বা শুনিবলৈ পালে। বোলে বুঢ়াই বুঢ়ীৰ সন্তাপত নিজেই ঘৰত জুই লগাই মৰিল। কিছুমানে বুঢ়াৰ ৰক্ষনশীল মনোভাৱৰ কথা দোহাৰিলে।

নিজৰ ধৰ্মৰ প্ৰতি গোড়ামী ভাৱ থকাৰ বাবে তেনে অৱস্থা হ'ল বুলি কিছুমানে ক'লে। আধুনিক যুগৰ প্ৰত্যাবানত টিকিব নোৱাৰি বুঢ়াই পলায়নবাদী ভাৱ ল'লে বুলি কিছুলোকে মন্তব্য আগবঢ়ালে। কিছুমানে আকৌ ঘটনাটো কোনোবাই অন্যায়ৰ আশ্ৰয়েৰে বুঢ়াক পোতক তুলিলে বুলি কব বিছাৰে। তাই কিন্তু এই সকলোবোৰ নীৰৱ দৰ্শকৰ দৰে কেৱল শুনিছে আছিল।

ককায়েকে কিন্তু ঘটনাটো অন্য ধৰণেহে ল'লে। কোনোবা শত্ৰুৱে দেউতাকৰ প্ৰতিপত্তি আৰু সামাজিক প্ৰস্থিতিৰ প্ৰতিহিংসাভাৱ কৰি ঘটনাটো ঘটাইছে। তাৰ ভিতৰত নতুনকৈ নিযুক্তি পোৱা গাঁৱৰ বলি গাওঁবুঢ়াৰ ল'ৰা মিদিকে সি সন্দেহ কৰে। কথাটো অসত্য নাছিল। সঁচাই আছিল। তাই ককায়েকক তথাপিও যুক্তিৰে বহুত বাধা দিছিল। কিন্তু সি ডেকা তেজৰ বাহুবল আৰু আত্ম সন্মানৰ যুক্তিৰে প্ৰতি হিংসাৰ দাবানলত জ্বলি পুৰি পাগলৰ দৰে হৈ পৰিছিল। সি মনতে ইমান দৃঢ় প্ৰতিজ্ঞাবদ্ধ হ'ল। সি এদিন তাইৰ আগতে তাৰ সোঁ গালৰ পোৱা দাগটোত ধৰি শপত খালে যে সি তাৰ প্ৰতিশোধ লবই ল'ব। সেইদিন ধৰি তাইৰ যে ক'ত চিন্তা। ককায়েকটোৱে বা কোনদিনা কি কৰি পেলায়! ঘৰৰ নামত বৰ্ডিঙতে কোবাদিনো চাটি-ফুটি অকলশৰে ককায়েকৰ হক চিন্তি দিন পাৰ কৰিছিল।

মাঘ বিহুৰ পিছত অকলশৰীয়া ভাৱটো আৰু বেচি আমনি কৰিলে তাইক। সেয়ে তাই ককায়েকক এটা প্ৰস্তাৱ দিবলৈ মনস্থ কৰিলে। লগতে ককায়েকৰ প্ৰতিশোধৰ ভাৱটো কমেই কিজানি! ইমান দিনে ভালপোৱা ছোৱালী এজনী তাতে গাঁৱতে আছে যেতিয়া-- তাইকে ককায়েকে বিয়া পাতিব। তাইৰ অকলশৰীয়া ভাৱটোও নাইকীয়া হ'ব লগতে.....। ভৱামতে প্ৰস্তাৱ। ককায়েকে কিন্তু বৰ্ডিঙত থাকি লোকৰ ঘৰৰ ন-ছোৱালী এজনী ঘৰত সুমুৱাবলৈ গেঁৰো-গেঁথোখন লগাইছিলে। কিন্তু এমাহৰ ভিতৰতে উপৰ্যোপৰি পাৰহৈ যোৱা ধুমুহাৰ মাজত এটা নতুন আশাৰে ৰেঙনি সৃষ্টি কৰিবলৈকে কথাটো ককায়েকে হয়ভৰ দিলে। অসুবিধা বুজি তাৰ লগত অনিলহঁতে এদিন আহি বৰ্ডিঙৰ পিচফালে চাং তুলি এটা সৰু পাকঘৰ সাজি দিলেহি। তাৰ পিচদিনাখনেই ককায়েকে নবৌয়েকক ঘৰ সুমুৱালেহি। বিয়া কৰাই নহয়। পলুৱাই আনি। তাইয়ো কথাটো নেমানি নোৱাৰিলে। পৰিবেশ-পৰিস্থিতিৰ চিকাৰ হৈ কিমান যে নিজৰ ৰুচি-অভিৰুচিক জলাঞ্জলি দিব লগা হয়-- কথাটো তাই যোল্ল অনাই বুজে। নহ'লেনো নিজৰ ককায়েকৰ বাবে ধুমধামেৰে বিয়া পাতি ন-কন্যাক আদৰিবলৈ বাৰু কোনজনী ভনীয়েকে আশা নকৰে? তায়ো কৰিছিল। কিন্তু তেতিয়া আৰু সেইপৰিৱেশৰ দিন নহয়। তেতিয়া ঘৰখন নকৈ সজোৱাৰ ওপৰতহে গুৰুত্ব দিয়া উচিত--- তাই ভাৱে।

এসপ্তাহমান দিন ভালেই গ'ল। তাই নবৌয়েকৰ স'তে যদিও গাভৰু কালৰ সখীয়েক আছিল তথাপি নবৌয়েক হিচাপে সন্মান, শ্ৰদ্ধা ও মৰম পাইছিল। লগতে তাইয়ো। উৰলি যোৱা ঘৰখন সজীৱ হৈ উঠিল। বিহুৰ পিছত কলেজ খোলাৰ বাবে তাই কলেজলৈ যোৱা আৰম্ভ কৰিলে। নবৌয়েকে পঢ়া বাদ দি গঢ়া কামত লাগিল। সেইদিনাই আছিল..........



সোঁ সেই দিনাই.........। সেই লম্পট মিদিয়ে অন্য গাঁৱৰ গুণ্ডা দুজনমানৰ লগ লাগি তাইক কলেজৰ পৰা ঘৰলৈ অহা বাটত অকলে পাই অসৎ ব্যৱহাৰ কৰিছিল। তাই কোনোমতে নিজৰ সৎসাহসৰ বলত একো নোহোৱাকৈ বাচিছিল। কেৱল চাদৰখন পিন মাৰি থোৱা ঠাইত অলপ ফাটিল। ফাটক সেয়া তাই আকৌ চিলাই লব পাৰিব-- তাইৰ দেহাটো নেফাটিলেই হ'ল! তাই ঘটনাটো কাকো নকয় বুলিয়েই ভাৱিছিল প্ৰথমতে। কিন্তু-- নবৌয়েকৰ চকুত ধৰা পৰি গ'ল। কাৰণ-- তিৰোতা মানুহে তিৰোতা মানুহৰ মনৰ কথা বুজে। নবৌয়েকক কথাটো তাই ককায়েকক নকবলৈ মানা কৰিছিল। মাইকীমানুহৰ পেটত কথা নৰয় বুলি জানি তাই নিজৰে ওপৰত খং উঠিছিল। নবৌয়েকে গধূলিয়েই ককায়েকৰ আগত ঘটনাটো কোৱাত সি দেও লগা মানুহৰ দৰে কঁপি উঠিল। তৎমুহূৰ্ত্ততে তাৰ বাওঁহাতৰ আঙুলি অজানিতে সোঁগালত সেই জুয়েপোৱা ঠাই টুকুৰাত উঠিল। সি খণ্ডত একো নাই হৈ বৰ্ডিঙৰ এচুকত ওলোমাই থোৱা দীঘল দাখন লৈ গাঁৱৰ মাজেৰে দৌৰি গ'ল। তাই আৰু নবৌয়েকে উপায়হীন হৈ কেৱল আটাহ পাৰি চিঞৰিবলৈ ধৰিলে। তাৰপিচত.......... সি ঘূৰি আহিল। এজন শান্ত-শিষ্ট সৰু ল'ৰাৰ দৰে। হাতত সেই একেই দীঘল দা। আৰু দাখনত কেঁচা তেজৰ দাগ। ভালকৈ চাই দেখে-- তাৰ হাত ভৰি, পিন্ধি যোৱা গেঞ্জী আৰু চুৰিয়াত ছিটিকি পৰা তেজৰ দাগ! ............ তাৰ পিচত..........তাৰ পিচত.........সি সিহঁতৰ মুখলৈ অসহায়ভাৱে চাই হুকহুকাই কান্দিছে........ সৰু ল'ৰাৰ দৰে। পিছমুহূৰ্ত্ততে সি কন্দা বন্ধ কৰি কঁপি কঁপি ক'বলৈ ধৰিলে--- 'মই সেই লম্পট মিদিক শেষ কৰি থৈ আহিছো। মই আজি....... মই আজি প্ৰতিশোধ পুৰণ কৰিলো। হা.....হা.......হা......হা......' তাৰপিচত তাৰ আঙুলি আকৌ সেই সোঁ গালৰ দাগটোত নাচিবলৈ ধৰিছিল।

তাইৰ আকৌ এবাৰ কন্দাৰ পাল। এইবাৰ কন্দাৰ লগতে ভয় ভাৱ মিশ্ৰিত অনুভূতি। লগতে নবৌয়েকৰো। কাৰণ পুলিচে যিকোনো মূহুৰ্ত্ততে ঘৰত ওলাবহি পাৰে। তাতে গাওঁ বুঢ়াৰ ল'ৰা। এনেয়েই গাওঁ বুঢ়াই গাঁৱৰ চাৰি দেউবীৰ দ্বাৰা পৰিচালিত পূজাৰী বৃন্দৰ ৰাইজমেলত বিতুষ্ট। গতিকে পুলিছ অহাটো খাটাং।

....... তাৰ পিচত সঁচাই এদিন পুলিছ আহিল। ককায়েকক ধৰি নিলে। বিচাৰ চলিল। আচামী পক্ষৰ টং টং পথাৰত মাটি বিক্ৰী গ'ল। বলি গাওঁবুঢ়াৰ হাতী এটা বিক্ৰী গ'ল। কৰ্ট-কাছাৰি দৌৰি দৌৰি অৱশেষত গাওঁবুঢ়াই জিকিল। ককায়েকে বিচাৰকৰ কাঠ গড়াত থিয় হৈ নিজ মুখে মিদিৰ হত্যাকাণ্ডটোৰ কথাটো স্বীকাৰ কৰিলে। বিচাৰকে দোষীক ফাঁচিৰ হুকুম কৰিলে। তাৰপিচত....... নবৌজনী গাভৰুতে বিধৱা হ'ল। লগতে তাইয়ো নিঠৰুৱা হ'ল।

........ তাৰ পিচত দিন আগবাঢ়িল। তাই উপায়হীন হৈ বি, এ, পঢ়া বাদ দিলে। আৰু সেই ভেটিতে এখন এল, পি, স্কুল স্থাপন কৰি গাঁৱৰ ল'ৰা-ছোৱালীক পঢ়াবলৈ আৰম্ভ কৰিলে। গতিকে তাই তাতেই শান্তি। কিন্তু নবৌয়েকক লৈহে তাইৰ চিন্তা। সেই অৱস্থাত মানুহ জনীকনো কেনেকৈ মনৰ শান্তি আনি দিব তাই? নবৌয়েকক এৰিনো তাই যাব ক'লৈ?

তাতে ককায়েকে নবৌয়েকৰ গাত এটা লেঠা লগাই থৈ গৈছে। অন্যহাতে নবৌয়েকেও তাইক বিয়াৰ কথা নোকোৱা নহয়। কৈছিল। কিন্তু তাইৰ এটাই কথা– ভাগিন এজনীৰ মুখ চোৱা। আৰুনো কিমান দিন? তাৰপিচত কি হয় তাই চাব বাৰু।

পাখিলগা সময় দিন মাহ পাৰহোৱাৰ লগে লগে তাই সঁচাই এজনী মৰমলগা ভাগিন পালে। দেখাত নাকটো বাপেকৰ দৰে আৰু চকুযুৰি তাৰ মাকৰ দৰে অৰ্থাৎ নবৌয়েকৰ দৰে। দুয়োজনীয়ে বহুদিনৰ মূৰত এটা শান্তিৰ সমল বিচাৰিহে যেন পালে। দুখ-যন্ত্ৰণাত পৰি পুৰণি ঘটনাবোৰ মনত পৰিলেও কেচুৱাটোৰ অকৃত্ৰিম অবুজ মৰমে সকলোবোৰ মূহুৰ্ত্ততে পাহৰাই পেলায়।

ইফালে ভাল ৰিজাল্ট কৰাৰ বাবে তাইৰ স্কুলখনো চৰকাৰীকৰণ হ'ল। গতিকে এটা সময় স্কুলখনেত তাই কটাবলগীয়াত পৰিল। কথাৰ প্ৰসঙ্গতে তাই নবৌয়েকক পুনৰ বিয়াত সুমুৱাৰ কথা উত্থাপন কেতিয়াবা নকৰা নহয়। তাই প্ৰথমতে সমৰ্থন নকৰিছিল যদিও পিচলৈ মনে মনে থকা কৰিছিল। অন্যহাতে নবৌয়েকেও তাইৰ বিয়াৰ কথা উনুকিয়ায় যদিও তাই হাঁহি ৰগৰ কৰি কথাটো উৰুৱাই দিছিল। দিন বাগৰাত কেচুৱাটো ডাঙৰ হ'বলৈ ধৰিলে। এটা সময়ত নাম এটাও পালে— ইবাঁচি। ইবাঁচি স্কুললৈ যাব পৰা হলত পেহীয়েকৰ লগতে স্কুললৈ অহা-যোৱা কৰিলে। মুঠৰ ওপৰত ইবাঁচিয়ে মাকৰ লগত থকাতকৈ পেহীয়েকৰ সান্নিধ্যহে বেচি বিছৰা হ'ল। ইবাঁচিৰ মাকৰ কামৰ ভিতৰত ঘৰুৱা কাম-বনবোৰ তাৰ লগতে গাঁৱৰ বোৱা-কটা সমবায় সমিতিৰ কামত মাজে সময়ে ঘূৰা, ইত্যাদি।

সেইকেইদিনৰ ভিতৰতে তাইৰ ওচৰলৈ বহুতে বিয়াৰ প্ৰস্তাৱ দিবলৈ আহিছিল— বিভিন্ন ঠাইৰ পৰা। কিন্তু তাই কাৰো প্ৰস্তাৱ গ্ৰহণ নকৰিলে। কেৱল অগ্ৰাহ্য-অগ্ৰাহ্য। নবৌয়েকেও জোৰ দি নধৰাকৈ থকা নাছিল। ধৰিছিল। কিন্তু তাইক মনাব নোৱাৰিলে। অৱশেষত এদিন ডিব্ৰুগড়ৰ পৰা মানুহ এজন আহিল। টেঙাপনীয়া খেলৰ দেউৰী মানুহজন অলপ বয়সীয়াল হ'লেও দেখাই-শুনাই শান্ত-শিষ্ট। সেই সময়ত তাই স্কুলৰ পৰা ওলাই আহি ঘৰৰ ভিতৰত কাপোৰ সলাইছেহি। মানুহজনৰ পিচতে নবৌয়েকে টাউনৰ পৰা সমবায় সমিতিৰ কাম কৰি উলটি আহি পদূলি গচকিছেহি। মানুহজনে ঘৰত কাকো দেখা নেপাই শেষত নবৌয়েকক দেখা পাই ভোল গ'ল। নবৌয়েকক মাষ্টৰণী বুলি ভাবি মানুহ জনে পোনচাটেই প্ৰস্তাৱ এটা আগবঢ়ালে। অৱশ্যে দেখাতটো নবৌয়েক বেছ নিপোটল আৰু ধুনীয়া। তাই লাজুকীয়াভাৱে আলহীক আদৰ-সাদৰ কৰি আলপৈছান ধৰিলে। পিচত প্ৰকৃত মাষ্টৰণীজনী ঘৰৰ ভিতৰতে ওলোৱাত মানুহজনৰ ভ্ৰম ভাঙিল। কিন্তু মন নুঘুৰিল। নানা ধৰণৰ কথা-বতৰাৰ পিচত মাষ্টৰনীয়েই আগ-ভাগ লৈ মানুহজনক প্ৰকৃত কথাটো জনোৱা হৈছিল। কিন্তু মানুহজনে নবৌয়েকৰ মতামতৰ বাবে উদ্গ্ৰীব হৈ ৰ'ল। নবৌয়েকো কোনো আপত্তি নকৰাত মানুহজনে নবৌয়েকৰ স'তে সম্পৰ্ক স্থাপন কৰিবলৈ ৰাজী হ'ল।

আলোচনা মতে কাম। অৱশ্যে ইবাঁচি কোনো মতেই মাকৰ লগত যাবলৈ ৰাজী



হ'ল। নতুন বাপেকজনো বিষয়টোত একো আপত্তি নকৰাত ইবাঁচি পেহীয়েকৰ লগতে থাকি গ'ল।

নবৌয়েকক এঘৰলৈ পুনৰ উলিয়াই দিয়াৰ পিচত তাইৰ নিজকে মুকলি মুকলি লাগিল। তাই গোটেই ঘৰৰ চৌহদটোকে স্কুলৰ নামত দান দি গাঁৱৰ বাহঁৰ দলঙৰ সিপাৰে এটুকুৰা মাটি কিনি ল'লে। তাতে এই ঘৰ। লগত ইবাঁচি। জীৱনৰ ঘাট-প্ৰতিঘাটত উটি বুৰি নগৈ নিজৰ স্থিতিতে অটল হৈও কিমান যে ঘটনাৰ সোৱাদ ল'ব লগা হ'ল। বহুজনক জীৱনৰ বাটত লগ পাইয়ো আকৌ হেৰুৱাই অকলশৰীয়া জীৱনকে আঁকোৱালী ল'ব লগা হ'ল। এতিয়া লাগে মাথো শান্তি, অকনমান শান্তি। কলেজত পঢ়োতে ক'ৰবাত তাই পাইছিল– 'জীৱনত এটি দিন আনন্দত মতলীয়া হ'বলৈ হ'লে বোলে বনভোজ খাবলৈ যাব লাগে; এসপ্তাহমান দিন আনন্দ উপভোগ কৰিবলৈ হ'লে বোলে বিয়া পাতিব লাগে; আৰু চিৰদিনৰ বাবে সুখ-শান্তি বা আনন্দৰ বাবে ফুলনিবাৰী পাতিব লাগে।' আজি তাই সেই সূত্ৰৰ আধাৰতেই জীৱনত নতুনকৈ শান্তি প্ৰতিষ্ঠা কৰিবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰিছে।

জীৱনৰ এই আঠৈকুৰি বছৰ কেতিয়ানো পাৰ হৈ গ'ল– তাই তলকিবই নোৱাৰিলে। অৱশ্যে পৰিবৰ্ত্তনো কম খন নোহোৱা নহয়। বহুত হৈছে। বাহঁৰ দলংখনৰ সলনি দেখোন এতিয়া কাঠৰ দলং। কেঁচা ৰাস্তাটোও গ্ৰেভেল দিয়া ৰাস্তা হ'ল। দলংপাৰ বুলি এটা বাছ ৰখা চেণ্টাৰ গঢ়ি উঠিল। ইয়াতনো এনেকৈ দোকান-বজাৰ বহিব বুলি কোনে ভাৱিছিল? গাওঁখনলৈ হয়–নহয় ইলেক্ট্ৰিক লাইন গ'ল। লাইন লোৱা নোলোৱাতো গাঁৱৰ মানুহৰ কথা। কিলৌ বুঢ়াৰ কাঠনি গুচি এতিয়া মুকলি হ'ল। তাত দুই চাৰিঘৰ মান ঘৰ বহিল। টং টং পুখুৰীত সেই গোনা ম'হবোৰে বোকা পানী লেটি ল'বলৈ পুখুৰীটোৱেই নাইকীয়া হ'ল। গাঁৱৰ বাহঁৰ চাংঘৰবোৰ এঘৰ দুঘৰকৈ পকা ঘৰেৰে ভৰি পৰিছে। দুই এঘৰলৈ টি, ভি, আহিল। অৱশ্যে ধৰ্ম-বিশ্বাসৰ বাবে দেওঘৰটো আগৰদৰেই আছে। তাত এতিয়াও অসংখ্য ছাগলী, কুকুৰা বলি পৰে। অন্যহাতে কেইবছৰমানৰ আগতে কাৰোবাৰ প্ৰৰোচনাত পৰি আবেগৰ বশৱৰ্তী হৈ নামকীৰ্ত্তনীয়া হোৱা দুই এঘৰ পুনৰ 'কুন্দিমামা'ৰ শৰনাগত হোৱা ঘটনাও নঘটা নহয়। ঘটিছে। গাঁৱৰ চেনেহ এৰিব নোৱাৰি মৰি ডিক্ৰুং নৈ খনো তাৰ গতিৰেই বৈ আছে। তাৰমানে মানুহবোৰৰ সমাজ-সাংস্কৃতিক দিশতকৈ যান্ত্ৰিকীকৰণ প্ৰক্ৰিয়াটো দ্ৰুতগতিত ধাৱমান হৈছে। তাইৰ ভাৱ— এই দুয়োটা সমাহাৰত আগুৱাই নিব পৰা নাযাবনে বাৰু?

............ পিচৰ প্ৰজন্মটোক তেতিয়াহ'লে বহুত কিবাকিবি শিকাবলগীয়া আছে। পেহীয়েকৰ আদৰ্শৰে অনুপ্ৰাণিত ইবাঁচি সমাজবিজ্ঞানী হ'ব। তাৰ বাবে ইবাঁচি ইতিমধ্যে ফিলচফী বিষয়টো মেজৰ হিচাপে বাছি লৈছে। বি, এ, শ্ৰেণীত পঢ়া কলেজীয়া ছোৱালীজনীক পেহীয়েকে এতিয়াও সৰু ছোৱালী ৰূপতেই দেখে। ইবাঁচিক পেহীয়েকৰ জীৱনৰ আধৰুৱা কামবোৰ পুনৰ আৰম্ভ কৰিবলৈ দায়িত্ব দিয়াটো গভীৰ ভাৱে চিন্তা কৰিলে।

তাতে ককায়েকে নবৌয়েকৰ গাত এটা লেঠা লগাই থৈ গৈছে। অন্যহাতে নবৌয়েকেও তাইক বিয়াৰ কথা নোকোৱা নহয়। কৈছিল। কিন্তু তাইৰ এটাই কথা— ভাগিন এজনীৰ মুখ চোৱা। আৰুনো কিমান দিন? তাৰপিচত কি হয় তাই চাব বাৰু।

পাখিলগা সময় দিন মাহ পাৰহোৱাৰ লগে লগে তাই সঁচাই এজনী মৰমলগা ভাগিন পালে। দেখাত নাকটো বাপেকৰ দৰে আৰু চকুযুৰি তাৰ মাকৰ দৰে অৰ্থাৎ নবৌয়েকৰ দৰে। দুয়োজনীয়ে বহুদিনৰ মূৰত এটা শান্তিৰ সমল বিচাৰিহে যেন পালে। দুখ-যন্ত্ৰণাত পৰি পুৰণি ঘটনাবোৰ মনত পৰিলেও কেচুৱাটোৰ অকৃত্ৰিম অবুজ মৰমে সকলোবোৰ মূহুৰ্ত্ততে পাহৰাই পেলায়।

ইফালে ভাল ৰিজাল্ট কৰাৰ বাবে তাইৰ স্কুলখনো চৰকাৰীকৰণ হ'ল। গতিকে এটা সময় স্কুলখনেত তাই কটাবলগীয়াত পৰিল। কথাৰ প্ৰসঙ্গতে তাই নবৌয়েকক পুনৰ বিয়াত সুমুৱাৰ কথা উত্থাপন কেতিয়াবা নকৰা নহয়। তাই প্ৰথমতে সমৰ্থন নকৰিছিল যদিও পিচলৈ মনে মনে থকা কৰিছিল। অন্যহাতে নবৌয়েকেও তাইৰ বিয়াৰ কথা উনুকিয়ায় যদিও তাই হাঁহি ৰগৰ কৰি কথাটো উৰুৱাই দিছিল। দিন বাগৰাত কেচুৱাটো ডাঙৰ হ'বলৈ ধৰিলে। এটা সময়ত নাম এটাও পালে— ইবাঁচি। ইবাঁচি স্কুললৈ যাব পৰা হলত পেহীয়েকৰ লগতে স্কুললৈ অহা-যোৱা কৰিলে। মুঠৰ ওপৰত ইবাঁচিয়ে মাকৰ লগত থকাতকৈ পেহীয়েকৰ সান্নিধ্যহে বেচি বিছৰা হ'ল। ইবাঁচিৰ মাকৰ কামৰ ভিতৰত ঘৰুৱা কাম-বনবোৰ তাৰ লগতে গাঁৱৰ বোৱা-কটা সমবায় সমিতিৰ কামত মাজে সময়ে ঘূৰা, ইত্যাদি।

সেইকেইদিনৰ ভিতৰতে তাইৰ ওচৰলৈ বহুতে বিয়াৰ প্ৰস্তাৱ দিবলৈ আহিছিল— বিভিন্ন ঠাইৰ পৰা। কিন্তু তাই কাৰো প্ৰস্তাৱ গ্ৰহণ নকৰিলে। কেৱল অগ্ৰাহ্য-অগ্ৰাহ্য। নবৌয়েকেও জোৰ দি নধৰাকৈ থকা নাছিল। ধৰিছিল। কিন্তু তাইক মনাব নোৱাৰিলে। অৱশেষত এদিন ডিব্ৰুগড়ৰ পৰা মানুহ এজন আহিল। টেঙাপনীয়া খেলৰ দেউৰী মানুহজন অলপ বয়সীয়াল হ'লেও দেখাই-শুনাই শান্ত-শিষ্ট। সেই সময়ত তাই স্কুলৰ পৰা ওলাই আহি ঘৰৰ ভিতৰত কাপোৰ সলাইছেহি। মানুহজনৰ পিচতে নবৌয়েকে টাউনৰ পৰা সমবায় সমিতিৰ কাম কৰি উলটি আহি পদূলি গচকিছেহি। মানুহজনে ঘৰত কাকো দেখা নেপাই শেষত নবৌয়েকক দেখা পাই ভোল গ'ল। নবৌয়েককে মাষ্টৰণী বুলি ভাৱি মানুহ জনে পোনচাটেই প্ৰস্তাৱ এটা আগবঢ়ালে। অৱশ্যে দেখাতটো নবৌয়েক বেছ নিপোটল আৰু ধুনীয়া। তাই লাজুকীয়াভাৱে আলহীক আদৰ-সাদৰ কৰি আলপৈছান ধৰিলে। পিচত প্ৰকৃত মাষ্টৰণীজনী ঘৰৰ ভিতৰতে ওলোৱাত মানুহজনৰ ভ্ৰম ভাঙিল। কিন্তু মন নুঘুৰিল। নানা ধৰণৰ কথা-বতৰাৰ পিচত মাষ্টৰনীয়েই আগ-ভাগ লৈ মানুহজনক প্ৰকৃত কথাটো জনোৱা হৈছিল। কিন্তু মানুহজনে নবৌয়েকৰ মতামতৰ বাবে উদ্গ্ৰীব হৈ ৰ'ল। নবৌয়েকো কোনো আপত্তি নকৰাত মানুহজনে নবৌয়েকৰ স'তে সম্পৰ্ক স্থাপন কৰিবলৈ ৰাজী হ'ল।

আলোচনা মতে কাম। অৱশ্যে ইবাঁচি কোনো মতেই মাকৰ লগত যাবলৈ ৰাজী



হ'ল। নতুন বাপেকজনো বিষয়টোত একো আপত্তি নকৰাত ইবাঁচি পেহীয়েকৰ লগতে থাকি গ'ল।

নবৌয়েকক এঘৰলৈ পুনৰ উলিয়াই দিয়াৰ পিচত তাইৰ নিজকে মুকলি মুকলি লাগিল। তাই গোটেই ঘৰৰ চৌহদটোকে স্কুলৰ নামত দান দি গাঁৱৰ বাহঁৰ দলঙৰ সিপাৰে এটুকুৰা মাটি কিনি ল'লে। তাতে এই ঘৰ। লগত ইবাঁচি। জীৱনৰ ঘাট-প্ৰতিঘাটত উটি বুৰি নগৈ নিজৰ স্থিতিতে অটল হৈও কিমান যে ঘটনাৰ সোৱাদ ল'ব লগা হ'ল। বহুজনক জীৱনৰ বাটত লগ পাইয়ো আকৌ হেৰুৱাই অকলশৰীয়া জীৱনকে আঁকোৱালী ল'ব লগা হ'ল। এতিয়া লাগে মাথো শান্তি, অকনমান শান্তি। কলেজত পঢ়োতে ক'ৰবাত তাই পাইছিল— 'জীৱনত এটি দিন আনন্দত মতলীয়া হ'বলৈ হ'লে বোলে বনভোজ খাবলৈ যাব লাগে; এসপ্তাহমান দিন আনন্দ উপভোগ কৰিবলৈ হ'লে বোলে বিয়া পাতিব লাগে; আৰু চিৰদিনৰ বাবে সুখ-শান্তি বা আনন্দৰ বাবে ফুলনিবাৰী পাতিব লাগে।' আজি তাই সেই সূত্ৰৰ আধাৰতেই জীৱনত নতুনকৈ শান্তি প্ৰতিষ্ঠা কৰিবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰিছে।

জীৱনৰ এই আঢ়ৈকুৰি বছৰ কেতিয়ানো পাৰ হৈ গ'ল— তাই তলকিবই নোৱাৰিলে। অৱশ্যে পৰিবৰ্ত্তনো কম খন নোহোৱা নহয়। বহুত হৈছে। বাহঁৰ দলংখনৰ সলনি দেখোন এতিয়া কাঠৰ দলং। কেঁচা ৰাস্তাটোও গ্ৰেভেল দিয়া ৰাস্তা হ'ল। দলংপাৰ বুলি এটা বাছ ৰখা চেণ্টাৰ গঢ়ি উঠিল। ইয়াতনো এনেকৈ দোকান-বজাৰ বহিব বুলি কোনে ভাৱিছিল? গাওঁখনলৈ হয়—নহয় ইলেক্ট্ৰিক লাইন গ'ল। লাইন লোৱা নোলোৱাতো গাঁৱৰ মানুহৰ কথা। কিলৌ বুঢ়াৰ কাঠনি গুচি এতিয়া মুকলি হ'ল। তাত দুই চাৰিঘৰ মান ঘৰ বহিল। টং টং পুখুৰীত সেই গোনা ম'হবোৰে বোকা পানী লেটি ল'বলৈ পুখুৰীটোৱেই নাইকীয়া হ'ল। গাঁৱৰ বাহঁৰ চাংঘৰবোৰ এঘৰ দুঘৰকৈ পকা ঘৰেৰে ভৰি পৰিছে। দুই এঘৰলৈ টি, ভি, আহিল। অৱশ্যে ধৰ্ম-বিশ্বাসৰ বাবে দেওঘৰটো আগৰদৰেই আছে। তাত এতিয়াও অসংখ্য ছাগলী, কুকুৰা বলি পৰে। অন্যহাতে কেইবছৰমানৰ আগতে কাৰোবাৰ প্ৰৰোছনাত পৰি আবেগৰ বশৱৰ্তী হৈ নামকীৰ্ত্তনীয়া হোৱা দুই এঘৰ পুনৰ 'কুন্দিমামা'ৰ শৰনাগত হোৱা ঘটনাও নঘটা নহয়। ঘটিছে। গাঁৱৰ চেনেহ এৰিব নোৱাৰি মৰি ডিক্ৰং নৈ খনো তাৰ গতিৰেই বৈ আছে। তাৰমানে মানুহবোৰৰ সমাজ-সাংস্কৃতিক দিশতকৈ যান্ত্ৰিকীকৰণ প্ৰক্ৰিয়াটো দ্ৰুতগতিত ধাৱমান হৈছে। তাইৰ ভাৱ— এই দুয়োটা সমাহাৰত আগুৱাই নিব পৰা নাযাবনে বাৰু?

............ পিচৰ প্ৰজন্মটোক তেতিয়াহ'লে বহুত কিবাকিবি শিকাবলগীয়া আছে। পেহীয়েকৰ আদৰ্শৰে অনুপ্ৰাণিত ইবাঁচি সমাজবিজ্ঞানী হ'ব। তাৰ বাবে ইবাঁচি ইতিমধ্যে ফিলচফী বিষয়টো মেজৰ হিচাপে বাছি লৈছে। বি, এ, শ্ৰেণীত পঢ়া কলেজীয়া ছোৱালীজনীক পেহীয়েকে এতিয়াও সৰু ছোৱালী ৰূপতেই দেখে। ইবাঁচিক পেহীয়েকৰ জীৱনৰ আধৰুৱা কামবোৰ পুনৰ আৰম্ভ কৰিবলৈ দায়িত্ব দিয়াটো গভীৰ ভাৱে চিন্তা কৰিলে।

তেতিয়াহ'লে তাইৰ নাম ইবাঁচি ৰখাতকৈ নিজৰ নামৰ আগৰ অংশ অৰ্থাৎ 'ৰং' বুলি মাতিলেহে খাপ খাই পৰিব নেকি........... 'পেহীটি, ৰাতিপুৱাতে তই ক'ত অকলে বাহিৰত বহি আছহি? দুৰ্গা পূজাত দেৱীক সেৱা কৰিবলৈ নেযাৱ নেকি? .........' বুলি হঠাৎ ইবাঁচিয়ে হাতত এটা ৰং বিৰঙৰ বেলুন লৈ ঘৰৰ ভিতৰৰ পৰা ওলাই আহি পেহীয়েকৰ ওচৰত বহিলেহি। সম্বিৎ ঘূৰাই মানুহজনীয়ে লাহে লাহে চকুৰ পৰা হাতেৰে চচ্‌মা যোৰ গুচাই ইবাঁচিলৈ একেথৰে চাই ল'লে। যেন প্ৰথম বাৰৰ বাবেহে তাই ইবাঁচিক দেখা পালে— সেই চাৱনীৰে। মানুহজনীৰ দুগালেদি চকুপানীৰ নিজৰা বৈ গৈ ইতিমধ্যে শুকাই খৰখৰীয়া হৈ গৈছে। তাই ভালেই পালে। অন্ততঃ ইবাঁচিৰ সন্মুখত তাইৰ দুৰ্বল মূহুৰ্ত্তটো ধৰা নপৰিল।

এই মূহুৰ্ত্তত মানুহজনীৰ মুখত 'ৰং' নামৰ শব্দটো ওঁঠতে লাগি আছিল। কিন্তু তাই অশেষ চেষ্টা কৰিও মুখেৰে সেই শব্দটো উচ্চাৰণ কৰিব নোৱাৰিলে। বুকুত সাহস গোটাই সেপ্ গিলি শব্দটো উচ্চাৰণ কৰিবলৈ ধৰোতেই কাঠৰ গেট খুলি এজন পিয়ন সিহঁতৰ পদূলি লৈ সোমাই আহি চাইকেলৰ টিলিঙা বজালেহি। টিলিঙাৰ মাত শুনি ইবাঁচিয়ে দৌৰি গৈ চিঠি এখন লৈ 'পেহীটি তোৰ চিঠি আহিছে, ল এইয়া' বুলি চিঠিখন পেহীয়েকৰ হাতত তুলি দিলেহি। মানুহজনীয়ে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি চচ্‌মাযোৰ পুনৰ চকুত লগাই গুৰু-গম্ভীৰ ভাৱে চিঠিখনৰ খামৰ ওপৰত চকু ফুৰালে—

প্ৰতি,

শ্ৰীযুক্তা ৰংদৈ দেউৰী, *শিক্ষয়ত্ৰী*
চিঁৰাঁ গাওঁ, দলংপাৰ চেণ্টাৰ।
জিলা- লক্ষীমপুৰ, অসম।

মানুহজনীয়ে নিজৰ নামৰ চিঠি বহুত দিনৰ মূৰত পাই আলফুলে হাতত তুলি ল'লে। আখৰ খিনি তাইৰ চিনাকি চিনাকি লাগিল। পিচত চিঠিখনৰ বাওঁ কোণত সৰুকৈ 'ডিব্ৰুগড়, অসম' বুলি লেখি থোৱা দেখিহে তাই নিশ্চিত হ'ল যে, সেয়া জোনাকীৰ চিঠি। তাৰমানে নবৌয়েকে সিহঁতক পাহৰি যোৱা নাই! জীয়াৰী কালৰ তাইৰ সখীয়েক আৰু পিচলৈ তাইৰ নবৌয়েক জোনাকীয়ে তাইক পাহৰি যোৱা নাই! অৱশ্যে পাহৰি যাব কিয়? লগত যে ককায়েক-বৌয়েকৰ সাক্ষী স্বৰূপে ইবাঁচি আছে। অঁ ইবাঁচি। লগে লগে এটা মৃদু হাঁহি ৰংদৈৰ দুই ওঁঠৰ ওপৰেদি বাগৰি গ'ল। ইবাঁচিয়ে লক্ষ্য কৰিলে— কুঁৱলী ফালি ওলোৱা সূৰুযৰ দৰে পেহীয়েকৰ মূখত বিৰিঙি উঠিছে এটা প্ৰত্যয় ভৰা কোমল হাঁহি। বহুত দিনৰ অন্তত অকস্মাতে পেহীয়েকৰ মূখত হাঁহি দেখি ইবাঁচিয়েও হাঁহিত হাঁহি মিলাই দিলে।

**সমাপ্ত**